# সাহিত্য সৌৰভ

## (উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি)

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ**

**SAHITYA SOURABH:** *A textbook of Assamese MIL for class H. S. 2nd year (New Syllabus) prepared according to National Curriculum Framework (NCF) 2005, edited by the Editorial Board (Assamese), on behalf of Assam Higher Secondary Education Council and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.*

***FREE TEXTBOOK***

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, ২০১০

**প্ৰথম প্ৰকাশ ঃ**
মাৰ্চ, ২০১১
**পঞ্চম প্ৰকাশ ঃ**
মে', ২০১৬
**(সংশোধিত আৰু পৰিবৰ্ধিত সংস্কৰণ)**
**ষষ্ঠ প্ৰকাশ ঃ**
২০১৮

**সৰ্বস্বত্ব সংৰক্ষিত**

❖ প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেক্ট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।

**প্ৰকাশক ঃ**
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ

**বেটুপাত ঃ** সঞ্জীৱ বৰা

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

প্ৰণয়ন ঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, বামুণীমৈদাম, গুৱাহাটী।

মুদ্ৰক ঃ

# ভূমিকা

জ্ঞান-বিজ্ঞানৰ সকলো দিশতে যি অভূতপূৰ্ব অগ্ৰগতি হৈছে, তাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ যিকোনো স্তৰতে পাঠ্যক্ৰম অনতিবিলম্বে পুৰণি আৰু অপ্ৰাসঙ্গিক হৈ পৰিবলৈ বাধ্য। এই ফালৰ পৰা চালে শিক্ষা নীতি আৰু পাঠ্যক্ৰম আজিৰ দিনত ঘনাই পৰিৱৰ্তন নকৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মানসিকতা সময়ৰ লগত খাপ খুৱাই আগবাঢ়িব নোৱৰাটো স্বাভাৱিক। এই দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰি ভাৰতৰ বিভিন্ন প্ৰান্তত শিক্ষাৰ যি পৰিৱৰ্তন অনা হৈছে, তাৰ লগত সংগতি ৰাখি অসমতো প্ৰয়োজনীয় সাল-সলনিৰ প্ৰস্তুতি চলিছে।

'সাহিত্য সৌৰভ' পুথিখন তেনে এক প্ৰচেষ্টাৰে এক অংশ। অন্যান্য বিষয়সমূহৰ লগতে অসমীয়া বিষয়ৰ পাঠ্যক্ৰমো যি নতুন দৃষ্টিভঙ্গী আৰু আধুনিক তত্ত্বেৰে সজাই তোলা হৈছে, সেই পাঠ্যক্ৰম সুসংবদ্ধভাৱে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব পৰাকৈ এই পুথিখন ৰচনা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে পাঠ্যপুথিখনত অসমীয়া ভাষাৰ ব্যাকৰণৰ অংশখিনি সংযোজন কৰা হৈছে। বিশেষজ্ঞ কমিটিৰ পৰামৰ্শ অনুসৰি কেইটামান পাঠৰো সাল-সলনি কৰা হৈছে।

এই পাঠ্যপুথিখন প্ৰস্তুত কৰি দিয়া বাবে আমি পাঠ্যপুথি প্ৰস্তুতি সমিতিৰ সমূহ সদস্য তথা সম্পাদকসকলৰ ওচৰত নথৈ কৃতজ্ঞ। এই কাৰ্যত জড়িত সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। পাঠ্যপুথিৰ পৰৱৰ্তী পৰ্যায়ত উন্নতি কৰিবলৈ বিজ্ঞজনৰ পৰা দিহা-পৰামৰ্শ আশা কৰিলোঁ।

আমি আশা কৰোঁ যে পুথিখনে এই বিষয়ৰ শিক্ষাৰ উদ্দেশ্যাৱলী সফলভাৱে ৰূপায়ণ কৰিব পাৰিব। ইতি—

বামুণীমৈদাম

গুৱাহাটী-২১

**সচিব**

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

## পাঠ্যপুথি সম্পাদনা সমিতি

**মুখ্য সম্পাদক** ঃ ড° বিভা ভৰালী, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী

**সহযোগী সম্পাদকসকল** ঃ ড° মহেশ্বৰ কলিতা, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী

ঃ ড° লক্ষী হাজৰিকা, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী

ঃ ড° স্নিগ্ধা মহন্ত, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, ধিং মহাবিদ্যালয়, ধিং, নগাঁও

ঃ ড° অৰবিন্দ ৰাজখোৱা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়, উত্তৰ লক্ষীমপুৰ

ঃ শ্ৰী শংকৰ কুমাৰ দাস, বিষয়-শিক্ষক (অসমীয়া), চৰকাৰী গৰ্ড্‌ন উচ্চতৰ মাধ্যমিক বিদ্যালয়, নলবাৰী।

**'অসমীয়া ভাষাৰ ব্যাকৰণ' খণ্ড**

**মুখ্য সম্পাদক** ঃ ড° লীলাৱতী শইকীয়া বৰা, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী।

**সহযোগী সম্পাদক** ঃ ড° লক্ষী হাজৰিকা, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী।

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তি মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি—আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।

## SYLLABUS FOR HIGHER SECONDARY SECOND YEAR COURSE

## ASSAMESE (MIL)

**One Paper** **Time : Three Hours** **Marks : 100**

**Unitwise Distribution of Marks & Periods :**

| Unit | Topics | Marks | Periods |
|---|---|---|---|
| Unit-I | Prose | 35 | 50 |
| Unit-II | Poetry | 25 | 40 |
| Unit-III | (A) Adolescence Education<br>(B) Value Education | 10 | 15 |
| Unit-IV | Grammar | 20 | 25 |
| Unit-V | Essay writing | 10 | 10 |
| | **Total :** | **100** | **140** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ** (উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক)

**Unitwise Distribution of Course Contents :**

**Unit-I : (গোট-১) নিৰ্বাচিত গদ্য (Marks-35) (Periods-50)**

১। মোৰ মাতৃমুখ দৰ্শন ঃ লক্ষ্মীনাথ বেজবৰুৱা
২। মগনিয়াৰ ঃ যতীন্দ্ৰ নাথ দুৱৰা
৩। আনন্দৰাম বৰুৱা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
৪। হস্তিবিদ্যাৰ্ণৱ পুথি ঃ ড° সূৰ্যকুমাৰ ভূঞা
৫। ভাৰতীয় আদৰ্শত বৈৰাগ্য ঃ তীৰ্থনাথ শৰ্মা
৬। চিঠি ঃ শীলভদ্ৰ
৭। অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা ঃ উৎপল দত্ত
৮। বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামী

**Unit-II : (গোট-২) নিৰ্বাচিত কবিতা (Marks-25) (Periods-40)**

১। বৰগীত (উঠৰে উঠ বাপু) ঃ মাধৱদেৱ
২। বিশ্বখনিকৰ ঃ মফিজুদ্দিন আহমদ হাজৰিকা
৩। মিলন ঃ নলিনীবালা দেৱী
৪। জনতাৰ আহ্বান ঃ জ্যোতিপ্ৰসাদ আগৰৱালা
৫। কাঠমিস্ত্ৰীৰ ঘৰ ঃ ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত
৬। আঘোণৰ কুঁৱলী ঃ কেশৱ মহন্ত
৭। উভতি নহাৰ কবিতা ঃ নৱকান্ত বৰুৱা
৮। কৰুণতম ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ

**Unit-III : (গোট-৩) (Marks-10) (Periods-15)**

১। মূল্যবোধ-শিক্ষা ঃ ড° দুলুমণি গোস্বামী
২। কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা ঃ ড° স্বৰ্ণলতা দাস

**Unit-IV : (গোট-৪) (Marks-20) (Periods-25)**

**অসমীয়া ভাষাৰ ব্যাকৰণ ঃ**

(ক) বিভক্তি ঃ ক্ৰিয়া বিভক্তি আৰু নাম বিভক্তি
(খ) প্ৰত্যয় ঃ কৃৎ প্ৰত্যয় আৰু তদ্ধিৎ প্ৰত্যয়
(গ) জতুৱা ঠাঁচ

**Unit-V : (গোট-৫) (Marks-10) (Periods-10)**

**ৰচনা ঃ**

ৰচনাৰ বিষয়—
(ক) সাহিত্য-সংস্কৃতি সম্পৰ্কীয়,
(খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সম্পৰ্কীয়,
(গ) সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কীয়,
(ঘ) কৃষি আৰু অৰ্থনীতি সম্পৰ্কীয়,
(ঙ) ক্ৰীড়া সম্পৰ্কীয়,
(চ) ভ্ৰমণ সম্পৰ্কীয়।

# সূচীপত্ৰ

## গোট-১ ঃ গদ্য


১। মোৰ মাতৃমুখ দৰ্শন ঃ লক্ষ্মীনাথ বেজবৰুৱা ... ১

২। মগনিয়াৰ ঃ যতীন্দ্ৰ নাথ দুৱৰা ... ২৭

৩। আনন্দৰাম বৰুৱা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ... ৩২

৪। হস্তিবিদ্যাৰ্ণৱ পুথি ঃ ড° সূৰ্যকুমাৰ ভূঞা ... ৪২

৫। ভাৰতীয় আদৰ্শত বৈৰাগ্য ঃ তীৰ্থনাথ শৰ্মা ... ৫৩

৬। চিঠি ঃ শীলভদ্ৰ ... ৬১

৭। অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা ঃ উৎপল দত্ত ... ৭১

৮। বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামী ... ৮৪


## গোট-২ ঃ পদ্য


১। বৰগীত (উঠৰে উঠ বাপু) ঃ মাধৱদেৱ ... ৯৫

২। বিশ্বখনিকৰ ঃ মফিজুদ্দিন আহমদ হাজৰিকা ... ১০১

৩। মিলন ঃ নলিনীবালা দেৱী ... ১০৭

৪। জনতাৰ আহ্বান ঃ জ্যোতিপ্ৰসাদ আগৰৱালা ... ১১২

৫। কাঠমিস্ত্ৰীৰ ঘৰ ঃ ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত ... ১১৮

৬। আঘোণৰ কুঁৱলী ঃ কেশৱ মহন্ত ... ১২৫

৭। উভতি নহাৰ কবিতা ঃ নৱকান্ত বৰুৱা ... ১৩২

৮। কৰুণতম ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ ... ১৩৮


## গোট-৩ ঃ কৈশোৰ শিক্ষা আৰু মূল্যবোধৰ শিক্ষা


মূল্যবোধ-শিক্ষা ঃ ড° দুলুমণি গোস্বামী ... ১৪২

কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা ঃ ড° স্বৰ্ণলতা দাস ... ১৫৩


## গোট-৪ ঃ অসমীয়া ভাষাৰ ব্যাকৰণ


**অসমীয়া ভাষাৰ ব্যাকৰণ** ঃ ... ১৬৬

(ক) বিভক্তি ঃ ক্ৰিয়া বিভক্তি আৰু নাম বিভক্তি... ১৬৭

(খ) প্ৰত্যয় ঃ কৃৎ প্ৰত্যয় আৰু তদ্ধিৎ প্ৰত্যয় .. ১৭৬

(গ) জতুৱা ঠাঁচ ঃ ... ১৭৮

# মোৰ মাতৃমুখ দৰ্শন

**লক্ষ্মীনাথ বেজবৰুৱা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

লক্ষ্মীনাথ বেজবৰুৱাক আধুনিক অসমীয়া সাহিত্যৰ কাণ্ডাৰী বুলি কোৱা হয়। কবিতা, নাটক, উপন্যাস, চুটিগল্প আৰু প্ৰবন্ধ — সকলো ক্ষেত্ৰতে তেওঁ উল্লেখযোগ্য অৱদান আগবঢ়াই অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। 'সাহিত্যৰথী' খিতাপেৰে অভিহিত বেজবৰুৱাৰ ৰচনাৰাজি অসমৰ জাতীয় সম্পদ স্বৰূপ। সেইবাবে অসমৰ ছাত্ৰ-ছাত্ৰীয়ে বেজবৰুৱা আৰু তেওঁৰ ৰচনাৰ বিষয়ে জ্ঞান লাভ কৰাটো নৈতিক কৰ্তব্যৰ ভিতৰত পৰে। বেজবৰুৱাই আত্মজীৱন-কথা 'মোৰ জীৱন সোঁৱৰণ'ত প্ৰকাশ কৰাৰ উপৰিও আলোচনীৰ পাতত কেইবাটাও আত্ম-জীৱনীমূলক প্ৰবন্ধ আৰু ভ্ৰমণ কাহিনী লিখিছিল। তেওঁৰ আন গদ্য-ৰচনাৰ দৰে, সাহিত্যিক সৌন্দৰ্যৰ বিচাৰত নিমজ কথাশৈলীত ৰচিত এই প্ৰবন্ধকেইটিও উৎকৃষ্ট সৃষ্টি হিচাপে চিহ্নিত। ছাত্ৰ-ছাত্ৰীসকলক বেজবৰুৱাৰ তেনে ৰচনাৰ সোৱাদ দিয়াৰ উদ্দেশ্যে এই পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ (১৮৬৪ - ১৯৩৮) জন্ম হয় অবিভক্ত নগাঁও জিলাৰ আঁহতগুৰিত। শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা ১৮৮৬ চনত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ উচ্চ শিক্ষা গ্ৰহণৰ বাবে কলকাতালৈ যায়। কলকাতাৰ জেনেৰেল এছেম্ব্লি ইনষ্টিটিউশ্যনৰ পৰা তেওঁ বি. এ. পাছ



কৰে আৰু ইংৰাজীত এম. এ আৰু আইন পঢ়া আৰম্ভ কৰে যদিও সিবোৰত ডিগ্ৰী নোলোৱাকৈয়ে এৰে। তেওঁ কলকাতাত থকা কালতে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (অ. ভা. উ. সা. সভা)ৰ প্ৰতিষ্ঠা আৰু 'জোনাকী' আলোচনী প্ৰকাশত আগভাগ লয়। বংগৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞা সুন্দৰী দেৱীৰ লগত তেওঁৰ বিবাহ সম্পন্ন হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত 'জোনাকী'ৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ৰমন্যাসৰ ধল প্ৰবাহিত হয়। তেওঁ অসমীয়া চুটিগল্পৰ জনক। 'জোনাকী'ৰ পাতত, তেওঁৰ দ্বাৰা ৰচিত গল্পৰ জৰিয়তে অসমীয়া চুটিগল্পৰ শুভাৰম্ভ ঘটি বিকাশৰ যাত্ৰাৰ সূচনা হয়। বেজবৰুৱাৰ প্ৰতিভা বহুমুখী। কবিতা, নাটক, চুটিগল্প, ৰম্যৰচনা, প্ৰবন্ধ, সমালোচনা, জীৱনী আদি অসমীয়া সাহিত্যৰ সকলো দিশতে তেওঁৰ বৰঙণি অতুলনীয়। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল ঃ ধেমেলীয়া নাটক — লিতিকাই, পাচনি, নোমল, চিকৰপতি-নিকৰপতি; বুৰঞ্জীমূলক নাটক — জয়মতী কুঁৱৰী, চক্ৰধ্বজ সিংহ, বেলিমাৰ; উপন্যাস — পদুম কুঁৱৰী'; কবিতা — কদমকলি; চুটিগল্প — জোনবিৰি, সাধুকথাৰ কুঁকি, সুৰভি, কেহোকলি; সাধুকথা — বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি-ল'ৰা, জুনুকা; হাস্য-ব্যংগ ৰচনা — কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভতনি, বৰবৰুৱাৰ বুলনি, বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি; জীৱনী — ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত, শ্ৰীশ্ৰীশংকৰদেৱ, মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ; আত্মজীৱনী — মোৰ জীৱন সোঁৱৰণ; তত্ত্বমূলক গ্ৰন্থ — তত্ত্বকথা, শ্ৰীকৃষ্ণকথা। বেজবৰুৱাই 'বাঁহী' আলোচনী সম্পাদনা কৰিছিল। ১৯২৪ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল।

বেজবৰুৱাই সাতটা খণ্ডত ৰচনা কৰা 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক দীঘলীয়া অসম ভ্ৰমণ কাহিনীটোৰ প্ৰথম তিনিটা খণ্ড পাঠ হিচাপে নিৰ্বাচন কৰা হৈছে। পাঠটো ড° নগেন শইকীয়া সম্পাদিত বেজবৰুৱা ৰচনাৱলী (প্ৰথম খণ্ড)ৰ পৰা লোৱা হৈছে।

**মূল পাঠ ঃ**

**প্ৰথম আধ্যা**

ডেৰকুৰি কি দুকুৰি বছৰৰ মূৰত এইবাৰ মোৰ মাতৃমুখ দৰ্শন ঘটিল। ইমান বছৰ মই মোৰ জীৱনটো বাহিৰে বাহিৰে কটায়েই বুঢ়া কৰিলোঁ। কাৰ্যটো নিশ্চয় আপচু। কিন্তু কিয় যে তেনে হৈছিল, তাৰ সন্তোষজনক কৈফিয়ৎ মই দিব নোৱাৰোঁ। মহাপুৰুষৰ কীৰ্তনঘোষাত আছে, —

'নকৰিলোঁ শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাপোট মোৰ ভৈল মহাভাৰ।।'

ইত্যাদি পদবোৰো মোৰ বিষয়ে খটাই চলাই দিব পাৰি; মাথোন মাধৱৰ ঠাইত মাতৃ শব্দটো বহুৱাই দিলেই হ'ব। সিদিনা শিৱসাগৰত বহা এখন সভাত মোৰ ডেকা বন্ধু এজনে মোৰ এনে আচৰণৰ বিষয়ে কাৰণ এটা দিছিল; — মই হেনো গপ বা ওফোন্দ পাতিহে এনে কৰি আছিলোঁ। মই অৱশ্যে তেওঁক তেতিয়াই কৈ দিবলৈ নহ'ল, যে 'ৰামশ্চন্দ্ৰ! সেইবোৰ একো নহয় দেওহে। গপো নহয় ওফোন্দো নহয়। হয় যদি ই এটা শাওপাতহে।' শাওপাতত পৰিলে মানুহে পানীত এডিঙিলৈকে নামিও পিয়াহত শুকাই মৰে। মহাত্মা কবীৰে কৈছিল —

'পানীমে মীন পিয়াসী।
মোক শুনত শুনত লাগে হাসি!!'

শাওপাত — সন্নিপাতে পোৱা দুটা প্ৰাণীয়ে নৈখনৰ ইপাৰে এটা আৰু সিপাৰে আনটো থাকি একেলগ হ'বলৈ নাপায়, ওৰেৰাতি চিঞৰি কান্দি মৰে। এনেকুৱা শাওপাততে পৰিয়েই একঠা মাটিৰ নিমিত্তে দুই ভায়ে কিলাকিলি মৰামৰি গোচৰ ফৰিয়াদ কৰি সৰ্বস্বান্ত হৈ মৰে, তথাপি আপোচে মিতমাত কৰি মিলিজুলি পৈতৃক সম্পত্তি খাইমেলি থাকিব নোৱাৰে। এনে শাওপাতৰ নিমিত্তেই দুৰ্যোধনে পাঁচ পাণ্ডৱক পাঁচখন গাঁও দিয়ক ছাৰি বেজীৰ আগটোৰে ঢাকিব পৰা মাটিকণ পৰ্যন্ত নিদিওঁ বুলি যুঁজ কৰি মৰিল। শাওপাত



বা খোদাৰ গজপত পৰি দুই ভাই হিন্দু মুছলমানে ফুটুকাৰ ফেন সোপা বা নকটা খেৰৰ নশ-মুঠিৰ ভাগ বিচাৰি, মিছাতে দ্বন্দ্ব-হাই কটাকটি কৰি মৰি লোকৰ হাঁহিয়াতৰ পাত্ৰ হ'ব লাগিছে, তথাপি তেওঁলোকৰ গালৈ চেতন অহা নাই। মথুৰা আৰু বৃন্দাবনৰ মাজত ব্যৱধান ছমাইল কি দহ মাইল। বিধিৰ এনে বিধানতে পৰিয়েই বৃন্দাবনচন্দ্ৰই এইফেৰাকে ডেই মথুৰাৰ পৰা গৈ বৃন্দাবনত মাক-বাপেক আৰু গোপীসকলক দেখা দিব পৰা নাছিল। সাঁতোৰা বিদ্যাত পানীৰ পোক যেন একোজন নিয়তিৰ হাতত পৰি একাঁঠু পানীত পৰি বুৰি মৰে। বিধিলিপি আগ্ৰাহ্য কৰিব নোৱাৰিয়েই অমুক লক্ষপতিয়ে ধন খৰচৰ ভয়ত লঘোনে থাকি আঁঠুমূৰীয়া চুৰিয়া পিন্ধি জীৱন কটায়। এনে শাওপাতৰ পাকত পৰিয়েই অমুক মাৰোৱাৰী মহাজনে ডাক্তৰক ভিজিট দিবৰ ভয়ত, ধন আৰু নোটেৰে খুন্দা খাই থকা লোৰ পেৰাৰ সঁচাৰকাঠীটো নিজৰ গাৰুৰ তলত থৈ ডাক্তৰক নামাতি লেকেটীয়া নৰিয়াত ভুগি মৰি যায় আৰু এনে গঢ়ৰ শাওপাতত পৰিয়েই ছশ ৰূপ দৰ্মহা পোৱা অমুক ছব্‌জজে খৰচৰ ভয়ত জাৰকালি মাথোন ফটা কঁথা এখন গাত মেৰিয়াই লৈয়েই চালপীৰাত বহি জজমেন্ট লেখি জীৱন কটায়। সেইদেখি মুঠতে কওঁ যে মোৰ এই কাৰ্য গপ, অহংকাৰ, অভিমান বা ওফোন্দৰ শাৰীৰ নহয়। ই বিধিৰ বিতং বিধানং অদৃষ্টৰ ফল; বলৱন্ত নিয়তিৰ নিয়মিত। ৰাৱণে কৰিবলৈ পাঙি থোৱা স্বৰ্গৰ জখলাটো কৰিব নোৱাৰিলে, লোণ সাগৰখন বুলিলেও, সিঁচি পেলাই, লংকাৰ চাৰিওফালে গাখীৰৰ সাগৰখন বোৱাই আনিব নোৱাৰিলে, ঠিক এনেকুৱা দৈৱৰ বলতেই।

কোনো মানুহক সবাহলৈ নিমন্ত্ৰণ কৰা আৰু তাক টেকেলা লগাই ধৰাই লৈ যোৱা, এই দুটাৰ ভিতৰত প্ৰভেদ বিস্তৰ। নিমন্ত্ৰণ পাওঁতাজনৰ সবাহলৈ যাবৰ মন থাকিলেও আৰু সবাহত তেওঁৰ অপাৰ আনন্দ লাভৰ সম্পূৰ্ণ আগন্তুক থাকিলেও, অনেক সময়ত এলাহ, ভাগৰ, থেৰোগেৰো ইত্যাদি এশ এটা মনে-গঢ়া আহুকাল তাৰ ভিতৰত সোমাই সেইবোৰে জুমুৰি দি ধৰি

গোটেইখন খেলিমেলি লগাই তাত ব্যাঘাত জন্মায়। কিন্তু তেওঁক ধৰি লৈ যাবলৈ অহা টেকেলাৰ লাখুটিৰ লগত সেই মকৰা জালবোৰ আৰু থাকিব নোৱাৰে। যাম, যোৱাটো উচিত, গ'লে ভাল, নোযোৱাটো বেয়া ইত্যাদিবোৰ যদিও ধুনপেচ মৰা গাভৰুৰ দলৰ দৰে তথাপি হাঁমি, হেকটি, ভাগৰ, খৰচৰ ভয় প্ৰভৃতি নিগনি, শলিয়া, বিছা, চেলা, পঁইতাচোৰাৰ হঠাৎ তেওঁলোকৰ আগত আৱিৰ্ভাৱ হ'লে, সেই দলটি সম্ভৱতঃ ছেদেলি-ভেদেলি হ'ব। 'আহিবই লাগিব, এৰণ নাই' এইযাৰ 'আহক, অহা উচিততকৈ' নিশ্চয় বলী। মাতৃভূমিয়ে এই চিৰপ্ৰৱসুৱাক সদায় মাতি আছিল, কিন্তু সেই মতা ৰাজহুৱা ডাক। এই ডাক যদিও বিৰাট তথাপি সি নিৰ্দিষ্ট আকৃতি গ্ৰহণ কৰি মোৰ আগত দেখা দিয়া নাছিল দেখি তাৰ শক্তি মোৰ পক্ষে বিক্ষিপ্ত আৰু দুৰ্বল হৈ আছিল। বিষ্ণু সৰ্বব্যাপী সৰ্বস্থিত ব্যাপ্ত অৱস্থাত এই বিভুৰ শক্তি যদিও বিৰাট মহান, তথাপি সৰ্বসাধাৰণ বিষয়ী সংসাৰীৰ পক্ষে সি ক্ষীণ। কিন্তু যেতিয়া তেওঁ ভক্তৰ আহ্বানত নিৰ্দিষ্ট মূৰ্তি পৰিগ্ৰহ কৰি বাহিৰ হয়, তেতিয়া সি ঘোৰ নৰসিংহৰূপী, হিৰণ্যকশিপুৰ কালান্তক আৰু প্ৰ াদৰ প্ৰশান্ত পুৰুষ তেতিয়া সেই শক্তি অগ্ৰাহ্য অমান্যৰ স্ফটিকৰ স্তম্ভৰ বাহিৰত। মাতৃৰ ব্যাপ্ত অশৰীৰী ডাকে যেতিয়া মূৰ্তি পৰিগ্ৰহ কৰি বাজ হ'ল, তেতিয়া আৰু এই অধম সন্তানৰ মূৰ তেওঁৰ চৰণত ভক্তি গদগদভাৱে স্বভাৱতে নত হৈ পৰিল। তেতিয়া এলাহ, অমনোযোগ, শৈথিল্য, সকলোবোৰ নৃসিংহৰ আগত দৈত্যেন্দ্ৰৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ পৰিল।

'নেদেখিয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে।
লুকাই পতঙ্গ যেন অগনিত জাসে।।'

দুৰ্গা পূজাৰ বন্ধত ৰে'ল কোম্পানীয়ে যাত্ৰীক ভেৰোণৰ সুবিধা কৰি দিয়া সুবিধাকে লৈ ১৯৩০ খ্ৰীষ্টাব্দৰ ১৯ ছেপ্টেম্বৰত অসমলৈ বুলি যাত্ৰা কৰি আমি সম্বলপুৰ এৰিলোঁ। লগত মোৰ সহধৰ্মিণী আৰু সৰুটি কন্যা। মানুহৰ মুখে মুখে প্ৰচলিত একাষাৰ সংস্কৃত শ্লোক আছে যে 'পথে নাৰী বিবৰ্জিতা।'



ক'ব নোৱাৰোঁ সেই শ্লোক কোনে কৰিছিল। মই কিন্তু তাৰ অনুশাসন মানি নচলোঁ। নিশ্চয় শ্লোক কৰোঁতাই তিৰোতাক গলগ্ৰহ ভাবি সেই শ্লোক ৰচনা কৰিছিল। হ'ব পাৰে, নানা কাৰণত শ্লোক ৰচকৰ তেনে অৱস্থাত দুৰৱস্থা ঘটিছিল। সেইদেখি শ্লোক ৰচক পুতৌৰহে যোগ্য, খণ্ডৰ নহয়। মই কওঁ মোৰ বহুদৰ্শনত 'পথে নাৰী বিবৰ্জিতা' নহয় সম্পূজিতাহে। বয়বস্তু দেখাশুনা, লাগিলে ৰে'লৰ টিকট পৰ্যন্ত কিনা, ঘণ্টাই ঘণ্টাই ফলটো, পিঠাখন, চাহপানীটোপা যতনাই খুৱাই বাটৰ ভোকক ৰে'লৰ খোঁটালীৰ ভিতৰৰ পৰা গতিয়াই উলিয়াই দিয়া, শুবলৈ পাটীখন পাৰি দিয়া, গাৰুটো মূৰৰ তলত গুজি দিয়া, আৱশ্যক হ'লে বিচনীৰে মূৰৰ ওপৰত বিচি ঘামৰ কণকঠীয়া মৰা ইত্যাদি এশ এটা সৰু-বৰ কাম ৰে'লৰ পথত আমাৰ তেওঁৰ দ্বাৰাই সুসম্পাদিত হৈ যাত্ৰা সুখাতিসুখকৰ মোৰ পক্ষে সদায় হয়। সেইদেখি মই ক'বলৈ বাধ্য যে মোৰ পক্ষে নাৰী পথত যে গলগ্ৰহ নহয়েই বৰং গলৰ মালাহে হৈ পৰে আৰু কবিতা কৰি ক'লে, সিয়ো মালতীৰ মালা।

বি. এন. আৰ. অৰ্থাৎ বেংগল-নাগপুৰ ৰে'লৰ ঝাৰচোগোড়া জংছন সম্বলপুৰৰ পৰা ৩১ মাইল দূৰত। গধূলি চাৰে পাঁচ বজাত সম্বলপুৰত ৰে'লত উঠি দুঘণ্টামানৰ মূৰত ঝাৰচোগোড়া পোৱাগৈ যায়। তাত চাৰে সাত বজাত কলিকতাৰ ফালে যোৱা বোম্বাই মেইল গাড়ীত উঠিব লাগে। কিন্তু সেইদিনা আমাৰ কপালত দুৰ্গতি লেখা আছিল, গতিকে ডাকগাড়ীৰ সৈতে আমাৰ ৰাহি নাহিল। আমি ঝাৰচোগোড়া পোৱাৰ আগতে বোম্বাই মেইলে আমাৰ বুকুত বিৰহৰ অগনি জ্বালি দি গুচি গ'ল। ডাকগাড়ী হেৰুৱাই আমি না-জল না-স্থলত পৰিলোঁ। আমাৰ সম্বলপুৰৰ গাড়ীয়ে যে পলম কৰি আহি মেইল ধৰিব নোৱাৰিলে, তাকে গুণি-গাথি আমাৰ বিলাই-বিপত্তিৰ কাৰণে সম্বলপুৰৰ গাড়ীক পাৰোঁ মানে গালি পাৰি ঝাৰচোগোড়া ষ্টেশ্যনতে বহি আছোঁহঁক। এনেতে কোনোবাই ক'লে যে ৰাতি দুই কি তিনিমান বজাত এখন পেছেঞ্জাৰ গাড়ী ঝাৰচোগোড়াৰ পৰা কলিকতালৈ যায়, সেইখনতে আমাৰ যোৱা উচিত।

নিৰুপায় হৈ টোপনি ক্ষতি কৰি খাপ দি সেই শেহৰাতীয়া গাড়ীখনতে উঠিলোঁহঁক। ফলত, ৰাতি বাকীডোখৰ আৰু পিছদিনাৰ গোটেইটো দিন, সেই ঢেকেৰ ঢেকেৰ পেছেঞ্জাৰ গাড়ীতে খপি কুৰি তাৰিখে ৰাতি আঠমান বজাত কলিকতা পালোঁগৈ। বাটত আমাৰ অনাহাৰ বুলিলেও, সৰহকৈ বঢ়াই কোৱা নহয়। যাওঁতে মনত খেলাইছিল যে হিচাপৰ বহীত ইমান বছৰৰ বাকী পৰি থকা আঁউসী, একাদশীবোৰে সিহঁতৰ পাওনা ৰাচিল কৰিবলৈ যেন হাতত ৰামটাঙোন লৈ কাবুলীৰ দৰে আমাৰ গাড়ীৰ খোঁটালীৰ দুৱাৰমুখত থিয় দি আছে আৰু লাখুটিৰ আগেৰে বাকী পাওনা আদায় কৰি লৈহে উভতি যাব। আচলতে মেইল গাড়ীত মাথোন ৰাতিটো গৈ পুৱাই কলিকতা পামগৈ বুলি আমি লগত খাবলৈ প্ৰায় একোকে নিয়া নাছিলোঁ। প্ৰায় এইবাবে বুলিছোঁ যে দিনৌ  চাৰি সাজকৈ খাই বদঅভ্যাসত পৰা আমাৰ লগত যি আছিল, সি নিঃ + ৰস সন্ধিৰ 'ৰ'ৰ আগৰ পৰা বিসৰ্গ লোপ হৈ নীৰস হোৱাৰ দৰে এসাজতে নীৰস হৈ লুপ্ত হৈ গ'ল। পেছেঞ্জাৰ গাড়ীত ডাইনিং কাৰ নাথাকে। বাটৰ দুঠাইত-এঠাইত যি 'ৰিফ্ৰেছমেণ্ট ৰূম' আছে, সেইবোৰে পেছেঞ্জাৰ গাড়ীৰ অধীনতা স্বীকাৰ নকৰে। তথাপি গাৰ্ডক কৈ খৰগপুৰ আৰু চক্ৰধৰপুৰ ৰিফ্ৰেছমেণ্ট ৰূমৰ মেনেজাৰলৈ মই টেলিগ্ৰাম কৰালোঁ, যাতে আমালৈ অলপ আহাৰৰ আয়োজন কৰি থয়। কিন্তু ক'ৰ টেলিগ্ৰাম ক'লৈ উৰি গ'ল, তাৰ কৰ্তা কৰ্ম কৰণ  অধিকৰণসকলেহে জানে। সেই দুই ঠাইতে ৰিফ্ৰেছমেণ্ট ৰূমৰ মেনেজাৰে আমালৈ একো আয়োজনকে  নকৰি, টেলিগ্ৰাম নাই পোৱা বুলি কৈ গা সাৰিলে; যদিও আমি আমাৰ পেটৰ ভোকক তেনেকৈ কিবা এটা কৈফিয়ৎ দি গা সাৰিব নোৱাৰিলোঁহঁক। ফুটা নাৰত  চিৰচিৰকৈ পানী সোমোৱাদি ওৰে দিনটো আমাৰ পেটত ভোকে চিৰচিৰাই  আছিল। নাৱৰীয়াই নাৱৰ ফুটাত ফটাকানিৰ সোপা দিয়াদি, ষ্টেশ্যনত বিক্ৰী কৰা কচুৰি শিঙৰা এসোপাকৈ কিনি লৈ  আমি যদিও ভোকৰ ফুটাত সোপা দিবলৈ ধৰিলোঁ, কিন্তু গাখীৰৰ হেঁপাহ ঘোলে কেনেকৈ পলুৱায়? তেনে অৱস্থাৰেই ভোকত



লেকাত লাগি গৈ আমি ৰাতি কলিকতা পালোঁগৈ। য'ত উঠিলোগৈ, তাত লৰালৰিকৈ ভাত আৰু মাহৰ আঞ্জা ৰন্ধাই খাই পেটক প্ৰবোধ দি সেই ৰাতিৰ নিমিত্তে শুই থাকিলোঁহঁক। ক'বলৈ পাহৰিছোঁ যে বাটত আমাৰ অশান্তি বাহিৰে-ভিতৰে সমানে চলিছিল। মগনিয়াৰে বাটৰ এফালৰ পৰা আৰম্ভ কৰি ঘৰে ঘৰে মাগি পইচা বুটলি ফুৰাদি পেছেঞ্জাৰ গাড়ীয়ে প্ৰায় সকলো ষ্টেশ্যনতে ৰৈ ৰৈ যাত্ৰী বুটলি ফুৰে। আমি ঝাৰচোগোড়াৰ পৰা যাওঁতে আমাৰ দ্বিতীয় শ্ৰেণীৰ খোঁটালীত আন কোনো নাছিল। কিন্তু লাহে লাহে আমাৰ গাড়ীখনে দুজন-এজনকৈ যাত্ৰী বুটলি আমাৰ খোঁটালী ভৰাই পেলালে। আটাইতকৈ আহুকালৰ কথা হৈছিল, বাটৰ এটা ষ্টেশ্যনত। উঠিব নোৱৰা বৰ নৰিয়া পৰা ল'ৰা এটাক মাক-বাপেকে কোলাত লৈ, দুটা-তিনিটা মানুহেৰে সৈতে আমাৰ খোঁটালীত সোমালহি। ল'ৰাটোক কলিকতাত চিকিৎসা কৰাবলৈ লৈ গৈছিল। তেওঁলোক সোমায়েই খোঁটালীটোৰ খিৰিকী-দুৱাৰবোৰ মাৰি দিলে,— নৰিয়াৰ গাত চেঁচা বতাহ লাগে বুলি। ফলত, যাত্ৰীৰে খুন্দ খোৱা খোঁটালীটো চিৰাজদৌলাৰ অন্ধকূপ যেন হ'ল। ভদ্ৰতা আৰু পৰহিতৰ অনুৰোধত আমি সেই জুলুম নীৰৱে সহিবলগীয়াত পৰিছিলোঁ।

**দ্বিতীয় আধ্যা**

এৰেকৈশ ছেপ্টেম্বৰ তাৰিখে শিয়ালদহ ষ্টেশ্যন এৰি বাইশ তাৰিখে গুৱাহাটী পালোঁগৈ। ব্ৰহ্মপুত্ৰ পাৰ হোৱা জাহাজখন পাণ্ডুঘাটৰ ওচৰ চাপিলতে আমাক লৈ যাবলৈ অহা মোৰ অতি প্ৰিয় দুজন মানুহৰ মুখত হাঁহিমুখ দেখি  আমাৰো মুখত হাঁহি বিৰিঙিবলৈ ধৰিলে। সেই হাস্যবদন দুখনৰ গৰাকী 'মাজিউ' আৰু 'জ্ঞান'। তেওঁলোকে আগেয়েই আমি অহা খবৰ পাই আমাক লৈ যাবলৈ আহিছিল। 'মাজিউ' আৰু 'জ্ঞান' এই দুটা গুৱাহাটীৰ দুজন প্ৰখ্যাত লোকৰ নাম—  অৱশ্যে সুকীয়াকৈ মোৰ নিমিত্তে। মই তেওঁলোকক সেই সেই নামেৰে মাতি সুখ পাওঁ দেখি তেওঁলোকৰ জনাজাত  ডাঙৰ নামে তাত ব্যাঘাত নজন্মায়। মাজিউ নামটো সুকবি  সুবিখ্যাত চাহ খেতিয়ক সদাগৰ

শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ আৰু জ্ঞান নামটো আৰ্ল ল কলেজৰ প্ৰসিদ্ধ প্ৰিন্সিপাল, উদাৰহৃদয় মিষ্টাৰ জে. বৰুৱা বেৰিষ্টাৰ এট্-লৰ। এই দুটি উজ্জ্বল তৰাই মোৰ নিমিত্তে গুৱাহাটীখন পোহৰাই ৰাখিছে। সেইদেখি গুৱাহাটীৰ ফালে মুখ কৰিলেই মোৰ মনত সুখৰ লহৰী উঠে। তেওঁলোকৰ ঘৰ মোৰ নিজৰ ঘৰ হৈ পৰে। তেওঁলোকৰ আদৰ, যত্ন আৰু মৰমে মোৰ জঁয় পৰা জীৱনটোত জীপ দি ঠন ধৰায়।

আৰু অনেক কাৰণত গুৱাহাটীক মোৰ ভাল লাগে। তাৰে গোটাদিয়েক হৈছে এই — (১) প্ৰাকৃতিক সৌন্দৰ্য, (২) ঐতিহাসিক উৎকৰ্ষ, (৩) প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা। অসমীয়াৰ জীৱন-বেদৰ পাত এইবোৰে প্ৰথমতে গুৱাহাটীতেই মুকলি কৰি দেখুৱায়। কালৰ পীড়নত আজিৰ অসম জীৰ্ণ-শীৰ্ণ-দীৰ্ণ। তথাপি গুৱাহাটীৰ বুকুত সেইবোৰ অবিলুপ্ত। অসমযাত্ৰী বিদেশীয়ে অসমীয়াৰ ঢকুৱাৰ বেৰ গুৱাহাটীত নেদেখে বৰং যিমানকৈ চকু মেলে সিমানলৈ বৰচুৰিয়াৰ ফেৰহে দেখিবলৈ পাব। ব্ৰহ্মপুত্ৰৰ মাজৰ উমানন্দ, পাৰৰ কামাখ্যা, অশ্বক্ৰান্ত আদি অলেখ অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্যই সেই বিদেশীৰ চকুত জলক লগাব। তীৰ্থযাত্ৰীৰ প্ৰাণৰ তীৰ্থস্পৃহা গুৱাহাটীয়ে পলুৱাব। পৰিশ্ৰমী প্ৰত্নতাত্ত্বিকক প্ৰাচীন জ্ঞানৰ দুৱাৰ গুৱাহাটীয়ে মুকলি কৰি মনত বিস্ময় লগাই দিব। কবিৰ হৃদয়ৰ কোমল কুসুমকলি গুৱাহাটীয়ে ফুলাই দি তেওঁৰ জীৱন আমোলমোল কৰি দিব আৰু পিছত সেই কবিৰ ৰচনাই কাব্যৰসৰ মন্দাকিনী নমাই বোৱাই আনি কাব্যমোদীসকলৰ অন্তঃকৰণ সজীৱ সচেতন কৰি দিব। তত্ত্ব আৰু তথ্যানুসন্ধিৎসুৰ আগত বৰভঁৰালৰ বৰদুৱাৰ মেলি দি অক্ষয় ৰত্নৰাজি প্ৰকাশ কৰি দিব গুৱাহাটীয়ে। এনেকুৱা গুৱাহাটীয়ে যে অসমৰ আন সকলোবোৰ জিলাতকৈ এই লেখকৰ মনত বেছি প্ৰভাৱ বিস্তাৰ কৰিব, তাত আশ্চৰ্য কি?

সম্বলপুৰতে মোৰ গাত ঘুঘুয়া জ্বৰে বাহ লৈছিল। ডাক্তৰৰ দ্বাৰা তাৰ নামকৰণ হৈছিল 'মেলেৰিয়া'। সকলোৱে জানে যে এই লেখক বেজবৰুৱা



ঘৰৰ ল'ৰা। মই মোক ল'ৰা বোলাত আশা কৰোঁ পাঠকসকলে নাহাঁহিব। ল'ৰা শব্দটোৰ মানে এইখিনিত কি, সেইটো কোৱাই বাহুল্য। লেখকৰ পিতৃদেৱতা ৰাজঘৰীয়া বেজ আছিল। আয়ুৰ্বেদ শাস্ত্ৰত যে তেওঁৰ জ্ঞান সুপৰিপক্ক আছিল, এই কথা আগৰ তৰপৰ অসমীয়াই জানে। তেওঁৰ মুখত মেলেৰিয়া জ্বৰ কথাটো মই কেতিয়াও শুনা নাছিলোঁ। মেলেৰিয়া কথাটো আয়ুৰ্বেদৰ অবিদিত, ইংৰাজী সভ্যতা আৰু ডাক্তৰী শাস্ত্ৰৰ দ্বাৰাই আনীত। এই কলীয়া চাবোন, চুৰট, চেলেউৰ দৰে যদিও সি বিদেশৰ আমদানি তথাপি সি আজিকালি আমাৰ ঘৰৰে এটা হৈ পৰিছে; সেইদেখি তাক অগ্ৰাহ্য কৰিবৰ উপায় নাই। দিনৌ আবেলিৰ পৰা মোৰ গাত অলপ অলপ জ্বৰ উঠি সেই জ্বৰ প্ৰায় আদখিনিমান ৰাতিলৈকে থাকিছিল। কিন্তু মই গুৱাহাটী পালতে, বৰ আনন্দৰ হেঁচাত বোধকৰোঁ মেলেৰিয়া টেপা খাই পলৰীয়া হ'ল; যদিও সি তাৰ লগৰীয়া কৰ্পটিক মোৰ গাত চৰিবলৈ এৰি থৈ যাবলৈ পাহৰা নাছিল। কটন কলেজৰ মোৰ ছাত্ৰ-বন্ধুসকলে সেইদিনাই গধূলি সভা পাতি মোক অভিনন্দন দি সন্মানিত কৰিলে। সভালৈ যাওঁতে মোৰ গাত জ্বৰ নাছিল যদিও তাৰ বাবে মোৰ গাত বন্ধ খাই থকা ডাঠ কৰপাৰ অভাৱ নাছিল। কিন্তু আগ্ৰহ, সমাদৰ আৰু অনুৰোধ অমান্য কৰিবৰ শকতি ঈশ্বৰে মোক দিয়া নাই; গতিকে 'যথা নিযুক্তোহস্মি তথা কৰোমি'। সভালৈ গৈ দেখিলোঁ, মোৰ ছাত্ৰ-বন্ধুসকলৰ কি উৎসাহ! কি আনন্দ! মই সমাজিকতো ভবা নাছিলোঁ যে তেওঁলোকৰ হৃদয়ৰ এছোৱা এই অকামিলা এলাবাদু লেখকে কেনেবাকৈ এইদৰে অধিকাৰ কৰি থৈছিল! একো একোটি ডেকা ল'ৰাৰ গঢ়িত প্ৰফুল্ল মুখ দেখি সঁচাকৈয়ে মই উৎফুল্ল হৈ, মোৰ বৃদ্ধত্ব জ্বৰত্ব পৰিহাৰ কৰি তেওঁলোকৰ লগতে ডেকা হৈ পৰিছিলোঁ। তেওঁলোকৰ একোজনে শুৱলাকৈ ইংৰাজী আৰু অসমীয়া ভাষাত বক্তৃতা দিছিল। জনচেৰেকে সুললিত কণ্ঠেৰে সংগীত গাইছিল আৰু জনচেৰেকে ওজাপালি হৈ সুন্দৰ অংগী-ভংগীৰে হাস্যৰসপূৰ্ণ বিয়াহ গাই আমাক নথৈ আনন্দ দিছিল আৰু লগে লগে নুমাওঁ

নুমাওঁ হোৱা মোৰ সৰুকালৰ আনন্দৰসৰ বন্তিগছত তেল দি তাৰ শলাকানি বঢ়াই দিছিল। নিশ্চয় গুৱাহাটীত কলেজ আৰু শিক্ষাৰ কেন্দ্ৰ হোৱাৰ নিমিত্তে যে এনে সুফল ফলিছে, তাক নক'লেও হ'ব। মোৰ মনত বৰ ৰং লাগিছে যে তাহানি গুৱাহাটীত কলেজ হোৱা উচিত নে কলিকতাত চৰকাৰী বৃত্তিৰ সংখ্যা বঢ়াই দি বেছিসংখ্যক অসমীয়া ছাত্ৰক পঢ়িবলৈ দিয়া উচিত, এই আন্দোলনত এই লেখকে গুৱাহাটীত কলেজ হোৱাৰ সপক্ষে যথাসাধ্য চেষ্টা কৰিছিল।

২৩ তাৰিখে গুৱাহাটী এৰি ডিবুৰুমুৰা হৈ ২৪ তাৰিখে পুৱা ন মান বজাত ডিবুৰুগড় পালোঁগৈ। ষ্টেশ্যনত অনেক চিনা-জনা মানুহেৰে সৈতে সাক্ষাৎ হ'ল আৰু তাৰ ভিতৰত মোৰ মাজুজনী ছোৱালী আৰু মাজু জোঁৱাইক আৰু মোৰ সৰু ভাইক দেখি মনত বৰ আনন্দ মিলিল। মই আগৰটো প্ৰবন্ধত (অৰ্থাৎ 'প্ৰথম আধ্যাত') ৰাজহুৱা ডাকতকৈও টেকেলাৰ ডাকৰ প্ৰবল প্ৰভাৱৰ কথা কৈছিলোঁ, কিন্তু সেইটোনো কোন টেকেলা, কাৰ টেকেলা, কেনে টেকেলা, তাৰ আঁতিগুৰিৰ বিষয়ে নকৈ কথাৰ তাঁতখনত খৰকৈ মাকো চলাই গ'লোঁ। কাৰণটো আন একো নহয়, মাথোন এই ভাবি যে সি যথাস্থানত প্ৰকাশ পাব। এতিয়া কওঁ যে সেই প্ৰবল পৰাক্ৰমী টেকেলাটো হৈছে — মোক ডিবুৰুলৈ নিবলৈ মোৰ মাজু জী-জোঁৱাইৰ আহ্বানৰ আগ্ৰহাতিশয্য। বোধকৰোঁ অনেকে জানে যে মোৰ মাজু ছোৱালীজনীক ডিবুৰুগড়ৰ সম্ভ্ৰান্ত পৰিয়ালৰ এঘৰৰ সুশিক্ষিত ডেকা এজনলৈ বিয়া দিছোঁ। প্ৰায় দুবছৰ হ'ব লগা হ'ল, মোক মোৰ জী-জোঁৱায়ে ডিবুৰুলৈ মাতি আছিল, কিন্তু মই নানা লেঠাত পৰি আজি যাম, কালি যামকৈ যাব পৰা নাছিলোঁ। এইবাৰ সেইদেখি তেওঁলোকৰ তাবেদাৰ ৰোহ, ঠেহ, অভিমান — এই তিনিও আদালতৰ টেকেলা মোৰ আগত হাজিৰ হ'লহি। কাজেই এইবাৰ উপায় গৈ নিৰুপায়ৰ পদূলিমূৰ পালেগৈ। তাহানি হেনো এদিন পাৰ্বতীয়ে মহাদেৱক ধিক্কাৰ দি কৈছিল, যে মহাদেৱে ভাং, ধতুৰা খাই বহি থাকে, গৃহস্থৰ কাম-কাজ একো



নকৰে। আনকি ঘৰতে বৃষভটো আছে, সি ঘাঁহ-পানী খাই নোদোকাটো হৈ পৰিছে, তাৰেই হাল বাই খেতি-বাতি কৰি এগাল ধানকে নাৰ্জে। ঘৈণীয়েকৰ এনে ককৰ্থনা শুনি মহাদেৱৰ মনত বৰ বেজাৰ লাগিল। তেওঁ তেতিয়াই খেতি কৰিবলৈ যাবলৈ দৃঢ়সংকল্প কৰি বৃষভটোৰ ওপৰত উঠি টুক টুক কৰে গৈ খেতি কৰিবলৈ লাগি গ'ল। তেখেত হ'ল দেৱাদিদেৱ মহাদেৱ, তেখেতে খেতিত ধৰিলে আৰু ৰাইখ কি? খেতি কৰি উভৈনদী কৰি পেলালে। তেওঁৰ খোৱা-শোৱা গুচিল। আনকি ঘৰলৈ আহিবলৈকো তেওঁ পাহৰিলে। পাৰ্বতীয়ে দেখিলে যে মহা মস্কিলখন হ'ল। গিৰীয়েক অঁকৰা মৈত উঠিল আৰু মৈৰ পৰা ননমাই হ'ল। গিৰীয়েকক মাতি আনিবলৈ পাৰ্বতীয়ে নন্দী-ভৃংগীকে আদি কৰি যোৰে যোৰে মানুহ পঠিয়াইহে পঠিয়ায়, গিৰীয়েক নাহে। একোকে উপায় নাপাই পাৰ্বতীয়ে নাৰদক ৰিপুৱা ধৰিলে। নাৰদে উভতি আহি ক'লে, যে মহাদেৱে কাৰো কথা নুশুনে, কোনো তেওঁৰ ওচৰকে চাপিব নোৱাৰে। অন্তত অনেক ভাবি-চিন্তি পাৰ্বতীয়ে অসংখ্য ডাঁহ, মহ, চেৰেপা-চৰ্জন কৰি মহাদেৱক আমনি কৰিবলৈ পঠিয়াই দিলে। তাৰ পিছতো হেনো হাহা হুহু নামৰ মানসপুত্ৰ দুটা চৰ্জি পঠিয়াইছিল। হাহা হুহুৱে কি কৰিলেগৈ আমাক নালাগে, কাৰণ আমাৰ আখ্যানৰ নিমিত্তে মহ, ডাঁহ, চেৰেপাই যথেষ্ট। আমাৰ আখ্যানত অৱশ্যে মহ, ডাঁহ, চেৰেপা সৃষ্টিকাৰিণী পাৰ্বতীস্বৰূপিনী আমাৰ ঘৰৰ ঘৈণী নহয়; সেইজনা আমাৰ আদৰৰ দুহিতাহে। যি হওক, হাহা হুহুলৈ মই বাটকে নাচালোঁ, কাৰণ সিহঁতৰ অগ্ৰজ ডাঁহ, মহ, চেৰেপাই মোৰ পক্ষে যথেষ্ট হৈ পৰিছিল। লৰুৱাই ডিবুৰুগড়ত পেলাই দিলেগৈ।

## তৃতীয় আধ্যা

আমি ডিবুৰুগড় পোৱাৰ দিনাই, ৰাতিৰে পৰা তাত বৰষুণৰ ওৱা পাতিলে। বৰষুণ চেলেংপেটেং বিধৰ নহয়; ভালকৈয়ে গা সৰকি যোৱা। সেই লেলপেল বৰষুণ পোন্ধৰ দিনমানলৈকে চলি সি আমাৰ তেজ-মঙহ, হাড়-মগজু সোপাকে

সেঙেটো লগাই পেলাইছিল। বৰযুণৰ দৌৰাত্ম্যত আমি ক'লৈকো হৃষ্টচিত্তেৰে ফুৰিবলৈ ওলাই যাব নোৱাৰিছিলোঁ। ফলত আমি ৰাজনৈতিক বন্দীৰ দৰে একে ঠাইতে বন্দী হৈ ৰ'লোঁহঁক; — অৱশ্যে আজিকালি চৰকাৰ বাহাদুৰে শ্ৰেণীবিভাগ কৰাৰ দৰে এ-শ্ৰেণীৰ বা বি-শ্ৰেণীৰ বন্দী নহয়, ৰাজবন্দীহে। কাৰণ চাৰিবেৰৰ ভিতৰতে আমাৰ আহাৰ-বিহাৰ আৰু নিদ্ৰাসুখ নিৰ্বিঘ্নে সম্পাদিত হৈছিল, এই নিমিত্তে যে সেইবোৰ বিষয়ৰ জইণ্ট-ছুপাৰিণ্টেণ্ডেণ্ট অৰ্থাৎ যুটীয়া তত্ত্বাৱধায়ক আছিল আমাৰ জী-জোঁৱাই। বেটীয়ে বাঢ়নীৰ ওপৰত খং সৰাদি, দিনৌ আমাৰ মূৰৰ ওপৰত পানী বৰষা মেঘৰ ওপৰত আমি শাও বৰষি আমাৰ খং সাৰিছিলোঁ। কাইলৈ অ'ত ফুৰিবলৈ যাম, পৰহিলৈ ত'ত চিকাৰ কৰিবলৈ যাম, তাৰ পিছদিনা নাৱত উঠি গৈ ব্ৰহ্মপুত্ৰৰ বালিত বালিভাত খাম ইত্যাদি কথাৰ সাতহাল ৰাতি মাৰি থাকি কটাইছিলোঁ; কিন্তু পুৰা বৰযুণে বিধি-পথালি কৰি আমাক এহালো মাৰিবলৈ নিদিছিল। স্বৰ্গৰ খবৰ অৱশ্যে নাজানো। শুনিছোঁ তাত হেনো এজন ৰজা আছে, তেওঁৰ নাম ইন্দ্ৰ। তেওঁ থকা পুৰীখনো হেনো সুন্দৰ আৰু তাৰ নাম অমৰাৱতী। ৰজা থাকিলেই ৰাজসভা থকাটো দস্তুৰ। পাত্ৰমন্ত্ৰী, সভাসদ আৰু টেকেলা-বেঙেনা এইবোৰো তেওঁৰ থাকিবলগীয়া কথা। আৰু শুনিছো স্বৰ্গৰ ৰজাই স্বৰ্গতো ৰাজত্ব কৰে আৰু পৃথিৱীৰ নৰমনিচবোৰৰ ওপৰতো তেনেকুৱা কিবা এটাকে কৰে। তোমাৰ মন গ'লে তাক ৰাজত্বও বুলিব পাৰা, Rule বা শাসনো বুলিব পাৰা। শাসিত নৰমনিচে সদায় ইবাৰ এইটো সিবাৰ সেইটো আমাক দিয়া বুলি ৰাজাধিৰাজ ইন্দ্ৰক আমনি কৰি থকাটোও জানো। বোধকৰোঁ নৰমনিচৰ বৰ আমনিত তৎ নাপাই ৰাজাধিৰাজে এইবাৰ তেওঁৰ সভাসদবোৰ গোটাই বৰ ডাঙৰকৈ মেল এখন পাতিছিল। তাত আলোচ্য বিষয় আছিল, পৃথিৱীৰ নৰমনিচক তেওঁলোকে কি দিব পাৰিব, কি দিব নোৱাৰিব, কি দিয়াটো উচিত আৰু কি দিয়াটো অনুচিত। অথবা দিবলগীয়াটোও কি উপায়েৰে নিদিয়া হ'ব পাৰে। কোনে জানে কিজানি এইবাৰ সাতোখন স্বৰ্গৰ



পৰা প্ৰতিনিধি নমাই মেলুৱৈসকলক মাতি আনি মেলখন ডাঙৰকৈয়ে পাতিছিল। শুনিছোঁ সুৰপুৰীৰ সুৰেশ্বৰসকলৰ পেটত সুৰা আৰু সৰু-সুৰা নোহোৱা গুৰুভোজন পৰিলে, তেওঁলোকৰ ভাৱনা-চিন্তাবোৰত খেলিমেলি লাগি পৰে, মুখ ভালকৈ মেল নাখায় আৰু মেল খালেও জিভা ভালকৈ দোৱোল নাখায়। আমাৰ ভাতৰ পাতত কথা নিষিদ্ধ; কিন্তু তেওঁলোকৰ ভাতৰ পাততহে বৰমঙহৰ বৰমেলখন সিদ্ধ হয়। সেইদেখি ইন্দ্ৰ মহাৰাজে, আমি ডিবুৰুগড় পোৱা সময়তে সুৰপুৰীৰ মেলুৱৈসকলৰ নিমিত্তে বৰভোজৰ আয়োজন কৰিছিল যেন পাওঁ। আমাৰ ডিবুৰু গমন আৰু ইন্দ্ৰৰ ভোজৰ আয়োজন এই দুটা একে সময়তে পৰাটো কাকতালী সংযোগ বুলিয়েই ধৰিব পাৰি। স্বৰ্গখনৰ আয়তন কিমান, ক'ব নোৱাৰোঁ আৰু সেই বৰভোজৰ কোন বস্তু ক'ত থৈছিল, তাকো ক'ব নোৱাৰোঁ। আমি তাহানি কলিকতাত থাকোঁতে দেখিছিলোঁ, ডাঙৰ বিয়া-সবাহত নিমন্ত্ৰিতসকলক খুৱাই-বুৱাই সুকলমে কাৰ্য সমাধা কৰিবৰ নিমিত্তে কৰ্মকৰ্তাই আহল-বহল ডাঙৰ ঘৰ ভেৰোণীয়াকৈ লৈ ডাঙৰ ৰভা পাতি সভা কৰে। ডিবুৰুগড়ত বৰযুণৰ কোব দেখি অকস্মাতে মোৰ মনত খেলাইছিল যে ইন্দ্ৰ দেৱৰাজে তেওঁৰ ভোজত ব্যৱহাৰ্য পানীৰ বৰজকাটো ডিবুৰুগড়তে পাতিছিল। ইন্দ্ৰৰ কেইকুৰি পানীভাৰী আছে, সম্ভেদ নাজানো। কিন্তু কাৰ্য দেখি কুৰিৰ কথাই নাই, লাখচেৰেকৰ ওপৰেহে থকা যেন লাগে। যদি এই অনুমান সঁচা, তেন্তে কি ক'ম, কি শুনিবা! — গুৰিপৰুৱাৰ লানি যেন হৈ সেই ভাৰীবোৰে ভাৰে ভাৰে অবিৰাম পানী আনি সেই ডিব্ৰুগড়ত বহুৱা জকাত ঢালিছিল! অৱশ্যে এইবোৰ অনুমানৰহে কথা। এনে শাৰীৰ কথা সঁচা-মিছা কোনো বাপৰ পোৱে প্ৰমাণ কৰিব নোৱাৰে।

মই ডিবুৰুগড়ত দুদিন থকাৰ পিছতে গুৱাহাটীত টেপা খাই থকা আৰু এৰি অহা জ্বৰ আকৌ মোৰ গাত লম্ভিল। সি তাৰ কৰ্পটিকো মোৰ গাত চৰিবলৈ এৰি থৈ গৈছিল বুলি মই আগৰ প্ৰবন্ধত (অৰ্থাৎ দ্বিতীয় আধ্যাত) কৈ আহিছোঁ। কোনে জানে — হয়তো, পাপিষ্ঠ কৰ্পটিয়ে মোৰ গাত চৰি

সুবিধা দেখি গুৱাহাটীতে এৰি থৈ অহা সেই তাৰ জ্বৰ বন্ধুক বিজুলী-বাতৰি দি মাতি আনিলে? দ্বিৰা-গমনৰ দিনবোৰ চোৱাৰ দস্তুৰ এই জ্বৰৰ নাই। তাক ঔচ বুলিলেই হ'ল আৰু সি লৰি আহি গা জুৰি বহেহি। জী-জোঁৱায়ে আমাক তেওঁলোকৰ মাজত পাই আনন্দৰ প্ৰেৰণাত দিনৌ আমালৈ হাঁহ মাৰি ভাত খুৱাবৰ আয়োজন কৰিছিল। সংগীসকলে তাৰ সদ্ব্যৱহাৰ কৰে, কিন্তু মই বেচেৰাই কোনোদিনা এটেপা-আদটেপা খাওঁ, কোনো দিনা ভাতৰ পাতৰ আগত বহি টোপালি বাওঁ, সেপ ঢোকোঁ আৰু তৎপশ্চাৎ উঠি গৈ শয়ন কৰোঁ। বন্ধু-বান্ধৱ, মিতিৰ-কুটুম্বৰ পৰাও সততে ভোজনৰ সাগ্ৰহ নিমন্ত্ৰণ পাওঁ, কিন্তু মোৰ দ্বাৰাই নিমন্ত্ৰণ ৰক্ষণহে হয়, ভক্ষণ নহয়, কাৰণ মই যে অক্ষম অৰ্থাৎ Hors de combat. থেৰোগেৰোকৈ কোনোদিনা তেনে নিমন্ত্ৰণলৈ যাওঁ, কোনোদিনা নাযাওঁ আৰু গ'লেও আহাৰৰ আয়োজনৰূপী নৈৰ পাৰতে বহি তাৰ ফেনফোটোকা চাই থাকোঁ; নহ'লে কেতিয়াবা তাৰ দুচলু-এচলু পানী পান কৰোঁ। নাইবা শিৰত লওঁ আৰু মোৰ আগতে সেই ওফোন্দা নৈয়ে মোৰ Patronage অৰ্থাৎ অনুগ্ৰহ নিগ্ৰহলৈ Care নকৰি অৰ্থাৎ অপেক্ষা নাৰাখি বেগেৰে দুয়োপাৰ ছাদি বৈ গৈ থাকে। এনেকুৱা অৱস্থা হৈছিল মোৰ।

দুৰ্গা পূজাৰ দিনচেৰেকৰ আগতে আমি ডিবুৰু পাইছিলোঁ। ডিবুৰুগড়ীয়া ৰাইজৰ উছাহ-আনন্দৰ কল্লোলৰ মাজত থিয়েটাৰ, গান-বাজনা ইত্যাদিৰে পূজা মহাসমাৰোহেৰে সম্পাদিত হৈ গ'ল। নৰিয়া গাৰেই দুদিন-এদিন মই তেওঁলোকৰ আনন্দৰ ভাগ লৈছিলোঁ, কিন্তু গাত নৰিয়াৰ বাজে গজালি মেলি মোক বিকল কৰি পেলাইছিল। চৌদিশে উৰি ফুৰা আনন্দৰ ফুটুকা পখিলাবোৰৰ লগতে নিৰানন্দৰ মহকেইটাই মোৰ গাত শুং ফুটাই কুণকুণাই ফুৰিছিল। যি হওক হৰ্ষ-বিষাদৰ সান-মিহলিতে মোৰ ডিবুৰুগড়ীয়া দিনকেইটা একপ্ৰকাৰে কাটি গ'ল।

ভালেমান বছৰৰ মূৰত মই অসমলৈ গৈছিলোঁ। সেইদেখিয়েই বোধকৰোঁ মোৰ স্বদেশী বন্ধু-বান্ধৱৰ মোলৈ আগ্ৰহ অশেষ হৈছিল। তেওঁলোকে সভা-



সমিতি পাতি মোক নৰিয়া পাটীৰ পৰা টানি নি সেইবোৰত থিয় কৰি দিছিল। ময়ো মৰমৰ অত্যাচাৰ অতি হৃষ্টচিত্তেৰে সহ্য কৰিছিলোঁ। বন্ধুবৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস ডাক্তৰে প্ৰায় দিনৌ আহি মোক অতি যতন কৰি চিকিৎসা কৰিছিল আৰু তেওঁৰ যত্নতে মই লাহে লাহে গা-টঙাই উঠিলোঁ। মোৰ কৃতজ্ঞতাৰ আঁজলিৰ বাহিৰে এই উঠি অহা মনোভিৰাম ডাক্তৰ বন্ধুজনলৈ আৰু একো নাই।

ডিবুৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল। তাৰে দুই-এটাৰ বিষয়ে কওঁ। প্ৰথমতে মই আনন্দ-বিমিশ্ৰিত আচৰিত হৈ পৰিছিলোঁ ডিবুৰুগড়ৰ অসমীয়া তিৰোতাসকলৰ গঢ়গতি আৰু কাৰ্যকলাপ দেখি। তেওঁলোক মই তাহানি এৰি অহা অসমৰ, মহৰ দয়াত আৰু চেঁচুকৰ ছাঁত বঢ়া চুকৰ বোৱাৰীৰ শাৰীত আৰু নাই। শিক্ষা, দীক্ষা আৰু ৰাজহুৱা কাৰ্যাদিত তেওঁলোক অগ্ৰণী। সকলো সজ কাৰ্যত পুৰুষৰ সমকক্ষ হ'বলৈ তেওঁলোকৰ আগ্ৰহ প্ৰদীপ্ত। ৰক্ষণশীল সমাজে তেওঁলোকৰ ভৰিত পিন্ধোৱা শিকলি— তেহেলৈ সেই সোণৰে হওক বা লোৰে হওক তেওঁলোকৰ ভিতৰৰ অনেকে ছিঙিছে আৰু বাকীসকলেও ছিঙিবলৈ যত্ন কৰিছে। দেশৰ সেৱাত তেওঁলোকে পুৰুষৰ শাৰীত ঠাই লৈছেহি আৰু অনেক বিষয়ত শামুকখুজীয়া পুৰুষতকৈও আগবাঢ়িছে বুলি ক'লে বঢ়াই কোৱা নহয়। ডিবুৰুগড়ত সভা-সমিতি পতাত তেওঁলোকেই আগৰণুৱা হৈ পৰিছে আৰু ৰক্ষণশীল শাৰীৰ পুৰুষ চুকত ভেঁকুৰিছে। মাজতে বিমোৰ অৱস্থাত পৰি অসমীয়া তিৰোতা শিপিনীসকলে তেওঁলোকৰ অংগৰ ভূষণ বোৱা-কটা পৰিহাৰ কৰিছিল। ডিবুৰুগড়ীয়া নতুন তৰপৰ মহিলাসকলে তাক আকৌ সাদৰেৰে হাতত তুলি লৈছে। তেওঁলোকৰ বিনন্দীয়া মুখ মলিয়ন কৰোঁতা কাণ্ডজ্ঞানহীন পৰ্দাক তেওঁলোকে পৰিহাৰ কৰিছে। আৰু বাহিৰলৈ গ'লে ওৰণিৰ সৰ্বগ্ৰাসী গ্ৰহণৰ পৰা বিমুক্ত হৈ মনোজ্ঞ আংশিক গ্ৰাস গ্ৰহণ বৰণ কৰিছে। নিন্দুক সমালোচকৰ সস্তা সমালোচনাবোৰ, সমালোচকৰ আজিকালি অব্যৱহাৰ্য দ'তৰ জোলোঙাত সুমাই থ'বলৈ

তেওঁলোকে তেওঁলোকৰ মনৰ বলেৰে পৰোক্ষভাৱে সমালোচকক অনুজ্ঞা কৰিছে। সভা-সমিতিত তেওঁলোকে পুৰুষৰ আগত ওলাই একে শাৰীতে বা সমুখতে বহি প্ৰজাসাধাৰণৰ মঙ্গলা-মঙ্গলৰ বিষয়ত স্বাধীন মতামত প্ৰকাশ কৰিছে;— অথচ তেওঁলোকৰ স্ত্ৰী-সুলভ গাম্ভীৰ্য আৰু কমনীয়তাৰ এচুলিমানকো হ্ৰাস হ'বলৈ তেওঁলোকে দিয়া নাই। দুজনা-এজনাই সভাত উঠি এনে সুন্দৰকৈ বক্তৃতা কৰিছে যে অনেক নামজ্বলা বক্তা পুৰুষকো তেওঁলোকে সেই বিষয়ত চেৰ পেলাইছে। ৰামমোহন ৰায়ৰ স্মৃতিসভাত মোক সভাপতিৰ আসন দিয়া হৈছিল। তাত কল্যাণীয়া শ্ৰীমতী যোগদা দেৱীয়ে যিটি বক্তৃতা অনৰ্গলভাৱে দিলে, মই শুনি সঁচাকৈয়ে পুলকিত হৈ পৰিছিলোঁ আৰু মোৰ দেশৰ এজনা সম্ভ্ৰান্ত মহিলাৰ সেই বিষয়ত নৈপুণ্য দেখি নিজকে গৌৰৱান্বিত বিবেচনা কৰিছিলোঁ। মই ডিবুৰুগড় পোৱাৰ দ্বিতীয় কি তৃতীয়দিনা জ্বৰত শোৱাপাটীত পৰি কেঁকাই আছোঁ, এনেতে বালিকা স্কুলৰ প্ৰধান-শিক্ষয়িত্ৰী আয়ুস্মতী শ্ৰীমতী গৌৰীপ্ৰভা চলিহাই লগত একুৰিমান ছোৱালী ছাত্ৰী আৰু তেওঁৰ সহযোগী শিক্ষয়িত্ৰী জনচেৰেকক লৈ মোৰ আগত ওলালগৈ। তেওঁলোকৰ মোৰ প্ৰতি কি দয়া আৰু কি আগ্ৰহ! তেওঁলোকৰ মুখত অনাৱশ্যকীয় সংকোচ নাই, থোতামোজা নাই; তেওঁলোকে তেওঁলোকৰে দেশৰ এই চিৰপ্ৰৱসুৱাক সাক্ষাৎ কৰি সমাদৰ কৰি সন্মানিত কৰিবলৈ আহিছে আৰু পাৰিলে তেওঁক তেওঁলোকৰ স্কুললৈ আদৰি লৈ গৈ তেওঁৰ মুখৰ পৰা দুযাৰ-চাৰিযাৰ কথা শুনিবলৈ ইচ্ছা কৰিছে। কি সুখকৰ দৃশ্য! কি সুন্দৰ ব্যৱহাৰ! শ্ৰীমতী গৌৰীপ্ৰভা আইদেওক অৱশ্যে তেওঁ কলিকতাত কলেজত পঢ়াৰে পৰা মই জানো, আৰু মোৰ নিজৰ জীৰ নিচিনাকৈ তেওঁক স্নেহ কৰোঁ। গৌৰী চন্দ্ৰমাক মাজত লৈ তেওঁৰ সহযোগী নক্ষত্ৰৰূপিনী শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকল যেতিয়া মোৰ আগত উপস্থিত হ'লহি, জ্বৰত চেপেটা লাগি থকা মই জ্বৰৰ অত্যাচাৰলৈ খন্তেকৰ নিমিত্তে পাহৰি বিমল আনন্দ অনুভৱ কৰিছিলোঁ। ইয়াৰ কিছুদিনৰ পিছত তেওঁলোকৰ স্কুললৈ মই গৈ স্কুল চাই



আৰু তেওঁলোকৰ কাৰ্য দেখি অতি সন্তোষ পাইছিলোঁ। স্কুলত তেওঁলোকে বাছকবনীয়া ৰূপৰ বঁটা এটিত যি কাকত এডুখৰি মোক দিছিল, সেই বঁটাটি আৰু কাকতডুখৰিয়ে সদায় মোক সন্তোষ দি থাকিব। ডিবুৰুগড়ত সম্ভ্ৰান্ত মহিলাসকলৰ সভাতো এই লেখকক যিখন অভিনন্দনপত্ৰ মুগাৰ কাপোৰৰ ওপৰত ছপাই দিছিল, সেইখনো নিশ্চয় এই লেখকৰ পক্ষে অতি আদৰৰ সমল হৈ সদায় তেওঁৰ হাতত থাকিব।

ডিবুৰুগড়ৰ থিয়েটাৰ অৰ্থাৎ ৰংগশালৰ বিষয়ে একাষাৰ কওঁ। ডেকাসকলৰ উদ্যমৰ ফলত ৰংগশালটি সুদৰ্শন হৈ পৰি সি ডিবুৰুগড়ৰ সমৃদ্ধি বৃদ্ধি কৰিছে। সভা-সমিতি, থিয়েটাৰ, যাত্ৰা, গান, ভাৱনা প্ৰভৃতি এই ঘৰতে হয়। থিয়েটাৰৰ চিত্ৰপটবোৰ অসমীয়া চিত্ৰবিদ ডেকাসকলৰ দ্বাৰাই অঁকা হৈছে আৰু সেইবোৰ কলিকতাৰ ব্যৱসায়, নিপুণ চিত্ৰবিদৰ চিত্ৰতকৈ কোনোগুণে হীন নহয়। নাট্যকলাত ডিবুৰুগড়ৰ সম্ভ্ৰান্ত ঘৰৰ ডেকাসকলে আশাতীতভাৱে উন্নতি লাভ কৰিছে দেখি মোৰ মনত হৰ্ষ উপজিছিল। পেইণ্টিং আৰু ফটোগ্ৰাফীত স্নেহাস্পদ মুক্তানাথ বৰদলৈৰ কৃতিত্ব লেখত ল'বলগীয়া। থিয়েটাৰৰ ভালেমান দৃশ্যপট তেওঁৰ হাতৰ। তেওঁৰ ষ্টুডিঅ'লৈকো আমি গৈছিলোঁ। তাত তেওঁৰ হাতৰ চিত্ৰবোৰ দেখি বৰ সন্তোষ পালোঁ। তেওঁ যদি সেই ষ্টুডিঅ' অৰ্থাৎ চিত্ৰশাল আনি কলিকতাত পাতি বহে, তেন্তে তেওঁক সেই কাৰ্যত চেৰ পেলোৱা লোকৰ লেখ সৰহ নহ'ব। ডেকাসকলে পূজাৰ সময়ত কেইখনো নাটৰ অভিনয় কৰিছিল। অৱশ্যে আটাইবোৰ দেখা মোৰ কপালত নঘটিল। কিন্তু যিকেইটা দেখিলোঁ, তাতে মোৰ অশেষ সন্তোষ লভিছিল। সাজ-সজ্জা, চিত্ৰপট, ভাবপূৰ্ণ অভিনয়, সুস্বৰ সংগীত আৰু মনোজ্ঞ নৃত্যত তেওঁলোকৰ বৈশিষ্ট্য দেখা গৈছিল। কালত তেওঁলোকে যে আৰু উন্নতি কৰিব তাত সংশয় নাই। চিত্ৰকলাবিদ শ্ৰীযুত মুক্তানাথ বৰদলৈৰ কৃতিত্ব 'কমিক এক্টিঙতো' অৰ্থাৎ হাস্যৰসৰ ভাবতো পৰিস্ফুট। ডাক্তৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস আৰু জনদিয়েকৰ অভিনয় কলিকতাৰ থিয়েটাৰৰ বিখ্যাত অভিনেতাসকলতকৈও কোনোগুণে

কম নহয়। মাথোন এটি কথা ডিবুৰুগড়ীয়া ডেকা বন্ধুসকলক জনাই থওঁ— যেন তেওঁলোকৰ যত্নত মৌলিক অসমীয়া নাটৰ অভিনয় সৰহ হয়। অৱশ্যে তেনে নাটকৰ যে আটক, সেইটো জানো। যি হওক, ভৱিষ্যতলৈ সেই আটক গুচিব বুলি আশা কৰিলোঁ। বিদেশী নাটক অসমীয়ালৈ ভাঙি অসমীয়া ৰংগশালত অভিনয় কৰাটোত অনেকে দায় ধৰে। ময়ো তেনে কাৰ্যত বৰ সন্তোষ পাওঁ, এনে নহয়। কিন্তু বিদেশী ভাষাৰ নাটক একেবাৰেই আমাৰ ৰংগশালৰ বাহিৰ কৰি দিয়াটোৰো মই বিৰোধী। অৱশ্যে যদি তাৰ অনুবাদ প্ৰকৃত অসমীয়া অনুবাদ হৈ অসমীয়াৰ পেটত সি জীণ যোৱা হয়। ভাল বিদেশী নাটকৰ উৎকৃষ্ট ভাৱসম্পদেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য বঢ়োৱাটো অতি শোভন কথা, — যদি সেই ভাৱসম্পদক বাৰেবঙলুৱা অসমীয়া নকৰি আচল অসমীয়া কৰি দিয়া যায়। ভাৰতৰ নানা দেশৰ পৰা মানুহ আহি অসমত বসতি কৰিছে। যদি সেইবোৰে অসমক সৰ্বতোভাৱে বৰণ কৰি অসমীয়া হৈ যায় তাৰ দ্বাৰাই অসমৰ আপদ নাবাঢ়ি সম্পদ হে বাঢ়িব। এনে গঢ়েৰেই পুৰণি কালৰে পৰা অসম পুৰিপুষ্ট হৈ আহিছেও। কিন্তু অসমীয়াৰ বৰসবাহত যদি কোনোবাই অসমীয়াৰ দৰে চাপৰি বজাই বা তাল লৈ নাম নাগাই খোল-কৰতাল লৈ—

'দয়াল দয়াল, দয়াল বলে ডাকৰে ৰসনা।
যাৰে ডাকলে হৃদয় শাতল হবে যাবে যম যন্ত্ৰণা।।'

এনে বঙলুৱা সংকীৰ্তন মেলি দিয়ে, তেন্তে সি অসমীয়াৰ বৰসবাহত হাঁহৰ মাজত কাউৰী হৈ পৰি খেলিমেলিহে লগাব, শোভা নকৰে। Hybrid অৰ্থাৎ এধাকেচেলুৱা গান মিহলি আহাৰে পেট গোমাই তাত বিপ্লৱহে সৃষ্টি কৰিব, শান্তি সৃষ্টি নকৰে। এই কথা মনত ৰাখি আমাৰ নাট্যকাৰসকলে বিদেশী নাটৰ অসমীয়া ভাঙনি কৰিবলৈ গ'লে মংগল, নতুবা অমংগল। তাহানি কলিকতা নিবাসী জনচেৰেক অসমীয়া ছাত্ৰে লগ লাগি শ্বেক্সপিয়েৰৰ Comedy of Errors অসমীয়ালৈ ভাঙি তাৰ নাম ভ্ৰমৰংগ দি অভিনয় কৰিছিল। অনুবাদকৰ



লগত যদিও এই লেখক পৰা নাছিল,— তথাপি তেওঁৰ হাত যে সেই অনুবাদৰ ওপৰত নুফুৰিছিল এনে নহয়। মোৰ বিশ্বাস, ইংৰাজী নাটৰ সেই অনুবাদ একেবাৰেই অসমীয়া হৈ পৰি অসমীয়া সৰ্বসাধাৰণৰ মন হৰণ কৰিব পৰা হৈছিল। এতিয়াও নতুনকৈ উঠি অহা ডেকাসকলে তেনে গঢ়েৰে বিদেশী নাট অসমীয়ালৈ ভাঙি তাক অসমীয়া সাজপাৰ পিন্ধাই অসমীয়া ৰংগশালত তুলি দিলে, আমাৰ আঁসোৱাহ ধৰিবলৈ একো নাথাকিব।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| আপচু | — | কুৎসিত, কুশ্ৰী, দেখিবলৈ-শুনিবলৈ বেয়া। |
| কৈফিয়ৎ | — | কাৰণ দৰ্শোৱা, জবাব। |
| মাথাপোট | — | কৰ্মৰ প্ৰতি অৱহেলাৰ ফলত ওপজা দুঃচিন্তা। |
| ভৈল | — | হ'ল। |
| মহাভাৰ | — | গধুৰ বোজা। |
| শাওপাত | — | অভিশাপ। |
| পিয়াসী | — | তৃষ্ণাতুৰ, পিয়াহত আতুৰ। |
| ফৰিয়াদ | — | গোচৰ, অভিযোগ। |
| গজপত | — | অভিশাপ, শাওপাত। |
| বৃন্দাবনচন্দ্ৰ | — | শ্ৰীকৃষ্ণ। |
| ভিজিট | — | ৰোগীৰ চিকিৎসাৰ বাবে ডাক্তৰক দিবলগীয়া মাননি। |
| সঁচাৰকাঠী | — | চাবি। |
| লেকেটীয়া নৰিয়া | — | দীৰ্ঘ সময় জুৰি হৈ থকা ৰোগ, শৰীৰত আঠাৰ দৰে লাগি থকা বেমাৰ। |
| ছব্‌জজ | — | Sub Judge, উপ বিচাৰপতি। |

কঁথা — ফটা কাপোৰ লগ লগাই সী লোৱা ডাঠ কাপোৰ।
জজমেণ্ট — Judgement, ৰায়।
নিয়মিত — নিয়ম অনুযায়ী হোৱা, নিৰ্দিষ্ট, নিৰ্ধাৰিত।
থেৰোগেঁৰো — ইতস্ততঃ, হোহোকা-পিছলা।
বিভু — ঈশ্বৰ।
শিথিলা — শিথিল।
জাসে — জাহ যায়।
ভেৰোণ — ভাৰা, কেৰেয়া।
সম্পূজিতা — শ্ৰদ্ধাৰে পূজিতা।
কণকঠীয়া মৰা — সম্পূৰ্ণৰূপে ধ্বংস হোৱা।
না-জল না-স্থল — উপায়হীন অৱস্থা।
গুণি-গাথি — চিন্তা কৰি।
ঢেকেৰ ঢেকেৰ গাড়ী — লাহে লাহে চলা গাড়ী।
ৰিফ্ৰেছমেণ্ট — Refreshment, আহাৰ, জলপান।
জীৰ্ণ-শীৰ্ণ-দীৰ্ণ — নিঃকিন অৱস্থা।
অবিলুপ্ত — বিলুপ্ত নোহোৱা, নিঃশেষ নোহোৱা।
ঘূঘুয়া — অলপীয়া, অলপকৈ হোৱা।
আনীত — আমদানিকৃত, অনা, ওচৰ চপোৱা।
কৰ্পটি — ৰোগৰ আনুষংগিক লেঠা।
এলাবাদু — কোনো কামৰ বাবে যোগ্য নহয়, অপাত্ৰ।
ৰিপুৱা ধৰ — গুপ্তচৰ নিযুক্ত কৰ।
শলাকানি — শলিতা, শিহা।
আগ্ৰহাতিশয্য — অতি বেছি আগ্ৰহ।



দ্বিৰা-গমন — বিয়াৰ পিছত কন্যাৰ দ্বিতীয়বাৰ স্বামীৰ ঘৰলৈ যোৱা সংস্কাৰ
তাবেদাৰ — অনুচৰ, অনুসৰণকাৰী।
ককৰ্থনা — তিৰস্কাৰ।
ৰাইখ — ৰাখে।
চৰ্জন — স্ৰজন।
ওৰা পাত — লানি লাগ।
জকা — পিতল আদিৰ বৰ ডাঙৰ টৌ।
তৎপশ্চাৎ — তাৰ পিছত।
কল্লোল — ডাঙৰ টৌ।
ৰসনা — জিভা।

**টোকা ঃ** (ক) "পানীমে মীন পিয়াসী।
মোক শুনত শুনত লাগে হাসি।।"

প্ৰবাসী অসমীয়া লেখক লক্ষ্মীনাথ বেজবৰুৱাই কৰ্ম-ব্যস্ততাৰ কাৰণে বহু বছৰ ধৰি ঘৰলৈ অৰ্থাৎ অসমলৈ আহিব পৰা নাই। শিৱসাগৰত অনুষ্ঠিত হোৱা সভা এখনত এজন অসমীয়া ডেকাই কয় যে বেজবৰুৱাই গপ বা অভিমান কৰি মাতৃভূমিৰ পৰা আঁতৰি আছে। এই অভিযোগৰ উত্তৰ দিবলৈ গৈ বেজবৰুৱাই ভক্ত কবীৰ বিৰচিত উক্ত পদ ফাকিৰ অৱতাৰণা কৰিছে। শাওপাত বা বিধিৰ বিপাকত পৰিহে তেওঁ বহু বছৰ ধৰি মাতৃভূমিলৈ উভতিব পৰা নাই। বিধিৰ বিপাকত পৰিলে এডিঙি পানীত থকা মানুহেও পিয়াহত শুকাই মৰে। কবীৰৰ উক্ত পদ ফাকিৰ সৰল অসমীয়া ভাবানুবাদ হ'ল—

পানীত থাকিও মাছ তৃষ্ণাতুৰ।
শুনি শুনি হাঁহি উঠে মোৰ।।

পদ ফাকিৰ তাত্ত্বিক অৰ্থ হ'ল— মানুহৰ অন্তৰতে ঈশ্বৰ আছে, তথাপি ভক্তিহীন অজ্ঞানী মানুহে ঈশ্বৰ উপলব্ধি কৰিব নোৱাৰে। অজ্ঞানীজনৰ এনে

অৱস্থা দেখি কবিৰ হাঁহি উঠে।

(খ) "যথা নিযুক্তোহস্মি তথা কৰোমি।"

এই সংস্কৃত পদটিৰ অৰ্থ হ'ল— যিদৰে (অৰ্থাৎ যি কামৰ বাবে) নিযুক্ত হৈছোঁ, তাকে কৰিছোঁ।

কৰ্মসূত্ৰে উৰিষ্যাৰ সম্বলপুৰত থাকিবলৈ লোৱা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ডেৰ-দুকুৰি বছৰ পাছত, ১৯৩০ চনত মাতৃভূমি অসমলৈ উভতি আহে। বাইশ ছেপ্টেম্বৰ তাৰিখে তেওঁ গুৱাহাটীত উপস্থিত হয়। তেওঁক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে কটন কলেজৰ ছাত্ৰসকলে গধূলি এখন সভা অনুষ্ঠিত কৰে। সিদিনা বেজবৰুৱাৰ গা সিমান ভাল নাছিল। তথাপি জাতীয় সাহিত্যৰ কাণ্ডাৰী হিচাপে সভালৈ গৈ ছাত্ৰসকলক উৎসাহিত কৰাটো তেওঁৰ দায়িত্ব বুলি বিবেচনা কৰিছিল। ঈশ্বৰে যেন তেনেবোৰ কাম কৰিবলৈ তেওঁক পৃথিৱীলৈ পঠিয়াইছে। — এই ভাৱ প্ৰকাশ কৰিবলৈ লেখকে উক্ত পদটিৰ অৱতাৰণা কৰিছে।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটো ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

২। সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

৩। বেজবৰুৱাই 'মাতৃমুখ' দৰ্শনৰ বাবে ক'ৰ পৰা ক'লৈ যাত্ৰা কৰিছিল?

৪। ১৯৩০ চনৰ ১৯ ছেপ্টেম্বৰত সম্বলপুৰৰ পৰা অসমলৈ যাত্ৰা কৰোঁতে বেজবৰুৱাৰ সংগী কোন আছিল?

৫। লক্ষ্মীনাথ বেজবৰুৱা ৰচিত এখন ধেমেলীয়া নাটকৰ নাম লিখা।

**(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

২। 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষটিত 'মাতৃ' শব্দৰে কি বুজোৱা হৈছে? কিমান বছৰ পিছত লেখকৰ 'মাতৃমুখ' দৰ্শন হৈছিল?



৩। লক্ষ্মীনাথ বেজবৰুৱাক কটন কলেজৰ ছাত্ৰসকলে কিদৰে অভিনন্দন জনাইছিল?

৪। 'মোৰ মাতৃমুখ দৰ্শন'ৰ লেখকে উল্লেখ কৰা 'মাজিউ' আৰু 'জ্ঞান' কোন আছিল?

৫। লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ তিনিটা কাৰণ উল্লেখ কৰা।

**(গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই সম্বলপুৰৰ পৰা গুৱাহাটীলৈ কৰা ৰে'লযাত্ৰাৰ চমু বিৱৰণ আগবঢ়োৱা।

২। 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত লেখকে উল্লেখ কৰা মহাদেৱৰ কৃষি-কৰ্মৰ কাহিনীটো তোমাৰ নিজৰ ভাষাত লিখা।

৩। 'হাহা হুহু' কোন আছিল? এওঁলোকক কোনে কি কাৰণে সৃষ্টি কৰিছিল বুজাই লিখা।

৪। 'ডিবৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল।' — ডিবৰুগড়ত কোনবোৰ কথাই বেজবৰুৱাক সন্তোষ দিছিল, বুজাই লিখা।

৫। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত, বুজাই লিখা।

**পাঠবোধ ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা কৰ্মসূত্ৰে অসমৰ বাহিৰত, কলকাতা আৰু সম্বলপুৰত আছিল। কৰ্ম-ব্যস্ততাৰ কাৰণে তেওঁ ত্ৰিশ-চল্লিছ বছৰ ধৰি ঘৰলৈ (মাতৃভূমি অসমলৈ) আহিব পৰা নাছিল। আত্মীয়-স্বজনসকলে বাৰে বাৰে মাতি আছিল যদিও সময়-সুবিধা উলিয়াব পৰা নাছিল। অৱশেষত ১৯৩০ খ্ৰীষ্টাব্দৰ ১৯ ছেপ্টেম্বৰ তাৰিখে সম্বলপুৰৰ পৰা অসমলৈ বুলি যাত্ৰা আৰম্ভ কৰে। সংগী আছিল তেওঁৰ সহধৰ্মিণী প্ৰজ্ঞা সুন্দৰী দেৱী আৰু সৰু

জীয়ৰী। বেংগল-নাগপুৰ ৰেলেৰে সম্বলপুৰৰ পৰা দুঘণ্টা যাত্ৰা কৰি তেওঁ ঝাৰচোগোড়া জংচনত নামে আৰু তাৰ পৰা কলকাতা অভিমুখী ৰে'লত উঠে। লগত খোৱা বস্তু নিনিয়া কাৰণে আৰু ৰে'লতে খোৱাৰ ব্যৱস্থা কৰিব নোৱৰা কাৰণে পৰিয়াল সহ লেখকে লঘোণে-ভোকে যাত্ৰা কৰিবলগীয়া হয়। বিশ তাৰিখৰ ৰাতি আঠ মান বজাত তেওঁ কলকাতাত নামি মহানগৰৰ এঠাইৰ এটি ঘৰত উপস্থিত হয় আৰু লৰালৰিকৈ ভাত খাই শুই থাকে। পিছদিনা কলকাতাৰ শিয়ালদহ ষ্টেশ্যনৰ পৰা গুৱাহাটীলৈ বুলি যাত্ৰা আৰম্ভ কৰে আৰু বাইশ তাৰিখে গুৱাহাটীত উপস্থিত হয়। সেই সময়ত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হোৱা নাছিল। গতিকে যাত্ৰীসকলে নদীৰ উত্তৰ পাৰে (আমিনগাঁও) থকা ষ্টেশ্যনত নামি নদী-জাহাজেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীলৈ গৈছিল। বেজবৰুৱাক পাণ্ডু-জাহাজ ঘাটতে কবি চন্দ্ৰকুমাৰ আগৰৱালা আৰু আৰ্ল ল কলেজৰ অধ্যক্ষ জে. বৰুৱাই আদৰণি জনাইছিল।

অনেক কাৰণত বেজবৰুৱাৰ গুৱাহাটী চহৰ ভাল লাগে। তাৰ গোটাদিয়েক হ'ল— ১। প্ৰাকৃতিক সৌন্দৰ্য, ২। ঐতিহাসিক উৎকৰ্ষ, ৩। প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা। কষ্টকৰ ৰেলযাত্ৰা কৰি বেজবৰুৱা শাৰীৰিকভাৱে অসুস্থ হৈ পৰিছিল যদিও 'মাতৃমুখ' দৰ্শন কৰি অৰ্থাৎ অসম ভূমিত পদাৰ্পণ কৰি আনন্দিত হৈ পৰিছিল। সেইদিনা (বাইছ ছেপ্টেম্বৰ) গধূলি কটন কলেজৰ ছাত্ৰসকলে সভা অনুষ্ঠিত কৰি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্ধনা জনায়। পিছদিনা, অৰ্থাৎ ২৩ তাৰিখে তেওঁ ডিব্ৰুগড়লৈ বুলি যাত্ৰা আৰম্ভ কৰে আৰু ২৪ তাৰিখে পুৱা গন্তব্য স্থানত উপস্থিত হয়। কেবাগৰাকীও আপোন মানুহে লেখকক ষ্টেশ্যনৰ পৰা আদৰি নিয়ে। ডিব্ৰুগড় চহৰৰ প্ৰগতি দেখি লেখক আনন্দিত হৈ পৰে। তেওঁ লক্ষ্য কৰে যে ডিব্ৰুগড়ৰ তিৰোতাসকল শিক্ষিত হৈছে। ৰাজহুৱা কাম আদিতো তেওঁলোক আগৰণুৱা। তেওঁলোকে বোৱা-কটাও শিকিছে। বহু বছৰৰ মূৰত এই মহিলাসকলে লেখকক ওচৰতে পাই সভা পাতি অভিনন্দন জনালে। ডিব্ৰুগড়ৰ ডেকাসকলে নাট-চৰ্চা কৰে। তেওঁলোকে চহৰৰ ৰংগশালাত গীত-মাত, নাটক আদি পৰিবেশন কৰে।



মঞ্চত অসমীয়া মৌলিক নাটকৰ উপৰিও অনূদিত নাটকো অভিনীত হয়। বেজবৰুৱাই আশা কৰে যে ডেকা নাট্যকাৰসকলে বিদেশী নাটক অনুবাদ কৰোঁতে বিশেষ সাৱধানতা অৱলম্বন কৰিব। বিদেশী নাটক অসমীয়া নিভাঁজ ৰূপত অনুবাদ কৰি অভিনয়ৰ ব্যৱস্থা কৰিব। চাৰিগৰাকী অসমীয়া ছাত্ৰ-সাহিত্যিক ৰমাকান্ত বৰকাকতী, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰত্নধৰ বৰুৱাই যুটীয়াভাৱে শ্বেক্সপীয়েৰৰ 'Comedy of Errors' অসমীয়ালৈ অনুবাদ কৰি 'ভ্ৰমৰংগ' নামেৰে প্ৰকাশ কৰে (১৮৮৮)। ই হ'ল নিভাঁজ অসমীয়া অনুবাদ।

**ওপৰঞ্চি তথ্য ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা কৰ্মসূত্ৰে বহু বছৰ ধৰি মাতৃভূমি অসমৰ বাহিৰত আছিল। প্ৰথমতে তেওঁ কলকাতাত তেওঁৰ বন্ধু ভোলানাথ বৰুৱাৰ লগ লাগি কাঠৰ কাৰবাৰ কৰিছিল যদিও পাছত স্বতন্ত্ৰীয়াভাৱে সেই ব্যৱসায়ত লাগে। কিন্তু প্ৰথম মহাযুদ্ধৰ প্ৰকোপত তেওঁৰ ব্যৱসায় পৰি যায়। পাছত, ১৯১৬ চনত তেওঁ কাঠৰ ব্যৱসায় কৰা 'বাৰ্ড কোম্পানী'ৰ চাকৰিত যোগদান কৰে। কোম্পানীৰ কলকাতাৰ কাৰ্যালয়ত এবছৰ কাম কৰাৰ পাছত কোম্পানীয়ে তেওঁক উৰিষ্যাৰ সম্বলপুৰত থকা ফাৰ্মলৈ পঠিয়ায়। ১৯১৭ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ সম্বলপুৰলৈ যায় আৰু বাৰ্ড কোম্পানীৰ ফাৰ্মৰ 'মেনেজাৰ'ৰ কামত যোগদান কৰে।

এই সম্পৰ্কত বেজবৰুৱাই 'মোৰ মৃগয়া' শীৰ্ষক প্ৰবন্ধটিত লিখিছে— "কোম্পানীয়ে মোক তেওঁলোকৰ জংঘলৰ কাম 'মেনেজ' কৰিবৰ নিমিত্তে সম্বলপুৰলৈ পঠিয়াই দিলে, আৰু মোৰ দৰমহা ২০০ টকা হ'ল।"

**শিক্ষকৰ প্ৰতি ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক বেজবৰুৱাৰ কৰ্মজীৱনৰ আভাস দিব। বেজবৰুৱাৰ ৰচনাৰাজিৰ সম্পূৰ্ণ তালিকা এখন প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উপদেশ দিব।

●●●

# মগনিয়াৰ

**যতীন্দ্ৰ নাথ দুৱৰা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

কথা-কবিতা উনৈশ শতিকাৰ এক উল্লেখযোগ্য সৃষ্টি। ৰুছ সাহিত্যিক আইভান টুৰ্গেনিভক ইয়াৰ জনক বুলি কোৱা হয়। অসমীয়া ভাষাত প্ৰথম কথা-কবিতা ৰচনা কৰে যতীন্দ্ৰ নাথ দুৱৰাই। তেওঁৰ কথা-কবিতাৰ পুথিখনৰ নাম হৈছে ‘কথা-কবিতা’। কথা-কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱাটোৱে হৈছে এই পাঠ নিৰ্বাচন কৰাৰ ঘাই উদ্দেশ্য। পাঠটো অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে কবিতা আৰু কথা-কবিতাৰ মাজৰ পাৰ্থক্যখিনি বুজিব পাৰিব।

**লেখক পৰিচিতি ঃ**

১৮৯২ চনত শিৱসাগৰৰ আমোলাপট্টিত যতীন্দ্ৰ নাথ দুৱৰাৰ জন্ম হয়। ১৯০৯ চনত তেওঁ শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ্থে তেওঁ কটন কলেজত ভৰ্তি হৈছিল যদিও পিছত কলকাতালৈ গৈ স্কটিছ চাৰ্চ কলেজৰ পৰা বি.এ. পাছ কৰে। তাৰ পিছত আইন আৰু এম.এ. শিক্ষা আধাতে সামৰি শিৱসাগৰলৈ উভতি আহে।

ডিব্ৰুগড়ৰ জৰ্জ ইন্‌ষ্টিটিউছনত দুৱৰাই পোনপ্ৰথম শিক্ষকতা কৰিবলৈ লয়। তাৰ পিছত স্কটিছ চাৰ্চ কলেজিয়েট স্কুলত বহু বছৰ শিক্ষকতা কৰে। কিছুদিন কলকাতা বিশ্ববিদ্যালয়ৰ এম.এ. শ্ৰেণীতো অংশকালীন অধ্যাপক হিচাপে



কাম কৰিছিল। ১৯৪৫ চনত ডিব্ৰুগড়ত হনুমানবক্স সুৰযমল কানৈ কলেজ স্থাপিত হোৱাত দুৱৰা অসমীয়া বিভাগৰ মুখ্য অধ্যাপক পদত নিযুক্ত হয়। এই পদৰ পৰাই তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

ছাত্ৰাৱস্থাৰ পৰাই কবিতা ৰচনা কৰা দুৱৰাৰ কবিতাৰ পুথিকেইখন হ’ল— ‘ওমৰ তীৰ্থ’, ‘আপোন সুৰ’, ‘বনফুল’, ‘মিলনৰ সুৰ’ আৰু ‘মৰমৰ সুৰ’। ‘কথা-কবিতা’ একমাত্ৰ কথা-কবিতাৰ পুথি। ফাৰ্চী ছুফী কবি ওমৰ খায়ামৰ ৰুবায়তৰ প্ৰথম অসমীয়ালৈ ভাৱানুবাদ কৰি দুৱৰাই ‘ওমৰ তীৰ্থ’ পুথিখনি ৰচনা কৰে।

‘বনফুল’ কবিতাপুথিৰ বাবে দুৱৰাই সাহিত্য অকাদেমি বঁটা লাভ কৰে। এই বঁটা লাভ কৰা তেওঁৱেঁই প্ৰথম অসমীয়া। ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিৱেশনত দুৱৰাই সভাপতিত্ব কৰিছিল।

১৯৬৪ চনত শিৱসাগৰত দুৱৰাৰ মৃত্যু হয়।

**মূল পাঠ ঃ**

মই বাটেদি গৈ আছিলো—এটা বুঢ়া বেমাৰী হাড়-ছাল ওলোৱা মগনিয়াৰ আহি মোৰ ওচৰত থিয় হ’লহি।

তাৰ ওঁঠ শেঁতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰ....হৰি হৰি! সি দুখত পৰি কেনেকুৱা হৈছে—চকুৰ আগতে দৰিদ্ৰতাৰ কেনে জ্বলন্ত শোক লগা দৃশ্য! সি সেই উখহা অপৰিষ্কাৰ হাতখন মেলি মোক সহায় খুজিলে। মই চোলাৰ মোনাত হাত সুমাই একোকে নাপালোঁ—টকা নাই, ঘড়ী নাই, অইন কি এখন উৰ্মালো নাই, মই মোৰ লগত একোকে অনা নাছিলোঁ। মগনিয়াৰটোৱে তেতিয়াও মোৰ ওচৰতে হাত পাতি থিয় হৈ আছে—আৰু তাৰ দুৰ্বল শৰীৰ কঁপিবলৈ ধৰিছে।

মই এনেদৰে থাকিব নোৱাৰি লৰালৰিকৈ তাৰ হাত দুখন সাবটি ধৰিলোঁ আৰু ক’লোঁ—“ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।”

মগনিয়াৰটোৱে আচৰিত হৈ মোৰ ফালে এবাৰ চালে—শেঁতা ওঁঠ

দুখনেৰে অলপ হাঁহিলে—আৰু সিও মোৰ হাত দুখনত ধৰি অতি কষ্টেৰে মাত লগালে—"কি হ'ল, একো কথা নাই—ইয়াৰ কাৰণে অশেষ ধন্যবাদ—ইও যে এটা দান।"

ময়ো বুজিলোঁ যে মোৰ এজন লগৰীয়াৰ পৰা ময়ো এটা দান পালোঁ।

**কঠিন শব্দৰ অৰ্থ ঃ**

মগনিয়াৰ — মাগি খাওঁতা, ভিক্ষাৰী।
উখহা — ওফন্দি উঠা, (গাৰ মঙহ আদি) ফুলি উঠা।
উৰ্মাল — ৰুমাল।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবিগৰাকী কোন?
২। কবি যতীন্দ্ৰ নাথ দুৱৰাৰ জন্ম কিমান চনত হৈছিল?
৩। যতীন্দ্ৰ নাথ দুৱৰাক কি কবি বুলি কোৱা হয়?
৪। 'ওমৰ তীৰ্থ' পুথিখনি কোনখন পুথিৰ ভাৱানুবাদ?
৫। যতীন্দ্ৰ নাথ দুৱৰাই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। কথা-কবিতা বুলিলে কি বুজা? ইয়াৰ দুটা বৈশিষ্ট্য লিখা।
২। কবিতা আৰু কথা-কবিতাৰ মাজত কি কি পাৰ্থক্য আছে?
৩। ওমৰ খায়াম কোন? তেওঁ ৰচনা কৰা পুথি এখনৰ নাম লিখা।
৪। মগনিয়াৰজনে কবিৰ পৰা কি দান পোৱাৰ কথা কৈছে?
৫। 'ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।' —কোনে কি প্ৰসংগত এই উক্তি কৰিছিল?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**



১। 'মগনিয়াৰ' শীৰ্ষক কথা-কবিতাটিৰ সাৰাংশ লিখা।
২। 'মগনিয়াৰ' পাঠটিত কথা-কবিতাৰ কি কি লক্ষণ পৰিস্ফুট হৈছে?
৩। কবি যতীন্দ্ৰ নাথ দুৱৰাৰ সাহিত্য-কৃতিৰ এটি চমু পৰিচয় দাঙি ধৰা।
৪। 'মগনিয়াৰ' পাঠটি ক'ৰপৰা সংগ্ৰহ কৰা হৈছে? পাঠটিৰ মূল ভাবটি তোমাৰ ভাষাত লিখা।
৫। 'মগনিয়াৰ' পাঠটিৰ কবি আৰু মগনিয়াৰজনৰ মাজত হোৱা কথোপকথনখিনি তোমাৰ ভাষাত লিখা।

**পাঠবোধ ঃ**

১। মগনিয়াৰজন অতি দৰিদ্ৰ। তাৰ সৰ্বদেহত দৰিদ্ৰতাৰ চিন পৰিস্ফুট।
২। কবিৰ চেহেৰাত দৰিদ্ৰতাৰ কোনো চিন নাই। কিন্তু মগনিয়াৰজনৰ দৰে তেওঁৰো হাতত একো নাই।
৩। মগনিয়াৰ আৰু কবিৰ মাজত সাদৃশ্য থকা বিষয়টো হৈছে আন্তৰিকতা।
৪। পাঠটোৰ মাজেৰে দৰিদ্ৰ লোকৰ মহানুভৱতা প্ৰকাশ পাইছে।

**ওপৰঞ্চি তথ্য ঃ**

১। ৰুছ সাহিত্যিক আইভান টুৰ্গেনিভৰ "The Beggar" নামৰ কথা-কবিতাটোৰ লগত 'মগনিয়াৰ'ৰ সাদৃশ্য আছে।
২। উল্লেখযোগ্য যে টুৰ্গেনিভৰ 'Poems in Prose' আৰু আফ্ৰিকাৰ লেখিকা অলিভ শ্ৰাইনাৰৰ ৰচনাৰ আলমত যতীন্দ্ৰ নাথ দুৱৰাই 'কথা-কবিতা' ৰচনা কৰিছে।
৩। (ক) কথা-কবিতা এবিধ কবিতাই, ই ব্যঞ্জনাময়ী গদ্যত ৰচিত।
(খ) কথা-কবিতাত ৰূপকৰ সমাবেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক।
(গ) কথা-কবিতা চিত্ৰধৰ্মিতাৰ ওপৰত প্ৰতিষ্ঠিত।
(ঘ) কথা-কবিতাত ভাৱেই প্ৰধান বস্তু। ইয়াত এটি মাত্ৰ কেন্দ্ৰস্থ ভাৱ থাকে।

৪। ‘মগনিয়াৰ’ দুবৰাৰ ‘কথা-কবিতা’ নামৰ পুথিখনৰ পৰা লোৱা হৈছে। দুবৰাক ‘বনফুল’ৰ কবি বুলি কোৱা হয়।

**শিক্ষকৰ প্ৰতি ঃ**

কথা-কবিতাৰ লক্ষণ পাঠটোত কেনেদৰে পৰিস্ফুট হৈছে শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই দিব। ছাত্ৰ-ছাত্ৰীসকলক কথা-কবিতা ৰচনা কৰিবলৈও দিব পাৰে যাতে তেওঁলোকৰ সুপ্ত প্ৰতিভা প্ৰকাশ পায়।

●●●

# আনন্দৰাম বৰুৱা

**উপেন্দ্ৰ চন্দ্ৰ লেখাৰু**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

এই পাঠটোত অসমৰ এগৰাকী গুণী, বিদ্বান পুৰুষ আনন্দৰাম বৰুৱাৰ কৰ্ম আৰু সাধনাৰ পৰিচয় দিয়া হৈছে। ছাত্ৰ জীৱনৰ পৰা তেওঁ নিজৰ মেধাৰ পৰিচয় দি, ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতাত উত্তীৰ্ণ হৈ প্ৰথমজন অসমীয়া আৰু পঞ্চমজন ভাৰতীয় হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰতিভাসম্পন্ন আৰু কৰ্মোদ্যমী আনন্দৰাম বৰুৱাৰ কৰ্মস্পৃহা আৰু স্বদেশৰ প্ৰতি থকা ভালপোৱা চিৰস্মৰণীয়। এই পাঠৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক এই গুণৰাজিৰ প্ৰতি আকৰ্ষিত কৰিব। জীৱনী-অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশ সাধন কৰে।

**লেখক পৰিচিতি ঃ**

উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (১৯০৫—১৯৭৯) অসমীয়া বৈষ্ণৱ সাহিত্যৰ অন্যতম গৱেষক পণ্ডিত। ‘অসমীয়া’ বিষয়ৰ উপৰি ‘বাংলা’ বিষয়তো তেওঁ এম.এ. ডিগ্ৰী লাভ কৰে। শিক্ষা শেষ কৰি পোন প্ৰথমে উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুলত শিক্ষকতা কৰিবলৈ লয়। পাছত কটন কলেজৰ অসমীয়া বিভাগত সুদীৰ্ঘ কাল অধ্যাপনা কৰি বিভাগীয় মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰে। লেখাৰুদেৱে সম্পাদনা কৰা বৃহৎ কলেৱৰৰ ‘কথা-গুৰু-চৰিত’ অসমীয়া সাহিত্যৰ এক মূল্যবান সম্পদ। ‘অসমীয়া ৰামায়ণ সাহিত্য’, ‘অসমীয়া সাহিত্যৰ সেৱক ৰজনীকান্ত বৰদলৈ’, ‘লক্ষ্মীনাথ বেজবৰুৱা’ তেওঁৰ উল্লেখযোগ্য

গ্ৰন্থ। তেওঁৰ অনুবাদমূলক গ্ৰন্থকেইখন হ'ল—'শ্ৰীশ্ৰী ৰামকৃষ্ণৰ উপদেশ', 'ধম্মপদ', 'এনক আৰ্ডেন'। আধুনিক বিজ্ঞানসন্মত পদ্ধতিত পুৰণি সাহিত্য গ্ৰন্থৰ সম্পাদনাৰ প্ৰয়াস কৰা লেখাৰুদেৰৰ 'ভক্তি বিবেক' আৰু 'কথা সাহিত্য' উল্লেখযোগ্য সম্পাদিত গ্ৰন্থ। ১৯৭০ চনত ধিঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ অধিবেশনত তেওঁ সভাপতিত্ব কৰে।

**মূল পাঠ ঃ**

ক্ষণজন্মা আনন্দৰামৰ নাম আমি সকলোৱে শুনিছোঁ। আমাৰ আগতো তেওঁৰ নাম বহুতে শুনিছিল আৰু আমাৰ পিছতো বহুতে শুনিব। গতিকে, অতীত, বৰ্তমান, ভৱিষ্যৎ তিনি কালতে ব্যাপি থাকি তেওঁ তেওঁৰ মহত্ত্বৰ পৰিচয় দিছে। ভাৰত, ইউৰোপ, আমেৰিকা আদি সকলো সভ্য দেশতে জ্ঞানী সমাজত আনন্দৰামৰ নাম জনাজাত। প্ৰকৃত মহৎ লোকসকলে এইদৰেই দেশ-কালৰ সীমা অতিক্ৰম কৰে। আনন্দৰাম প্ৰকৃত জ্ঞানী, অসাধাৰণ পণ্ডিত আৰু অসাধাৰণ কৰ্মী আছিল; সেই দেখি সুধী সমাজে তেওঁক শ্ৰদ্ধা দেখুৱায় আৰু ভক্তি কৰে। মানুহৰ সাৰবস্তু হৈছে জ্ঞান, গতিকে জ্ঞানৰ মূৰ্তিয়েই পূজনীয়। গুণজ্ঞ কবিয়ে সেইদেখি গাইছে—'আনন্দ, তোমাৰ জ্ঞানৰ মূৰুতি আমি সকলোৱে কৰিছোঁ ধ্যান' ইত্যাদি।

আনন্দৰাম অসমৰে এখনি সৰু গাঁৱত জন্মিছিল। আন অসমীয়াৰ দৰে তেওঁ খাৰ-পাত, কল-কুঁহিয়াৰকে খাই ডাঙৰ-দীঘল হৈছিল। কিন্তু তেওঁ একান্তভাৱে জ্ঞান চৰ্চা কৰিছিল। ইয়ে তেওঁৰ বিশেষত্ব, ইয়ে তেওঁক মহৎ আৰু অমৰ কৰি তুলিছে। তেওঁৰ মূল্যবান সংস্কৃতৰ গ্ৰন্থসমূহৰ কাৰণে তেওঁ সদায় পূজনীয় হৈ থাকিব। ইয়াৰ উপৰি, তেওঁ তেওঁৰ জীৱনত যিবিলাক আদৰ্শ দেখুৱাই গৈছে সেইবোৰ সদায় অনুকৰণ কৰিবলগীয়া। গতিকে পথ দেখাওঁতা ৰূপে তেওঁক স্মৰণ কৰিব লাগে আৰু অমৰ আৰু আকাৰহীন আনন্দৰামক মূৰ্তিমন্ত কৰি সদায় চকুৰ আগত ৰাখিব লাগে। প্ৰকৃততে, মহাপুৰুষসকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজক উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে।



কোনো লোকে প্ৰকৃত জ্ঞানৰ অধিকাৰী হ'লে বা জীৱনৰ মাধুৰী ভোগ কৰিবলৈ পালে বা পৃথিৱীত জন্মলাভ কৰাৰ সাৰ্থকতা উপলব্ধি কৰিলে জন্মদাতা পিতৃ-মাতৃ আৰু লালন-পালন কৰি ডাঙৰ কৰোঁতা উপৰিস্থসকল, সংগীসকল, জ্ঞানদাতাসকল দেশ বা সমাজৰ প্ৰতি কৃতজ্ঞ হয়। আনন্দৰামৰ জীৱনত ইয়াৰ সত্যতা প্ৰমাণিত হয়। ভাৰত আৰু সুদূৰ ইউৰোপত শিক্ষা লাভ কৰি তেওঁ অগাধ পণ্ডিত হৈ উঠিছিল। তাৰ উপৰি, দেশৰ আন কোনো লোকে সেই কালত আশা কৰিব নোৱৰা ৰজাঘৰীয়া ডাঙৰ বিষয় পাইছিল। তথাপি তেওঁৰ নিজৰ আই-বোপাই, ভাই-ককাইৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা লেখমানো কমা নাছিল। সংস্কৃত সাগৰ মথি জগত বিখ্যাত পণ্ডিতসকলৰ শাৰীত বহি তেওঁ সংস্কৃতৰ সুবৃহৎ গ্ৰন্থ লেখিবলৈ বহিছে, তেতিয়াও তেওঁ দুৰ্লভেশ্বৰী আৰু গৰ্গৰামৰ পুত্ৰ পৰশুৰাম আৰু জানকীৰামৰ ভ্ৰাতৃ বুলি পৰিচয় দিহে সন্তোষ লাভ কৰিছে। জন্ম দিওঁতা আৰু লালন-পালন কৰি ডাঙৰ-দীঘল কৰোঁতাসকলক কেনেকৈ ভক্তি দেখুৱাব, কেনেকৈনো তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব তাকেহে তেওঁ চিন্তা কৰিছিল।

আনন্দৰামৰ নিজ দেশৰ প্ৰতি ভক্তিও কম নাছিল। 'প্ৰাগজ্যোতিষপুৰ সম্ভৱম্' বুলি কৈ তেওঁ বিশেষ গৌৰৱ অনুভৱ কৰিছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ তেওঁ এইদৰে পৰিচয় দিছে। তেওঁৰ 'মহাবীৰ চৰিত'ৰ সংস্কৃত ব্যাখ্যাত নাট অভিনয়ৰ বিষয়ে লিখোঁতে কামৰূপৰ ভাওনাৰ উল্লেখ কৰিছে। এইদৰে য'তে সুবিধা পাইছে ত'তে প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপৰ উল্লেখ কৰি তেওঁ স্বদেশপ্ৰেমৰ পৰিচয় দিছে। শ্ৰদ্ধেয় ভূঞা ডাঙৰীয়াই লিখা আনন্দৰামৰ জীৱনীৰ বিৱৰণবোৰৰ পৰা আমি জানিব পাৰোঁ যে তেওঁ সদায় নিজ দেশৰ লোকসকলৰ সন্মান ৰক্ষা কৰিছিল। আমিও কওঁ, যি দেশৰ পিতৃ-মাতৃৰ পৰা আনন্দৰামৰ দৰে আজীৱন জ্ঞান-পিপাসু আৰু প্ৰকৃষ্ট কৰ্মী পুত্ৰৰ জন্ম হ'ব পাৰে সেই দেশৰ নৰ-নাৰী উভয়ে শ্ৰদ্ধা পায়।

আনন্দৰামে অসমীয়া ভাষাত কোনো গ্ৰন্থ লিখা নাছিল। সেই দেখি

কোনো কোনোৱে তেওঁক দোষাৰোপ কৰিব খুজিব পাৰে। কিন্তু সেইটো ভুল আৰু যুক্তিহীন। তেওঁ কি কি নকৰিলে সেইবোৰলৈ নেচাই তেওঁ কি কি কৰিলে, তাকে চালেহে আমি তেওঁৰ পৰিচয় পাম। এজন মানুহে সকলোবোৰ কাম কৰা অসম্ভৱ। বিশেষকৈ সংস্কৃত ভাষা আৰু সাহিত্যকে আনন্দৰামে ভাল পাইছিল। তাৰে বিশেষ চৰ্চা কৰি নিজ প্ৰতিভাৰে তেওঁ জগতত চিৰকাললৈ অসমীয়াৰ সন্মান বঢ়ালে আৰু আন আন অসমীয়াক দেশৰ উন্নতি পথৰ ইংগিত দি গ'ল। দেশৰ প্ৰতি এয়ে তেওঁৰ মহৎ দান। ইয়াৰ বাবেই তেওঁ আমাৰ পূজনীয়।

আনন্দৰাম সদায় একাগ্ৰ আছিল। একাগ্ৰতাৰ গুণতে তেওঁ অসাধাৰণ জ্ঞানী আৰু অসাধাৰণ কৰ্মী হ'ব পাৰিছিল। এই গুণেই তেওঁক সাহ আৰু শক্তি দান কৰিছিল। সেই দেখিয়ে আগৰ জ্ঞানীসকলে সকলো জ্ঞান লাভৰ লগতে একাগ্ৰতা সাধন কৰিবলৈ কৈছিল। ল'ৰাকালতে ভাওনা আদি অভিনয় উৎসৱত যোগ দিওঁতে আনন্দৰাম যেনে একমনা আছিল সেইদৰে লিখা-পঢ়া বিষয়তো তেওঁ একমনা আছিল। সেয়েহে গোটেই 'অমৰকোষ'খনি তেওঁ ল'ৰাকালতে কণ্ঠস্থ কৰিব পাৰিছিল। নানা কুভাৱ মনত ঠাই দিলে আৰু মনপুতি নালাগিলে কোনেও এনেদৰে পাঠ আয়ত্ত কৰিব নোৱাৰে আৰু কোনো বিষয়তে সফল হ'ব নোৱাৰে। আনন্দৰাম কৰ্মত এনে একনিষ্ঠভাৱে লিপ্ত আছিল, জ্ঞান চৰ্চাৰ অনুৰাগ তেওঁৰ ইমান প্ৰবল আছিল যে তেওঁ তাৰ বাবে চিৰকুমাৰ ব্ৰত অৱলম্বন কৰিছিল। এনে পৱিত্ৰ পথৰ পথিক তেওঁ আমাৰ নমস্য।

আনন্দৰামে জ্ঞান লাভৰ কাৰণে ভাৰতত শিক্ষা শেষ কৰি সুদূৰ ইউৰোপ ওলাইছিলগৈ। তেওঁৰ জ্ঞান বা বিদ্যা যেনে অসীম আছিল, তাক লাভ কৰিবলৈ সেইদৰে তেওঁ অশেষ পৰিশ্ৰম কৰিবলগীয়া হৈছিল আৰু তাত কম সাহসৰ আৱশ্যক হোৱা নাছিল। আজিকালি বিলাতলৈ অনেকে যায়। গতিকে বৰ্তমান ই একো আচৰিত হোৱা কথা নহয়; কিন্তু তেওঁ যি কালত গৈছিল, সেই



কালত ভাৰতৰ পৰা নিচেই কম মানুহেহে ইউৰোপলৈ যাবলৈ সাহ কৰিছিল। আনকি পথ দুৰ্গম হোৱা বাবে অসমৰ পৰা বংগদেশলৈ যাবলৈকে মানুহে ভয় কৰিছিল। এনে ভয়ৰ বাহিৰেও বিলাতলৈ গ'লে জাতি যোৱা ভয়টো মানুহৰ মনত সম্পূৰ্ণ আছিল। গতিকে তেনে সময়ত, পিতৃ-মাতৃ, জ্ঞাতি-কুটুম আৰু সমাজৰ পৰা আঁতৰি মহাসাগৰ পাৰ হৈ সুদূৰ বিলাতলৈ যাবলৈ আনন্দৰামৰ কিমান মনৰ বলৰ আৰশ্যক হৈছিল সহজেই ধৰিব পাৰি। জ্ঞানৰ পিয়াহে যে তেওঁৰ মনত অতুল সাহ উপস্থিত কৰিছিল তাক সহজে ধৰিব পাৰি। আনন্দৰামে সাহস সিদ্ধি লাভ কৰিলে। আনসকলে বিলাতলৈ যোৱা ভাবিয়েই কোঁচ-মোচ খাই ঘৰৰ সুখ লৈ থাকোঁতে আনন্দৰামে অকলে অসীম সাহসে জাতিসমূহৰ অনিয়া-অনিৰ মাজত অসমৰ উচ্চ আসন স্থাপন কৰিলে। ইয়াতকৈ আৰু কি আনন্দ বা গৌৰৱৰ বিষয় হ'ব পাৰে? আনন্দৰামে অসমীয়া ভাষাত একো নেলেখিলে, এখন অসম বুৰঞ্জী লিখি থৈ নগ'ল, বক্তৃতা আদি দি কোনো আন্দোলনৰ সূত্ৰপাত নকৰিলে, কিন্তু তেওঁ সকলো কৰ্মক্ষেত্ৰৰে মূল দুৱাৰ মুকলি কৰি দি গ'ল। নৱযুগৰ আৰম্ভণি অসমীয়াৰ পক্ষে গৌৰৱময় কৰি তোলাৰ কাৰণে আনন্দৰামে সদায় পূজা পাব।

কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ। আনন্দৰামৰ মূলমন্ত্ৰ আছিল কৰ্ম। অবিৰাম কৰ্মগতিতে তেওঁৰ আনন্দ। কামৰ বাবে তেওঁ প্ৰশংসা বা মান নিবিচাৰিছিল। ইয়ে প্ৰকৃত কৰ্মীৰ চিন। বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰি চাকৰি জীৱনৰ অতি কম বয়সৰ ভিতৰতে তেওঁ যিমানবিলাক ওখ শ্ৰেণীৰ গ্ৰন্থ প্ৰকাশ কৰিছিল দেখিলে আচৰিত মানিব লাগে। প্ৰকাশ হোৱা গ্ৰন্থবোৰৰ বাহিৰেও বহুত গ্ৰন্থ প্ৰণয়ন কৰিবলৈ তেওঁ সংকল্প কৰিছিল। তেওঁৰ কাম আৰু সংকল্প দেখি আন নালাগে জগতবিখ্যাত পণ্ডিত মেক্স মূলাৰৰ দৰে লোকেও বিস্ময় মানিছিল। কিন্তু তেওঁ অকালতে প্ৰাণ ত্যাগ কৰিব লগা হোৱাত সকলোৰে আশা-ভৰসা মাৰ গ'ল। আনন্দৰামৰ অকাল মৃত্যুত স্বদেশ, বিদেশ, প্ৰাচ্য, পাশ্চাত্য সকলোতে হাহাকাৰৰ সৃষ্টি হ'ল। সি হ'বৰে কথা।

কাৰণ, জীৱন আৰু কৰ্মৰ দ্বাৰা তেওঁ জাতিসমূহৰ আৰু প্ৰাচ্য-পাশ্চাত্যৰ ঐক্য সাধন কৰিছিল। এনে এজন প্ৰতিভাশালী লোকৰ মৃত্যুত গোটেই জগত যে শোকাভিভূত হ'ব সি স্বাভাৱিক। আনন্দৰামৰ আগতে সংস্কৃত চৰ্চা বৰ বিশেষ ৰকমে হৈছিল বুলি ক'ব নোৱাৰি। পাশ্চাত্যৰ লোকসকলে প্ৰাচ্যৰ জ্ঞানৰাজিৰ বিশেষ আলোচনা কৰিবলৈ সুবিধা পোৱা নাছিল। কিন্তু আনন্দৰামৰ পিছত এই কাম উজু হৈ পৰিছিল। গতিকে প্ৰাচ্য-পাশ্চাত্যৰ ভাৰত সন্মিলনত আনন্দৰামৰ স্থান অতি উচ্চ। তেওঁকে আদৰ্শ কৰি ভাৰততো বহুতে সংস্কৃত চৰ্চা কৰিবলৈ ধৰিলে। আমাৰ অসমৰ লোকসকলৰ তেওঁ গৌৰৱ ৰবি। তেওঁৰ অনুসন্ধানস্পৃহা, কৰ্ম আৰু খ্যাতিত বিস্ময়ান্বিত হৈ অসমৰ লোকসকলৰ আত্মস্মৃতি জাগি উঠিল। অসমীয়াই আনন্দৰামক কেতিয়াও পাহৰিব নোৱাৰে। আজিও যিসকল লোকে দেশত শক্তি অনুসৰি চৰ্চা আৰু অনুসন্ধান কৰিছে আৰু খ্যাতি লাভ কৰিছে সেই সকলো প্ৰকৃতপক্ষে আনন্দৰামৰ আদৰ্শত অনুপ্ৰাণিত হৈছে। একাগ্ৰতা আৰু অধ্যৱসায়ৰ বলত অসমীয়ায়ো জগতৰ জাতিসমূহৰ মাজত উচ্চ আসন দাবী কৰিব পাৰে, এই আত্মবিশ্বাস আহিব ধৰিছে। এই আত্মবিশ্বাস প্ৰথমে যিজনে নৱযুগৰ আৰম্ভণিতে আমাৰ দেশক দিলে তেওঁ আনন্দৰাম। অসমীয়া শক্তিৰ প্ৰমাণ দিওঁতা বুলি গৌৰৱ কৰি কবিয়ে দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰি গাইছে—

'তোমাৰে আনন্দ বৰুৱাই চোৱা সংস্কৃত সাগৰ মথি।
যুৰুপ, এচিয়াত কিৰিতি ৰাখিলে, জগতে কৈছে ডাঠি।'

আনন্দৰামৰ মহৎ আদৰ্শৰ কথা আলোচনা কৰি, তেওঁৰ স্মৃতি মন্দিৰ স্থাপন কৰি, তেওঁৰ স্মৃতিত গ্ৰন্থাদি কৰি, অনুসন্ধান সমিতি আদিৰ সূত্ৰপাত কৰি আমি নিজকে উন্নতি পথত পৰিচালিত কৰিব পাৰোঁ আৰু মহৎ মহৎ আদৰ্শৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই আমাৰ নিজ মনোবৃত্তিৰ আৰু শিক্ষা সাধনাৰ পৰিচয় দিব পাৰোঁ।



**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| ক্ষণজন্মা | — | অতি শুভ সময়ত জন্ম হোৱা, ভাগ্যবান। |
| উপৰিস্থসকল | — | জ্যেষ্ঠসকল। |
| প্ৰকৃষ্ট | — | উত্তম, শ্ৰেষ্ঠ। |
| অনিয়া-অনি | — | পৰস্পৰে দায়িত্ব অস্বীকাৰ কৰা। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। আনন্দৰাম বৰুৱাৰ ক'ত জন্ম হৈছিল?

২। ভাৰতত শিক্ষা শেষ কৰি আনন্দৰাম বৰুৱা ক'লৈ গৈছিল?

৩। আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে?

৪। আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি বিস্ময়াভিভূত হোৱা এজন বিদেশী পণ্ডিতৰ নাম লিখা।

৫। আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল?

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া?

২। আনন্দৰাম বৰুৱাৰ সময়ত ভাৰতীয় মানুহে ইউৰোপলৈ যাবলৈ কিয় সাহ কৰা নাছিল?

৩। কেনেধৰণে নিজৰ পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল?

৪। 'আনন্দৰামৰ নিজ দেশৰ প্ৰতি ভক্তিও কম নাছিল' — বুজাই লিখা।

৫। কি কি কথাৰ বাবে আনন্দৰাম বৰুৱা পূজ্য হৈ থাকিব?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। মহাপুৰুষৰ পদাংক অনুসৰণ কৰি মানুহে কেনেদৰে নিজক পৰিচালিত কৰিব পাৰে? 'আনন্দৰাম বৰুৱা' পাঠটিৰ আধাৰত বুজাই লিখা।

২। একাগ্ৰতা গুণে আনন্দৰাম বৰুৱাক কেনেধৰণে সহায় কৰিছিল?

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা — 'কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ'।

৪। আনন্দৰাম বৰুৱাৰ মহৎ আদৰ্শৰাজি আমি কেনেদৰে গ্ৰহণ কৰিব পাৰোঁ বুজাই লিখা।

৫। প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাই কেনে অৱদান আগবঢ়াই গৈছে, বুজাই লিখা।

**পাঠবোধ ঃ**

আনন্দৰাম বৰুৱাৰ বিশাল ব্যক্তিত্ব, জ্ঞান লাভৰ প্ৰতি থকা একাগ্ৰতা, অগাধ পাণ্ডিত্য, দেশপ্ৰেম, কৰ্মস্পৃহা আদি গুণৰাজি এই পাঠটিত প্ৰকাশিত হৈছে। তেওঁৰ বহুমুখী কৰ্মৰাজিৰ সৌৰভ চৌদিশে বিয়পি পৰিছে। এখন সৰু, সাধাৰণ গাঁৱত ডাঙৰ-দীঘল হৈও তেওঁ একান্তভাৱে জ্ঞানৰ চৰ্চা কৰিছিল। জ্ঞান লাভৰ প্ৰতি থকা ঐকান্তিক গুণে তেওঁক মহৎ আৰু অমৰ কৰি ৰাখিছে। নিজ পিতৃ-মাতৃ, স্বদেশ আৰু স্ব-জাতিৰ প্ৰতি তেওঁৰ ভক্তি আৰু শ্ৰদ্ধা অটুট আছিল। তেওঁ য'তেই সুযোগ পাইছিল তাতেই 'প্ৰাগজ্যোতিষপুৰ' আৰু 'কামৰূপ'ৰ উল্লেখ কৰি স্বদেশপ্ৰেমৰ পৰিচয় দিছে। সংস্কৃত ভাষা আৰু সাহিত্য চৰ্চা কৰি নিজৰ প্ৰতিভাৰে জগতত চিৰকাললৈ অসমীয়াৰ মান বঢ়াইছে।

কৰ্মৰ প্ৰতি থকা একাগ্ৰতাৰ গুণত তেওঁ অসাধাৰণ জ্ঞানী আৰু কৰ্মী হ'ব পাৰিছিল। সকলো ক্ষেত্ৰতে একমনা আছিল। 'অমৰকোষ' গ্ৰন্থখনি ল'ৰাকালতে কণ্ঠস্থ কৰিব পাৰিছিল। আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগতে তেওঁ সুদূৰ ইউৰোপলৈ গৈছিল। মন কৰিব লগীয়া কথা এয়ে যে সেই সময়ত ভাৰতৰ পৰা অতি কম মানুহেহে ইউৰোপলৈ যাবলৈ সাহস গোটাইছিল। জ্ঞানৰ প্ৰতি থকা একান্ত আগ্ৰহৰ বাবে তেওঁ এই কাম কৰিব পাৰিছিল। দেখাত আনন্দৰাম বৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ বাবে একো কৰা নাই যেন লাগিলেও প্ৰকৃততে তেওঁ সকলো কৰ্মক্ষেত্ৰৰ মূল দুৱাৰ মুকলি কৰি দি গৈছে।



কৰ্ম আৰু সাধনা আছিল আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ। প্ৰাচ্য আৰু পাশ্চাত্যৰ তেওঁ সমন্বয় সাধক। ভাৰতীয় আদৰ্শৰাজিক পাশ্চাত্যত সন্মিলিত আৰু জনপ্ৰিয় কৰি তুলিছিল। তেওঁৰ অনুসন্ধান স্পৃহা, কৰ্ম আৰু খ্যাতিয়ে অসমবাসীক মুগ্ধ কৰি ৰাখিছে। তেওঁৰ মহৎ আদৰ্শৰাজি আমাৰ বাবে সদায় অনুকৰণীয় হৈ ৰ'ব।

**ওপৰঞ্চি তথ্য ঃ**

(ক) আনন্দৰাম বৰুৱাৰ জন্ম হৈছিল ১৮৫০ চনৰ ২১ মে' তাৰিখে। তেওঁৰ জন্মস্থান আছিল উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰ।

(খ) গুৱাহাটী কলেজিয়েট স্কুলক এটা সময়ত গুৱাহাটী গভৰ্ণমেণ্ট ছেমিনাৰী নামেৰে জনা গৈছিল। সেই শিক্ষা প্ৰতিষ্ঠানৰ পৰা তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এণ্ট্ৰেন্স পৰীক্ষাত (১৮৬৪) উত্তীৰ্ণ হৈছিল।

(গ) কলিকতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা তেওঁ ১৮৬৯ চনত আইনৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল।

(ঘ) ১৮৭২ চনত তেওঁ ইংলেণ্ডত 'ইণ্ডিয়ান চিভিল ছাৰ্ভিচ'ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰে। তেওঁ ভাৰতীয় প্ৰশাসনিক সেৱাত নিযুক্ত প্ৰথমগৰাকী অসমীয়া আৰু পঞ্চমগৰাকী ভাৰতীয়।

(ঙ) আনন্দৰাম বৰুৱা কেৱল প্ৰশাসনিক বিষয়া হিচাপেই নহয়, এগৰাকী সংস্কৃত পণ্ডিত হিচাপেও প্ৰখ্যাত। তেওঁ ইংৰাজী ভাষাত লিখা সংস্কৃত সাহিত্যৰ আলোচনাসমূহ দেশ-বিদেশৰ বিদ্বৎ সমাজত সমাদৃত। লগতে তেওঁ সংস্কৃত ভাষা-সাহিত্য অধ্যয়নৰ সুবিধাৰ হকে অভিধান আৰু ব্যাকৰণো প্ৰণয়ন কৰিছিল।

(চ) ১৮৮৯ চনৰ ১৯ জানুৱাৰী তাৰিখে আনন্দৰাম বৰুৱাৰ মৃত্যু হয়।

(ছ) পাঠটোত থকা 'তোমাৰে আনন্দ বৰুৱাই...' কবিতাৰ শাৰী দুটা লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত' নামৰ কবিতাৰ পৰা তুলি অনা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

পাঠটিত আনন্দৰাম বৰুৱাৰ শিক্ষা আৰু কৰ্মজীৱন সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হোৱা নাই। ছাত্ৰ-ছাত্ৰীক এই সম্পৰ্কত কিছু কথা বহলাই ক'ব।

●●●

# হস্তিবিদ্যাৰ্ণৱ পুথি

**ড° সূৰ্যকুমাৰ ভূঞা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

মধ্যযুগত অসমীয়া ভাষাত বিভিন্ন বিষয়ৰ ব্যৱহাৰিক জ্ঞানৰ পুথিও ৰচিত হৈছিল। হাতী, ঘোঁৰা আদি জীৱ-জন্তুৰ স্বাস্থ্য আৰু চিকিৎসা সম্পৰ্কীয় কেবাখনো হাতেলিখা সচিত্ৰ পুথি যোৱা শতিকাতে পণ্ডিত-গৱেষকসকলে উদ্ধাৰ কৰিছিল। দ'ল -দেৱালয়, কাৰেং-মৈদাম, ঘৰ-দুৱাৰ আদি নিৰ্মাণৰ কৌশল বিষয়ক পুথিও ৰচিত হৈছিল। বিশুদ্ধ সাহিত্যৰ ভিতৰুৱা নহয় যদিও এই ব্যৱহাৰিক জ্ঞানৰ পুথিবোৰক 'ব্যৱহাৰিক সাহিত্য' বুলি চিহ্নিত কৰিব পৰা যায়। অষ্টাদশ শতিকাৰ লেখক সুকুমাৰ বৰকাথৰ 'হস্তি-বিদ্যাৰ্ণৱ-সাৰ-সংগ্ৰহ' এই শ্ৰেণীৰ শ্ৰেষ্ঠ পুথি। ছাত্ৰ-ছাত্ৰীসকলক প্ৰাচীন অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি ধাৰণা দিয়াৰ উদ্দেশ্যে পাঠটি পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

প্ৰখ্যাত ইতিহাসবিদ ড° সূৰ্যকুমাৰ ভূঞাৰ (১৮৯২-১৯৬৪) জন্ম হয় নগাঁও চহৰত। ১৯০৯ চনত তেওঁ শ্বিলং চৰকাৰী স্কুলৰ পৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ভিক্ট'ৰিয়া মেম'ৰিয়েল স্বৰ্ণ পদক লাভ কৰে। ভূঞাই ১৯১১ চনত কটন কলেজৰ পৰা আই. এ. আৰু ১৯১৩ চনত কলকাতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা ইংৰাজী বিষয়ত সন্মান (Honours) সহকাৰে বি. এ. পাছ কৰে। ১৯১৬

চনত তেওঁ কলকাতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম. এ. পাছ কৰে। সেই বছৰতে যোৰহাটৰ বেজবৰুৱা স্কুলত শিক্ষক হিচাপে চাকৰিত যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। তাৰ দুবছৰ পাছত তেওঁ কটন কলেজৰ ইংৰাজীৰ অধ্যাপক ৰূপে নিযুক্ত হয়। ১৯৪৬ চনত তেওঁ কটন কলেজৰ অধ্যক্ষ ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। সূৰ্যকুমাৰ ভূঞা আছিল কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যাপক আৰু অধ্যক্ষ। গৱেষণা কৰ্মত নিয়োজিত হোৱাৰ উদ্দেশ্যে তেওঁ ১৯৩৬ চনত ইংলেণ্ডলৈ যায় আৰু তাৰ দুবছৰ পাছত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৫২ চনত তেওঁ এই বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি. লিট. ডিগ্ৰী লাভ কৰে। এই বছৰতে তেওঁ গোৱালিয়ৰত অনুষ্ঠিত ইণ্ডিয়ান হিষ্ট্ৰি কংগ্ৰেছৰ আধুনিক ইতিহাস শাখাৰ সভাপতি মনোনীত হয়। ১৯৫২ চনতে তেওঁ ৰাজ্যসভাৰ সদস্য পদ আৰু ১৯৫৬ চনত ‘পদ্মশ্ৰী’ সন্মান লাভ কৰে। ১৯৫৭ চনৰ পৰা ১৯৬০ চনলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে সেৱা আগবঢ়ায়। তেওঁ অসম সাহিত্য সভাৰ শ্বিলং অধিৱেশনৰ (১৯৫৩) সভাপতিৰ আসনো অলংকৃত কৰে।

তীক্ষ্ণ মেধাৰ অধিকাৰী সূৰ্যকুমাৰ ভূঞাই কবি হিচাপে প্ৰথমতে আত্মপ্ৰকাশ কৰে যদিও ইতিহাসবিদ হিচাপেহে খ্যাতি অৰ্জন কৰে। তেওঁ কেবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ একমাত্ৰ কবিতা পুথিখনৰ নাম ‘নিৰ্মালি’। চুটিগল্পৰ পুথি — ‘পঞ্চমী’। উল্লেখযোগ্য প্ৰবন্ধ সংকলন — ‘ত্ৰিপদী’ আৰু ‘সূৰ্যকুমাৰ ভূঞাৰ বিবিধ প্ৰবন্ধ’। তেওঁৰ আন উল্লেখযোগ্য গ্ৰন্থসমূহ হ’ল ঃ জীৱনীমূলক গ্ৰন্থ — ‘গোপাল কৃষ্ণ গোখলে’, ‘আনন্দৰাম বৰুৱা’, ‘অসম জীয়ৰী’, ‘জোনাকী’, আৰু ‘চানেকী’। ঐতিহাসিক তথ্যপূৰ্ণ পুথি — ‘কোঁৱৰ বিদ্ৰোহ’, ‘বুৰঞ্জীৰ বাণী’, ‘ৰমণী গাভৰু’, ‘মীৰজুমলাৰ অসম আক্ৰমণ’ আৰু ‘লাচিত বৰফুকন’। ইংৰাজীত ৰচিত উল্লেখযোগ্য গ্ৰন্থবোৰ হ’ল — An Assamese Nur-



Jahan, Early British Relations with Assam, Lachit Borphukan and His Times, Atan Buragohain & His Times, Men I Have Met, London Memories আৰু গৱেষণা গ্ৰন্থ Anglo-Assamese Relations 1771 - 1826. ইয়াৰ উপৰিও তেওঁ কেবাখনো বুৰঞ্জী পুথি সম্পাদনা কৰিছিল।

‘হস্তিবিদ্যাৰ্ণৱ পুথি’ শীৰ্ষক পাঠটি যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত ‘সূৰ্যকুমাৰ ভূঞাৰ বিবিধ প্ৰবন্ধ’ নামৰ গ্ৰন্থখনৰ পৰা সংগ্ৰহ কৰা হৈছে।

**মূলপাঠ ঃ**

আমি জানিব পৰা সকলো অসমীয়া হাতেলিখা সচিত্ৰ পুথিৰ ভিতৰত হস্তিবিদ্যাৰ্ণৱ পুথিখনিয়েই শ্ৰেষ্ঠ। ইয়াৰ বাহিৰে আন আন সচিত্ৰ পুথিৰ নাম হৈছে — শঙ্খচূড় বধ, ধৰ্মপুৰাণ, লৱ-কুশৰ যুদ্ধ, গীত-গোবিন্দ, বনমালীদেৱৰ চৰিত্ৰ আৰু সচিত্ৰ ভাগৱত। অনুসন্ধান কৰিলে আৰু অনেক পুথিৰ বিষয়ে জানিব পৰা যাব। সকলো পুথি পোহৰলৈ ওলালে অসমীয়াৰ জাতীয় কৃষ্টিৰ বহুগুণে মৰ্যাদা বাঢ়িব, সেই বিষয়ে নক’লেও হ’ব।

হস্তিবিদ্যাৰ্ণৱ পুথিখন অসমৰ স্বৰ্গদেউ শিৱসিংহ মহাৰাজ আৰু বৰকুঁৱৰী অম্বিকাদেৱীৰ আদেশ অনুসৰি সুকুমাৰ বৰকাথে ১৬৫৬ শকত, অৰ্থাৎ ১৭৩৪ খৃষ্টাব্দত ৰচনা কৰে। এই পুথিৰ প্ৰতিমাবোৰ আঁকে দুজন চিত্ৰকৰে, দিলবৰ আৰু দোষায়ে। পুথিত গ্ৰন্থকাৰ, দুজনা চিত্ৰকৰ, স্বৰ্গদেউ শিৱসিংহ আৰু বৰকুঁৱৰী অম্বিকাদেৱী আৰু তেওঁলোকৰ সন্তান উগ্ৰসিংহ কোঁৱৰৰ ছবি পোৱা যায়।

অসম হাতী-প্ৰধান দেশ। ইয়াৰ পৰ্বতে-কন্দৰে হাতী গেঁজখাই আছিল, আৰু এতিয়াও কিছু পৰিমাণে আছে। প্ৰতি সম্ভ্ৰান্ত মানুহৰ ঘৰত হাতী থকাৰ নিয়ম আছিল। বিয়া-বাৰুৱে আৰু সমাৰোহ-যাত্ৰাত হাতীৰ প্ৰচলন আছিল। দীঘলীয়া বাট যাবলৈ হ’লে হাতীৰ নিতান্ত প্ৰয়োজন আছিল। যুদ্ধক্ষেত্ৰতো হাতী সৈন্য-বাহিনীৰ এটি লাগতিয়াল অংগ বুলি পৰিগণিত

হৈছিল। হাতীক শিকোৱা, হাতীৰ চঁক ভঙ্গা, হাতীৰে কাঠ আদি টনা কাম কৰা, আৰু হাতী ব্যাধিৰ প্ৰতিকাৰ এইবোৰৰ বিষয়ে অসমত উপযুক্ত শিক্ষা থকা ডাঙৰ-সৰু হাতী-পুথি অপৰ্য্যাপ্ত প্ৰচলিত আছিল।

হাতীৰ বিষয়ে অসমত ভালকৈ জানিছিল খাম্‌তি, চিংফৌ, নৰা, ফাঁকিয়াল আৰু মৰাণ আদি জাতিৰ মানুহে। তেওঁলোকৰ পৰাই সাধাৰণতে হাতীৰ ফান্দি আৰু মাউত বাছি লোৱা হৈছিল। ৰজাৰ কোঁৱৰ আৰু ডাঙৰীয়া, ফুকনসকলৰ ল'ৰাও হাতী চলোৱা কামত পৈণত আছিল। অসমত হাতীৰ প্ৰাচুৰ্য্যৰ কাৰণেই হয়তো কামৰূপৰ প্ৰাচীন নৃপতিসকলে হাতীকে অসমৰ ধ্বজা ৰূপে ব্যৱহাৰ কৰিছিল আৰু সেই নৃপতিসকলক গজধ্বজ খিতাপেৰে বিভূষিত কৰা হৈছিল। ৰঘুবংশৰ মতে ইন্দুমতীৰ স্বয়ম্বৰত ৰাজকুমাৰ অজই বিবাহৰ মণ্ডপত কামৰূপেশ্বৰৰ হাতত ধৰি হাতীৰ পৰা অৱতৰণ কৰিছিল। প্ৰাচীন তামৰ ফলিবিলাকত আৰু বুৰঞ্জী পুথিবোৰত অসমত হাতীৰ প্ৰচলনৰ বহু উল্লেখ আৰু বিৱৰণ পোৱা যায়। কালক্ৰমে কোনোবাই সেই'বোৰ বিৱৰণ একেলগ কৰিব বুলি আশা কৰিব পাৰি।

সংস্কৃত ভাষাতো হাতীৰ বিষয়ে কেইবাখনিও গ্ৰন্থ পোৱা যায়, যথা, পালকাপ্য মুনি বিৰচিত হস্তি আয়ুৰ্ব্বেদ, নীলকণ্ঠ বিৰচিত মাতঙ্গলীলা, তাঞ্জোৰত থকা অসম্পূৰ্ণ সংস্কৃত পুথি আৰু গজেন্দ্ৰচিন্তামণি। ইয়াৰ বাহিৰেও বৰাহমিহিৰৰ বৃহৎ সংহিতা, সোমদেৱৰ যশস্তিলক, কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু কামন্দকীয় নীতিসাৰ; এইবোৰ গ্ৰন্থতো গজশাস্ত্ৰৰ দীঘলীয়া আভাস পোৱা যায়।

অসমীয়া গজশাস্ত্ৰ বিশাৰদ সুকুমাৰ বৰকাথে যাৱতীয় সংস্কৃত গ্ৰন্থ কিছুমানৰ বাহিৰেও অসমত প্ৰচলিত সকলো পুথি আৰু দাঁতি-কাষৰীয়া জাতিৰ মাজত প্ৰচলিত হাতীৰ ব্যাধিৰ নানান প্ৰতিকাৰৰ কথাও পুথিত সন্নিৱিষ্ট কৰিছে। দেশ-বিদেশৰ সকলো হস্তিজ্ঞানৰ একত্ৰীকৰণ হিচাপে হস্তিবিদ্যাৰ্ণৰ পুথিখনিৰ মূল্য অতি অধিক।



এই পুথিৰ সূচনাও অতি মনোহৰ। মান্তৰা ৰজাৰ হাতী মৰিবলৈ ধৰাত ৰজাৰ বৰ চিন্তা লাগিল। এদিন পণ্ডিতে কাকত চাই বিধি দিয়াত হাতী মৰিবলৈ এৰিলে। যি ৰজাৰ হাতত এই কাকত থাকে, সেইমতে কাম কৰি দেউ-দেউতাক মাননি দিলে হাতী নমৰে। এই কাকতেই হৈছে গজশাস্ত্ৰৰ মূল কথা, গ্ৰন্থকাৰে ইয়াক কৈছে শাস্ত্ৰ-জন্ম কথা।

হস্তিবিদ্যাৰ্ণৰ পুথিৰ অন্তৰ্গত প্ৰধান বিষয়-বস্তু হৈছে এই — বিবিধ হাতীৰ লক্ষণ, হাতীশাল নিৰ্ম্মাণৰ নিয়ম, হাতীবন্ধা খুঁটাৰ মান আৰু কাঠৰ নিৰ্ব্বন্ধ, হাতীদাঁতৰ মূল্য, যাত্ৰা-কালত আৰু উভতি অহাৰ পিছত হাতীৰ শুভ কাম, কামন্দকীয় নীতিসাৰ মতে হস্তীৰ কৰ্ম, যুদ্ধ হস্তীৰ কথা, ঐৰাৱত হাতীৰ কথা, নিন্দিত হাতীৰ কথা, ৰজাৰ গড়ৰ বাজত থাকিবলগীয়া হাতী, অন্য ৰজাৰ লগত অপ্ৰীতিবৰ্দ্ধক হাতী, বেয়া হাতীৰ লক্ষণ, স্বৰ্গদেৱৰ ঘাই হাতীৰ শিকোৱাৰ নিৰ্ব্বন্ধ, ময়দাৰ, মেদ বৃদ্ধি, পুষ্টি, মনচোকা আৰু বলৱন্ত হোৱাৰ নিয়ম, হস্তী বশ্য হোৱাৰ মন্ত্ৰ।

হস্তিবিদ্যাৰ্ণৰ পুথিত থকা ছবিবোৰৰ বৈশিষ্ট্য আছে। বিবিধ হাতীৰ দোষ-গুণৰ বৰ্ণনাৰ সূত্ৰে লগতে ছবি দিয়া হৈছে। ৰজা কোন হাতীত উঠিলে ভাল, কোন হাতীত উঠিলে বেয়া, কোন হাতী থাকিলে ৰজাৰ কুশল আৰু সমৃদ্ধি বাঢ়ে, সেইবোৰ বৰ্ণনা কৰোঁতে চিত্ৰকৰে পৃষ্ঠপোষক ৰজা শিৱসিংহ মহাৰাজ আৰু বৰকুঁৱৰী অম্বিকাদেৱী আৰু তেওঁলোকৰ চ'ৰাৰ বিষয়াসকলৰ প্ৰতিমা দিয়াৰ সুবিধা লৈছে, আৰু তেনে সুবিধা অনেকবাৰ লোৱা হৈছে। সেইদেখি শিৱসিংহ ৰজাৰ ৰাজচ'ৰাৰ বিবিধ অৱস্থাৰ ছবি এই পুথিত পোৱা যায়। 'আঠোদেশৰ যশস্যাৰূপ চন্দ্ৰতাপে আচ্ছাদন কৰিছে'— এই বুলি কৈ ভাৰতৰ আঠজন ৰজাৰ ছবি দিয়া হৈছে। কিন্তু কোনজন কোন দেশৰ ৰজা, সেইটো উল্লেখ নকৰাত বৰ্তমান যুগত সেই ৰজাসকলক চিনাক্ত কৰাত আহুকাল জন্মিছে। স্বৰ্গদেৱৰ সমৃদ্ধি আৰু সৌভাগ্য দেখুৱাবলৈ স্বৰ্গদেৱক নানান উপহাৰ বস্তু দিয়াৰ ছবি পুথিত অঙ্কিত কৰা হৈছে। মঙ্গলদায়ক হাতীৰ বৰ্ণনা

কৰা হৈছে এইদৰে — 'শ্যামবৰ্ণ, সুন্দৰ, শৰীৰ স্থূল, দুইদন্ত দীৰ্ঘ, সমান ৰঙ্গ কৰা, আগলৈ চাপি যোৱা, কালশিলি বৰ্ণ, অগ্ৰজোঙ্গা, নখ অল্পকলিয়া, বলৱন্ত আক যদি পায় ৰজাৰ বহুত ধন লাভ হয়। আক উত্তম আহাৰ দিয়ে বশ কৰিব পাৰি।" বিশেষ মন কৰিবলগীয়া এই যে — এই পুথিত থকা ৰজা, বিষয়া, দোলাকাষৰীয়া আদিৰ ছবিত অৰ্পিত কৰা কিছু সাজ-পাৰ মোগলী ধৰণৰ। আগৰ দিনত স্বৰ্গদেৱসকলৰ শিৰবস্ত্ৰ আছিল ফচৌ। শঙ্খচূড় বধত মহাৰাজ গদাধৰ সিংহৰ ছবিত এই ফচৌকে ব্যৱহাৰ কৰা হৈছে। ৰুদ্ৰসিংহ স্বৰ্গদেৱ ৰজাৰ দিনৰে পৰা মোগলী প্ৰথামতে নতুন সাজ-পাৰৰ প্ৰচলন হয়, যথা, জামা, পাগ, ইজাৰ। পোনতে ডাঙৰীয়াসকলে দেশৰ ধৰণ এৰি বিদেশীৰ ধৰণে বঁটা পিন্ধিবলৈ অমান্তি হৈছিল, পাচে তেওঁলোকো সন্মত হ'ল। সেইদিনাৰে পৰা স্বৰ্গদেৱৰ বৰচ'ৰাত মোগলী প্ৰথা মতে পাগ, জামা, ইজাৰৰ প্ৰচলন হ'ল।

আমাৰ বোধেৰে দুজন চিত্ৰকৰৰ ভিতৰত শিল্পী দিলবৰ আছিল ভাটীৰ চিত্ৰবিদ্যাত সুপণ্ডিত, দোষায় আছিল থলুৱা চিত্ৰকলাত সুনিপুণ, হিন্দু। এইটো মন কৰিবলগীয়া যে এই দুজন বিচক্ষণ চিত্ৰকৰৰ পৰস্পৰৰ সহযোগতহে এনে এখন মনোৰম চিত্ৰপুথি ৰচিত হোৱা সম্ভৱ হৈছিল।

হস্তিবিদ্যাৰ্ণৰ পুথিৰ খনচেৰেক ছবি বৰ্ত্তমানে ম্লান হৈ পৰিছে। কিন্তু সৰহভাগ ছবিয়েই আগৰ দৰে বিতোপন, জকমক্ আৰু উজ্জ্বল হৈয়ে আছে। আগৰ দিনত কি কি আহিলাৰে নানা ধৰণৰ ৰং প্ৰস্তুত হৈছিল, তাকো অনুসন্ধান কৰিবলগীয়া।

এই পুথিখনি ঁ হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই অসমৰ সুপ্ৰসিদ্ধ পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ সন্ততি লোকেশ্বৰ বুঢ়াগোহাঞিৰ ঘৰৰ পৰা আনিছিল। তেখেতৰ পিতৃদেৱতা মুহীধৰ বুঢ়াগোহাঞিৰ নাম এঠাইত পোৱা গৈছে। পুথিৰ কেইবাখিলাও পাত আগৰ পৰা নাই। বোধ কৰোঁ মান - মৰাণৰ বিপ্লৱত অসমৰ বহুত ঐশ্বৰ্য্য লোপ পোৱাৰ দৰে এই পুথিৰ কিছুমান পাতো



হেৰায়। তথাপি যিখিনি আছে, তাৰে পৰা অসমৰ চিত্ৰকলা আৰু গজশাস্ত্ৰৰ সম্যক আভাস পাব পাৰি।

পুথিৰ ভাষা গদ্য। প্ৰশস্তি অংশৰ ভাষা সংস্কৃতগন্ধী, যথা - 'ইন্দ্ৰ বংশসৰোবৰৰ পদ্মপুষ্পৰ তুল্য হৈছে যি মহাৰাজা আৰু নীতিবিদ্যাৰো আনন্দিত হুই বৃহস্পতিক উপালম্ভ কৰিছে যি মহাৰাজা, আৰু গম্ভীৰ ধীৰ ধাৰ্মিক সকলৰ মধ্যত শ্ৰেষ্ঠতৰ সৌমাৰ পীঠৰ ঈশ্বৰ শ্ৰী যুক্ত শ্ৰীমন্ত শিৱসিংহ যি মহাৰাজা, আপোনাৰ স্বন্দৰ বিলাস বিদগ্ধতা ভাৱেৰে পৃথিৱীত সকলো সুন্দৰীগণৰ গৰ্ব্বক চুৰ কৰিছে যি মহাদেৱীয়ে, সেই কাৰণে অতিশয় বিৰাজমান হৈছে যি শ্ৰী শ্ৰী অম্বিকানাম মহাদেৱী, সেই দুজনাৰ আজ্ঞাৰত্ন মালাক শিৰত ধৰি সুকুমাৰ বৰকাথে এই হস্তিবিদ্যাৰ্ণৰ সাৰ সংগ্ৰহ কৰি ৰচিল।" এনেবোৰ বাক্যত সৰল অসমীয়া ভাষাৰ চানেকি পোৱা যায়, — 'পাতালৰ জাতে যি হাতী আহিছে, তাৰ মুখৰূপ দেখি, গা ৰাতুল চন্দনৰ বৰ্ণনা হেন দেখি, নেজ মাটি লুটি যাই, মূৰ জোকাৰি থাকে, পানীপৰুৱাৰ বুলন যেন বুলন খৰ। আৰে টিপৰ কথা। বহুত বহুনাত বহিব, কলাফুলেৰে চেপি ডাবি ধৰি অলপকৰি আঙ্গুলী কাণত লগাব। আকুহি থিয় কৰি যাব। পাচ মাউতে ডাবি মাৰিব, তেবে মূৰ দাঙ্গি যাব।"

হস্তিবিদ্যাৰ্ণৰ পুথিখনি অসমীয়া জাতিৰ এটি অমূল্য সম্পত্তি। মহাত্মা গান্ধী, পণ্ডিত জৱাহৰলাল নেহৰু, ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ, এই সকলকে আদি কৰি অনেক খ্যাতনামা পুৰুষে এই পুথিখনি আদ্যোপান্ত চাই তাৰ বিচিত্ৰ চিত্ৰকলাৰ বিষয়ে প্ৰশংসা কৰি গৈছে। সকলো ছবিৰে সৈতে এই পুথিখনি প্ৰকাশ কৰিবলৈ হ'লে দুইলাখমান টকা খৰচ পৰিব। সময়ত এই পুথিখনি প্ৰকাশিত হ'লে বৰ্তমানে অসমীয়া জাতিৰ কৃষ্টি- বৈভৱ চিনি নোপোৱাসকলেও তাক ভালকৈ চিনি পাবৰ সুবিধা হ'ব।

**কঠিন শব্দৰ অৰ্থ ঃ**

গেঁজখাই — গিজ্ গিজ্, প্ৰচুৰ, ভৰপূৰ।

চঁক — অকস্মাৎ উৎপন্ন হোৱা ভয়, উচাপ।

| | | |
|---|---|---|
| নিৰ্বন্ধ | — | বিধান, পূৰ্বৰে পৰা চলি অহা দস্তুৰ। |
| কামন্দকীয় নীতিসাৰ | — | কামনদাকি নামৰ আচাৰ্যই ৰচনা কৰা নীতিশাস্ত্ৰ। |
| অপ্ৰীতিবৰ্ধক | — | দুখ বৰ্ধক। |
| দন্ত | — | দাঁত। |
| কালশিলি বৰ্ণ | — | হাতীৰ বৰ্ণ বিশেষ। |
| অল্পকলিয়া | — | অল্প কলীয়া, পাতল ক'লা বৰণৰ। |
| ফচৌ | — | আহোম ৰজাই মূৰত পিন্ধা বস্ত্ৰ বিশেষ। |
| ইজাৰ | — | চুৰিয়া বা ঠেঙ্গাৰ তলত পিন্ধা পায়জামা। |
| গজশাস্ত্ৰ | — | হাতী বিষয়ক পুথি। |
| হুই | — | হৈ |
| স্বন্দ | — | লালিত্য, সৌন্দৰ্য |
| ৰাতুল | — | ৰক্ত, ৰঙা। |
| বুলন | — | খোজ। |
| টিপ | — | কথা বুজাবৰ নিমিত্তে কৰা চকুৰ সঞ্চালন। |
| বহুনা | — | হাতীৰ ডিঙিত মাউত বহা ঠাই। |
| আকুহি, আঁকুহি | — | হাঁকুটি, গছৰ ফল আদি আঁজুৰি আনিব পৰা আগ-আঁকোৰা ডাঁৰ, পাঠটিত 'হাতীৰ শুঁৰ' অৰ্থত ব্যৱহাৰ হৈছে। |
| আদ্যোপান্ত | — | আদিৰ পৰা অন্তলৈকে। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। 'হস্তিবিদ্যাৰ্ণৱ পুথি' শীৰ্ষক পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

২। 'হস্তিবিদ্যাৰ্ণৱ পুথি' শীৰ্ষক প্ৰবন্ধটি প্ৰথমতে ক'ত প্ৰকাশ পাইছিল?



৩। কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যাপকৰ নাম কি?

৪। সূৰ্যকুমাৰ ভূঞাৰ গৱেষণা গ্ৰন্থখনৰ নাম লিখা।

৫। 'হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ' পুথিখন কোনে ৰচনা কৰিছিল?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। 'হস্তি-বিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ' পুথিখন কোনে কেতিয়া ৰচনা কৰিছিল?

২। পুৰণি অসমীয়া সচিত্ৰ পুথি দুখনৰ নাম লিখা।

৩। হস্তিবিদ্যাৰ্ণৱ পুথিৰ চিত্ৰবোৰ কোনে অংকন কৰিছিল?

৪। হস্তিবিদ্যাৰ্ণৱ পুথিত কোনকেইজন লোকৰ চিত্ৰ অংকিত হৈছে?

৫। হস্তিগ্ৰন্থ বুলিলে কি বুজা?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা? দুখন অসমীয়া ব্যৱহাৰিক সাহিত্য পুথিৰ নাম লিখা।

২। ড° সূৰ্যকুমাৰ ভূঞাৰ সাহিত্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।

৩। হস্তিবিদ্যাৰ্ণৱ পুথিৰ বিষয়বস্তুৰ এটি আভাস দিয়া।

৪। 'মংগলদায়ক হাতী'ৰ লক্ষণ সম্পৰ্কে হস্তিবিদ্যাৰ্ণৱ পুথিত থকা বিৱৰণটি নিজৰ ভাষাত লিখা।

৫। হস্তিবিদ্যাৰ্ণৱ পুথিৰ গদ্যশৈলীৰ বিষয়ে চমুকৈ আলোচনা কৰা।

**পাঠবোধ ঃ**

অসমীয়া হাতেলিখা সচিত্ৰ পুথিবোৰৰ ভিতৰত হস্তিবিদ্যাৰ্ণৱ পুথিখনিয়ে শ্ৰেষ্ঠ। অন্য দুখনমান সচিত্ৰ পুথি হ'ল শঙ্খচূড় বধ, ধৰ্মপুৰাণ, লৱ-কুশৰ যুদ্ধ, গীত-গোবিন্দ, বনমালীদেৱৰ চৰিত্ৰ আৰু সচিত্ৰ ভাগৱত। হস্তিবিদ্যাৰ্ণৱ পুথিখন মহাৰাজ শিৱসিংহ আৰু বৰকুঁৱৰী অম্বিকাদেৱীৰ আদেশ অনুসৰি সুকুমাৰ বৰকাথে ১৭৩৪ খৃষ্টাব্দত ৰচনা কৰে। পুথিখনৰ ছবিবোৰ অংকন কৰে দিলবৰ আৰু দোসায় নামৰ দুজন চিত্ৰকৰে। হাতীৰ বিষয়ে লিখা

পুথিখনত এইসকল লোকৰ চিত্ৰ অংকিত হৈছে — গ্ৰন্থকাৰ, চিত্ৰকৰ দুগৰাকী, ৰজা শিৱসিংহ, বৰকুঁৱৰী অম্বিকাদেৱী আৰু ৰাজকুমাৰ উগ্ৰসিংহ কোঁৱৰ। প্ৰাচীন অসম হাতীপ্ৰধান দেশ। ইয়াৰ হাবি-জংগল-পাহাৰত প্ৰচুৰ হাতী আছিল। বনৰীয়া হাতী ধৰি বিভিন্ন উপায়েৰে তাক বশ কৰা হৈছিল আৰু এনে হাতী ঘৰচীয়া হৈ পৰিছিল। তেতিয়া সম্ভ্ৰান্ত শ্ৰেণীৰ লোকৰ ঘৰত হাতী থকাটো নিয়ম আছিল। সভা-সমাৰোহ, বিয়া-বাৰু, যাতায়াত, গধুৰ সামগ্ৰী পৰিবহণ আৰু যুদ্ধ-বিগ্ৰহত হাতী ব্যৱহাৰ হৈছিল। হাতীৰ বিষয়ে অসমত ভালকৈ জানিছিল খাম্‌তি, চিংফৌ, নৰা, ফাঁকিয়াল, মৰাণ আদি জনজাতীয় মানুহে। সেইবাবে তেওঁলোকৰ মাজৰ পৰাই সাধাৰণতে হাতীৰ ফান্দি আৰু মাউত বাছি লোৱা হৈছিল। ৰাজকুমাৰসকলৰ লগতে ফুকনসকলৰ ল'ৰাও হাতী চলোৱা কামত নিপুণ আছিল। হস্তিবিদ্যাৰ্ণৱ পুথিত বিভিন্ন প্ৰকাৰ আৰু চৰিত্ৰৰ হাতীৰ বিৱৰণ আগবঢ়োৱা হৈছিল। লগতে আছিল হাতীশাল নিৰ্মাণৰ নিয়ম, হাতীদাঁতৰ মূল্য আদিৰ উল্লেখ। পুথিখনত বিশেষ বৈশিষ্ট্যপূৰ্ণ ছবি অংকিত হৈছিল। গদ্যত ৰচিত পুথিখনৰ ৰচনাশৈলী ওজঃ গুণযুক্ত। প্ৰাচীন অসমৰ চিত্ৰকলা আৰু ব্যৱহাৰিক সাহিত্যৰ স্বাক্ষৰ স্বৰূপ এই পুথি চাই মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, ড° ৰাজেন্দ্ৰ প্ৰসাদ আদি অনেক খ্যাতনামা ব্যক্তিয়ে প্ৰশংসা কৰিছিল। হস্তিবিদ্যাৰ্ণৱ পুথিখন অসমীয়া জাতিৰ অমূল্য সম্পদ।

**ওপৰঞ্চি তথ্য ঃ**

(ক) ড° সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা ৰচিত 'হস্তিবিদ্যাৰ্ণৱ পুথি' শীৰ্ষক প্ৰবন্ধটো প্ৰথমতে প্ৰকাশ পাইছিল শুক্লেশ্বৰ বৰা সম্পাদিত 'জয়ন্তী' আলোচনীত ১৯৫৩ চনত। উল্লেখযোগ্য যে ১৯৩৮ চনত প্ৰকাশ হোৱা 'জয়ন্তী ' আলোচনীৰ প্ৰথম সম্পাদক আছিল ৰঘুনাথ চৌধাৰী। দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা অনাটনৰ কাৰণে আলোচনীখন ১৯৪২ চনত বন্ধ হৈ পৰে। কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যই যুটীয়া সম্পাদক হিচাপে আলোচনীখনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰকাশ আৰম্ভ কৰে ১৯৪৩ চনত। ১৯৪৬ চনত হঠাতে কমলনাৰায়ণ দেৱৰ মৃত্যু হয়। লগে লগে 'জয়ন্তী'ৰো অকাল মৃত্যু ঘটে। স্বৰাজোত্তৰ কালত, ১৯৫২ চনত আলোচনীখনৰ তৃতীয় পৰ্যায়ৰ প্ৰকাশ আৰম্ভ কৰে সম্পাদক হিচাপে শুক্লেশ্বৰ বৰাই। দুবছৰমান চলাৰ পাছতে আলোচনীখনৰ প্ৰকাশ চিৰদিনৰ কাৰণে বন্ধ হৈ যায়। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ জয়ন্তীয়ে (১৯৪৩-৪৬) অসমীয়া কবিতাত যুগান্তৰ আনে। 'জয়ন্তী'য়ে ৰোমান্টিক কাব্যধাৰাৰ পৰিৱৰ্তে আধুনিক, প্ৰগতিশীল কাব্যধাৰা প্ৰতিষ্ঠা কৰে।



(খ) মানুহৰ ব্যৱহাৰিক জীৱনৰ লগত জড়িত অন্ন-বস্ত্ৰ-বাসস্থান অথবা জীৱ-জন্তুৰ গুণাগুণ, স্বাস্থ্য আদিক বিষয় হিচাপে লৈ ৰচিত ব্যৱহাৰিক জ্ঞানৰ পুথিবোৰক 'ব্যৱহাৰিক সাহিত্য' বুলি চিহ্নিত কৰিব পৰা যায়। ব্যৱহাৰিক সাহিত্য কবিতা, চুটিগল্প, উপন্যাস আদিৰ দৰে বিশুদ্ধ সাহিত্য নহয়। এই শ্ৰেণীৰ দুখনমান অসমীয়া পুথি হ'ল — 'হস্তিবিদ্যাৰ্ণৱ সাৰ - সংগ্ৰহ', 'ঘোঁৰা নিদান' আৰু 'চাংৰুং ফুকনৰ বুৰঞ্জী'। এই পুথিবোৰৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। বৰ্তমান এই সাঁচিপতীয়া পুথিবোৰ ছপা ৰূপত প্ৰকাশ কৰা হৈছে। হস্তিবিদ্যাৰ্ণৱ পুথিখন ১৯৭৬ চনত অসম প্ৰকাশন পৰিষদে ছপা ৰূপ দি প্ৰকাশ কৰে।

**শিক্ষকৰ প্ৰতি ঃ**

অসমীয়া বিবিধ বিষয়ৰ সাঁচিপতীয়া পুথি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰিব। সম্ভৱ হ'লে সচিত্ৰ সাঁচিপতীয়া পুথি শ্ৰেণীকোঠালৈ নি দেখুৱাব। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পুথিভঁৰাল (গুৱাহাটী) আৰু বিশ্ববিদ্যালয়সমূহৰ পুথিভঁৰালত যথেষ্ট সংখ্যক সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে। শিক্ষামূলক ভ্ৰমণৰ সময়ত সেইবোৰ দেখুৱাব পাৰিব।

●●●

# ভাৰতীয় আদৰ্শত বৈৰাগ্য

**তীৰ্থনাথ শৰ্মা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

ভাৰতবৰ্ষ এখন আদৰ্শ দেশ। ভাৰতীয় আদৰ্শৰ বিভিন্ন দিশৰ ক্ষেত্ৰত ত্যাগে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। তাৰ লগে লগে বৈৰাগ্য অৰ্থাৎ বিষয়ৰ বা ইন্দ্ৰিয় ভোগৰ প্ৰতি অনাসক্তি ভাৰতীয় আদৰ্শৰে অন্য এক ধাৰা। মানুহে সমাজ পাতি বসবাস কৰে। জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন ধৰ্ম পালন কৰাৰ কথা প্ৰাচীন গ্ৰন্থবোৰত লিখা আছে। জীৱনত কৰ্ম সাধন কৰাটোৱে মানুহৰ অন্যতম ধৰ্ম। কাম কৰিও নিৰাসক্তভাৱে থাকি মানুহে জীৱনৰ প্ৰকৃত সত্য উদ্ঘাটন কৰিব পাৰে। ইয়ে ভাৰতীয় আদৰ্শৰ বৈৰাগ্য। ছাত্ৰ-ছাত্ৰীসকলক ভাৰতীয় আদৰ্শত বৈৰাগ্যৰ বিষয়ে ধাৰণা দিবৰ বাবেই পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

এই পাঠটিৰ লেখক তীৰ্থনাথ শৰ্মা অসমীয়া সাহিত্য জগতৰ এজন স্বনামধন্য ব্যক্তি। তীৰ্থনাথ শৰ্মাৰ জন্ম হয় ১৯১১ চনত আৰু মৃত্যু হয় ১৯৮৬ চনত। অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক সাহিত্যিক তীৰ্থনাথ শৰ্মা গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। তেওঁ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিও। অসমীয়া সাহিত্যলৈ শৰ্মাই বিভিন্ন সম্ভাৰ আগবঢ়াই গৈছে। তেওঁৰ বিবিধ বিষয়ৰ আলোচনা গ্ৰন্থ হ'ল—'মহাত্মাৰ বাণী',



'গান্ধীৰ শিক্ষাসাৰ', 'পঞ্চপুষ্প', 'ভক্তিবাদ', 'আউনীআটী সত্ৰৰ বুৰঞ্জী', 'ঝান্সীৰ ৰাণী', 'বেণুধৰ শৰ্মাৰ জীৱনী' আদি। শৰ্মাৰ দ্বাৰা সংকলিত গ্ৰন্থ হ'ল—'প্ৰৱেশিকা কথা চানেকি', 'সাহিত্য সংগ্ৰহ' আৰু 'চানেকি পাঠ'। 'কামসেন্দূৰ' নামৰ এখন কবিতা পুথিও তেওঁ ৰচনা কৰে। ছদ্মনামেৰে লিখা কেইটামান গল্প আৰু অলেখ প্ৰবন্ধ বিভিন্ন আলোচনীত প্ৰকাশ পাইছে। অসম সাহিত্য সভাৰ মাকুম অধিৱেশনৰ (১৯৭১) তেওঁ সভাপতি আছিল।

**মূল পাঠ ঃ**

ভাৰতীয় আদৰ্শত ত্যাগ আৰু বৈৰাগ্যৰ স্থান অতি উচ্চ, কিন্তু এই ত্যাগ নোহোৱাৰ নালাগে বোলা ত্যাগ আৰু নোপোৱাৰ অসন্তোষত ওপজা বৈৰাগ্য নহয়। প্ৰকৃততে ত্যাগ বা বৈৰাগ্য এটা বিশেষ মনোধৰ্ম। নিষ্কৰ্মাৰ জিৰণি কথাটো যেনেকৈ অৰ্থহীন, নথকাৰ ত্যাগ আৰু লাগে লাগেকৈ হাবাথুৰি খাই নোপোৱাৰ পিছত বিৰক্তি ৰূপ বৈৰাগ্যও জীৱন-যুঁজত, পৰাজয় বৰণৰ তুল্য। থাকিও সংযতভাৱে ভোগ কৰা আৰু সংবিভাজনৰ দ্বাৰা সমৃদ্ধিৰ সদ্গতি ঘটোৱাহে প্ৰকৃত ত্যাগ। পালেও নিৰাসক্ত হৈ থকাতহে প্ৰকৃত বৈৰাগ্য। ভাৰতীয় আদৰ্শত গৃহস্থী জীৱনৰ কৰ্তব্য সম্পাদন কৰি উঠাৰ পিছতহে বানপ্ৰস্থ আৰু সন্ন্যাসৰ বিধান দিয়া হৈছে। সমাজৰ আগত দৰিদ্ৰ আৰু অভাৱে বেৰি থকা জীৱন এটাৰ দৈন্যচিত্ৰ এখন আমাৰ মূল শাস্ত্ৰবোৰে দাঙি ধৰা নাই। সেইদৰে নিষ্কৰ্মাৰ কেলেহুৱা জীৱনধাৰাৰ প্ৰশংসাও কেতিয়াও কৰা নাই। ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ। ঋক্‌বেদৰ মন্ত্ৰবিলাকত আৰু ঋষিসকলৰ প্ৰাৰ্থনাত এটা উজ্জ্বল সমৃদ্ধিময় জীৱনৰ কাৰণে এখন সমাজৰ প্ৰবল ধাউতিৰ পৰিচয় পোৱা যায়। উপনিষদৰ আধ্যাত্মিক শিখৰতো আমি সেই একে ধৰণৰ জীৱনাদৰ্শৰ নিৰ্দেশ দেখোঁ। এই আদৰ্শও কৰ্ম কৰাৰ আদৰ্শই, কেৱল সেই কৰ্ম কৰাৰ কৌশল বা মনোধৰ্মৰ কৰ্ষণ কৰাৰ উপদেশ পাওঁ। এই কৰ্ম কৰাৰ কৌশলকে পিছত ভগৱদ্গীতাত যোগ বা কৰ্মযোগ বুলি অভিহিত কৰা হৈছে।

এখন সমাজৰ আদৰ্শ কি তাক যদি জানিব খোজোঁ তেনেহ'লে সেই সমাজৰ উঠি অহা যুৱক বা অধ্যয়ন সমাপ্ত কৰি জীৱন সংগ্ৰামত প্ৰবৃত্ত হ'ব খোজা ছাত্ৰসকলৰ আগত সেই যুগৰ মনীষী আৰু শিক্ষকসকলে কি উপদেশ দিয়ে, কি আদৰ্শ পালনৰ কাৰণে উদগনি দিয়ে সেই কথাবোৰ অনুধাৱন কৰিব লাগিব। উপনিষদৰ যুগত শিক্ষা সাং কৰি গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰিবলৈ উলটিব খোজা বিদ্যাৰ্থীক গুৰুৱে এইদৰে উপদেশ দিছিল ঃ

'সত্য ক'বা, ধৰ্ম আচৰণ কৰিবা। দৈনন্দিন অধ্যয়নৰ পৰা বিচ্যুত নহ'বা। আচাৰ্যক অভীষ্ট দক্ষিণা দি গৃহস্থাশ্ৰমত প্ৰৱেশ কৰি বংশধাৰা অক্ষুণ্ণ ৰাখিবা। সত্যৰ পৰা বিচ্যুত নহ'বা, ধৰ্মৰ অৰ্থাৎ কল্যাণকৰ পথৰ পৰা বিচ্যুত নহ'বা। নিজৰ মংগলৰ কাৰণে কৰণীয় কামৰ পৰা আঁতৰি নাথাকিবা। ধন-সম্পত্তি সংগ্ৰহ ৰূপ মংগলজনক কাৰ্য কৰিবা কিন্তু ধৰ্মপথৰ পৰা বিচ্যুত নোহোৱাকৈ থাকিবা। দেৱকাৰ্য আৰু পিতৃকাৰ্য বিষয়ত কেতিয়াও প্ৰমাদগ্ৰস্ত নহ'বা। মাতৃক দেৱতাৰ দৰে মানিবা, পিতৃক দেৱতাৰ দৰে মানিবা, আচাৰ্যক দেৱতাৰ দৰে মান্য কৰিবা। যিবোৰ অনিন্দনীয় কাম সেইবোৰ কৰিবা। ডাঙৰৰ যিবোৰ ভাল সেইবোৰ আচৰণ কৰিবা। ডাঙৰৰ যিবোৰ বেয়া সেইবোৰ পৰিহাৰ কৰিবা।'

দান কৰাৰ অৰ্থাৎ স্বোপাৰ্জিত ধন-সম্পদ কেনেকৈ সংবিভাজ্য—সমানে বিতৰণ কৰি ভোগ কৰিব, তাৰ উপদেশ দিছে। তাকো কিভাৱে দান কৰিব লাগে সেই বিষয়েও তৰুণ বিদ্যাৰ্থীক সোঁৱৰাই দিছে—

'শ্ৰদ্ধয়া দেয়ম্, অশ্ৰদ্ধয়া অদেয়ম্, শ্ৰিয়া দেয়ম্, হ্ৰিয়া দেয়ম্, ভিয়া দেয়ম্, সংৱিদা দেয়ম্।'—শ্ৰদ্ধাৰে দান কৰিবা, অশ্ৰদ্ধাযুক্ত মন লৈ 'নিদিলে নহয়' এনেভাৱে দান কৰা-নকৰা সমান। শ্ৰিয়া অৰ্থাৎ সামৰ্থ্য অনুসাৰে দিবা—মোৰনো কি আছে? এতেকে নিদিওঁ এই ভাবি হাত সাৰিব নোৱাৰি। অথবা বহুত আছে কিন্তু অলপমান দি নামমাত্ৰ কৰাও নিন্দনীয়। সলজ্জভাৱে (হ্ৰিয়া) শাস্ত্ৰৰ প্ৰতি বা লোকৰ নিন্দাৰ ভয়ত মিত্ৰভাৱে (সংৱিদা) প্ৰেম ভাবত দিব লাগে।



তৈত্তিৰীয় উপনিষদৰ কথাখিনি বিশেষভাৱে দকৈ গমি চাব লগা কথা। ইয়াত প্ৰথম উপদেশ হৈছে সত্য আৰু ধৰ্ম। সমাজ আৰু ব্যক্তি দুয়োটাৰে জীৱন কল্যাণকৰ আৰু সুখদায়ক হ'বলৈ আৰু পাৰত্ৰিক শ্ৰেয়ঃ লাভ কৰিবলৈ যি দুটা মহৎ গুণৰ কৰ্ষণ সমাজৰ প্ৰত্যেক ব্যক্তিয়ে কৰিব লাগে, যি নকৰিলে ব্যক্তি জীৱন আৰু লগে লগে সমাজ জীৱন দুঃখদায়ক, পীড়াজনক আৰু বিশৃংখল হয়, সেই কৰ্ষণীয় গুণ দুটা হ'ল—সত্য আৰু ধৰ্ম। বিদ্যা লাভৰ চৰম প্ৰাপ্য বা অৰ্জনীয় বিষয়ো এই দুটাই। গুৰুৱে এই দুটাৰ কথা কৈ প্ৰতিদিনৰ কৰণীয় কৰ্ম অধ্যয়নৰ কথা সোঁৱৰাই দিছে। এই নিত্য অধ্যয়ন সভ্য জীৱনৰ আৰু উন্নত আচৰণৰ অপৰিহাৰ্য অংগ। খাৱন-শোৱনৰ নিচিনা সদায় এৰিব নোৱৰা আৰু এৰিব নলগীয়া কৰণীয়। এইদৰে প্ৰধান কথাকেইটা কোৱাৰ পিছতহে আচাৰ্যই শিষ্যক নিজৰ মংগলৰ কাৰণে সৎ পথত থাকি ধন-সম্পদ আহৰণ কৰিবলৈ উপদেশ দিছে। ধন-সম্পদ বঢ়োৱাৰ ওপৰতে ব্যক্তিৰ সুখ আৰু সমাজৰ সমৃদ্ধি নিৰ্ভৰ কৰে। এই অৰ্থবৃদ্ধি উঠি অহা যুৱকৰ এটা ব্যক্তিগত আৰু সামাজিক উত্তৰ দায়িত্ব। সেই দেখি উপনিষদৰ আচাৰ্যই সেই কথা সতৰ্কভাৱে সোঁৱৰাই দিছে। তৈত্তিৰীয় উপনিষদৰ দৰে আন এঠাইত আৰু স্পষ্টভাৱে কৈছে—'অন্নং ন নিন্দ্যাৎ, অন্নং বহুকুৰ্বীত তদ্‌ব্ৰতম্।'

ব্যক্তিৰ দায়িত্বৰ পৰিধি ক্ৰমাৎ আপোনাৰ পৰা পৰিয়াল, পৰিয়ালৰ পৰা সমাজ—এই তিনিটাৰ কথা সোঁৱৰাই দিছে—'মাতৃ দেৱো ভৱ', 'আচাৰ্য দেৱো ভৱ' আৰু 'অতিথি দেৱো ভৱ'। পিতৃ-মাতৃয়ে পৰিয়ালৰ দায়িত্ব, আচাৰ্য আৰু অতিথিয়ে সমাজৰ দায়িত্বৰ কথা সূচাই দিছে। সংসাৰত প্ৰৱেশ কৰিব খোজা যুৱকে বুজা উচিত যে তেওঁ নিজৰ কাৰণে ডাঙৰ হোৱা নাই, নিজৰ কাৰণেই ধন-সম্পদ অৰ্জন কৰাৰ উপদেশ পোৱা নাই। নিজৰ কাৰণেও হয়, পৰিয়ালবৰ্গৰ কাৰণেও হয়, কিন্তু আচাৰ্য আৰু অতিথিয়ে প্ৰতিনিধিত্ব কৰা সমাজখনৰ কাৰণেও তেওঁৰ আৰ্জন অৰ্পিত কৰিব লাগে। বিদ্যাৰ্থীৰ সন্মুখত কৰ্মময় জীৱনৰ চিত্ৰ এটা এইখিনি উপদেশ-বাণীয়ে দাঙি ধৰিছে। ইয়াৰ পৰাই উপনিষদৰ প্ৰৱৰ্তিত জীৱনদৰ্শন সম্বন্ধীয় আভাস এটাও আমি

পাওঁ।

ঈশোপনিষদৰ প্ৰথম মন্ত্ৰটিত বিধিবাক্য আছে—'ভুঞ্জীথাঃ', নিষেধ বাক্য হ'ল—'মা গৃধঃ' (তেন ত্যক্তেন—ভুঞ্জীথাঃ মা গৃধঃ কস্যচিদ্ধনম্)। 'ভুঞ্জীথাঃ'—ভোগ কৰা, কিন্তু সাৰধান, ত্যক্তেন—ত্যাগ কৰিহে ভোগ কৰা। 'মা গৃধঃ'—নিজে ত্যাগৰ ভাবত থাকি আৰু আনৰখিনিলৈ আকাংক্ষা নকৰাকৈ ভোগ কৰাটোৱেই উপনিষদৰ বিধান। ভোগ এৰি দি বনবাসী আৰু লাওলোৱা হৈ থকাৰ কাৰণে উপদেশ দিয়া নাই। ভোগ কৰাৰ এই কৌশলটোকে পিছৰ যুগত কৰ্মযোগ বুলি বিশদ আলোচনা কৰা হৈছে।

উপনিষদৰ কৰ্মযোগৰ নিৰ্দেশত এইদৰে আছে—ওপৰত কোৱা প্ৰবৃত্তিৰে কাম কৰি এশ বছৰ জীয়াই থকা, জীয়াই থাকিবলৈ বাঞ্ছা কৰা। কাৰণ তুমি শৰীৰধাৰী মানুহ, তোমাৰ কাম কৰাৰ বাহিৰে আন উপায় নাই। কেৱল কামত লিপ্ত নোহোৱাকৈ নিৰাসক্ত হৈ কাম কৰিবলৈও শিকা। কামো কৰিবা আৰু সেই কামত লিপিত খায়ো নাথাকিবা, ইয়েই উপনিষদৰ কৰ্মযোগ। ভগৱদ্‌গীতাৰ কৰ্মযোগৰ বীজতত্ত্ব।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| বৈৰাগ্য, বিৰাগ | — | বিষয় বা ইন্দ্ৰিয়ভোগৰ প্ৰতি অনাসক্তি। |
| কেলেহুৱা | — | লোকৰ ঘৰত চাপি পেট পুহি থকা, চপনীয়া। |
| চাৰি আশ্ৰম | — | ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস। |
| পাৰত্ৰিক | — | পৰলোক সম্বন্ধীয়, পৰলৌকিক। |
| শ্ৰেয়ঃ | — | পৰম কল্যাণকৰ বস্তু, (ইয়াৰ বিপৰীতে 'প্ৰেয়ঃ'—প্ৰেয়ঃ মানে আপাত ৰমণীয় বস্তু)। |
| অপ্ৰমাদী | — | সতৰ্ক, সাৱধান। |
| অন্নং ন...তদ্‌ৱ্ৰতম্ | — | এই বাক্যকেইটা তৈত্তিৰীয় উপনিষদৰ পৰা লোৱা। ইয়াৰ অৰ্থ হৈছে —'অন্ন অৰ্থাৎ খাদ্যক নিন্দা কৰিব নালাগে। অন্ন যিমান পাৰি বঢ়াব লাগে। এই অন্নবৃদ্ধি কাৰ্য এটা ব্ৰত।' |



**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। ভাৰতীয় আদৰ্শত বৈৰাগ্যৰ স্থান কেনেকুৱা?

২। ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি?

৩। কৰ্ম কৰা কৌশলক ভগৱদ্‌গীতাত কি যোগ বুলি হৈছে?

৪। তীৰ্থনাথ শৰ্মাৰ কাব্য গ্ৰন্থখনৰ নাম কি?

৫। তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। ভাৰতীয় আদৰ্শত বৈৰাগ্য পাঠটিত 'সংবিভাজ্য' শব্দটিয়ে কি সূচাইছে?

২। 'শ্ৰদ্ধয়া দেয়ম্' 'অশ্ৰদ্ধয়া অদেয়ম' মানে কি?

৩। প্ৰকৃত ত্যাগ মানে কি বুজা?

৪। ঈশোপনিষদত 'ভূঞ্জীথাঃ' মানে কি বুজাইছে?

৫। 'অতিথি দেবো ভৱ' মানে কি?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ' — কথাষাৰ বহলাই লিখা।

২। চাৰি আশ্ৰম বুলিলে কি বুজা?

৩। বৈৰাগ্য মানে কি? ভাৰতীয় আদৰ্শত কেনেধৰণৰ বৈৰাগ্যৰ কথা কোৱা হৈছে?

৪। গুৰুৱে শিক্ষাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পিছত কি কি উপদেশ

দিছিল?

৫। 'ভাৰতীয় আদৰ্শত বৈৰাগ্য' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত চমুকৈ লিখা।

**পাঠবোধ ঃ**

বিভিন্ন দেশৰ বিভিন্ন জাতিৰ জীৱন-যাপনৰ পৃথক পৃথক প্ৰণালী আছে। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিত এক আদৰ্শ নিহিত হৈ আছে। বেদ আদি প্ৰাচীন পুথিবোৰে কৰ্মই যে ধৰ্ম সেই কথা ঘোষণা কৰিছে। সংযতভাৱে জীৱন যাপন কৰি প্ৰাপ্তিতো নিৰাসক্ত হৈ থকাজনেই হ'ল বৈৰাগী। ভাৰতীয় আদৰ্শত বৈৰাগ্যই প্ৰধান স্থান লাভ কৰিছে। উপনিষদৰ যুগত সত্য, ধৰ্ম, দৈনন্দিন অধ্যয়ন আৰু দানৰ ক্ষেত্ৰত কৰণীয় সম্পৰ্কে বিদ্যাৰ্থীক দিয়া উপদেশ সততে মন কৰিব লগীয়া বিষয়।

**ওপৰঞ্চি তথ্য ঃ**

ভাৰতীয় আদৰ্শ বুলিলে বহুকেইটা দিশ প্ৰকট হৈ উঠে আৰু এই আদৰ্শৰ বিষয়ে প্ৰাচীন ভাৰতীয় গ্ৰন্থবোৰত সুন্দৰভাৱে উল্লেখ আছে। ভাৰতীয় আদৰ্শত জীৱনৰ চাৰিটা স্তৰৰ কথা উল্লেখ কৰা হৈছে। ইয়াক আশ্ৰম বোলা হয়। এইকেইটা হ'ল—ব্ৰহ্মচৰ্য, গাৰ্হস্থ, বানপ্ৰস্থ আৰু সন্ন্যাস। প্ৰাচীন ভাৰতীয় সাহিত্যৰ অমূল্য গ্ৰন্থবোৰ হ'ল—বেদ, উপনিষদ, পুৰাণ আদি। ঋক্, যজুঃ, সাম আৰু অথৰ্ব—এই চাৰি বেদ হৈছে ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ। ছাত্ৰ-ছাত্ৰীয়ে এই গ্ৰন্থবোৰত যে জীৱন-যাপনৰ প্ৰণালীৰ কথা আছে সেই বিষয়ে অৱগত হ'ব। কৰ্মই ধৰ্ম—এয়া হৈছে ভগৱদ্‌গীতাৰ মূল বাণী।

**শিক্ষকৰ প্ৰতি ঃ**

১। শিক্ষকে 'বৈৰাগ্য' শব্দৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক বুজাই দিব।

২। ভাৰতীয় আদৰ্শ সম্পৰ্কেও ছাত্ৰ-ছাত্ৰীক আভাস দিব।

৩। প্ৰাচীন ভাৰতীয় বেদ আদি গ্ৰন্থৰ এক চমু পৰিচয়ো ছাত্ৰ-ছাত্ৰীক দিব



লাগিব।

৪। ব্যক্তি, পৰিয়াল আৰু সমাজ — এই দিশত বিদ্যাৰ্থীৰ কৰণীয় কি, সেই বিষয়েও পাঠত থকা উদাহৰণৰ সহায়েৰে বুজাই দিব।

৫। শিক্ষকে ভাৰতীয় আদৰ্শত বৈৰাগ্যৰ স্থান কেনে ধৰণৰ, ছাত্ৰ-ছাত্ৰীক সৰলভাৱে বুজাই দিব।

●●●

# চিঠি

**শীলভদ্ৰ**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

শীলভদ্ৰ এগৰাকী সুনিপুণ চুটিগল্প লেখক। তেওঁ একবিংশ শতিকাৰ প্ৰথম দশকলৈকে (মৃত্যু পৰ্যন্ত) চুটিগল্প লিখি যায়। শীলভদ্ৰই বাস্তৱ জীৱনৰ সৰু সৰু যেন লগা ঘটনা একোটাক বিষয়বস্তু হিচাপে লৈ গল্প লিখে যদিও তাৰ মাজতে অসাধাৰণত্ব প্ৰকাশ পায়। তদুপৰি সৰল ভাষা আৰু মেদহীন বৰ্ণনাই তেওঁৰ চুটিগল্পসমূহক সুখপাঠ্য কৰি তোলে।

'চিঠি' চুটিগল্পটি তেওঁৰ ১৯৯৪ চনত প্ৰকাশিত 'চিঠি আৰু অন্যান্য গল্প' সংকলনৰপৰা লোৱা হৈছে। এসময়ত চিঠিয়েই আছিল মানুহৰ যোগাযোগৰ মূল মাধ্যম। আপোনজনৰপৰা একোখন চিঠি পোৱা বা চিঠিৰ অপেক্ষাত থকাটো মানুহৰ বাবে মধুৰ অভিজ্ঞতা আছিল। বৰ্তমান বিজ্ঞান-প্ৰযুক্তিয়ে মানুহৰ মাজৰ যোগাযোগ দ্ৰুত কৰি তোলাৰ ফলত চিঠিৰ প্ৰাসঙ্গিকতা কমি গ'ল আৰু পূৰ্বৰ চিঠিকেন্দ্ৰিক মধুৰতা হেৰাই গ'ল। 'চিঠি' চুটিগল্পটিত চিঠিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা মধুৰতা সুন্দৰকৈ প্ৰকাশ পাইছে। এনেধৰণৰ বাস্তৱতাৰে চুটিগল্প ৰচনাত শীলভদ্ৰ সিদ্ধহস্ত। ছাত্ৰ-ছাত্ৰীসকলক শীলভদ্ৰৰ গল্পশিল্পৰ লগত পৰিচয় দিয়াৰ মানসেৰে এই পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**



শীলভদ্ৰৰ প্ৰকৃত নাম ৰেৱতীমোহন দত্ত চৌধুৰী। সাহিত্য ৰচনাৰ বাবে তেওঁ শীলভদ্ৰ ছদ্মনাম (Pen Name) গ্ৰহণ কৰে। শীলভদ্ৰৰ জন্ম হয় ধুবুৰী জিলাৰ গৌৰীপুৰত ১৯২৪ চনত। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শীলভদ্ৰই কটন কলেজত বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত বাংলাদেশৰ কাৰমাইকেল কলেজৰপৰা গণিত বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৪৬ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা গণিত বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি স্নাতকোত্তৰ পৰীক্ষা উত্তীৰ্ণ হয় আৰু ১৯৪৭ চনত তেওঁ কটন কলেজৰ গণিতৰ অধ্যাপক হিচাপে যোগদান কৰে। তাত দুবছৰ শিক্ষকতা কৰাৰ পাছত কিছুদিন ঠিকাদাৰ, সাংবাদিক আৰু চাহ বাগিচাৰ সহকাৰী পৰিচালক হিচাপে কাম কৰে। ১৯৫৭ চনত তেওঁ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰে আৰু তাৰপৰাই ১৯৮২ চনত অৱসৰ গ্ৰহণ কৰে।

শীলভদ্ৰই সাহিত্যিক জীৱন আৰম্ভ কৰে উপন্যাস ৰচনাৰে। ১৯৭১ চনত তেওঁৰ প্ৰথম উপন্যাস সংকলন 'মধুপুৰ আৰু তৰংগিনী' প্ৰকাশ পায়। পৰৱৰ্তী সময়তো তেওঁ উপন্যাস ৰচনা কৰে যদিও গল্পকাৰ হিচাপেহে অধিক খ্যাতি অৰ্জন কৰে। ১৯৭৫ চনত তেওঁৰ প্ৰথম গল্প সংকলন 'বাস্তৱ' প্ৰকাশ পায়। ইয়াৰ পাছত তেওঁৰ কুৰিখনৰো অধিক গল্প সংকলন প্ৰকাশ পায়। তাৰে কেইখনমান হ'ল ঃ 'কোনো ক্ষোভ নাই', 'সমুদ্ৰতীৰ' 'তৰুৱা কদম', 'উত্তৰণ', 'দায়িত্ব আৰু অন্যান্য গল্প', 'আকৌ মধুপুৰ', 'মধুপুৰ বহুদূৰ', 'তৰ্পণ', 'চিঠি আৰু অন্যান্য গল্প', 'আপোন মানুহ', 'জীৱনৰ ৰং' ইত্যাদি। শীলভদ্ৰই 'ৰিপভান উইংকল আৰু কেইটামান গল্প' আৰু 'ৰূপান্তৰ' নামৰ দুখন গ্ৰন্থ অনুবাদো কৰিছিল।

সাহিত্যকৰ্মৰ স্বীকৃতি হিচাপে শীলভদ্ৰই কেইবাটাও বঁটা লাভ কৰে। ১৯৯০ চনত 'অনুসন্ধান' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা আৰু ১৯৯২ চনত 'দায়িত্ব আৰু অন্যান্য গল্প' শীৰ্ষক গল্প সংকলনৰ বাবে ভাৰতীয়

ভাষা পৰিষদৰ বঁটা লাভ কৰে। ১৯৯৪ চনত শীলভদ্ৰই ‘মধুপুৰ বহুদূৰ’ গল্প সংকলনৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে। সাহিত্যক্ষেত্ৰলৈ আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে ২০০২ চনত তেওঁক অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানিত কৰা হয়।

২০০৮ চনৰ ২৯ ফেব্ৰুৱাৰী তাৰিখে শীলভদ্ৰৰ মৃত্যু হয়।

**মূল পাঠ ঃ**

(১)

দুয়োৰে বয়স হৈছে। অৱসৰ লোৱাৰ কেইবা বছৰো হ’ল। দুয়ো চহৰৰ ভিন্ন প্ৰান্তত থাকে। চহৰত আলৈ-আহুকাল নোহোৱাকৈ বাস কৰিবলৈ হ’লে আনুষঙ্গিক যিবোৰ সা-সুবিধা লাগে দুজনৰ এজনৰো সেইবোৰ নাই। গাড়ী নাই, ফোন নাই। যোগসূত্ৰ ৰাখিবলৈ বিচাৰিলেও উপায় নাই। চিটি বাছত যিহে ভিৰ, উঠিবলৈ ভয় লাগে। যোগসূত্ৰ ৰাখে কেনেকৈ?

ভূদেৱ চৌধুৰী আৰু প্ৰশান্ত শৰ্মা। ইমান ঘনিষ্ঠ বন্ধু কিন্তু পৰস্পৰৰ চিঠি-পত্ৰ লিখাৰ অভ্যাস নাই। চিঠি লিখিও যে যোগাযোগ ৰাখিব পাৰি এই চিন্তা মনলৈ অহাই নাই।

আশ্চৰ্য কাণ্ড। হঠাতে ভূদেৱ চৌধুৰীয়ে প্ৰশান্তলৈ এখন চিঠি লিখিলে। ‘তুমি’ বুলি লিখা আৰম্ভ কৰিছিল। কিন্তু ‘তুমি’ কাটি ‘তই’ বুলিয়েই লিখিলে। তৃতীয় শ্ৰেণীৰ পৰা একেলগে পঢ়া, চিৰকাল ‘তই’ বুলি সম্বোধন কৰি আহিছে, এতিয়া হঠাতে আৰু ‘তুমি’ কিয়? প্ৰশান্ত শৰ্মালৈ লিখা ভূদেৱ চৌধুৰীৰ এইখনেই প্ৰথম আৰু শেষ চিঠি।

(২)

চিঠি এখনেই চিঠিৰ মূল্য। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মৃত্যুৰ পঞ্চাছ বছৰ পিছতো এতিয়াও বঙালী আলোচনীত তেওঁৰ চিঠিবোৰ ছপা হৈ আছে। প্ৰতিখন চিঠিৰ প্ৰতিটো বাক্য যে অতি গুৰুত্বপূৰ্ণ তেনেকুৱাও নহয়। অতি সাধাৰণ গতানুগতিক উক্তি। পৰিচিত-অপৰিচিত অজস্ৰ মানুহে ৰবীন্দ্ৰনাথক চিঠি



দিছিল। এশাৰী কিবা উত্তৰ পালে, সেয়েই অমূল্য সম্পদ। পুৰুষানুক্ৰমে সঞ্চয় কৰি থ’বলগীয়া সম্পত্তি। চিঠি এখনত কি লিখা থাকে তাতোকৈ চিঠিখনৰ মূল্য বহুতো বেছি। প্ৰিয়জনৰ পৰা চিঠি এখন পোৱাৰ আনন্দই বেলেগ।

ভূদেৱ চৌধুৰী আজিকালি নিজেও চিঠিৰ কাৰণে ৰৈ থাকে। তেওঁলোকৰ ফালে পিয়নজন একমান বজাত আহে। তেওঁ ঘড়ী চাই থাকে। এক বাজিবৰ হ’লে তেওঁ বাহিৰৰ কোঠাত বহি বাটৰ ফালে দৃষ্টি নিবদ্ধ কৰি ৰাখে। অৱশ্যে তেওঁ হাতত এখন কিতাপ বা আলোচনী লয়। আচলতে তেওঁ পিয়নজনৰ কাৰণে ৰৈ থকা নাই। কিবা চিঠিপত্ৰ থাকিলে তেওঁতো দি যাবই। ৰখি থাকিব লাগিছে কিয়? ৰখি থকাটো যেন লাজৰ কথা।

কেতিয়াবা কিবা কাৰণে পিয়নজন অহা সময়ত ঘৰত নাথাকিলে ঘৰলৈ আহি তেওঁ প্ৰথমেই প্ৰশ্ন কৰে।

“চিঠিপত্ৰ কিবা আহিছে নেকি?”

তেওঁৰ পৰিবাৰে যুক্তিপূৰ্ণ কথাই কয়।

“ক’ৰ পৰা চিঠি আহিব? কোনে চিঠি দিব?” সংগত প্ৰশ্ন। কোনে তেওঁক চিঠি দিব আৰু কিয় দিব? এইটো তেওঁৰ পৰিবাৰৰ উদাসীনতা নে অভিমান? চৌধুৰীৰ প্ৰতি অনুকম্পাওতো হ’ব পাৰে। কঙালৰ দৰে কিয় তেওঁৰ এই মানসিক অৱস্থা?

সঁচা কথা। কোনে তেওঁলৈ চিঠি লিখিব? তেওঁৰ ল’ৰাজন তেওঁৰ লগতে থাকে, ছোৱালীজনীৰ বিয়াও এই চহৰতে হৈছে। তেনেহ’লে লিখে কোনে? কাৰ কি প্ৰয়োজন?

চিঠিৰ কাৰণেই চিঠিৰ মূল্য। চিঠি এখনে তাত যি লিখা থাকে তাতোকৈ বহুতো কিবাকিবি কঢ়িয়াই আনে। মই ভালে আছোঁ, আশাকৰোঁ তোমাৰ ভাল। এই সামান্য কেইটামান শব্দই মনত কিমান আলোড়ন সৃষ্টি কৰিব পাৰে। কিমান বিভিন্ন অনুভূতিৰ উত্তাল তৰংগ সৃষ্টি কৰিবও পাৰে।

বিয়াৰ পিছত কিছুমান অসুবিধাৰ কাৰণে চৌধুৰী কিছুদিন অকলে বাগানত

আছিল। তেওঁ তেওঁৰ পৰিবাৰক কিছুদিনৰ কাৰণে গাঁৱৰ ঘৰত থৈছিল। তেতিয়া পৰিবাৰৰ চিঠিৰ কাৰণে কি ব্যাকুল প্ৰতীক্ষা। টিংখঙৰ পৰা বাগানৰ ডাক আনিছিল ফাগু নামে বনুৱাজনে। ডাক লৈ আহোঁতে তাৰ তিনিমান বাজে। যিবোৰ দিনত পৰিবাৰৰ চিঠি আহিব পাৰে সেইকেইদিন দুই বজাৰ পিছত তেওঁ ধৈৰ্য ধৰি ৰখি থাকিব নোৱাৰে। চাইকেলখন লৈ তেওঁ ওলাই যায়। টিংখঙলৈ দূৰত্ব কমেও চাৰি মাইল।

কেতিয়াবা তেওঁ বাটতে ফাগুক লগ পায়, কেতিয়াবা ডাকঘৰত। মই ভালে আছোঁ, আশাকৰোঁ তোমাৰ ভাল। অতি সাধাৰণ কথা অথচ নিৰ্দিষ্ট দিনত চিঠিখন নাহিলে গভীৰ শূন্যতাই তেওঁক হেঁচা মাৰি ধৰিছিল। গোটেই পৰিৱেশ ধূসৰ বিবৰ্ণ।

এতিয়া বাৰু কাৰ চিঠি, কি চিঠি? চিঠি এখনৰ কাৰণে কিয় এই আকুল প্ৰতীক্ষা? কোন এখন চিঠিয়ে নো কি গুৰুত্বপূৰ্ণ বাৰ্তা কঢ়িয়াই আনিব পাৰে? তেনেহ'লে কিহৰ প্ৰত্যাশা?

হঠাতে ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ এখন চিঠি লিখিলে। অকস্মাতে তেওঁৰ পৰা চিঠি এখন পাই প্ৰশান্তৰ মনৰ ভাব কেনেকুৱা হ'ব? আনন্দ নে বিস্ময়? চৌধুৰীৰ প্ৰতি অকৃত্ৰিম শুভেচ্ছা থকা মানুহ প্ৰায় নোহোৱা হৈছে। প্ৰশান্ত বোধহয় শেষ প্ৰতিনিধি। চৌধুৰীয়ে কৌতুক বোধ কৰিলে। ইমান দিনে প্ৰশান্তই চিঠিখন পাইছে নিশ্চয়। সদায় দৃশ্যটো লুটিয়াই চাইছে। অনুমান কৰাৰ চেষ্টা কৰিছে কোনে নো লিখিছে এইখন চিঠি?

প্ৰশান্ত শৰ্মাৰ ভতিজা ল'ৰাজনে খবৰটো দিলে।

"বৰদেউতা ঢুকাল।"

"কেতিয়া, ক'ত, কি হৈছিল?"

"যোৱাকালি ৰাতি হঠাতে মুখেৰে তেজ ওলাবলৈ ধৰিলে। ৰাতিতেই হাচ্‌পতাললৈ অনা হ'ল। তেজ বন্ধ কৰিব নোৱাৰিলে।"

"কেতিয়া গ'ল?"



"একমান বজাত।"

"বাৰু, গৈছোঁ।"

"নাই, হাচ্‌পতালত নাপাব। ইমানপৰে ঘৰলৈ লৈ গ'লেই বোধহয়।" এতিয়া গৈ কি লাভ? চৌধুৰী আকৌ বিছনাখনত বাগৰ দিলে। পিছে ৰ'ব নোৱাৰিলে। স্বয়ংক্ৰিয়ভাৱে উঠি কাপোৰ-কানি পিন্ধিবলৈ ল'লে।

তেওঁৰ পৰিবাৰে সুধিলে, "কি কৰা?"

"না, এবাৰ আহোঁগৈ।"

"কিহেৰে যাবা? তিনি বাজি গ'ল, এতিয়া বাছত অসম্ভৱ ভিৰ নহ'ব?"

"লাগিলে অট' এখনকে লৈ যাম।"

চৌধুৰীক দেখি প্ৰশান্ত শৰ্মাৰ ল'ৰাজন আগবাঢ়ি আহিল।

"দেউতাই আপোনাৰ চিঠিখন পাইছে। ইমান যে ভাল পাইছিল কি আৰু কম? আমাৰ ঘৰলৈ যিয়েই আহিছিল তাকেই চিঠিখন দেখুৱাইছে। এই কেইদিন কেৱল আপোনাৰেই কথা। একেলগে কি কৰিছিল, ক'ত গৈছিল সেইবোৰকে কৈ আছিল।"

ভূদেৱ চৌধুৰী মনে মনে ৰ'ল। কিনো ক'ব?

"আপোনাৰ চিঠিৰ উত্তৰ দিব বুলি মোৰ হতুৱাই লেফাফাও আনি থৈছিল। হঠাতে এনেকুৱা হ'ল।"

প্ৰশান্তৰ ছোৱালীবোৰেও সেই একেটা কথাই ক'লে।

"আপোনাৰ চিঠিখন পাই দেউতাই ইমান ভাল পাইছিল। আপোনাৰ কথাই কৈ আছিল। প্ৰথমছোৱাত আপুনি যে কিমান কষ্ট কৰিছিল তাকো কৈছে।"

প্ৰশান্ত শৰ্মাৰ পৰিবাৰ শোকত অভিভূত হৈ আকুলভাৱে কান্দি আছিল। চৌধুৰীক দেখি তেৰোঁ তাকেই ক'লে।

"আপোনাৰ চিঠিখন পাইছিল। বৰ ভাল পাইছিল।"

ভূদেৱ চৌধুৰীয়ে ৰুমালখনেৰে তেওঁৰ চকু দুটা মচি ল'লে। চিঠিখন লিখাটো আছিল তেওঁৰ অলস মুহূৰ্তৰ এক অপৰিকল্পিত ভঙ্গী। প্ৰশান্তৰ কাৰণে

চিঠিখন ইমান মূল্যৱান আছিল বুলি তেওঁ ধাৰণাই কৰিব পৰা নাছিল।

**কঠিন শব্দৰ অৰ্থ ঃ**

আনুষঙ্গিক — মূল বিষয়ৰ লগত গৌণভাৱে জড়িত।
পুৰুষানুক্ৰমে — এক পুৰুষৰপৰা তাৰ পিছৰ পুৰুষলৈ।
সংগত — খাপখোৱা, উচিত, যুক্তিযুক্ত।
উদাসীনতা — অনুৰাগ নথকা স্বভাৱ।
অনুকম্পা — সহানুভূতি, কৰুণা, দয়া।
কঙাল — যাৰ একো নাই, নিঃস্ব, দুখীয়া, খাবলৈ নোপোৱা।
প্ৰতীক্ষা — অপেক্ষা।
প্ৰত্যাশা — আশা, ভাৰসা।
স্বয়ংক্ৰিয় — আপোনা-আপুনি ক্ৰিয়া কৰা।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। ‘চিঠি’ গল্পটো শীলভদ্ৰৰ কোনখন সংকলনৰপৰা লোৱা হৈছে?
২। শীলভদ্ৰই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?
৩। কাৰ চিঠিৰ বাবে ভূদেৱ চৌধুৰীয়ে অপেক্ষা কৰি আছিল?
৪। প্ৰশান্ত শৰ্মাৰ মৃত্যুৰ খবৰটো ভূদেৱ চৌধুৰীক কোনে দিছিল?
৫। ভূদেৱ চৌধুৰী টিংখঙলৈ কিয় গৈছিল?

**(খ) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। ‘চিঠি’ গল্পটোত ভূদেৱ চৌধুৰীয়ে কাৰ কাৰ চিঠিৰ বাবে অপেক্ষা কৰাৰ কথা আছে?
২। শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ নাম লিখা।



৩। ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিঠি লিখিছিল?
৪। কাৰ চিঠি পুৰুষানুক্ৰমে সঞ্চয় কৰি থ’বলগীয়া সম্পত্তি বুলি কোৱা হৈছে? তেওঁৰ চিঠি কিয় মূল্যৱান?
৫। বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গ’ল?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। শীলভদ্ৰৰ সাহিত্য-কৃতিৰ চমু পৰিচয় দিয়া।
২। ‘চিঠি’ চুটিগল্পটিৰ কাহিনীভাগ চমুকৈ তোমাৰ নিজৰ ভাষাত লিখা।
৩। ভূদেৱ চৌধুৰীৰ চিঠিখনে প্ৰশান্ত শৰ্মাৰ ঘৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল?
৪। আপোনজনৰপৰা চিঠি পোৱা আৰু আপোনজনৰ চিঠিৰ বাবে অপেক্ষা কৰি থকাৰ মধুৰতাখিনি গল্পটোত কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।
৫। ‘চিঠি’ গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

**পাঠবোধ ঃ**

চাকৰি বা কৰ্মজীৱনৰপৰা অৱসৰ লোৱাৰ পাছত মানুহে কিছু অকলশৰীয়া অনুভৱ কৰে। তেনে সময়ত পুৰণি মনেমিলা বন্ধুৰ সান্নিধ্যই আনন্দ প্ৰদান কৰে। বন্ধুৰপৰা যদি আন্তৰিকতা আৰু আগ্ৰহপূৰ্ণ সঁহাৰি লাভ কৰা যায় তেন্তে সেই আনন্দ দুগুণে বৃদ্ধি পায়। নিজৰ পুৰণা বন্ধু প্ৰশান্ত শৰ্মালৈ এখন চিঠি লিখি ভূদেৱ চৌধুৰীয়ে তেনেকুৱা আনন্দকে অনুভৱ কৰিছে। চিঠিৰ বাবে অপেক্ষা কৰি চৌধুৰী প্ৰত্যেক দিনেই অধীৰ হৈছে। কিন্তু শেষত খবৰ আহিছে প্ৰশান্ত শৰ্মা ঢুকাল। শৰ্মাৰ ঘৰত খবৰ ল’বলৈ গৈ ভূদেৱ চৌধুৰীয়ে গম পাইছে যে মৃত্যুৰ আগতে শৰ্মাৰ ঘৰত তেওঁৰ চিঠিখনে এটা আনন্দময় পৰিৱেশৰ সৃষ্টি কৰিছিল। প্ৰশান্ত শৰ্মাই চিঠিৰ উত্তৰ লিখি পঠাবলৈ লেফাফাও আনিছিল। কিন্তু সেয়া হৈ নুঠিলগৈ। কথাখিনি গম পাই ভূদেৱ চৌধুৰীৰ শোক উথলি উঠিছে। তেওঁ নিজে যিখিনি আনন্দৰ বাবে বাট চাই আছিল, সেই আনন্দখিনি

যে বন্ধু প্ৰশান্ত শৰ্মাই লাভ কৰিলে সেয়া অনুভৱ কৰি তেওঁ আৱেগিক হৈ পৰিছে। গল্পটোত অপ্ৰাপ্তিৰ মাজতো লুকাই থকা মধুৰতাৰ সুন্দৰ প্ৰকাশ ঘটিছে।

**ওপৰঞ্চি তথ্য ঃ**

(১) গল্পটিৰ নাম হৈছে 'চিঠি'। সাধাৰণতে গল্পৰ নামকৰণৰ মাজত কেইবাটাও কথা জড়িত হৈ থাকে, যেনে ঃ (ক) বিষয়বস্তুৰ ইংগিত, (খ) মূল চৰিত্ৰৰ পৰিচয়, (গ) কেন্দ্ৰীয় ভাব ইত্যাদি।

'চিঠি' গল্পটোৰ নামটোৰ লগত বিষয়বস্তুৰ ইংগিত আৰু কেন্দ্ৰীয় ভাব দুয়োটা কথা জড়িত হৈ আছে। গল্পটোৰ বিষয়বস্তু চিঠিক লৈয়ে গঢ় লৈ উঠিছে। এজন ব্যক্তিয়ে তেওঁৰ বন্ধুলৈ চিঠি পঠিয়াই উত্তৰৰ বাবে অপেক্ষা কৰিছে। চিঠিৰ প্ৰসঙ্গত প্ৰখ্যাত সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰলৈ অহা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰে বিভিন্নজনলৈ দিয়া চিঠিবোৰৰ গুৰুত্বৰ কথা কোৱা হৈছে। লগতে ব্যক্তিজনে ঘৰৰপৰা কিছুদিন আঁতৰত থাকোঁতে পত্নীৰ চিঠিৰ বাবে অধীৰভাৱে অপেক্ষা কৰাৰ কথাও কোৱা হৈছে। আনহাতে এখন চিঠিয়েই হৈ পৰিছে গল্পটোৰ কেন্দ্ৰীয় বিষয়। ভূদেৱ চৌধুৰীয়ে বন্ধু প্ৰশান্ত শৰ্মালৈ প্ৰেৰণ কৰা চিঠিখনক কেন্দ্ৰ কৰি দুখন ঘৰত উৎকণ্ঠা আৰু আনন্দৰ সৃষ্টি হৈছে। চিঠিৰ উত্তৰ লিখাৰ পৰিকল্পনা কৰি থকা প্ৰশান্ত শৰ্মাৰ মৃত্যু হোৱাত চিঠিৰ বাবে অপেক্ষা কৰি থকা ভূদেৱ চৌধুৰীৰ সেই আশাৰো মৃত্যু ঘটিছে। আনকি বন্ধুৰ মৃত্যুৰ খবৰ ল'বলৈ যোৱা ভূদেৱ চৌধুৰীক সকলোৱে চিঠিখনৰ কথাকেই কৈছে।

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে, গল্পটিৰ নামকৰণ সাৰ্থক হৈছে।

(২) 'চুটিগল্প'ৰ কিছুমান বৈশিষ্ট্য সমালোচকসকলে নিৰ্ধাৰণ কৰি দিছে। সেইসমূহ হ'ল ঃ (ক) আৰম্ভণি আকস্মিক, (খ) সামৰণি নাটকীয়, (গ) ভাবৰ একমুখিতা, (ঘ) জীৱনৰ পূৰ্ণচিত্ৰৰ পৰিৱৰ্তে কোনো নিৰ্দিষ্ট দিশৰ উপস্থাপন,



(ঙ) কম চৰিত্ৰৰ সমাৱেশ, (চ) কম পৰিসৰ ইত্যাদি।

**শিক্ষকৰ প্ৰতি ঃ**

শ্ৰেণীত পাঠদানৰ সময়ত অসমীয়া চুটিগল্পৰ স্তৰকেইটাৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাই দিয়াৰ লগতে ৰামধেনু যুগৰ অসমীয়া চুটিগল্প সম্পৰ্কে চমুকৈ ক'লে ভাল হ'ব। চুটিগল্পৰ বৈশিষ্ট্যসমূহ 'চিঠি' চুটিগল্পটোত কেনেদৰে ৰক্ষিত হৈছে বুজাই ক'ব পাৰে। লগতে শীলভদ্ৰৰ চুটিগল্পৰ বিষয়ে কিছু কথা ক'লে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

●●●

# অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা

**উৎপল দত্ত**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য**

বৰ্তমান সময়ত কথাছবি বা চলচ্চিত্ৰ উদ্যোগৰ বিশেষ গুৰুত্ব আছে। হাজাৰ হাজাৰ লোকৰ কৰ্ম সংস্থাপনৰ উপৰিও শিল্প-সংস্কৃতিৰ বিকাশতো এই উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে সামাজিক প্ৰয়োজনীয়তাৰ তাড়নাতে জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া কথাছবিৰ শুভাৰম্ভ কৰে 'জয়মতী' নিৰ্মাণৰ জৰিয়তে ১৯৩৫ চনত। বিগত চাৰিকুৰি বছৰত যথেষ্ট সংখ্যক অসমীয়া কথাছবি নিৰ্মাণ হ'ল। কেবাখনো ছবিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ পুৰস্কাৰ বা সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। এই চলচ্চিত্ৰই আধুনিক অসমীয়া সংস্কৃতিৰ বিকাশত অৰিহণা যোগাইছে। সেইবাবে, অসমীয়া চলচ্চিত্ৰৰ গতি-প্ৰকৃতি সম্পৰ্কে কিছু কথা ছাত্ৰ-ছাত্ৰীসকলে জনাটো উচিত বুলি বিবেচনা কৰি এই পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

উৎপল দত্ত (জন্ম - ১৯৬০) সাহিত্য আৰু বাণিজ্য পৰিচালনা বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী আৰু ডিপ্ল'মাধাৰী। কেবাখনো উপন্যাস আৰু নাটকৰ লেখক - অনুবাদক শ্ৰী দত্ত চলচ্চিত্ৰ সমালোচক হিচাপে প্ৰসিদ্ধ আৰু ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত। 'চলচ্চিত্ৰ' আৰু 'টুৱেন্টি ফ'ৰ ফ্ৰেমছ' তেওঁৰ দুখন উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ উপৰিও চলচ্চিত্ৰ বিষয়ক কেবাখনো গ্ৰন্থ তেওঁ



সম্পাদনা কৰিছে আৰু তেনে দুখন গ্ৰন্থ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ প্ৰসংগ পুথি হিচাপে নিৰ্বাচিত হৈছে। উৎপল দত্তই তথ্যচিত্ৰ পৰিচালক হিচাপেও সুনাম অৰ্জন কৰিছে। তেওঁ পৰিচালনা কৰা তথ্যচিত্ৰ দেশ-বিদেশৰ কেইবাটিও চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছে। তেওঁ শ্ৰেষ্ঠ তথ্যচিত্ৰ পৰিচালক হিচাপে ৰাজ্যিক পৰ্যায়ৰ বঁটাৰেও সন্মানিত হৈছে। তেওঁ পৰিচালনা কৰা তিনিখন তথ্যচিত্ৰ (Short film) হ'ল— 'By-Lane 2', 'Through Trust and Fear' আৰু 'বৰগীত - এটি ধ্ৰুপদী ৰত্ন'।

**মূল পাঠ ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটকৰ আলমত জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা 'জয়মতী'ৰে অসমীয়া চিনেমাৰ আৰম্ভণি হয়। জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈ উভতি অহা জ্যোতিপ্ৰসাদে তেজপুৰৰ ওচৰৰ ভোলাগুৰি চাহ বাগিচাত 'চিত্ৰবন' নামেৰে ষ্টুডিঅ' এটি সাজি লৈ তাত জয়মতীৰ দৃশ্যগ্ৰহণ কৰিছিল। পিছত লাহোৰৰ ষ্টুডিঅ'ত সম্পাদনাৰ কাম কৰি কলকাতাৰ 'ৰাউনাক' প্ৰেক্ষাগৃহত ছবিখনৰ প্ৰথম দৰ্শনীৰ আয়োজন কৰিছিল ১৯৩৫ চনৰ ১০ মাৰ্চ তাৰিখে। ছবিখনে গুৱাহাটীত মুক্তিলাভ কৰিছিল সেই একে মাহৰ ২০ তাৰিখে। প্ৰথম অসমীয়া ছবি কাৰণে 'জয়মতী'ৰ প্ৰতি ৰাইজৰ আগ্ৰহ আছিল অসীম, কিন্তু ছবি পৰিৱেশনাৰ বাবে প্ৰয়োজনীয় পৰিকাঠামোৰ অভাৱ আৰু ছবিখনৰ নিৰ্মাণত হোৱা অভাৱনীয় ব্যয়ৰ বাবে ছবিখনে বহু টকা লোকচান ভৰিবলগীয়া হৈছিল। ইয়াৰ পিছত জ্যোতিপ্ৰসাদে ১৯৩৯ চনত নিজৰ কাহিনীৰে 'ইন্দ্ৰমালতী' নামৰ ছবি এখন প্ৰযোজনা আৰু পৰিচালনা কৰি উলিয়াইছিল। এই ছবিখন ব্যৱসায়িক দিশত সফল আছিল আৰু ই জয়মতীৰ লোকচানো পূৰণ কৰিছিল। এই ছবিখন কলকাতাৰ অৰোৰা ষ্টুডিঅ'ত নিৰ্মাণ কৰা হৈছিল। ইয়াৰ লগে লগে জ্যোতিপ্ৰসাদৰ 'চিত্ৰবন' ষ্টুডিঅ'ৰ দুৱাৰ বন্ধ হৈ যায় আৰু কলকাতাৰ ষ্টুডিঅ'ই অসমীয়া ছবিৰ নিৰ্মাণস্থলী হৈ পৰে।

জ্যোতিপ্ৰসাদ আছিল স্বাধীনতা সংগ্ৰামী। তেওঁৰ সেই মনটোৰ প্ৰভাৱ পৰিছিল তেওঁৰ ছবিত। 'জয়মতী'ত আছিল অতীত গৌৰৱ কাহিনী আৰু 'ইন্দ্ৰমালতী'ত স্বাধীনতা আন্দোলনৰ ছবি। বিভিন্ন পৰিচালক আৰু প্ৰযোজকৰ অংশগ্ৰহণেৰে এই ধাৰাৰেই অসমীয়া ছবিৰ গতি আগবাঢ়িছিল। অসমত ছবি নিৰ্মাণৰ সুবিধা নাছিল। ছবি নিৰ্মাণ কাৰ্যটি লাভজনক হ'ব পৰাকৈ ডাঙৰ বজাৰ এখন নাছিল। তথাপিও কেৱল চলচ্চিত্ৰ কলা মাধ্যমটিৰ প্ৰতি থকা ভালপোৱা আৰু ছবিৰ মাজেৰে কিবা কোৱাৰ ইচ্ছাই চিত্ৰনিৰ্মাতাসকলক উৎসাহিত কৰি আহিছিল। 'মনোমতী', 'বিপ্লৱী', 'বদন বৰফুকন', 'নৰকাসুৰ' আদি ছবিয়ে অসমীয়া ছবিৰ এই ধাৰাটি প্ৰৱহমান কৰি ৰাখিছিল। ১৯৫৫ চনত লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা 'নিমিলা অংক'ত অসমীয়া মধ্যবিত্তীয় সমাজৰ ছবি অংকন কৰা হৈছিল আৰু সেই ছবিৰ লগে লগে অসমীয়া ছবিৰ কাহিনীলৈ বাস্তৱমুখী ঘটনাৰ আগমন ঘটে। ১৯৫৬ চনত মুক্তিলাভ কৰা ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ' ছবিখন আছিল অসমৰ মাটিৰ সুৰৰ ওপৰত আধাৰিত। এই ছবিখনত ভূপেন হাজৰিকাই ভাৰতৰ বিখ্যাত সংগীত প্ৰতিভা লতা মংগেছকাৰ, হেমন্ত মুখাৰ্জী আদিৰ কণ্ঠ ব্যৱহাৰ কৰি ছবিখনক এটি বহল প্ৰেক্ষাপটত চিনাকি কৰাই দিছিল। ১৯৬৩ চনত সেই সময়ৰ জনপ্ৰিয় গীতিকাৰ আৰু সংগীত পৰিচালক ব্ৰজেন বৰুৱাই বিদেশী কাহিনী এটাৰ ভেটিত 'ইটো সিটো বহুতো' নামেৰে হাস্যৰসৰ ছবি নিৰ্মাণ কৰি অসমীয়া ছবিৰ ধাৰাটো বৈচিত্ৰ্যপূৰ্ণ কৰি তোলাত অৰিহণা আগবঢ়ায়। এই একেই বছৰতে প্ৰচলিত সাধুকথা এটিৰ ভেটিত আনোৱাৰ হুছেইনে নিৰ্মাণ কৰে 'তেজীমলা'।

অসমীয়া ছবিৰ সীমিত বজাৰখন বঢ়োৱাৰ ক্ষেত্ৰত ভূপেন হাজৰিকা সদায়েই সচেতন আছিল। সেই উদ্দেশ্যৰেই তেওঁ ১৯৬৫ চনত এটি খাচি লোককথাৰ ভেটিত নিৰ্মাণ কৰিছিল 'প্ৰতিধ্বনি'। এই ছবিখন তেওঁ খাচি ভাষালৈ 'ডাব' কৰি বাণিজ্যিকভাৱে মুক্তি দিছিল। হিন্দী ছবি 'তকদীৰ' (ভাগ্য)



তেওঁ অসমীয়ালৈ ডাব কৰাত আগভাগ লৈছিল আৰু পৰৱৰ্তী কালত সেই ছবিৰ প্ৰযোজক ৰাজশ্ৰী প্ৰডাকচনৰ লগত যৌথ প্ৰযোজনাত নিৰ্মাণ কৰিছিল 'চিকমিক বিজুলী'। আৰম্ভণিৰে পৰা অসমীয়া ছবিৰ প্ৰযোজনা মূলতঃ ব্যক্তিপৰ্যায়ত আছিল, কেতিয়াবা একাধিক লোকে লগ হৈ, কেতিয়াবা কোনোবা সংঘই বা কেতিয়াবা সমবায় সমিতি গঠন কৰি ছবি প্ৰযোজনা কৰিছিল। 'চিকমিক বিজুলী'য়েই হ'ল প্ৰতিষ্ঠিত চলচ্চিত্ৰ প্ৰযোজনা সংস্থা এটাই প্ৰযোজনা কৰা প্ৰথম অসমীয়া ছবি। ইয়াৰ পিছৰে পৰা অসমীয়া ছবিত ব্যৱসায়ী সংস্থাৰ অংশগ্ৰহণ আৰম্ভ হয়।

১৯৬৯ চনত ব্ৰজেন বৰুৱা পৰিচালিত 'ডাঃ বেজবৰুৱা' আছিল আৱেগ মিশ্ৰিত থ্ৰিলাৰ আৰু এই ধাৰাৰ প্ৰথম অসমীয়া ছবি। ইন্দ্ৰমালতীৰ দিনৰে পৰা অসমীয়া ছবিৰ অন্তৰ্দৃশ্যৰ দৃশ্যগ্ৰহণ কৰা হৈছিল কলকাতাৰ ষ্টুডিঅ'ত। কিন্তু ব্ৰজেন বৰুৱাই কলকাতালৈ যোৱাৰ পৰিৱৰ্তে অসমৰে সাধাৰণ ঘৰতে দৃশ্যগ্ৰহণৰ কাম কৰিছিল। কাৰিকৰী লোকৰ অভাৱ পূৰণ কৰিবলৈ তেওঁ থলুৱা ল'ৰা-ডেকাকে কাৰিকৰী কাম শিকাই লৈছিল। 'ডাঃ বেজবৰুৱা' ব্যৱসায়িক দিশত সফল ছবি আছিল। তাতকৈ ডাঙৰ কথা আছিল এই ছবিখনৰ নিৰ্মাণত ব্ৰজেন বৰুৱাই দেখুওৱা সাহসৰ বাবে অসমত ছবি নিৰ্মাণৰ সংখ্যা বাঢ়িবলৈ লৈছিল। একে সময়তে ছবিৰ কাৰিকৰী কামৰ বাবে অসমীয়া মানুহো আগবাঢ়ি আহিছিল। এই সকলোবোৰৰ মিলনে 'ডাঃ বেজবৰুৱা'ক অসমীয়া ছবিৰ ইতিহাসত এখন গুৰুত্বপূৰ্ণ স্থান দিছিল। পৰৱৰ্তী কালত ব্ৰজেন বৰুৱাই 'মুকুতা', 'ললিতা' আৰু 'ওপজা সোণৰ মাটি' নামৰ ছবিকেইখন পৰিচালনা কৰে।

চতুৰংগ পৰিচালিত 'অপৰাজেয়' (১৯৭০) ছবিখনে বাস্তৱবাদী চলচ্চিত্ৰৰ ধাৰাটিৰ আৰম্ভণি কৰে আৰু পদুম বৰুৱাৰ 'গংগা চিলনীৰ পাখি' (১৯৭৬) ছবিখনে এই ধাৰাটোক শক্তিশালী কৰি তোলাত সহায় কৰে। এই ছবি দুখনৰ মাজৰ সময়ছোৱাত নিৰ্মিত 'মমতা', 'বৃষ্টি', 'খোজ', 'উত্তৰণ', 'হৃদয়ৰ প্ৰয়োজন' আদি ছবিয়ে এই ধাৰাটিৰ বিকাশত সহায় কৰি আহিছে।

১৯৭৭ চনত মুক্তিলাভ কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' ছবিখনে লাভ কৰা ব্যৱসায়িক আৰু কলাগত সফলতাই বাস্তৱবাদী ধাৰাটোৰ দেহত নতুন তেজৰ সঞ্চাৰ কৰে। তেওঁ একাদিক্ৰমে 'অনিৰ্বাণ', 'অগ্নিস্নান', 'কোলাহল', 'সাৰথি', 'আবৰ্তন', 'ইতিহাস' আৰু হিন্দী ভাষাত 'কালসন্ধ্যা' পৰিচালনা কৰে। দেশ-বিদেশৰ বহু চলচ্চিত্ৰ মহোৎসৱত ভবেন্দ্ৰ নাথ শইকীয়াৰ ছবি প্ৰদৰ্শিত হৈছে। তেওঁৰ পিছত জাহ্নু বৰুৱাই 'অপৰূপা'ৰে তেওঁৰ পৰিচালনা যাত্ৰা আৰম্ভ কৰে আৰু কেইবাখনো ছবি নিৰ্মাণ কৰে। তেওঁৰ ছবিয়েও দেশৰ ভিতৰে-বাহিৰে সন্মান লাভ কৰিছে। তেনেদৰে সান্ত্বনা বৰদলৈ, অতুল বৰদলৈ, সঞ্জীৱ হাজৰিকা, বিদ্যুত চক্ৰৱৰ্তী, মঞ্জু বৰা, গৌতম বৰা আদিয়েও বাস্তৱধৰ্মী ছবিৰে সন্মান কঢ়িয়াই আনিছে।

আনহাতে বিনোদনধৰ্মী ছবি 'ডাঃ বেজবৰুৱা'ই যি সফল ব্যৱসায়ৰ বাৰ্তা বহন কৰিছিল, সেই পথেৰেও বহু পৰিচালকে বাট বুলিছিল আৰু দৰ্শকক উপভোগ্য ছবি উপহাৰ দিছিল। এই ছবিবোৰৰ প্ৰায়ভাগৰেই কাহিনী আছিল আৱেগপূৰ্ণ আৰু নাটকীয় উপাদানেৰে ভৰা। 'মুকুতা', 'যোগ বিয়োগ', 'উপগ্ৰহ', 'ভাইটি', 'চামেলি মেমচাব', 'আজলী নবৌ' আদি এই ধাৰাৰ ছবি। এই ছবিবোৰ চলচ্চিত্ৰ -ভাষাৰ দিশৰ পৰা বৰ ওখ খাপৰ নাছিল যদিও ছবিবোৰে দৰ্শকৰ ৰুচিবোধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নিটোল গ্ৰহণযোগ্য কাহিনী একোটাৰ মাজতে নিজকে আবদ্ধ কৰি ৰাখিছিল। এই সময়ছোৱাৰ কেইগৰাকীমান উল্লেখযোগ্য পৰিচালক হ'ল নিপ বৰুৱা, দ্বিবন বৰুৱা, আব্দুল মজিদ, শিৱ ঠাকুৰ আদি। এটা সময়ত বিভিন্ন কাৰণত অসমীয়া ছবিৰ ব্যৱসায় বেয়া হ'বলৈ আৰম্ভ কৰে। এই বিপৰ্যয় অকল অসমীয়া ভাষাৰ ছবিৰ ক্ষেত্ৰতে নাছিল, ই আছিল সৰ্বভাৰতীয় পৰিৱেশ। এই মন্দাৱস্থাৰ লগত মোকাবিলা কৰিবলৈ কেইবাজনো পৰিচালকে হিন্দী আৰু দক্ষিণ ভাৰতীয় ছবিৰ উপাদান ব্যৱহাৰ কৰি অসমীয়া চিনেমাক ব্যৱসায়িক দিশত সফল কৰাৰ চেষ্টা কৰিছিল। কিন্তু সেই চেষ্টাই কাম দিয়া নাছিল। ১৯৯৮ চনত মুক্তিলাভ কৰা



অশোক কুমাৰ বিষয়া পৰিচালিত 'যৌৱনে আমনি কৰে' ছবিখনে হঠাৎ অসমীয়া ছবিৰ ব্যৱসায়ৰ বৰ্ণহীন ছবিখনক উজ্জ্বল কৰি তোলে। সেই ছবিৰ সফলতাত উজ্জীৱিত হৈ বহু নিৰ্মাতাই হিন্দী আৰু দক্ষিণ ভাৰতীয় ছবিৰ উপাদানৰ সমাবেশ ঘটাই অসমীয়া চিনেমা নিৰ্মাণ কৰিছিল। এই ধাৰাৰ কেইখনমান সফল ছবি আছিল 'মহাৰথী', 'বুকুৰ মাজত জ্বলে' আদি। কেইখনমান ছবিয়ে ব্যৱসায়িক দিশত সফলতা লাভ কৰিলেও বেছিভাগ ছবিৰে ব্যৱসায় ভাগ্য আছিল মন্দ। তাৰ মাজতে মুনীন বৰুৱাই 'হিয়া দিয়া নিয়া' নামৰ ব্যৱসায়িক সফল ছবি এখন নিৰ্মাণ কৰিছিল। এই ছবিত আধুনিক উপাদান আছিল যদিও ছবিখনৰ মূল আবেদন আছিল নিটোল কাহিনীৰ নাটকীয় উপস্থাপন। পৰৱৰ্তী কালত মুনীন বৰুৱাই কেইবাখনো ব্যৱসায়িক সফল ছবি নিৰ্মাণ কৰিছে আৰু কেতিয়াও ৰুচিবোধৰ ক্ষেত্ৰত আপোচ কৰা নাই।

প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে চিনেমাক চেলুলয়ডৰ পৰা মুক্তি দিয়ে আৰু ডিজিটেল পদ্ধতিত চিনেমাৰ দৃশ্যগ্ৰহণ আৰু পিছৰ পৰ্যায়ৰ কামবোৰ কৰিব পৰা সুবিধা দিয়ে। ফলত দৃশ্যগ্ৰহণ আৰু সম্পাদনাৰ বহু কাম সহজ হৈ পৰে আৰু ছবি নিৰ্মাণলৈ পুনৰ বহু লোক আগবাঢ়ি আহে। ২০১০ চনত সঞ্জীৱ সভাপণ্ডিতে পৰিচালনা কৰা 'জাংফাই জোনাক' নামৰ ছবিখনেই হাই ডেফিনেচন ডিজিটেল পদ্ধতিত নিৰ্মাণ কৰা প্ৰথম অসমীয়া ছবি।

অসমীয়া চিনেমাই অসমৰ বাহিৰত যি অলপ পৰিচিতি লাভ কৰিছে তাৰ মূলতে আছে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰাপ্তি আৰু ভাৰতৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ 'ইণ্ডিয়ান পেনোৰামা'ত হোৱা প্ৰদৰ্শন। ১৯৫৫ চনত ফণী শৰ্মা পৰিচালিত 'পিয়লি ফুকন' ছবিয়ে 'ৰাষ্ট্ৰপতিৰ চাৰ্টিফিকেট অব মেৰিট' লাভ কৰিছিল আৰু সেয়াই আছিল অসমীয়া ছবিয়ে লাভ কৰা প্ৰথমটো পুৰস্কাৰ। প্ৰায় প্ৰতি বছৰেই আঞ্চলিক ভাষাৰ ছবিৰ বাবে দিয়া পুৰস্কাৰ অসমীয়া ছবিলৈ আহিয়েই আছে। কিন্তু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰথমটো পুৰস্কাৰ লাভ কৰে ড° ভূপেন

হাজৰিকাই ‘চামেলি মেমচাব’ ছবিৰ সংগীত পৰিচালনাৰ বাবে। ড° ভবেন্দ্ৰ নাথ শইকীয়াই ‘অগ্নিস্নান’ ছবিৰ বাবে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিছিল। জাহ্নু বৰুৱাই ‘সাগৰলৈ বহু দূৰ’ ছবিৰ বাবে লাভ কৰিছিল ‘শ্ৰেষ্ঠ পৰিচালকৰ বঁটা’। ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত অসমীয়া ছবি কেইখনমান হ’ল ‘ৰাগ বিৰাগ’ (বিদ্যুত চক্ৰৱৰ্তী) ‘হলধৰ’ (সঞ্জীৱ হাজৰিকা), ‘ৰশ্ব’বিপু’ (গৌতম বৰা), ‘হালধীয়া চৰায়ে বাওধান খায়’ (জাহ্নু বৰুৱা), ‘বনানী’ (জাহ্নু বৰুৱা), ‘বৈভব’ (মঞ্জু বৰা), ‘তৰা’ (জাহ্নু বৰুৱা), ‘জুয়ে পোৰা সোণ’ (সঞ্জীৱ সভাপণ্ডিত), ‘আই ক’ত নাই’ (মঞ্জু বৰা)। বিভিন্ন শিতানত বঁটা লাভ কৰা ব্যক্তিকেইগৰাকীমান হ’ল শ্বেৰ চৌধুৰী (সংগীত পৰিচালনা), মলয়া গোস্বামী (অভিনয়), এ শ্ৰীকৰ প্ৰসাদ (সম্পাদনা), মৃণালকান্তি দাস (চিত্ৰগ্ৰহণ), অভিনয়ৰ বাবে ‘জুৰিৰ বিশেষ উল্লেখ’ বঁটা লাভ কৰিছিল ৰুদ্ৰ বৰুৱা, ভাগীৰথী আৰু বিষ্ণু খাৰঘৰীয়াই। তথ্যচিত্ৰৰ বিভিন্ন শিতানত আৰু চিত্ৰ সমালোচনা আৰু চলচ্চিত্ৰ বিষয়ক গ্ৰন্থৰ বাবেও কেইবাগৰাকী অসমীয়াই বঁটা লাভ কৰিছে।

অসমীয়া ভাষাৰ লগতে অসমৰ বড়ো (প্ৰথম ছবি - আলয়াৰণ, পৰিচালক — জাংদাও বডোচা), ডিমাছা (প্ৰথম ছবি— দা আনট’ল্ড ষ্টৰি অব ব্লু হিলছ, পৰিচালক— প্ৰফুল্ল শইকীয়া), কাৰ্বি (প্ৰথম ছবি— জিৰচং, পৰিচালক— প্ৰফুল্ল শইকীয়া), মিছিং (প্ৰথম ছবি— পানৈ-জংকি, পৰিচালক— নাৰায়ণ শীল আৰু দিলীপ দলে), ৰাভা (প্ৰথম ছবি — অৰং, পৰিচালক — সূৰজ কুমাৰ দুৱৰা) আদি ভাষাতো ছবি নিৰ্মাণ হৈ আহিছে আৰু সেই ছবিবোৰৰ কেইবাখনেও ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈ খ্যাতি অৰ্জন কৰিছে।

প্ৰথম অসমীয়া ছবি ‘জয়মতী’ৰ সংগীত পৰিচালনা কৰিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই নিজে। বিষ্ণুপ্ৰসাদ ৰাভাইও ‘চিৰাজ’ ছবিৰ সংগীত পৰিচালনা কৰিছিল। ‘সতী বেউলা’ ছবিৰে সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰা ভূপেন হাজৰিকাই বহু অসমীয়া চিনেমাৰ সংগীত পৰিচালনা কৰিছে। ‘চামেলি



মেমচাব’ ছবিৰ পৰিচালনাৰ বাবে তেওঁ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ‘স্মৃতিৰ পৰশ’ ছবিৰে ব্ৰজেন বৰুৱাই অভিনেতা আৰু সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰে আৰু সফল সংগীত পৰিচালক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰে। ব্ৰজেন বৰুৱাই সদায়েই অসমৰ কণ্ঠশিল্পীৰ কণ্ঠকেই ব্যৱহাৰ কৰিছিল। নিজে ছবি পৰিচালনা কৰিবলৈ আগবঢ়াৰ পিছত ব্ৰজেন বৰুৱাই ছবিৰ সংগীত পৰিচালনাৰ পৰা অব্যাহতি লয়। ‘ডাঃ বেজবৰুৱা’ ছবিৰে গায়ক ৰমেন বৰুৱাই সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰে আৰু কেবাখনো অসমীয়া ছবিৰ সংগীত পৰিচালনা কৰে। অসমীয়া ছবিৰ সংগীত পৰিচালনা কৰা আৰু কেইগৰাকীমান উল্লেখযোগ্য পৰিচালক হ’ল জিতু-তপন, উপেন কাকতি, জয়ন্ত হাজৰিকা, জুবিন গাৰ্গ আদি।

অসমীয়া চলচ্চিত্ৰৰ আৰম্ভণি আৰু বিকাশ হৈছিল ব্যক্তিগত প্ৰচেষ্টাত। পৰৱৰ্তী কালত চৰকাৰে অসমীয়া চিনেমাক সহায় কৰিবলৈ প্ৰযোজকক আৰ্থিক অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰে। জ্যোতিপ্ৰসাদৰ স্মৃতিত চৰকাৰে জ্যোতিচিত্ৰবন ছোছাইটি নামেৰে ষ্টুডিঅ’ কমপ্লেক্স নিৰ্মাণ কৰি অসমৰ চিত্ৰ নিৰ্মাতাসকলক ছবি নিৰ্মাণৰ প্ৰয়োজনাত বাহিৰলৈ যোৱা কামটোৰ পৰা সকাহ দিয়ে। এই চৌহদতে স্থাপন কৰা হৈছে চলচ্চিত্ৰ নিৰ্মাণ প্ৰশিক্ষণ বিদ্যালয়— ‘ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টিভি ইন্সটিটিউট’। ছবি প্ৰযোজনাত সহায় কৰিবলৈ গঠন কৰা হৈছে ‘অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগম’। চৰকাৰে স্থাপন কৰিছে চলচ্চিত্ৰ সংগ্ৰহালয় আৰু আৰ্কাইভ।

সামগ্ৰিকভাৱে আঠটা দশক অতিক্ৰম কৰা অসমীয়া চিনেমাই এতিয়াও আন্তৰ্জাতিক প্ৰেক্ষাপটত সবল খোজ দিব পৰা নাই। ইয়াৰ বাবে প্ৰয়োজন হয় ছবিৰ কাৰিকৰী দিশৰ উচ্চ মান আৰু বিষয়বস্তুৰ বৌদ্ধিক আৰু দাৰ্শনিক সমল।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| পৰিকাঠামো | — | সা-সুবিধা। |
| থ্রিলাৰ | — | Thriller, উত্তেজনা সৃষ্টিকাৰী বা দুঃসাহসিক কাহিনীযুক্ত কথাছবি। |
| হাই ডেফিনেচন ডিজিটেল পদ্ধতি | — | High Definition Digital System, উচ্চ বৰ্ণনাক্ষম বৈদ্যুতিন পদ্ধতি। |
| ৰাষ্ট্ৰপতিৰ চাৰ্টিফিকেট অব মেৰিট | — | President's Certificate of Merit, ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা মেধাৰ প্ৰমাণ পত্ৰ। |
| কমপ্লেক্স | — | Complex, চৌহদ। |
| আৰ্কাইভ | — | Archive, সংগ্ৰহ, ভঁৰাল। |

**আৰ্হি প্ৰশ্ন**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘জয়মতী’ কথাছবিৰ কাহিনীৰ উৎস কি?

২। জ্যোতিপ্ৰসাদ আগৰৱালাই কোনখন দেশত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈছিল?

৩। ‘চিত্ৰবন’ ষ্টুডিঅ’ কোনে নিৰ্মাণ কৰিছিল?

৪। লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা ছবিখনৰ নাম লিখা।

৫। লতা মংগেছকাৰে গীতত কণ্ঠদান কৰা অসমীয়া কথাছবি এখনৰ নাম লিখা।



**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা কথাছবি দুখনৰ নাম লিখা।

২। এই কথাছবিকেইখনৰ পৰিচালকৰ নাম লিখা — এৰা বাটৰ সুৰ, ডাঃ বেজবৰুৱা, গঙা চিলনীৰ পাখি।

৩। ভৱেন্দ্ৰ নাথ শইকীয়াই পৰিচালনা কৰা তিনিখন কথাছবিৰ নাম লিখা।

৪। জয়মতী, চিৰাজ, সতী বেউলা — এই কথাছবিকেইখনৰ সংগীত পৰিচালককেইজনৰ নাম লিখা।

৫। অসম চৰকাৰে অসমীয়া চিনেমা-শিল্পৰ বিকাশত কি ভূমিকা পালন কৰিছে?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। অসমীয়া চলচ্চিত্ৰ শিল্পলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

২। অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ভূপেন হাজৰিকাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

৩। ভবেন্দ্ৰ নাথ শইকীয়া আৰু জাহ্নু বৰুৱাই অসমীয়া চিনেমালৈ আগবঢ়োৱা অৱদান সম্পৰ্কে লিখা।

৪। অসমীয়া বিনোদনধৰ্মী ছবিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

৫। অসমীয়া চলচ্চিত্ৰই লাভ কৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি সম্পৰ্কে আলোচনা কৰা।

**পাঠবোধ ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ‘জয়মতী কুঁৱৰী’ নাটকৰ আলমত জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা ‘জয়মতী’ৰে অসমীয়া চিনেমাৰ আৰম্ভণি হয়। কলকাতাৰ ‘ৰাউনাক’ প্ৰেক্ষাগৃহত ছবিখনৰ প্ৰথম দৰ্শনীৰ আয়োজন কৰিছিল ১৯৩৫ চনৰ ১০ মাৰ্চ তাৰিখে। ছবিখনে গুৱাহাটীত

মুক্তিলাভ কৰিছিল সেই একে মাহৰ ২০ তাৰিখে। ইয়াৰ পিছত জ্যোতিপ্ৰসাদে নিজৰ কাহিনীৰে 'ইন্দ্ৰমালতী' নামৰ ছবি এখন প্ৰযোজনা আৰু পৰিচালনা কৰি উলিয়াইছিল। 'জয়মতী'ত আছিল অতীত গৌৰৱ কাহিনী আৰু 'ইন্দ্ৰমালতী'ত স্বাধীনতা আন্দোলনৰ ছবি। বিভিন্ন পৰিচালক আৰু প্ৰযোজকৰ অংশগ্ৰহণেৰে এই ধাৰাৰেই অসমীয়া ছবিৰ গতি আগবাঢ়িছিল। 'মনোমতী', 'বিপ্লৱী', 'বদন বৰফুকন', 'নৰকাসুৰ' আদি ছবিয়ে অসমীয়া ছবিৰ এই ধাৰাটি প্ৰৱহমান কৰি ৰাখিছিল। ১৯৫৫ চনত লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা 'নিমিলা অংক'ত অসমীয়া মধ্যবিত্তীয় সমাজৰ ছবি অংকন কৰা হৈছিল আৰু সেই ছবিৰ লগে লগে অসমীয়া ছবিৰ কাহিনীলৈ বাস্তৱমুখী ঘটনাৰ আগমন ঘটে। ১৯৫৬ চনত মুক্তিলাভ কৰা ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ' ছবিখন আছিল অসমৰ মাটিৰ সুৰৰ ওপৰত আধাৰিত। তেওঁ ১৯৬৫ চনত তেওঁ এটি খাচি লোককথাৰ ভেটিত নিৰ্মাণ কৰিছিল 'প্ৰতিধ্বনি'। পৰৱৰ্তী কালত ৰাজশ্ৰী প্ৰডাকচনৰ প্ৰযোজনাত নিৰ্মাণ কৰিছিল 'চিকমিক বিজুলী'। 'চিকমিক বিজুলী'য়েই হ'ল প্ৰতিষ্ঠিত চলচ্চিত্ৰ প্ৰযোজনা সংস্থা এটাই প্ৰযোজনা কৰা প্ৰথম অসমীয়া ছবি। ১৯৬৯ চনত ব্ৰজেন বৰুৱা পৰিচালিত 'ডাঃ বেজবৰুৱা' আছিল আৱেগমিশ্ৰিত থ্ৰিলাৰ আৰু এই ধাৰাৰ প্ৰথম অসমীয়া ছবি। 'ডাঃ বেজবৰুৱা' ব্যৱসায়িক দিশত সফল ছবি আছিল। চতুৰংগ পৰিচালিত 'অপৰাজেয়' (১৯৭০) ছবিখনে বাস্তৱবাদী চলচ্চিত্ৰৰ ধাৰাটিৰ আৰম্ভণি কৰে আৰু পদুম বৰুৱাৰ 'গঙা চিলনীৰ পাখি' (১৯৭৬) ছবিখনে এই ধাৰাটোক শক্তিশালী কৰি তোলাত সহায় কৰে। ১৯৭৭ চনত মুক্তিলাভ কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' ছবিখনে লাভ কৰা ব্যৱসায়িক আৰু কলাগত সফলতাই বাস্তৱবাদী ধাৰাটোৰ উত্তৰণত নতুন আশাৰ সঞ্চাৰ কৰে। তেওঁ একাদিক্ৰমে 'অনিৰ্বাণ', 'অগ্নিস্নান', 'কোলাহল', 'সাৰথি', 'আবৰ্তন', 'ইতিহাস' আৰু হিন্দী ভাষাত 'কালসন্ধ্যা' পৰিচালনা কৰে। জাহ্নু বৰুৱাই 'অপৰূপা'ৰে তেওঁৰ পৰিচালনা যাত্ৰা আৰম্ভ কৰে আৰু কেইবাখনো ছবি নিৰ্মাণ কৰে।



তেওঁৰ ছবিয়েও দেশৰ ভিতৰে-বাহিৰে সন্মান লাভ কৰিছে। তেনেদৰে সান্ত্বনা বৰদলৈ, অতুল বৰদলৈ, সঞ্জীৱ হাজৰিকা, বিদ্যুত চক্ৰৱৰ্তী, মঞ্জু বৰা, গৌতম বৰা আদিয়েও বাস্তৱধৰ্মী ছবিৰে সন্মান কঢ়িয়াই আনিছে। এটা সময়ত বিভিন্ন কাৰণত অসমীয়া ছবিৰ ব্যৱসায় বেয়া হ'বলৈ আৰম্ভ কৰে। ১৯৯৮ চনত মুক্তিলাভ কৰা অশোক কুমাৰ বিষয়া পৰিচালিত 'যৌৱনে আমনি কৰে' ছবিখনে হঠাৎ অসমীয়া ছবিৰ ব্যৱসায়ৰ বৰ্ণহীন ছবিখনক উজ্জ্বল কৰি তোলে। সেই ছবিৰ সফলতাত উজ্জীৱিত হৈ বহু নিৰ্মাতাই হিন্দী আৰু দক্ষিণ ভাৰতীয় ছবিৰ উপাদানৰ সমাৱেশ ঘটাই অসমীয়া চিনেমা নিৰ্মাণ কৰিছিল। এই ধাৰাৰ কেইখনমান সফল ছবি আছিল 'মহাৰথী', 'বুকুৰ মাজত জ্বলে' আদি । প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰে ডিজিটেল পদ্ধতিত চিনেমাৰ দৃশ্যগ্ৰহণ আৰু পিছৰ পৰ্যায়ৰ কামবোৰ কৰিব পৰা সুবিধা দিয়ে। ২০১০ চনত সঞ্জীৱ সভাপণ্ডিতে পৰিচালনা কৰা 'জাংফাই জোনাক' নামৰ ছবিখনেই হাই ডেফিনেচন ডিজিটেল পদ্ধতিত নিৰ্মাণ কৰা প্ৰথম অসমীয়া ছবি। অসমীয়া ভাষাৰ লগতে অসমৰ বড়ো, ডিমাছা, কাৰ্বি, মিছিং, ৰাভা আদি ভাষাতো ছবি নিৰ্মাণ হৈছে।

**ওপৰঞ্চি তথ্য ঃ**

বিগত চাৰিকুৰি বছৰত (১৯৩৫-২০১৫) যথেষ্ট সংখ্যক অসমীয়া কথাছবি নিৰ্মাণ হ'ল। এই ছবিৰ সিংহভাগেই সীমিত মূলধনেৰে নিৰ্মিত। গতিকে হিন্দী আৰু দক্ষিণ ভাৰতীয় কথাছবিৰ দৰে দৰ্শকক আকৰ্ষণ কৰিবলৈ দেশ-বিদেশৰ বিভিন্ন স্থানত কৰা দৃশ্য-গ্ৰহণ, উন্নত মানৰ কলা-কৌশল আদিৰ প্ৰয়োগ সিবোৰত নাই। উপযুক্ত প্ৰযোজক আৰু কলা-কুশলীৰ অভাৱ, প্ৰতিকূল সামাজিক পৰিৱেশ, উন্নত মানৰ নিৰ্মাণ-প্ৰযুক্তিৰ অভাৱ ইত্যাদি সমস্যাৰ কাৰণে এতিয়ালৈ ই উদ্যোগ হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম নহ'ল, চালুকীয়া অৱস্থাতে থাকিল। অসম চৰকাৰে ইয়াৰ উন্নতিৰ কাৰণে উপযুক্ত পদক্ষেপ লোৱা উচিত।

**শিক্ষকৰ প্ৰতি ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক কলাসন্মত কথাছবিৰ উপযোগিতা সম্পৰ্কে বুজাই ক'ব। কথাছবি উদ্যোগে কিদৰে কৰ্ম-সংস্থানৰ ক্ষেত্ৰ মুকলি কৰে, এই সম্পৰ্কেও বিৰৰি ক'ব। অসমীয়া কথাছবিৰ বৰ্তমানৰ অৱস্থাৰ কথা কৈ ছাত্ৰ-ছাত্ৰীক তাৰ প্ৰতি আগ্ৰহী আৰু অনুসন্ধিৎসু কৰি তুলিবলৈ চেষ্টা কৰিব।

●●●

# বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ

**ড° দীনেশ চন্দ্ৰ গোস্বামী**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

বৰ্তমান যুগটো বিজ্ঞানৰ যুগ বুলি কোৱা হয়। বিজ্ঞানৰ আৱিষ্কাৰবোৰৰ কাৰণে মানুহৰ জীৱন ধাৰণৰ মান সম্প্ৰতি যথেষ্ট উন্নত হৈছে। আনহাতে, আমাৰ সমাজত স্কুল-কলেজ আৰু ডিগ্ৰীধাৰী লোকৰ সংখ্যা বাঢ়িছে যদিও বৈজ্ঞানিক চিন্তা-চৰ্চা বা বৈজ্ঞানিক মানসিকতা যি হাৰত গঢ় ল'ব লাগিছিল, লোৱা নাই। ফলত অনেক কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ কবলত পৰি আজিও সমাজৰ কিছুমান মানুহে মধ্যযুগীয় ধ্যান-ধাৰণাৰে পৰিচালিত হৈ বিভিন্ন অপকৰ্ম কৰি আছে। এনে অপকৰ্মৰ এটি নিদৰ্শন হ'ল ডাইনী হত্যা।

ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা কুসংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাই বৈজ্ঞানিক যুক্তি বা চিন্তাৰ বীজ ৰোপণ কৰাটো অতি প্ৰয়োজন। কাৰণ, ছাত্ৰ-ছাত্ৰীসকলেই হ'ল সমাজ আৰু দেশৰ ভৱিষ্যৎ। সমাজৰ প্ৰগতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকল বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হোৱা উচিত। এই ক্ষেত্ৰত সামান্য হ'লেও অৰিহণা যোগাব বুলি বিবেচনা কৰি 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' শীৰ্ষক পাঠটি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

ড° দীনেশ চন্দ্ৰ গোস্বামীৰ জন্ম ১৯৪৯ চনত। বিশিষ্ট বিজ্ঞানী ড° গোস্বামীয়ে ৰঙিয়া হাইস্কুলৰ পৰা ১৯৬৩ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী কটন কলেজত কলেজীয়া শিক্ষা গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞান বিষয়ত স্নাতকোত্তৰ আৰু পিএইচ.ডি. ডিগ্ৰী লাভ কৰে। গুৱাহাটী বি. বৰুৱা কলেজত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলা ড° গোস্বামীয়ে পিছৰ কালছোৱাত কটন কলেজত শিক্ষক হিচাপে, নতুন দিল্লীৰ বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ (চি.এছ.আই.আৰ.) আৰু যোৰহাটত থকা আঞ্চলিক গৱেষণাগাৰ (আৰ.আৰ.এল.)ত বৈজ্ঞানিক হিচাপে সেৱা আগ বঢ়ায়। আঞ্চলিক গৱেষণাগাৰৰ সঞ্চালক পৰ্যায়ৰ বিজ্ঞানী আৰু উপদেষ্টা হিচাপে ২০০৯ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে।

অসমীয়া বিজ্ঞান সাহিত্যলৈ ড° গোস্বামীৰ বিশেষ অৱদান আছে। তেওঁ জনপ্ৰিয় বিজ্ঞান (Popular Science) আৰু কল্প বিজ্ঞান (Science Fiction) বিষয়ক প্ৰায় আঢ়ৈ কুৰিখন গ্ৰন্থ ৰচনা কৰে। সিবোৰৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থবোৰ হ'ল—'বৈজ্ঞানিক মন বৈজ্ঞানিক মানসিকতা', 'শতাধিক মহান বিজ্ঞানী', 'জোনাকীৰ জিলিকনি', 'উষ্ণ প্ৰবাহ', 'মোহনীয় বিশ্বব্ৰহ্মাণ্ড' আৰু 'শব্দ, নিৰন্তৰ শব্দ'। এতিয়ালৈকে ড° গোস্বামীয়ে অনুবাদ কৰা ১৭ খন গ্ৰন্থ প্ৰকাশিত হৈছে। 'দৃষ্টি' নামৰ বিজ্ঞান বিষয়ক আলোচনীখনৰ তেওঁ কেইবাবছৰো সম্পাদক আছিল। অসম সাহিত্য সভাই প্ৰকাশ কৰা বিশ্বকোষৰ বিজ্ঞান বিষয়ৰ খণ্ড তিনিটাৰ তেওঁ মুখ্য সম্পাদক আছিল। ইয়াৰ উপৰি ড° গোস্বামীয়ে ৰচনা কৰা অনেক তত্ত্বগধুৰ প্ৰবন্ধ-পাতি বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত হৈছে।

'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' শীৰ্ষক পাঠটি 'বৈজ্ঞানিক মন বৈজ্ঞানিক মানসিকতা' নামৰ গ্ৰন্থখনৰ পৰা (পৰিবৰ্ধিত আৰু সম্পাদিত ৰূপত) লোৱা হৈছে।



**মূল পাঠ ঃ**

মানুহে সদায়ে নজনা কথা জানিব খোজে, নুবুজা কথা বুজি ল'ব খোজে। একেবাৰে আদিম মানুহৰ পৰা এতিয়াৰ আধুনিক মানুহলৈ প্ৰত্যেকৰে এই অনুসন্ধিৎসা আছে। তাৰ বাহিৰেও মানুহৰ আছে কথাবোৰ ভাঙি-পাতি চাব পৰা, ফঁহিয়াই চাব পৰা, ফঁহিয়াই চাই বুজি ল'ব পৰা বুদ্ধি। বুদ্ধি আৰু অনুসন্ধিৎসাৰ বাবেই মানুহ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে, তাৰ বলতেই মানুহে প্ৰকৃতিৰ নানা সত্য, নানা ৰহস্য উদ্‌ঘাটন কৰিছে আৰু প্ৰকৃতিৰ শক্তি আৰু সম্পদ নিজ জীৱনৰ মান উন্নত কৰিবলৈ ব্যৱহাৰ কৰিব পাৰিছে।

বস্তু আৰু ঘটনা লক্ষ্য কৰিব পৰা গুণ, তাক জানিবলৈ-বুজিবলৈ আগ্ৰহ কৰা গুণ, আৰু বুজি লৈ সেই বস্তু বা পৰিঘটনা নিজৰ আয়ত্তলৈ অনাৰ আগ্ৰহৰ ফলতে মানুহে নানা বস্তু আৰু ঘটনা আৱিষ্কাৰ কৰি গৈ থাকিল। এই প্ৰক্ৰিয়াতে বিজ্ঞানৰ প্ৰক্ৰিয়াৰো আৰম্ভণি হ'ল।

আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৰেই হ'ল বিজ্ঞান। বিজ্ঞানত আমি দেখা বস্তু আৰু ঘটনাবোৰৰ একোটা সুসংবদ্ধ ব্যাখ্যা দিবলৈ চেষ্টা কৰা হয়। কিন্তু এই ব্যাখ্যাবোৰ পৰীক্ষা কৰি চাব পৰা বিধৰ হ'ব লাগিব।

এইদৰে পৰ্যবেক্ষণ কৰা, জোখ-মাপ লোৱা, সত্যৰ অনুসন্ধান কৰা, বস্তু বা ঘটনাটোৰ ধৰ্ম বা চৰিত্ৰ ফঁহিয়াই চাই তাৰ বিষয়ে এটা সিদ্ধান্তলৈ অহা—এইবোৰ হ'ল বিজ্ঞানীৰ কাম। তোমাৰ-মোৰ দৰে সাধাৰণ মানুহ এজনৰ এইবোৰ প্ৰক্ৰিয়া বা পদ্ধতিৰ লগত সম্পৰ্ক কি?

আদিম মানুহ এজনে এনেয়ে শিলত শিল দলিয়াই থাকোঁতে জুই উঠিল। সেই পৰ্যবেক্ষণৰ পিছত তেওঁ জুই তোলা প্ৰক্ৰিয়াটো বাৰে বাৰে কৰি চালে। তেওঁ জুইৰ ধৰ্ম অধ্যয়ন কৰিলে, জুইৰ নানা ব্যৱহাৰ আয়ত্ত কৰিলে। এই প্ৰথম বিজ্ঞানীজনৰ পদ্ধতি আজিৰ যুগতো একেবাৰে সলনি হোৱা নাই; মাত্ৰ সি বেছি সূক্ষ্ম, বেছি নিখুঁত হৈছে। আজিৰ বিজ্ঞানীজনে খালী চকু, খালী হাতেৰে পৰ্যবেক্ষণ আৰু পৰীক্ষা কৰাৰ সলনি উন্নত যন্ত্ৰ-পাতি, উন্নত কৌশল

ব্যৱহাৰ কৰিছে। পৰ্যবেক্ষণৰ বাবে তেওঁৰ হাতত এক্স-ৰশ্মিৰ দূৰবীণ, আলোকীয় বা ৰেডিঅ' দূৰবীণ, অণুবীক্ষণ যন্ত্ৰ, লেজাৰ ৰশ্মি, অপটিকেল ফাইবাৰ আদি আছে। পৰীক্ষাৰ বাবেও তেওঁৰ হাতত উন্নত তৰ্জুৰ পৰা আৰম্ভ কৰি পদাৰ্থ কণা-ত্বৰকৰ দৰে হেজাৰ হেজাৰ বস্তু আছে।

প্ৰথম বিজ্ঞানীজনে নিজকে সুধিলে—জুই কেনেকৈ জ্বলে? কেনেকৈ এই জুই অন্য ঠাইলৈ নিব পাৰি? তাৰ উত্তৰ বিচাৰি তেওঁ বিভিন্ন বস্তু ঘঁহি চাইছিল, বিভিন্ন বস্তুৰে জুই ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল। আজিৰ বিজ্ঞানীজনে নিজকে সোধা প্ৰশ্নবোৰৰ নমুনা অলপহে বেলেগ ঃ মেলেৰিয়া জ্বৰ যে হয়, কিয় হয়? কিহে এই ৰোগ বিয়পায়? কি কৰিলে এই ৰোগ বিয়পি যোৱাত বাধা পৰে?

নাইবা, চৰাইবোৰ যে আকাশত উৰি ফুৰিব পাৰে, কেনেকৈ পাৰে? আমাৰ বাৰু ডেউকা নাই, বতাহত ওপঙি যাব পৰাকৈ আমি একো সাজি ল'ব নোৱাৰোঁনে?

নাইবা, আমাৰ পৃথিৱীখনৰ জন্ম কেনেকৈ হ'ল? পৃথিৱীখনৰ আকাৰ কেনেকুৱা, গঠন কি, বয়স কিমান?

বিজ্ঞানীসকলে এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি যোৱা বাবেই আমাৰ আহাৰ, আশ্ৰয়, কাপোৰ-কানিৰ নানা সমস্যাৰ আজি সমাধান হৈছে। প্ৰকৃতিৰ নতুন নতুন দ্ৰব্য, শক্তি আৰু পৰিঘটনাক আমি মানুহে নিজৰ আয়ত্তলৈ আনিব পাৰিছোঁ আৰু আমাৰ জ্ঞানৰ পিয়াহ গুচাব পাৰিছোঁ।

কিন্তু এইবোৰ অৱদানতকৈ বিজ্ঞানৰ মানৱ জাতিলৈ বহু বেছি মূল্যৱান অৱদান হৈছে বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মনোভাৱ, বৈজ্ঞানিক পদ্ধতি। বিজ্ঞানীসকলে লক্ষ্য বা পৰ্যবেক্ষণ কৰে, তাৰ পাছত তথ্যবোৰ সুন্দৰকৈ সজাই লৈ এইটো এনে বস্তু বা এইটো এনে পৰিঘটনা হ'ব লাগে বুলি এটা উপকল্প, এটা ধাৰণা কৰি লয়। তাৰ পাছত নতুন তথ্য, নতুন পৰ্যবেক্ষণেৰে তেওঁলোকে আগৰ উপকল্প বা ধাৰণাটো সঁচা নে মিছা জানিব খোজে। যদি দেখা যায় যে নতুনকৈ পোৱা তথ্যবোৰে আগৰ ধাৰণাটো বা সিদ্ধান্তটো মানি নচলে, তেনেহ'লে তেওঁলোকে কোনো দ্বিধা নোহোৱাকৈ আগৰ সিদ্ধান্তটো এৰি পেলায়।



এয়া হ'ল মুকলি মনৰ কথা। বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বৰ বেছি। আঁকোৰ-গোজ হৈ পুৰণা কথাটোতে লাগি নাথাকি নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মনটোৱে ব্যক্তি আৰু সমাজকো উন্নতিৰ জখলাৰে আগুৱাই লৈ যায়।

'বোপা-ককাৰ দিনৰে পৰা এনেদৰে খেতি কৰি আহিছোঁ—এতিয়া এইবোৰ আমাক শিকাবলৈ আহিছা?' বুলি এজনে নিজৰ নিশকতীয়া বীজেৰে, সাৰ-পানী দিয়াৰ পুৰণি পদ্ধতিৰে খেতি কৰিলে। আন এজনে আকৌ তেওঁৰ মুকলি মনটোৰ বাবেই কৃষি বিষয়াজনৰ কথাষাৰ অন্ততঃ কেইডৰামান মাটিত পৰীক্ষা কৰি চাব খুজিলে। তেওঁ নতুন, উন্নত বীজ আনিলে। মাটিৰ নমুনা পৰীক্ষা কৰাই বিশেষজ্ঞই কোৱা বিধৰ আৰু কোৱা পৰিমাণৰ বিশেষ সাৰ দিলে। তেওঁৰ খেতি বহু বেছি ভাল হ'ল।

এনেকুৱা নানা উদাহৰণ দিব পাৰি।

শিশুৰ ৰোগ প্ৰতিৰোধৰ বাবে বিজ্ঞানীসকলে অশেষ সাধ্য-সাধনাৰ অন্তত নানা বেজি-ছিটা আদি আৱিষ্কাৰ কৰিছে। সেইবোৰ দেশৰ চুকে-কোণে পোৱাও হৈছে আৰু তাক দিবৰ বাবে চৰকাৰে বিস্তৰ প্ৰচাৰ চলাইছে। কিন্তু 'আমাৰ চৈধ্য পুৰুষে ল'ৰা-ছোৱালী ডাঙৰ কৰিলে সেইবোৰ নিদিয়াকৈয়ে' বুলি এতিয়াও সন্তানক বেজি-ছিটা নিদি বিপদাপন্ন কৰা বহুতো মাক-দেউতাক আমাৰ সমাজত আছে। তেওঁলোকে নিজে কিবা এটা ব্যৱস্থা লোৱাতকৈ ভাগ্যৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে।

আগতে, যেতিয়া বহুতো কথাৰ কাৰ্য-কাৰণৰ সম্পৰ্ক মানুহে জনা নাছিল তেতিয়া সেইবোৰ দেৱ-দেৱতা, ভূত-পিশাচৰ কাণ্ড বুলি, কোনো অদৃশ্য শক্তিৰ কাৰ্য বুলি মানি লৈছিল। বৰ আই, সৰু আই আদি আই বা বসন্ত

ৰোগো তেনেকৈ শীতলা দেৱী বা অন্য কোনো দেৱীৰ ৰোষতে হোৱা বুলি মানুহে বিশ্বাস কৰিছিল। তেনে দেৱ-দেৱী, ভূত-প্ৰেতক সন্তুষ্ট কৰিবলৈ তেওঁলোকে নানা পূজা-নাম-সবাহ-সৎকাৰৰ ব্যৱস্থা কৰিছিল। কিন্তু আধুনিক চিকিৎসাবিজ্ঞানীয়ে প্ৰমাণ কৰিলে যে আই বা বসন্ত ৰোগ একোবিধ অতি ক্ষুদ্ৰ ভাইৰাছ বা বীজাণুৰ দ্বাৰা সৃষ্টি হোৱা ৰোগহে। ভাইৰাছ নামৰ এই বীজাণুৰ আক্ৰমণৰ পৰা শৰীৰটোক ৰক্ষা কৰাৰ ব্যৱস্থাও তেওঁলোকে আৱিষ্কাৰ কৰিছে। অতি চমকপ্ৰদভাৱে বিজ্ঞানীসকলে গোটেই পৃথিৱীৰ পৰা বৰ আই নিৰ্মূল কৰিলে।

সৰু আই আৰু মাজু আই ৰোগ এতিয়াও আছে। কিন্তু এতিয়া সকলো নিশ্চিত যে এই দুই ৰোগো ভাইৰাছৰ পৰা হয়।

আমি যে আই ওলালে গোসাঁনীৰ নাম ধৰোঁ বা গোপিনী সবাহ পাতোঁ, সেয়া একেবাৰে ধৰ্মীয় অনুষ্ঠানহে। ৰোগটোৰ লগত তাৰ একো সম্পৰ্ক নাই। কিন্তু ৰোগীৰ ঘৰত নাম পাতি মাহ-প্ৰসাদ দিলে তাৰ জৰিয়তে আৰু ৰোগী অথবা পৰিচৰ্যা কৰোঁতাসকলৰ সংস্পৰ্শলৈ অহাৰ ফলত আন মানুহৰ গালৈও এই ভাইৰাছ বিয়পি যাব পাৰে।

আগতে যেতিয়া আমি আই ওলোৱাৰ কাৰণ ভালদৰে বুজি পোৱা নাছিলোঁ, তেতিয়া কথাবোৰ বেলেগ আছিল। এতিয়া ভাইৰাছ আৰু এই ৰোগৰ পোনপটীয়া সম্বন্ধৰ কথা জনাৰ পিছতো আমি বাৰু আমাৰ পূৰ্বৰ আচৰণ সলাব নোৱাৰোঁনে? ৰোগীৰ ঘৰত গোপিনী সবাহ বা নাম-প্ৰসংগ পাতি তালৈ শিশুসকলকো মাতি আমি তেওঁলোকক ৰোগৰ কাৰক বিলাই দিয়াৰ অধিকাৰ আমাৰ আছেনে?

আমাৰ দাঁতত পোকে ধৰে, সেই পোকবোৰ আমি বহুতে ভবাৰ দৰে বিৰাট বিৰাট কিবা একোটা নহয়; সেইবোৰ অণুজীৱহে, চকুৰে নমনি। এই কথা জনাৰ পিছত, কোনোবা বেজ-বৈদ্য আহি কলপাত-কচুপাতৰ ওপৰত তোমাৰ দাঁতৰ পৰা পোক উলিয়াই দেখুৱালে বাৰু বিশ্বাস কৰিবানে? তেনে



যাদু খেল দেখুওৱা বেজৰ হাতত তোমাৰ দাঁতৰ যত্ন এৰি নিদিবা। আধুনিক দন্ত চিকিৎসাৰ জ্ঞানেৰে জ্ঞানী দাঁতৰ ডাক্তৰৰ সহায় লোৱা। তাৰ বাহিৰেও দাঁতৰ যত্ন সদায়ে লোৱা।

আঙুলিটো কাটি তেজ ওলালে আমাৰ বহুতে চোহা মাৰি তেজখিনি খাই থয়। তেওঁলোকে সেই কাম কৰি ভাবে যে দেহৰ পৰা ওলোৱা তেজখিনি পুনৰ দেহত ভৰাই থ'লে। কিন্তু আমাৰ শৰীৰৰ তেজ চলাচল কৰা ব্যৱস্থা বা তন্ত্ৰটো আমাৰ আহাৰ জীণ নিওৱা তন্ত্ৰটোৰ পৰা একেবাৰে পৃথক। গতিকে পেটলৈ তেজখিনি সুমুৱাই দিলে সি পোনে পোনে সোঁতলৈ গুচি নাযায়। আনহাতে, দূষিত হৈ পেটত সোমোৱা বাবে সি অপকাৰীহে হ'ব পাৰে।

তিৰোতা মানুহৰ যে মাহেকীয়া হয় সেইটো কোনো ৰোগ নহয়, তাৰ লগত কোনো অণুজীৱ বা জীৱাণুও জড়িত নাথাকে। সি এক স্বাভাৱিক প্ৰক্ৰিয়াহে। আগতে মানুহে এই স্বাভাৱিক কথাটোকে নাজানি তেনে তিৰোতাজনীক অস্বাভাৱিক ধৰণৰ ব্যৱহাৰ কৰিছিল।

তেনে তিৰোতাই আচলতে দৈনন্দিন কাম-কাজ কৰি থাকিব পাৰে। মাত্ৰ দৌৰা, ঢেঁকী দিয়াৰ দৰে টান কাম নকৰাকৈ থকা ভাল। কিন্তু গাঁৱে-ভূঞে, মাহেকীয়া হোৱা তিৰোতাজনীক পাগৰ পৰা আঁতৰাই ৰাখি টান কামহে কৰিবলৈ দিয়া হয়, সেমেকা মজিয়াত কম কাপোৰৰ বিছনাত শুবলৈ দি বেমাৰহে মাতি আনিবলৈ বাধ্য কৰোৱা হয়।

বিশুদ্ধ খোৱা পানীৰ অভাৱ বা অস্বাস্থ্যকৰ পৰিৱেশৰ বাবে আমাৰ বহুতো গাঁও-ভূঞে আৰু বহুতো অঞ্চলত ডায়েৰিয়া, মেলেৰিয়া, জণ্ডিছ আদি নানা ৰোগ যেতিয়াই তেতিয়াই, য'তে-ত'তে হয়। এইবোৰ ৰোগৰ নিৰ্দিষ্ট কাৰণ আছে আৰু প্ৰতিষেধক চিকিৎসাৰো বৈজ্ঞানিক উপায় আছে। কোনো যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে এইবোৰ ৰোগৰ সৃষ্টিও কৰিব নোৱাৰে বা নিৰাময়ো কৰিব নোৱাৰি। কিন্তু কিছুমান চতুৰ আৰু স্বাৰ্থপৰ মানুহে কিছুমান পৰিয়াল বা লোকক, বিশেষকৈ কিছুমান দুখীয়া তিৰোতাক ডাইনী আখ্যা দি অত্যাচাৰ আৰু হত্যাও কৰে। ইয়াতকৈ অমানৱীয় আৰু নিকৃষ্ট কথা কি থাকিব পাৰেহূ

কিছুমান মানুহে হঠাতে ৰাতি সপোনত কোনো শক্তিৰ পৰা মানুহৰ ৰোগ নিৰাময়ৰ দৰৱ বা মন্ত্ৰ লাভ কৰা বুলি দাবী কৰে। আন দুই-এজন মানুহে হঠাতে কোনো অদ্ভুত শক্তিৰ অধিকাৰী হৈ পৰা বুলি, ভূত-ভৱিষ্যতৰ কথা ক'ব পৰা, আনকি ভৱিষ্যৎ নিৰ্ণয় কৰি দিব পৰা হোৱা বুলি আৰু প্ৰায় সকলো ৰোগ নিৰাময় কৰিব পৰা হোৱা বুলি দাবী কৰে। এনে দাবীৰ কোনো ভিত্তি নাই আৰু সময়ত এইবোৰ মিছা বুলিও প্ৰমাণিত হয়। কিন্তু অন্ধবিশ্বাসী এচাম মানুহৰ পৃষ্ঠপোষকতাতে এইবোৰ ঘটনা ঘটি থাকে। এইবোৰ ঘটনাই ব্যক্তি আৰু সমাজৰ কেনে অনিষ্ট কৰে অলপ ভাবি চালেই অনুভৱ কৰিব পাৰি।

মনটো মুকলি কৰি ৰাখি নতুন জ্ঞান, নতুন তথ্যৰে নতুন সিদ্ধান্তত উপনীত হ'বলৈ সাজু হোৱা। সকলো কথা চালি-জাৰি চাবলৈ, ফঁহিয়াই চাবলৈ অভ্যাস কৰা। পুৰণি কালৰে পৰা বা বোপা-ককাৰ দিনৰে পৰা চলি আহিছে বুলি অনিষ্টকাৰী বা প্ৰগতিত বাধাৰ সৃষ্টিকাৰী প্ৰথাবোৰ চলাই নাৰাখিবা। ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি বহি নাথাকিবা। তুমি কৰিব পৰাখিনি কৰি যোৱা।

দেখিবা, প্ৰকৃত বিজ্ঞানী এজনে যেনে মন, যেনে চিন্তা লৈ আগবাঢ়ে, যেনে পদ্ধতি অনুসৰণ কৰে, তুমি তেনে মনৰ অধিকাৰী হ'লা। তোমাৰ এই বৈজ্ঞানিক মানসিকতাই সমাজখনৰ প্ৰগতিত অৰিহণা যোগাব।

**কঠিন শব্দৰ অৰ্থ ঃ**

উপকল্প — উপ-বিধি, নিয়মৰ লেখীয়া।
আঁকোৰ-গোজ — যি কথা বা কামত নিজৰ মতৰ পৰা কোনোপধ্যে আঁতৰি নাযায়।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' প্ৰবন্ধটো লেখকৰ কোনখন গ্ৰন্থৰপৰা লোৱা হৈছে?



২। বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ কি?
৩। আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোক কি বুলি কোৱা হয়?
৪। যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে ৰোগ নিৰাময় কৰিব পাৰিনে?
৫। ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা এখন বিজ্ঞান বিষয়ক আলোচনীৰ নাম লিখা।

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। 'সপোনত পোৱা ঔষধ' ৰোগীয়ে কিয় ব্যৱহাৰ কৰা অনুচিত?
২। বাহ্যিক জীৱনৰ বাবে প্ৰয়োজনীয় বস্তুবোৰতকৈ বিজ্ঞানৰ বেছি মূল্যৱান অৱদান কি?
৩। মুকলি মন মানে কি?
৪। ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদিৰ বাস্তৱ ভিত্তি আছে নে?
৫। আদিম মানুহে জুইৰ আৱিষ্কাৰ কিদৰে কৰিছিল?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান'— কথাষাৰ বুজাই লিখা।
২। বৈজ্ঞানিক মানসিকতা মানে কি? বুজাই লিখা।
৩। বৈজ্ঞানিক মানসিকতাই সমাজৰ প্ৰগতিত কেনেদৰে অৰিহণা যোগায়?
৪। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা — 'বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বৰ বেছি।'
৫। বৈজ্ঞানিক মানসিকতাৰ অভাৱত আমাৰ সমাজত বৰ্তি থকা তিনিটা অন্ধবিশ্বাসৰ বিষয়ে উল্লেখ কৰা।

**পাঠবোধ ঃ**

মানুহে নজনা কথা জানিব খোজে। শাৰীৰিক শক্তিৰে দমন বা আয়ত্ত

কৰিব নোৱৰা বস্তু বা ঘটনা বুদ্ধি প্ৰয়োগ কৰি নিজৰ নিয়ন্ত্ৰণলৈ আনিব বিচাৰে। এই প্ৰক্ৰিয়াৰ মাজতে বিজ্ঞান প্ৰক্ৰিয়াৰো আৰম্ভণি। বিজ্ঞানত আমি দেখা বস্তু বা ঘটনাবোৰৰ একোটা সুসংবদ্ধ ব্যাখ্যা দিবলৈ চেষ্টা কৰা হয়। এই ব্যাখ্যাবোৰ পৰীক্ষা কৰি চাব পৰা বিধৰ হ'ব লাগিব। বিজ্ঞানীসকলে কৰা পৰীক্ষা-নিৰীক্ষাৰ সুফলৰ বাবেই মানুহৰ আহাৰ, আশ্ৰয় আৰু বস্ত্ৰৰ সমস্যা সমাধানৰ পথ সুগম হৈছে। বিজ্ঞানৰ এই অৱদানৰ উপৰি মানৱ সমাজলৈ অন্য গুৰুত্বপূৰ্ণ অৱদান হ'ল বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মনোভাৱ আৰু বৈজ্ঞানিক পদ্ধতি।

বৰ্তমান যুগটো হ'ল মন মুকলি কৰি ৰখা যুগ। বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বেছি। আঁকোৰ-গোজ হৈ অযুক্তিকৰ পুৰণি কথাবোৰত লাগি নাথাকি বিজ্ঞানসন্মত নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰাজনে সমাজৰ প্ৰগতিত অৰিহণা যোগাব পাৰে। প্ৰাচীন কালত মানুহে বহুতো কথা বা ঘটনাৰ কাৰ্য-কাৰণ সম্পৰ্ক জনা নাছিল। তেওঁলোকে সেইবোৰ কোনো ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদি অদৃশ্য শক্তিৰ কাণ্ড বুলি বিশ্বাস কৰিছিল। বসন্ত আদি ৰোগ শীতলা আদি অপেশ্বৰীৰ ৰোষত হোৱা বুলি বিশ্বাস কৰিছিল। আধুনিক চিকিৎসাবিজ্ঞানীয়ে প্ৰমাণ কৰি দেখুৱালে যে ভূত-প্ৰেত, দেৱতা-অপদেৱতা বুলি কোনো শক্তি নাই। বসন্ত ৰোগ এবিধ ক্ষুদ্ৰ ভাইৰাছৰ দ্বাৰাহে সৃষ্টি হয়। সেইদৰে মানুহৰ দৈনন্দিন জীৱনৰ লগত জড়িত বহুতো ৰীতি-নীতি, পৰম্পৰাত অন্ধবিশ্বাস জড়িত হৈ আছে। এইবোৰে প্ৰায়ে সমস্যাৰ সৃষ্টি কৰে। ভূত-প্ৰেত, দেৱতা-অপদেৱতা বিশ্বাস কৰা নিষ্ঠুৰ মানুহ কিছুমানে সম্প্ৰতি 'ডাইনী' বুলি সন্দেহ কৰি দৰিদ্ৰ, নিঠৰুৱা তিৰোতা কেতবোৰক অতি নিষ্ঠুৰভাৱে হত্যা কৰি আছে। ই অকল ঘৃণনীয়েই নহয়, দণ্ডনীয় অপৰাধো।

আমি যদি উন্নত সমাজ তথা দেশ কামনা কৰোঁ, তেন্তে আমাৰ মন-মস্তিষ্কত বৈজ্ঞানিক চেতনা বা মানসিকতা গঢ় ল'ব লাগিব। অন্যথা আমাৰ দেশ সভ্যতাৰ যাত্ৰাপথত বহু দূৰ পিছ পৰি ৰ'ব।



**ওপৰঞ্চি তথ্য ঃ**

**বৈজ্ঞানিক মানসিকতা ঃ** বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰে কোনো বস্তু বা ঘটনা বিচাৰ-বিশ্লেষণ কৰিব পৰা মানসিক শক্তিয়ে হ'ল বৈজ্ঞানিক মানসিকতা। বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'বলৈ কোনো এজন মানুহ বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী হোৱাৰ প্ৰয়োজন নাই। আনহাতে, বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী হ'লেও কোনো লোকৰ বৈজ্ঞানিক মানসিকতা নাথাকিব পাৰে অৰ্থাৎ তেওঁ পৰম্পৰাবাদী আৰু অন্ধবিশ্বাসী হ'ব পাৰে। সমাজৰ নিৰক্ষৰ, হোজা লোক এজনো বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'ব পাৰে।

**কাৰ্য-কাৰক সম্পৰ্ক ঃ** কোনো ঘটনা সংঘটিত হোৱাৰ বাস্তৱসন্মত কাৰণ এটি থাকিবই লাগিব। অলৌকিক শক্তিয়ে কোনো কাৰ্য সাধন নকৰে। কাৰণ অলৌকিক শক্তিৰ ধাৰণাটো কাল্পনিক।

**পদাৰ্থ কণা-ত্বৰক ঃ** পদাৰ্থৰ ক্ষুদ্ৰতম কণাসমূহৰ বেগ ক্ৰমে বঢ়াই দিয়া যন্ত্ৰ বিশেষক পদাৰ্থ কণা-ত্বৰক বোলা হয়।

**শিক্ষকৰ প্ৰতি ঃ**

সময়-সুবিধা উলিয়াই ছাত্ৰ-ছাত্ৰীক ভিতৰুৱা তথা পিছ পৰা গাঁও আদিলৈ নি বৈজ্ঞানিক মানসিকতা সৃষ্টিৰ উদ্দেশ্যে শিবিৰ, আলোচনা চক্ৰ, প্ৰদৰ্শনী আদিৰ আয়োজন কৰিব।

●●●

# বৰগীত
# (উঠ ৰে উঠ বাপু গোপাল হে.....)

**মাধৱদেৱ**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

বৰগীত অসমীয়া সাহিত্যৰ এপদ অমূল্য সম্পদ। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত আধ্যাত্মিক ভাৱসম্পন্ন আৰু ৰাগ-ৰাগিণীযুক্ত গীতসমূহক বৰগীত বুলি কোৱা হয়। বৰগীতত বেদ-উপনিষদৰ মৰ্মাৰ্থ, বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ মহিমা আৰু ভক্ত হৃদয়ৰ আকুল প্ৰাৰ্থনা সাংগীতিক ভাষাৰে বৰ্ণনা কৰা হৈছে। বৰগীতৰ বিষয়বস্তুক লীলা, বিৰহ, বিৰক্তি, পৰমাৰ্থ, চোৰ, চাতুৰি — এই ছটা ভাগত ভাগ কৰা হয়। শ্ৰী কৃষ্ণৰ শিশুকালৰ বিভিন্ন লীলা মাধৱদেৱৰ বৰগীতসমূহত প্ৰকাশ পাইছে। তদুপৰি মাতৃ যশোদা আৰু পুত্ৰ শ্ৰীকৃষ্ণৰ স্নেহপূৰ্ণ, মমতাময় সম্পৰ্কৰ মনোৰম বৰ্ণনাৰ মাজেৰে মাতৃ-পুত্ৰৰ চিৰন্তন ৰূপ পৰিস্ফুট হৈছে। ছাত্ৰ-ছাত্ৰীসকলে বৰগীতৰ বিশেষত্ব সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে মাধৱদেৱে ৰচনা কৰা বাৎসল্য ৰসপূৰ্ণ বৰগীতৰো যাতে আভাস পাব পাৰে, সেই উদ্দেশ্যে এই বৰগীতটো পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে। বৰগীতটো হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত 'বৰগীত' নামৰ গ্ৰন্থখনৰ পৰা লোৱা হৈছে।



**লেখক পৰিচিতি ঃ** ১৪৮৯ খৃষ্টাব্দত উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰ অঞ্চলত মাধৱদেৱে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম গোৱিন্দগিৰী। ৰাজেন্দ্ৰ অধ্যাপকৰ ছাত্ৰশালত তেওঁ আনুষ্ঠানিক শিক্ষা লাভ কৰে। পিতৃৰ মৃত্যুৰ কিছুকাল পিছত শংকৰদেৱৰ সৈতে মাধৱদেৱৰ প্ৰথম সাক্ষাৎ হয়। এই ঐতিহাসিক সাক্ষাতক 'মণিকাঞ্চন সংযোগ' বুলি অভিহিত কৰা হয়। এই সাক্ষাততে মাধৱদেৱে শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত মাধৱদেৱেই শংকৰদেৱৰ প্ৰিয় আৰু প্ৰধান শিষ্য হৈ পৰে। মাধৱদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগতে কাব্য, নাট, পদ, ভটিমা, গীত আদি ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁ আদিকাণ্ড ৰামায়ণ, ৰাজসূয় কাব্য আদি আখ্যানমূলক গ্ৰন্থ, 'অৰ্জুন ভঞ্জন', 'পিম্পৰা গুচোৱা', 'ভূমি লেটোৱা' আদি নাট আৰু ভালেমান বৰগীত, ভটিমা ৰচনা কৰে। 'নামঘোষা' তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ। তেওঁ ৰচনা কৰা বৰগীতৰ সংখ্যা ১৫৭ টা। ১৫৯৬ খৃষ্টাব্দত কোচবিহাৰত মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণ ঘটে।

**মূলপাঠ ঃ**

**ৰাগ - কৌ**

**ধ্ৰুং - উঠৰে উঠ বাপু গোপাল হে নিশি পৰভাত ভৈল।**
**কমল নয়ন, বুলি ঘনে ঘন, যশোৱা ডাকিতে লৈল।।**

**পদ** -মোৰ প্ৰাণধন সুচান্দ বয়ন
গাৰ চালি তেজ নিন্দ।
সব পুৰুষৰ শিৰৰ ভূষণ
তুমিসে বাপু গোবিন্দ।।
মোৰ পুত্ৰ বুলি যশোদা গোৱালী
বুকে বান্ধি কোলে লৈলা।
বয়নে চুম্বন কৰি ঘনে ঘনে

আনন্দে মগন ভৈলা।।
সিদ্ধ মুনিগণে চিন্তিয়া নপাৰে
সো হৰি যশোৱা কোলে।
ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে।।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| নিশি | — | ৰাতি, নিশা |
| পৰভাত | — | প্ৰভাত, ৰাতিপুৱা |
| তেজ | — | ত্যাগ কৰা |
| নিন্দ | — | নিদ্ৰা, টোপনি |
| সুচান্দ | — | চন্দ্ৰটোৰ দৰে সুন্দৰ |
| বয়ন | — | মুখ |
| ভূষণ | — | অলংকাৰ |
| মগন | — | মগ্ন, নিমজ্জিত হোৱা |
| সো | — | সেই, (ইয়াত সেইজন অৰ্থত) |
| ত্ৰিজগত পতি | — | স্বৰ্গ, মৰ্ত্য, পাতাল — এই তিনি জগতৰ যি অধিকাৰী, অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণ। |
| মূৰুখ | — | মূৰ্খ, মাধৱদেৱৰ ৰচনাৰ এটি বৈশিষ্ট্য হ'ল দাস্যভাৱৰ প্ৰকাশ। মাধৱদেৱে তেওঁৰ ৰচনাত নিজকে মূঢ়মতি, মূৰুখ আদি বুলি উল্লেখ কৰে। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। মাধৱদেৱৰ জন্ম ক'ত হৈছিল?

২। শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতক কি বুলি অভিহিত কৰা হয়?



৩। কোনখন গ্ৰন্থক মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয়?

৪। মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল?

৫। 'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটো কি ৰাগত বন্ধা?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। বৰগীত কাক বোলে? বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি? ভাগসমূহ উল্লেখ কৰা।

২। ড° বাণীকান্ত কাকতিয়ে বৰগীতবোৰক কিয় Noble Numbers বুলি কৈছে?

৩। মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি?

৪। 'সব পুৰুষৰ শিৰৰ ভূষণ' বুলি কোনে, কাক, কিয় কৈছে?

৫। 'সিদ্ধ মুনিগণে চিন্তিয়া নপাৰে
সো হৰি যশোৱা কোলে। — সিদ্ধ মুনিগণে নোপোৱা হৰিক যশোদাই কিহৰ বলত পুত্ৰৰূপে পালে বুজাই লিখা।

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। মাধৱদেৱৰ 'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটোৰ মূল কথাখিনি আলোচনা কৰা।

২। বৰগীতটোৰ মাজেৰে যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

৩। বৰগীতটোৰ মাজেৰে শ্ৰীকৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক ৰূপ কিদৰে পৰিস্ফুট হৈছে আলোচনা কৰা।

৪। বৰগীতটোৰ মাধ্যমেৰে ভক্তিৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা
ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে।

**পাঠবোধ ঃ**

বাৎসল্য ভাবৰ প্ৰকাশ মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য। বৎস মানে হ'ল শিশু। ভগৱান শ্ৰীকৃষ্ণৰ শিশুকালৰ নানান ক্ৰিয়া-কলাপৰ মনোমুগ্ধকৰ বৰ্ণনা মাধৱদেৱৰ বৰগীতত পোৱা যায় বাবেই তেওঁৰ বৰগীতসমূহক বাৎসল্য ভাবপ্ৰধান বুলি কোৱা হয়। পাঠ্য বৰগীতটিত শ্ৰীকৃষ্ণক মাতৃ যশোদাই কেনেদৰে টোপনিৰ পৰা জগাইছে সেই কথা সৰল আৰু সুন্দৰ ৰূপত পৰিস্ফুট হৈছে।

যশোদাই মৰমতে কৃষ্ণক বাপু, কমল-নয়ন, প্ৰাণধন আদি বুলি সম্বোধন কৰি টোপনিৰ পৰা উঠিবলৈ কৈছে। সকলো পুৰুষৰ শিৰৰ ভূষণ অৰ্থাৎ সকলোৰে আৰাধ্য কৃষ্ণক বুকুত বান্ধি, কোলাত লৈ মাতৃ যশোদাই বাৰে বাৰে চুমা খাইছে।

মাধৱদেৱে এইদৰে মাতৃ-পুত্ৰৰ মধুৰ সম্পৰ্কৰ বৰ্ণনা কৰাৰ লগতে কৃষ্ণৰ ঐশ্বৰিক ৰূপ আৰু মাহাত্ম্যৰ কথাও প্ৰকাশ কৰিছে। সিদ্ধ মুনি, ঋষিসকলে বহু ধ্যান, বহু সাধনাৰ পাছতো যিজন ভগৱান কৃষ্ণক বিচাৰি নাপায়, পৰম ভক্তিৰ বলত যশোদাই সেইজনকে পুত্ৰৰূপে লাভ কৰি কোলাত লৈ মৰম কৰিব পাৰিছে। ইয়াৰ জৰিয়তে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি ভগৱান যে ভক্তৰ অধীন সেই কথা হৃদয়স্পৰ্শী ৰূপত তুলি ধৰিছে।

**ওপৰঞ্চি তথ্য ঃ**

মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নাট, গীত, ভটিমা আৰু বিবিধ গ্ৰন্থ ৰচনা কৰিছিল। বেদ, উপনিষদ, পুৰাণ আদিত থকা বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় তাত্ত্বিক কথাবোৰ সৰ্বসাধাৰণ লোকে বুজি, ৰস পাব পৰা ধৰণে সহজ-সৰলকৈ নাট, গীত আদিত প্ৰকাশ কৰিছিল। সেইবাবে তেওঁলোকৰ সকলো ৰচনা আধ্যাত্মিক ভাবেৰে পুষ্ট। বিশেষকৈ বৰগীতসমূহৰ ক্ষেত্ৰত এই কথা অধিক প্ৰযোজ্য। বৰগীতৰ ৰাগ, তাল, সাংগীতিক ভাষা আদিৰ অন্তৰালত গভীৰ আধ্যাত্মিক



ভাবৰ প্ৰৱাহ লক্ষ্য কৰা যায়। সেইবাবে ড° বাণীকান্ত কাকতিয়ে বৰগীতসমূহক Noble Numbers বুলি কৈছে। একেদৰে কালিৰাম মেধিয়ে বৰগীতক Great Song বা Song Celestial আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই Holy Songs বুলি কৈছে। অন্য গীততকৈ শ্ৰেষ্ঠ অৰ্থত ইয়াক বৰগীত আখ্যা দিয়া হৈছে। বৰগীতসমূহ ব্ৰজাৱলী নামৰ এটি কৃত্ৰিম সাহিত্যিক ভাষাত ৰচিত।

মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণই প্ৰাধান্য লাভ কৰিছে। শিশুকৃষ্ণৰ এনে ৰূপ মহাৰাষ্ট্ৰৰ কবি তুকাৰাম, উত্তৰ ভাৰতৰ কবি সুৰদাসৰ গীততো পোৱা যায়। এই দুগৰাকী কবিৰ গীতৰ লগত মাধৱদেৱৰ বৰগীতৰ তুলনা কৰিব পাৰি।

**শিক্ষকৰ প্ৰতি ঃ**

পাঠ্য বৰগীতটোৰ পাঠদান কৰাৰ পূৰ্বে মাধৱদেৱৰ জীৱনৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ গুৰুভক্তিৰ আভাস দিব। ভগৱান আৰু গুৰুৰ প্ৰতি থকা ভক্তিয়ে যে তেওঁৰ হৃদয়ত দাস্যভাবৰ সৃষ্টি কৰিছিল সেই বিষয়ে বুজাই ক'ব। আনহাতে, তেওঁৰ সমগ্ৰ ৰচনাতে কিদৰে শিশু কৃষ্ণই প্ৰাধান্য লাভ কৰিছে সেই কথা আলোচনা কৰাটো যুগুত হ'ব। প্ৰসংগক্ৰমে ড° বাণীকান্ত কাকতিয়ে 'বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব' বুলি কোৱা কথাশাৰীৰো বিশ্লেষণ আগবঢ়ালে ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব।

●●●

# বিশ্বখনিকৰ

**মফিজুদ্দিন আহমদ হাজৰিকা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

'জোনাকী' যুগৰ কবি-সাহিত্যিকসকলৰ সমসাময়িক হ'লেও সেই কাকতৰ লগত কবি মফিজুদ্দিন আহমদ হাজৰিকা জড়িত নাছিল। সেই বাবেই হয়তো এইগৰাকী কবিৰ কবিতাৰ বিষয় আৰু ছন্দৰীতি অলপ সুকীয়া। সহজ-সৰল ঘৰুৱা ভাষাৰ যোগেদি, সহজবোধ্য ৰূপকৰ সহায়ত এইগৰাকী কবিয়ে আধ্যাত্মিক তত্ত্ব সুন্দৰভাৱে প্ৰকাশ কৰি গৈছে। আধ্যাত্মিক তথা দাৰ্শনিক চিন্তাধাৰা অসমীয়া কবিতাৰ ক্ষেত্ৰখনলৈ কেনেদৰে আহিছিল 'বিশ্বখনিকৰ' কবিতাই সেই কথাৰ আভাস দিয়ে।

**কবি পৰিচিতি ঃ**

মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম হয় ১৮৭০ চনত ডিব্ৰুগড়ত। ১৮৯৬ চনত তেওঁৰ প্ৰথম কবিতাপুথি 'জ্ঞানমালিনী' প্ৰকাশ পায় আৰু প্ৰকাশৰ লগে লগে কবিতাসমূহে সাহিত্যিকসকলৰ মাজত আলোড়নৰ সৃষ্টি কৰে। 'জ্ঞানমালিনী' কবিতাপুথিখনৰ বাবেই মফিজুদ্দিন আহমদ হাজৰিকা অসমীয়া সাহিত্য জগতত 'জ্ঞানমালিনীৰ কবি' ৰূপে জনাজাত। তেওঁৰ মৃত্যুৰ পাছত অপ্ৰকাশিত কবিতাসমূহ গোটাই 'তত্ত্ব-পাৰিজাত' নাম দি কাব্যপুথি এখন প্ৰকাশ কৰা হৈছে।



১৯৩০ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়। অসমীয়া ভাষাত ছুফী সাধকসকলৰ ভাবধাৰা প্ৰথম তেওঁৰ কবিতাতে প্ৰকাশ পায়।

**মূল পাঠ ঃ**

দেখা নাই যদিস্যাতো আছে ত্ৰিলোকৰ
        নিশ্চয় নিশ্চয় এটি বিশ্বখনিকৰ।
        গ্ৰহ, তৰা, বেলি, জোন,
        আছে আলাসতে পোন,
তেওঁৰেহে কৃপা জৰী টনা টনি কৰি;
        ল'ৰা-তিৰী আই ভাই,
        এই সকলোকে পাই
মৰু জগততো নৰে আছে জীৱ ধৰি।
        তেওঁৰেহে মহিমাৰ
        নাই কোনো ওৰ পাৰ,
একো খিলি পাততো যে আছে কত চিন—
        তেওঁৰেহে নাম লই,
        কেনে যথা-ঠৰ হই,
যত গছনিয়ে বাই যশস্যাৰ বীণ।
        সকলোতে আছে তেওঁ
        কিন্তু নেদেখে কেও,
ওৰণিৰে মুখ ঢাকি থাকে ওচৰত
        সেয়ে খেপিয়ালে হায়!
        পাবলৈকো নাই নাই।
অকণকো চিন চাব ধৰা ওপৰত
        সত্ত্বঃ ৰজঃ তমো গুণ

সকলোতে নিৰগুণ
বোলে হুনু বিশ্ব-গিৰি সেই মহাজন।
চাওঁ যদি ইপিনেদি
আহা! কেনে বুকু ভেদি
মৰমেৰে বৰষিছে দয়া বৰষুণ।
তেৱেঁ কুঁহি-গজালিক
(পমা, চিচু, পাৰলীক)
শেহান্তৰে একোজোপা কৰে ভয়ংকৰ
তেৱেঁ এমাডিমা ল'ৰা
কৰে ডেকা তেজ ধৰা
অহংকাৰ বঢ়াবলৈ মাক-বাপেকৰ।
তেৱেঁ মানী, তেৱেঁ মান,
তেৱেঁ দানী, তেৱেঁ দান;
তেৱেঁ কাম, তেৱেঁ কৰ্মী, খেতি খেতিয়ক,
তেৱেঁ জ্ঞানী, তেৱেঁ জ্ঞান,
তেৱেঁ তীখা, তেৱেঁ শান,
তেৱেঁ ধৰ্ম, তেৱেঁ ধৰ্মী, বুধি-বুধিয়ক।
তেৱেঁ পানী, তেৱেঁ মাছ;
তেৱেঁ এক, তেৱেঁ পাঁচ
তেৱেঁ যোগী তপস্বী ও তেৱেঁ বাজীকৰ
তেৱেঁ ধনী, তেৱেঁ ধন—
গোমোস্তা ও মহাজন;
তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্বখনিকৰ।।



নিশ্চয় নিশ্চয় তেৱেঁ
(দেখা নায়ো যদি কেৱে)
অন্তৰ্যামী সৰ্বজ্ঞান, বিশ্ব-আত্মা প্ৰাণ
সৰ্ব-ব্যাপী সৰ্ব শক্তিমান।।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| খনিকৰ | — | শিল-কাঠ-মাটিৰ মূৰ্তি নিৰ্মাণ কৰোঁতা। |
| বিশ্বখনিকৰ | — | বিশ্ব নিৰ্মাণ কৰোঁতা; ঈশ্বৰ, সৃষ্টিকৰ্তা। |
| যদিস্যাতো | — | যদিও। |
| ত্ৰিলোক | — | ত্ৰিজগত—স্বৰ্গ, মৰ্ত্য আৰু পাতাল। |
| নিৰগুণ | — | সকলো গুণৰ ঊৰ্ধ্বত। |
| হুনু | — | হেনো। |
| বিশ্ব-গিৰি | — | বিশ্বৰ গৰাকী অৰ্থাৎ ঈশ্বৰ। |
| শেহান্তৰে | — | অন্তত; অৱশেষত। |
| এমাডিমা | — | কেঁচুৱা অৱস্থা। নিচেই ল'ৰালি কাল। |
| গোমোস্তা | — | দোকানৰ হিচাপ-পত্ৰ ৰখা কৰ্মচাৰী। |
| অন্তৰ্যামী | — | মনৰ সকলো ভাব বুজি পাওঁতা। |
| সৰ্ব-ব্যাপী | — | সকলোতে জুৰি থকা। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। অসমীয়া সাহিত্যত 'জ্ঞানমালিনীৰ কবি' হিচাপে কোনগৰাকী কবি জনাজাত?

২। মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰণোত্তৰ কালত প্ৰকাশিত কবিতা পুথিখনৰ নাম কি?

৩। 'বিশ্বখনিকৰ' বুলি লেখকে কাৰ কথা কৈছে?

৪। 'বিশ্বখনিকৰ' কোন শ্ৰেণীৰ কবিতা?

৫। মফিজুদ্দিন আহমদ হাজৰিকা কোন যুগৰ কবি?

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

২। কবিয়ে ঈশ্বৰক কিয় 'বিশ্বখনিকৰ' বুলি অভিহিত কৰিছে?

৩। সত্বঃ, ৰজঃ, তমো গুণ কি বুজাই লিখা।

৪। মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কাব্যপুথিৰ নাম লিখা।

৫। কবিয়ে 'বিশ্বখনিকৰ'ক কিয় সৰ্ব-ব্যাপী সৰ্ব শক্তিমান বুলি আখ্যা দিছে?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'বিশ্বখনিকৰ' কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে কাৰ কথা কৈছে আৰু কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে?

২। 'সকলোতে আছে তেওঁ
কিন্তু নেদেখে কেও
ওৰণিৰে মুখ ঢাকি থাকে ওচৰত।' — এই কবিতাফাকিৰ মাজেৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে লিখা।

৩। 'বিশ্বখনিকৰ' কবিতাটিৰ মূলভাবটি লিখা।

৪। 'বিশ্বখনিকৰ' কবিতাটিত প্ৰকাশিত আধ্যাত্মিক দৰ্শনৰ চমু আভাস দিয়া।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

তেৰেঁ কাম তেৰেঁ কৰ্মী তেৰেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৰেঁ বিশ্বখনিকৰ।

**পাঠবোধ ঃ**

যদিও চাক্ষুষ দৃষ্টিৰে আজিলৈকে কোনেও প্ৰত্যক্ষ কৰা নাই তথাপি ত্ৰিলোকৰ সৃষ্টি, স্থিতিৰ মূলতে এক পৰম সত্তাৰ অস্তিত্ব অনুভৱ কৰিব পাৰি। সেই পৰম সত্তাইহে সকলোকে এক আত্মীয়তাৰ জৰীৰে বান্ধি ৰাখিছে। তেওঁৰ মহিমাৰ কথা কৈ অন্ত পেলাব নোৱাৰি। গছৰ প্ৰতিটো পাতেও তেওঁৰ মহিমাৰ কথাকে বখানে। সকলোতে সেই পৰম-সত্তা বিৰাজমান, সকলোৱে তেওঁৰ অস্তিত্ব অনুভৱ কৰে, তেৰোঁ মায়াৰ ওৰণিৰে মুখ ঢাকি ওচৰতে থাকে যদিও কোনেও তেওঁক বিচাৰি নাপায়। সত্বঃ, ৰজঃ, তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ নিৰ্গুণ। সেই পৰম সত্তাই সকলোৰে পালন কৰোঁতা, সকলোৰে জন্মদাতা। সমগ্ৰ জড়জগত, জীৱজগতৰ তেৰেঁই সৃষ্টিকৰ্তা। তেৰেঁই খনিকৰ ৰূপে সমগ্ৰ বিশ্বকে তিল্ তিল্কৈ গঢ়ি তুলিছে। তেওঁক যদিও কোনেও দেখা নাপায় তথাপি তেৰেঁই অন্তৰ্যামী, সৰ্বজ্ঞানী, বিশ্বৰ প্ৰাণ, আত্মা, সৰ্বত্ৰতে বিয়পি থকা সৰ্ব শক্তিমান।



**ওপৰঞ্চি তথ্য ঃ**

**সত্বঃ ৰজঃ তমো গুণ** — সত্বঃ ৰজঃ তমঃ—এই তিনিটা গুণতে অৰ্থাৎ শক্তিতে জগতৰ স্থিতি আৰু লয়। সত্বঃ গুণ সুখদায়ক আৰু জ্ঞানাত্মক। ই জীৱক সুখত আসক্ত কৰি মুগ্ধ কৰে। ৰজঃ গুণ ৰাগাত্মক অৰ্থাৎ ই মানুহক বিষয়ত আসক্ত কৰে। তমঃ গুণ অজ্ঞানৰ পৰা হয়। ই জীৱৰ মোহ উৎপাদন কৰে আৰু প্ৰমাদ, আলস্য আৰু নিদ্ৰাৰ দ্বাৰা সকলো ঢাকি ৰাখি জীৱক মোহপাশত বন্দী কৰে। সত্বঃ গুণৰ অধিকাৰী হ'লে জ্ঞান আৰু সুখ পোৱা যায়, ৰজঃ গুণে দুখ নমাই আনে আৰু তমঃ গুণে জীৱনলৈ অজ্ঞানতা নমাই আনে।

**শিক্ষকৰ প্ৰতি ঃ**

ছুফীবাদ সম্পৰ্কে সাধাৰণ জ্ঞান দিব। লগতে তুলনামূলকভাৱে ৰহস্যবাদৰ কথাও ক'ব পাৰে।

●●●

# মিলন

**নলিনীবালা দেৱী**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

নলিনীবালা দেৱী অসমীয়া কাব্যজগতৰ এক সু-পৰিচিত নাম। নলিনীবালা দেৱীৰ কবিতা নিজস্ব বৈশিষ্ট্যৰে সমৃদ্ধ। কবিতাবোৰৰ মাজেৰে তেওঁৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন ঘটিছে। ভাৰতীয় ধৰ্ম, সংস্কৃতি আৰু দৰ্শনৰ প্ৰতি তেওঁৰ আছিল অপৰিসীম শ্ৰদ্ধা আৰু আনুগত্য। নলিনীবালা দেৱীয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ দুখ আৰু বেদনাক ভাৰতীয় ধৰ্ম আৰু দাৰ্শনিক চিন্তাৰ মাজেৰে বিচাৰ কৰি শোক-সন্তপ্ত হৃদয়ত যি শান্তি আৰু শক্তি লাভ কৰিছিল, সেয়া কবিতাৰ মাজেৰে ব্যক্ত কৰিছে। বেদনাৰে সিক্ত আৰু এক সমাহিত ভাবেৰে পৰিপূৰ্ণ নলিনীবালা দেৱীৰ কবিতাবোৰ অসমীয়া সাহিত্যৰ অনুপম সম্পদ। নলিনীবালা দেৱীৰ কাব্য-ভাৱনাত আধ্যাত্মিক চেতনা কেনেদৰে প্ৰকাশিত হৈছে, সেই সম্পৰ্কে আভাস দিয়াৰ উদ্দেশ্যে কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি ঃ**

অতীন্দ্ৰিয়বাদী কবি বুলি পৰিচিত নলিনীবালা দেৱীৰ জন্ম হয় ১৮৯৮ চনৰ ২৩ মাৰ্চত গুৱাহাটীত। তেওঁ আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জ্যেষ্ঠা কন্যা। মাথোঁ ১৯ বছৰ বয়সতে স্বামীৰ বিয়োগ আৰু তাৰ পিছত দুটি সন্তানৰ মৃত্যু হোৱাত গভীৰ শোকত ম্ৰিয়মাণ কবিয়ে সেই সকলোবোৰ ভগৱানৰ আশিস নিৰ্মালি বুলি স্বীকাৰ কৰি সান্ত্বনা লভিছিল। নলিনীবালা দেৱীৰ



কবিতাবোৰত মূলতঃ অতিন্দ্ৰীয়বাদী বা ৰহস্যবাদী ভাব আৰু ভগৱৎ-প্ৰীতিৰ ধাৰণাই প্ৰকাশ পাইছে। 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি', 'যুগ দেৱতা', 'জাগৃতি', 'অলকানন্দা', 'অন্তিম সুৰ' তেওঁৰ উল্লেখযোগ্য কাব্যগ্ৰন্থ। 'স্মৃতিতীৰ্থ' আৰু 'বিশ্বদীপা' তেওঁৰ উচ্চমানৰ জীৱনীমূলক গ্ৰন্থ। 'এৰি অহা দিনবোৰ' তেওঁৰ আত্ম-জীৱনীমূলক গ্ৰন্থ। কবিৰ 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি', 'অলকানন্দা' আৰু 'অন্তিম সুৰ' কাব্যগ্ৰন্থৰ মাজত আধ্যাত্মিক ভাৱৰ ব্যঞ্জনা প্ৰতিধ্বনিত হৈছে। 'যুগ দেৱতা' আৰু 'জাগৃতি' কাব্য-গ্ৰন্থৰ ভালেমান কবিতাত স্বদেশপ্ৰেমৰ সুৰ প্ৰৱাহিত হৈছে।

১৯৫৪ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। ১৯৫৮ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে। ১৯৬৮ চনত তেওঁ 'অলকানন্দা' কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে তেওঁ ইহলীলা সম্বৰণ কৰে।

মিলন কবিতাটি কবিৰ 'সন্ধিয়াৰ সুৰ' কাব্যগ্ৰন্থখনৰ পৰা তুলি দিয়া হৈছে।

**মূল পাঠ ঃ**

কোনে কয় নেদেখি তোমাক
        মৰতৰ মানৱ লোকত?
তুমি চিৰ গোপন দেশৰ
        আছা মোৰ নিজান কোণত।

সপোন পাৰৰ তুমি
        প্ৰভু মোৰ আৰাধ্য পৰম
মানসৰ তীৰে তীৰে
        দিয়া আহি নিতে দৰশন।

নিশা আহে জ্বালি লৈ
        জোনাকীৰ উজল দীপালি।
আকাশৰ তৰাৰ শাৰীয়ে
        গায় নিতে মঙ্গল উৰুলি।

গধূলিৰ ম্লান এন্ধাৰত
ধিয়ানৰ সপোন পাৰত
তোমাৰ লগত মোৰ
নিতে দেখা আকুল সুৰত।।

যেতিয়া দোভাগ নিশা
সাৰহীন নিসুতি জগত
টোপনিত লাল কাল
অচেতন সপোন মোহত।

নিৰল পাটিত দেহ
ভাগৰুৱা তন্দ্ৰাৰ কোলাত
নিতৌ তোমাৰে দেখা
মানসৰ কল্প কাননত।

ঊষা আহে সোণালী সাজেৰে
গাঁথি লৈ নিয়ৰৰ মালা
পখীটিও নীৰৱ তেতিয়া
প্ৰকৃতিও তেনেই নিৰলা।

পুৱতিৰ শুভ লগনত
অৰুণৰ ৰঙা পোহৰত
তোমাৰ লগত মোৰ
অনন্ত মিলন
নিতে দেখা শেৱালি বনত।।

**কঠিন শব্দৰ অৰ্থ ঃ**

আৰাধ্য — পূজনীয়, উপাস্য।
দৰশন — দৰ্শন, সাক্ষাৎ।



নিসুতি — নিশ্চুপ, নিতাল।
তন্দ্ৰা — টোপনি, ঘুমটি।
ঊষা — ধলপুৱা,দোকমোকালি।
অৰুণ — বেলি, সূৰ্য।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। নলিনীবালা দেৱীক কি কবিৰূপে জনা যায়?
২। নলিনীবালা দেৱীৰ আত্মজীৱনীখনিৰ নাম কি?
৩। 'জাগৃতি' কাব্য গ্ৰন্থখনৰ মাজেৰে কবিৰ কি মনোভাৱ প্ৰকাশ পাইছে?
৪। 'মিলন' কবিতাটিত কবিয়ে 'তোমাৰ' বুলি কাক বুজাইছে?
৫। নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নলিনীবালা দেৱীয়ে ৰচনা কৰা দুখন জীৱনীৰ নাম লিখা।
২। কবিৰ পৰম আৰাধ্যজনে আহি নিতে তেওঁক কেনেকৈ দৰশন দিয়ে?
৩। কবিয়ে 'আছা মোৰ নিজান কোণত' বুলি কাৰ কথা বুজাইছে?
৪। কোনে নিয়ৰৰ মালা গাঁথি ৰাতিপুৱা কবিক দেখা দিয়েহি?
৫। ভাগৰুৱা হৈ টোপনিৰ কোলাত থাকিলে কবিয়ে কাক দেখা পায়?

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজেৰে মূলতঃ কি ভাবধাৰা প্ৰকাশ পাইছে, তোমাৰ পাঠটিৰ আধাৰত আলোচনা কৰা।
২। 'মিলন' কবিতাটিত কবিয়ে কাৰ লগত কাৰ মিলন হোৱাৰ কথা বুজাইছে আলোচনা কৰা।
৩। কবিয়ে তেওঁৰ পৰম আৰাধ্যজনক ক'ত কেনেকৈ নিতে দেখা পায় বুলি কৈছে, চমুকৈ লিখা।

৪। কবিয়ে 'তোমাৰ লগত মোৰ অনন্ত মিলন' বুলি কি বুজাইছে ব্যাখ্যা কৰা।

৫। 'মিলন' কবিতাটিৰ মাজেৰে কবিৰ আধ্যাত্মিক অনুভূতি কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

**পাঠবোধ ঃ**

কবিতাটিত কবিৰ আধ্যাত্মিক চেতনাৰ প্ৰতিধ্বনি অনুভূত হৈছে। কবিয়ে পৰম আৰাধ্যজনৰ অস্তিত্ব পৃথিৱীৰ সকলো বিষয়ৰ মাজতে উপলব্ধি কৰে। কবিয়ে সপোনে-দিঠকে পৰমজনৰ অস্তিত্বক নিজৰ হৃদয়ৰ মাজতে অনুভৱ কৰে। নিশাৰ জোনাকী পোহৰ, গধূলিৰ তৰাভৰা আকাশৰ মোহনীয় সৌন্দৰ্য-সুষমাই কবিৰ ভগৱৎ-প্ৰীতিৰ ধাৰণাক গভীৰ কৰি তোলে। ৰাতিপুৱা সূৰ্য উদয় হোৱাৰ পিছৰে পৰা নিশা গভীৰ নিদ্ৰাত পৰালৈকে প্ৰতিটো ক্ষণতে কবিয়ে পৰমজনৰ অস্তিত্ব ভিন্ন ভিন্ন ধৰণে অনুভৱ কৰে, আৰু কবিয়ে এই অনুভৱক পৰমজনৰ সতে অন্তহীন মিলন বুলি অভিহিত কৰে।

**ওপৰঞ্চি তথ্য ঃ**

অসমীয়া ৰহস্যবাদী কাব্যক্ষেত্ৰখনৰ এটি উল্লেখযোগ্য নাম হৈছে নলিনীবালা দেৱী। শান্ত-সমাহিত আৰু করুণ আকূতিৰে ভৰা কবিতাবোৰত কবিৰ আকুল হৃদয়ৰ বিননি ধ্বনিত হৈছে। অতিন্দ্ৰিয়বাদী কবিতাবোৰৰ মাজত নলিনীবালা দেৱীৰ হৃদয়ৰ আকুলতাৰ লগতে গভীৰ চিন্তাৰো সমাৱেশ ঘটিছে। বেদান্ত দৰ্শনৰ প্ৰতি তেওঁৰ আছিল একান্ত অনুৰাগ। সেইবাবে কবিতাবোৰৰ মাজত এই দৰ্শনৰ প্ৰকাশ ঘটিছে।

**শিক্ষকৰ প্ৰতি ঃ**

কবিতাটি বুজোৱাৰ আগতে নলিনীবালা দেৱীৰ জীৱন সম্পৰ্কে কিছু কথা ছাত্ৰ-ছাত্ৰীক ক'ব পাৰে। ৰহস্যবাদ, ভগৱৎ-প্ৰীতিৰ কথাও সহজ-সৰলভাৱে বুজাই দিলে ছাত্ৰ-ছাত্ৰীসকল বহুখিনি উপকৃত হ'ব।

●●●

# জনতাৰ আহ্বান

**জ্যোতিপ্ৰসাদ আগৰৱালা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান চিৰস্মৰণীয়। সংগীতজ্ঞ, কবি, কথাছবি পৰিচালক আৰু নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদে পৰিচিতি লাভ কৰিছে যদিও তেওঁ মূলতঃ বিপ্লৱী কবি। জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল ৰূপান্তৰৰ বিপ্লৱত। তেওঁ কৈছিল— বিপ্লৱ বাদ দি কোনো জাতিয়ে কোনো ক্ষেত্ৰতে আগবাঢ়িব নোৱাৰে। সেই কাৰণে তেওঁ ৰংগমঞ্চ, নাট্য-কৌশল, কথাছবি আৰু কবিতাৰ ক্ষেত্ৰত নতুন আদৰ্শ আৰু কাৰিকৰী কৌশল প্ৰৱৰ্তন কৰিবলৈ প্ৰচেষ্টা চলাইছিল। ছাত্ৰ-ছাত্ৰীক জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ সোৱাদ দিয়াৰ উদ্দেশ্যে 'জনতাৰ আহ্বান' কবিতাটি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।

**কবি পৰিচিতি ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ১৯০৩ চনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত। তেওঁৰ পিতৃৰ নাম পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম কিৰণময়ী আগৰৱালা। ১৯২৬ চনত উচ্চ শিক্ষা লাভৰ বাবে তেওঁ ইংলেণ্ডলৈ যায় যদিও কোনো ডিগ্ৰী নোলোৱাকৈ উভতি আহে। তাৰ পিছত জাৰ্মানীলৈ গৈ তাত কথাছবি প্ৰযোজনা আৰু পৰিচালনা বিষয়ত প্ৰশিক্ষণ লয়। তাৰপৰা উভতি আহি ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰে। সেই সময়ত

তেওঁ মৃত্যুবাহিনীৰ অধিনায়ক হৈ বহুত দিন আত্মগোপন কৰিবলগীয়া হয়। ১৯৫১ চনত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ জ্যোতিপ্ৰসাদ আগৰৱালাই ইহলীলা সম্বৰণ কৰে।

বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা জ্যোতিপ্ৰসাদৰ কবিতাসমূহ একেলগ কৰি 'লুইতৰ পাৰৰ অগ্নিসুৰ' নাম দি তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশ কৰা হৈছে। জাতীয়তাবাদ, দেশৰ ঐতিহ্য আৰু বুৰঞ্জীৰ লগত একাত্মবোধ, জনতাৰ প্ৰতি দায়বদ্ধতা, ভাষা আৰু শব্দ প্ৰয়োগৰ ওজস্বিতা, যৌৱনসুলভ দীপ্ততা আদি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। তেওঁৰ গীতসমূহত কোমল-মধুৰ আৰু পৌৰুষদীপ্ত দুয়োটি সুৰ ধ্বনিত হৈছে। গীতসমূহৰ সুৰ জ্যোতিপ্ৰসাদৰ স্বকীয় সৃষ্টি। নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদে আত্মপ্ৰকাশ কৰে 'শোণিতকুঁৱৰী' নাটকৰ জৰিয়তে। তেওঁ ৰচনা কৰা আন নাটকসমূহ হ'ল— 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'খনিকৰ', 'নিমাতী কইনা', 'সোণ-পখিলী', 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ'। ১৯৩৫ চনত জ্যোতিপ্ৰসাদে প্ৰথম অসমীয়া কথাছবি 'জয়মতী' আৰু ১৯৩৯ চনত 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে। অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতত জ্যোতিপ্ৰসাদ আগৰৱালা 'ৰূপকোঁৱৰ' বুলি পৰিচিত।

**মূল পাঠ ঃ**

হে মোৰ আলোক-পূজাৰী প্ৰাণ!
আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে যোড়শোপচাৰ,
গাবি কি ৰাগ, কি সুৰেৰেনো
পুৰা-সন্ধিয়াৰ গান?
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান।
আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,



বোকাত জনমা মানুহে আজি
আলোকলৈ উঠি আহে
বেলিমুৰা হৈ হাঁহে।
মাটিৰ পানীৰ বিদাৰি বক্ষ
জননী গৰ্ভৰ আন্ধাৰ কক্ষ
ওলাল এৰিবলৈ
পোহৰত পাহি মেলিবলৈ
আকাশত সৌন্দৰ্য সিঁচিবলৈ
বতাহত ৰেণু বিলাবলৈ
মানুহৰ এই পৃথিৱীখনত
শান্তি-সুৰভি বিয়পাই দি
বিশ্বৰ এই সৌন্দৰ্য-সৃষ্টিৰ
মহান মেলাত
অভিনৱ এক জীৱনৰ ৰূপ,
পুষ্পিত কৰি তুলিবলৈ
আজি মানৱৰ জনজীৱনৰ
সংহত অভ্যুত্থান;
দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
বিকশিত হৈ আহিছে সেই
জীৱনৰ মহা প্ৰবাহে প্ৰবাহে
জনতাৰ মহাপ্ৰাণ।
আজি জনতাৰ আলোকবিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান,

নবজীৱনৰ মহাসংঘাতে কঁপায় বৰ্তমান।
আজি সাৰ্থক হ'ক বেদত ধ্বনিত হোৱা
আলোকৰ আগমনী মন্ত্ৰ
প্ৰবুদ্ধ জনতা জয় জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় জয় জয় জয়—আলোক-মন্ত্ৰপূত
মহামানৱতন্ত্ৰ
জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ।

**কঠিন শব্দৰ অৰ্থ ঃ**

ষোড়শোপচাৰ — পূজাৰ ১৬ বিধ উপকৰণ। সেইবোৰ হ'ল— আসন, স্বাগত, পাদ্য, অৰ্ঘ্য, আচমনীয়, মধুপৰ্ক, পুনৰাচমনীয়, স্নান, বসন, আভৰণ, গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য আৰু বন্দনা।
অভিনৱ — একেবাৰে নতুন।
সংহত — মিলন, একীভূত।
অভ্যুত্থান — জাগৰণ।
দুৰ্নিবাৰ — দুৰ্বাৰ; বাধা দিব নোৱাৰা।
অভিযান — যাত্ৰা।
প্ৰবুদ্ধ — জ্ঞান লাভ কৰা, জাগৰিত।



**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। অসমীয়া সাহিত্য-সংস্কৃতি জগতত 'ৰূপকোঁৱৰ' অভিধাৰে কোনগৰাকী সাহিত্যিকক বিভূষিত কৰা হৈছে?
২। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি?
৩। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটকখনৰ নাম কি?
৪। জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীলৈ গৈ কিহৰ প্ৰশিক্ষণ লৈছিল?
৫। প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।
২। 'আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে ষোড়শোপচাৰ' — ষোড়শোপচাৰ কি বুজাই লিখা।
৩। কবিতাটোত কবিয়ে 'আজি পৃথিৱীৰ আকাশে আকাশে জনতাৰ আহ্বান' বুলি কিয় কৈছে?
৪। 'হে মোৰ আলোক-পূজাৰী প্ৰাণ' কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।
৫। কথাছবি নিৰ্মাতা হিচাপে জ্যোতিপ্ৰসাদৰ এটি চমু পৰিচয় লিখা।

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'জনতাৰ আহ্বান' কবিতাটোৰ মূল কথাখিনি আলোচনা কৰা।
২। 'জনতাৰ আহ্বান' কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাব প্ৰকাশ পাইছে বুজাই লিখা।
৩। কবিয়ে কেনেকুৱা জনতন্ত্ৰ কামনা কৰিছে কবিতাটোৰ আধাৰত বিশ্লেষণ কৰা।
৪। 'জনতাৰ আহ্বান' কবিতাটোত জনতাৰ মহাপ্ৰাণ কেনেদৰে জাগৰিত হয় বুলি কবিয়ে কৈছে আলোচনা কৰা।
৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

আজি জনতাৰ পংকজ ৰূপ
জাগে পদুমৰ দৰে
বোকাত জনমা মানুহে আজি
আলোকলে’ উঠি আহে
বেলিমুৰা হৈ হাঁহে

**পাঠবোধ ঃ**

কবিতাটোত কবিয়ে পৃথিৱীৰ জনতাৰ মাজত বিয়পি পৰা এক নতুন চেতনাৰ অভ্যুদ্বয়ৰ কথা বৰ্ণনা কৰিছে। ৰূপান্তৰৰ পৃথিৱীত আকাশে-বতাহে জনতাৰ আহ্বান বিয়পি পৰিছে। সুন্দৰৰ পূজাৰ যি সাধনা আৰম্ভ হৈছে, তাত জনতাই যোড়শোপচাৰেৰে সুন্দৰৰ আৰাধনাত মগ্ন হৈছে। বোকাত জন্ম লভা সাধাৰণ জনতাই আজি পদুম ফুলৰ দৰে ফুলি পোহৰ বিলাইছে। অন্ধকাৰ নাশি পোহৰত পাহি মেলি, আকাশত সৌন্দৰ্য সিঁচিবলৈ আজি জনতা ওলাই আহিছে। মানুহৰ এই পৃথিৱীখনত শান্তিৰ সুৰভি বিলাই জীৱনৰ এক অভিনৱ ৰূপ পুষ্পিত কৰি তুলিবলৈ আজি মানৱৰ সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জাগ্ৰত কৰি তুলিছে। আজি জনতাৰ আলোকবিজয়ী অপূৰ্ব অভিযানে পৃথিৱীৰ আকাশ মুখৰিত কৰি তুলিছে। নৱজীৱনৰ মহাসংঘাতে বৰ্তমানক কঁপাই তুলিছে। বেদত ধ্বনিত হোৱা আলোকৰ আগমনী মন্ত্ৰ আজি সাৰ্থক হ’বলৈ আগ বাঢ়িছে। ঘোষণা কৰিছে জনতাৰ জয়, জনতন্ত্ৰৰ জয়, মহামানৱতন্ত্ৰৰ জয়।

**ওপৰঞ্চি তথ্য ঃ**

কবিতাটিত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

- জ্যোতিপ্ৰসাদৰ গীত আৰু নাটকৰ অলপ পৰিচয় দাঙি ধৰিব পাৰে।
- অসহযোগ আন্দোলনত জ্যোতিপ্ৰসাদৰ ভূমিকা সম্পৰ্কে ক’ব পাৰে।
- জ্যোতিপ্ৰসাদে সৃষ্টিৰ মাজত কিদৰে ৰূপান্তৰ আনিছিল সেই বিষয়ে চমু আভাস দিব পাৰে।

●●●

# কাঠমিস্ত্ৰীৰ ঘৰ

**ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

কুৰি শতিকাৰ পঞ্চম দশকত অসমীয়া কাব্য সাহিত্যলৈ যথেষ্ট পৰিৱৰ্তন আহে। ৰোমাণ্টিক কবিতাৰ সৌন্দৰ্য উপাসনাৰ বিপৰীতে অসমীয়া কবিতাত কঠোৰ সমাজ-বাস্তৱতাৰ চিত্ৰ প্ৰকাশ পাবলৈ লয়। এই ক্ষেত্ৰত সামাজিক আৰু বৌদ্ধিক পৰিৱৰ্তনকে মুখ্য কাৰক বুলি কোৱা হয়। নতুন ধৰণে ৰচনা কৰা অসমীয়া কবিতাসমূহক আধুনিক অসমীয়া কবিতা হিচাপে অভিহিত কৰা হয়। আধুনিক অসমীয়া কবিতাৰে এটা গুৰুত্বপূৰ্ণ ধাৰা হ’ল ‘প্ৰগতিবাদী ধাৰা’। ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত প্ৰগতিবাদী ধাৰাৰ এগৰাকী অগ্ৰণী কবি আছিল। তেওঁ ১৯৩৯ চনত ৰচনা কৰা ‘কাঠমিস্ত্ৰীৰ ঘৰ’ কবিতাটোক কেইবাগৰাকীও সমালোচকে শ্ৰেষ্ঠ অসমীয়া প্ৰগতিবাদী কবিতা বুলি অভিহিত কৰিছে। কবি তথা সমালোচক নৱকান্ত বৰুৱাৰ মতে — ‘মোক যদি কোনোবাই দহোটা শ্ৰেষ্ঠ অসমীয়া কবিতাৰ নাম সোধে, তাৰ মাজত এটা হ’ব ‘কাঠমিস্ত্ৰীৰ ঘৰ’। ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া প্ৰগতিবাদী কবিতাৰ লগত পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি ঃ**

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ জন্ম হয় গোলাঘাটৰ কৰুণাটিং বাগিচাত ১৯১০ চনত। তেওঁৰ দেউতাকৰ নাম আছিল ডাঃ শৰৎ চন্দ্ৰ দত্ত আৰু মাকৰ নাম নয়নতৰা।

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ দেউতাকৰ ঘৰ আছিল বৰ্তমান বাংলাদেশৰ ঢাকাৰ ওচৰৰ বিক্ৰমপুৰত। তাৰপৰা আহি তেওঁ গোলাঘাটত নিগাজিকৈ থাকিবলৈ লয়। ধীৰেন্দ্ৰ চন্দ্ৰ দত্তই সৰুতে দেউতাকক হেৰুৱায়। তেওঁ দেৰগাঁও হাইস্কুলত ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতেই আনুষ্ঠানিক শিক্ষা সাং কৰে আৰু ঘৰুৱাভাৱে পঢ়িবলৈ লয়। দেশ আৰু জাতিৰ প্ৰতি থকা সেৱাৰ মনোভাবৰ বাবে এইগৰাকী কবিয়ে ১৯২৮ চনত সক্ৰিয়ভাৱে দেশৰ কামত জঁপিয়াই পৰে। সেই সময়ত ইংৰাজৰ অধীনত থকা ভাৰতবৰ্ষক স্বাধীন কৰাৰ বাবে চলি থকা আন্দোলনত যোগদান কৰি দুবছৰ জেলতো থকিব লগা হয়। দহ বছৰমান আন্দোলনৰ কামত লগাৰ পাছত তেওঁ সাম্যবাদৰ প্ৰতি আকৃষ্ট হয়। জীৱনৰ শেষ সময়লৈকে সাম্যবাদী আদৰ্শ অনুসৰি আপোচহীনভাৱে কৃষক তথা বনুৱাৰ স্বাৰ্থৰ হকে কাম কৰি যায়। ১৯৩৬ চনত তেওঁৰ কাব্য সংকলন ‘অভিযান’ প্ৰকাশ পায়।

১৯৭২ চনৰ ২২ অক্টোবৰত যোৰহাট অসামৰিক চিকিৎসালয়ত ৰক্তক্ষয় ৰোগত কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ মৃত্যু হয়।

**মূল পাঠ ঃ**

ৰাণ্ডাৰ হেঁচা কচ্ কচা কচ্
ঝাণ্ডাৰ দৰে উৰে পট্ পট্
আজাৰ, শিমলু, শাল, শিঙৰিক
দিয়ে ৰূপ মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
নিৰস কঠিন বেঁকা-বেঁকি কাঠ
বটালি খুন্দাত উঠে জাঁত জাঁত
ৰূপৰ জপনা মেল খাই উঠে
পাই ৰূপ মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।



টপাটপ্ পৰে কপালৰ ঘাম
ফেন যায় যায় নাই বিশ্ৰাম;
দিন নাই জিৰাবৰ,
কাঠ মিস্ত্ৰীৰ ঘৰ।
জমি থাকে থাক, সাজে জাকে জাক
প্ৰৱাল দ্বীপৰ শৃঙ্গৰ দৰে
আচ্‌বাবে ভৰে ঘৰ;
কাঠ মিস্ত্ৰীৰ ঘৰ।
টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ
সাজে আলমাৰি টিপয় চাহৰ
শত ভঙ্গিত নৱ ৰূপান্বিত
ৰূপ লয় মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল
মায়াপুৰী মানৱৰ;
কাঠ মিস্ত্ৰীৰ ঘৰ।
হায় হতভাগা থাকে আন্ধাৰত
বিশ্ব শিল্পী মহা বিশ্বৰ
কৰে হাহাকাৰ বিলয় বিকাৰ
প্ৰতিদান নাই কৰ্মৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
বিলাসীৰ দল আৰামী চকীত
গা ঢালি গায় প্ৰেমৰ সঙ্গীত
মিলনৰ বিৰহৰ—

কাঠ মিস্ত্রীৰ ঘৰ।
লাখ মানুহৰ বাহুৰ কৰ্ম
কাঢ়ি গঢ়ি তোলে প্রাসাদ হৰ্ম্য,
হয় ডাঙৰীয়া উদাৰ মহৎ
বৰনেতা সমাজৰ
কাঠ মিস্ত্রীৰ ঘৰ।
উঠা মিস্ত্রী, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ,
কাঠ মিস্ত্রীৰ ঘৰ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| ৰাণ্ডা | — | কাঠ মিহিকৈ চাঁচিবলৈ মিস্ত্রীয়ে ব্যৱহাৰ কৰা সঁজুলি বিশেষ। |
| ঝাণ্ডা | — | পতাকা। |
| বটালি | — | কাঠ খুলিবলৈ ব্যৱহাৰ কৰা ধাতুৰ এবিধ সঁজুলি। |
| ফেন যায় যায় | — | কঠোৰ পৰিশ্ৰমৰ বাবে কাঠমিস্ত্রীৰ মুখেৰে ফেন বাহিৰ হয় — এনে অৰ্থ প্ৰকাশ কৰিছে। |
| প্ৰৱাল দ্বীপ | — | সাগৰত প্ৰৱাল নামৰ এবিধ প্ৰাণীৰ জঁকা জমা হৈ সৃষ্টি হোৱা দ্বীপ। |
| টিপয় | — | চাহ, জলপান আদি পৰিৱেশনৰ বাবে ব্যৱহাৰ কৰা তিনিটা খুৰা থকা মেজ। |



| | | |
|---|---|---|
| প্রাসাদ | — | অট্টালিকা। |
| বিলয় | — | নাশ, ধ্বংস। |
| বিকাৰ | — | বিকৃতি। |
| হৰ্ম্য | — | কাৰেং। |
| জাঁত জাঁত | — | ছেও, শব্দ বিশেষ। |
| বিশ্ব শিল্পী মহাবিশ্বৰ | — | কাঠমিস্ত্রীক কবিয়ে বিশ্ব শিল্পী বুলি অভিহিত কৰিছে। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্রতিটো প্রশ্নৰ মূল্যাংক ১)**

১। ‘কাঠমিস্ত্রী’ৰ ঘৰ কবিতাটো কিমান চনত ৰচিত?
২। কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ এখন কবিতা পুথিৰ নাম লিখা।
৩। কবিতাটিত ‘প্ৰৱাল দ্বীপৰ শৃঙ্গৰ দৰে’ বুলি কিহৰ কথা কোৱা হৈছে?
৪। কবিতাটিত উল্লেখ থকা বিশ্বশিল্পী কোন?
৫। কাঠমিস্ত্রীয়ে নিজৰ অধিকাৰ কেনেকৈ সাব্যস্ত কৰিব লাগিব বুলি কবিতাটিত কোৱা হৈছে?

**(খ) চমু প্ৰশ্ন। (প্রতিটো প্রশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। কবিতাটিত উল্লেখ থকা কাঠমিস্ত্রীয়ে ব্যৱহাৰ কৰা দুবিধ সঁজুলিৰ নাম লিখা।
২। ‘কাঠমিস্ত্রীৰ ঘৰ’ কবিতাটিৰ বিষয়ে নৱকান্ত বৰুৱাই কি কৈছিল?
৩। কাঠমিস্ত্রীয়ে সজা কেইবিধমান আচবাবৰ নাম লিখা।
৪। কাঠমিস্ত্রীয়ে কাৰ বাবে কাম কৰে বুলি কবিতাটিত কোৱা হৈছে?
৫। কবিয়ে কাঠমিস্ত্রীৰ লগতে আৰু কাক কাক নিজৰ অধিকাৰ কাঢ়ি ল’বলৈ কৈছে?

**(গ) দীঘল প্ৰশ্ন। (প্রতিটো প্রশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ জীৱন আৰু কৰ্মৰ চমু পৰিচয় দিয়া।

২। কবিতাটিত কাঠমিস্ত্রীৰ শ্ৰম আৰু কষ্টৰ চিত্ৰ কেনেদৰে দাঙি ধৰা হৈছে চমুকৈ লিখা।

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা —

‘বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল’

৪। কাঠমিস্ত্রীক কিয় শিল্পী বুলি কোৱা হৈছে?

৫। কাঠমিস্ত্রীকে ধৰি শ্ৰমজীৱীসকলে কেনেদৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব বুলি কবিতাটিত কোৱা হৈছে?

**পাঠবোধ ঃ**

শ্ৰমজীৱী ব্যক্তিসকলৰ জীৱনৰ দুৰ্দশাৰ ছবি ‘কাঠমিস্ত্রীৰ ঘৰ’ কবিতাটিত প্ৰকাশ পাইছে। অসহনীয় শাৰীৰিক শ্ৰমৰ বোজা লৈ কাঠমিস্ত্রীয়ে সমাজৰ ধনী শ্ৰেণীটোৰ বাবে নানা ধৰণৰ মনোমোহা কাঠৰ আচবাব সাজি দিয়ে। তেওঁলোকৰ চেষ্টাত নীৰস, কঠিন কাঠেও প্ৰাণ পাই উঠে। দেহৰ তেজ পানী কৰি তেওঁলোকে ধনী মানুহৰ বাবে মায়াপুৰীৰ দৰে অট্টালিকা সাজি দিয়ে। কিন্তু ইমানবোৰ কাম কৰাৰ পাছতো তেওঁলোকৰ অভাৱ দূৰ নহয়। তেওঁলোকে নিজৰ শ্ৰমৰ প্ৰকৃত মূল্য কেতিয়াও লাভ নকৰে। ফলত তেওঁলোকৰ জীৱন অন্ধকাৰত ডুব গৈ থাকে। কবিয়ে কাঠমিস্ত্রীকে ধৰি সমাজৰ সকলো শ্ৰমজীৱীৰ জীৱনৰ দুৰ্দশাৰ অৱসান বিচাৰিছে। শ্ৰমিকসকলে শ্ৰমৰ উপযুক্ত মূল্য পোৱাটো আশা কৰিছে আৰু তাৰ বাবে শ্ৰমিকসকলক আহ্বান জনাইছে যে তেওঁলোকে যেন নিজ বাহুবলেৰে অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহে।

**ওপৰঞ্চি তথ্য ঃ**

‘কাঠমিস্ত্রীৰ ঘৰ’ কবিতাটি প্ৰথম প্ৰকাশ হৈছিল ১৯৩৯ চনত দধি মহন্তই সম্পাদনা কৰা অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ ‘মিলন’ত। পৰৱৰ্তী সময়ত



তেওঁৰ সকলো কবিতা ‘অভিযান আৰু অন্যান্য কবিতা’ নামেৰে একত্ৰে প্ৰকাশ পায়। পাঠ্যপুথিৰ বাবে কবিতাটি এইখন গ্ৰন্থৰপৰা লোৱা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

ছাত্ৰ-ছাত্ৰীক প্ৰগতিবাদী কবিতাৰ বৈশিষ্ট্যসমূহ বুজাই ক’ব। এই ধাৰাৰ অসমীয়া কবিতাত সাম্যবাদৰ আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে সেয়া প্ৰসংগক্ৰমে ক’ব পাৰে। কাঠমিস্ত্রী, কঁহাৰ, কমাৰ আদি শ্ৰমজীৱী মানুহৰ প্ৰতি সদয় হ’বলৈ আৰু তেওঁলোকৰ শ্ৰমক মৰ্যাদা দিবলৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব।

●●●

# আঘোণৰ কুঁৱলী

**কেশৱ মহন্ত**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া কবিতাৰ আধুনিক যুগ আৰম্ভ হয় প্ৰকৃতাৰ্থত কুৰি শতিকাৰ চল্লিছৰ দশকত। এই যুগ সৃষ্টিত বিশেষ ভূমিকা পালন কৰে কমল নাৰায়ণদেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'জয়ন্তী' আলোচনীয়ে। 'জয়ন্তী'ৰ পৰৱৰ্তী কালত প্ৰকাশ পোৱা হেম বৰুৱা সম্পাদিত 'পছোৱা' আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু' আলোচনীৰ জৰিয়তে অসমীয়া কবিতাৰ আধুনিক ৰূপটিৰ বিকাশ সাধন হয়। দ্বিতীয় মহাযুদ্ধ (১৯৩৯-৪৫)ৰ ধ্বংসলীলাই কবিসকলক ৰোমাণ্টিকতাৰ পৰিৱৰ্তে বাস্তৱতাক আঁকোৱালি ল'বলৈ উদগনি যোগায়।

জয়ন্তী-গোষ্ঠীৰ কবিসকল আকৰ্ষিত হয় সাম্যবাদী ভাৱধাৰাৰ প্ৰতি। এই কবিসকলক প্ৰগতিশীল কবি বুলিও কোৱা হয়। এই কবিসকলে প্ৰধানতঃ কৃষক, শ্ৰমিক আদি সাধাৰণ শ্ৰেণীৰ জনতাৰ সুখ-দুখ আৰু সংগ্ৰামৰ ছবি অংকন কৰে। 'জয়ন্তী'ৰ পাতত কবি হিচাপে আত্মপ্ৰকাশ কৰা কেশৱ মহন্তৰ কবিতাত উক্ত ভাৱধাৰাৰ প্ৰকাশ ঘটিছে। অসমীয়া প্ৰগতিশীল কবিতাৰ এটি আভাস দিয়াৰ উদ্দেশ্যে 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।



**কবি পৰিচিতি ঃ**

কেশৱ মহন্ত (১৯২৬-২০০৬) আধুনিক কবি আৰু গীতিকাৰ হিচাপে বিখ্যাত। তেওঁ জামুগুৰিহাট হাইস্কুলত শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিষয়া হিচাপে অৱসৰ লয়। মহন্তৰ প্ৰথম কবিতা পুথি 'আমাৰ পৃথিৱী'। পৰৱৰ্তী সময়ত 'আগন্তুক', 'তোমাৰ তেজ', 'মোৰ শুকান কলিজাৰ কুঁহিপাত', 'ৰ'দ জিকিমিকি', 'কুঁৱলী আঁতৰি যা', 'দিশ ধৰলী বৰণ', 'বুকুত এজাক ধুমুহা' আদি কাব্যগ্ৰন্থ প্ৰকাশ পায়। 'মোৰ যে কিমান হেঁপাহ' তেওঁৰ দ্বাৰা ৰচিত গীতৰ সংকলন। মহন্তই শিশুসকলৰ বাবেও সাহিত্য ৰচনা কৰিছিল। 'ওমলা ঘৰ' আৰু 'মা আমি শদিয়ালৈ যামেই' তেওঁৰ শিশুৰ বাবে ৰচিত পুথি। 'মোৰ যে কিমান হেঁপাহ' নামৰ পুথিখনৰ বাবে কেশৱ মহন্তই সাহিত্য অকাদেমি বঁটা লাভ কৰে।

**মূল পাঠ ঃ**

আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,  
একোকে নমনি।  
কুঁৱলী নথকা হ'লে দেখিলোঁহেঁতেন বা  
পতা-সোণ-বৰণীয়া ধানৰ আঁচল,  
দেখিলোঁহেঁতেন বা লিহিৰি লিহিৰি ঢেৰ  
আঙুলিয়ে মুঠি মৰা  
কেচ্ কেচ্, চিক্‌মিক্ খৰ কাচিবোৰ,  
দেখিলোঁহেঁতেন বা খোপা বন্ধা মূৰবোৰ  
ওপৰলে' তুলিবৰে সময় নোপোৱা।

দেখিলোঁহেঁতেন বা পতা-সোণ পথাৰত  
লঘু পৰিহাসময়  
হাঁহিবোৰ তেউ-হালধীয়া!

অলপ দূৰৰ পৰা নোচোৱাৰ ভাও ধৰি
চাবওতো পাৰিলোঁহেঁতেন
এইজাক দাৱনীৰ মাজতে আছিলে নেকি
সেউতীও মোৰ?
আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,
একোকে নমনি।

তথাপিও নোৱাৰিনে গম ল'ব বাৰু
এমোকোৰা তামোলৰ পিক্-ৰঙা ওঁঠে ওঁঠে
সোতৰ বছৰ হোৱা "মোক তোল অঘোণ"ৰ
ডালিমী দাঁতত
ডাঙৰি বন্ধাৰ লগ বিচাৰি, বিৰিঙা
তেল আৰু হালধিৰ
'যাঃ' বুলি ঠেলা মৰা খিল্-খিল্ হাঁহি?
আঘোণৰ কুঁৱলীয়ে কৰিছে আমনি।

আঘোণৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।
আঘোণৰ আকাশেদি কোনোবা বিললে'
মন কাঢ়ি বন-হাঁহ জাকি মাৰি গ'ল।
আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।



আঘোণৰ বাটটোহে কুঁৱলীৰে ঢকা,
মন-হাঁহ খেদি খেদি বন শেষ হ'ল
আঘোণৰ কুঁৱলীয়ে বাট ভেটি ল'লে।
(বৌদেউ,
আপুনিয়ে কৈছিলে সেউতীৰ কথা!
মোৰ কথা সেউতীক কৈছিলে জানো?)
আঘোণৰ কুঁৱলীত ধাননি লুকালে
আঘোণৰ কুঁৱলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৱলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল...

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| কেচ্ কেচ্ | — | কাচিৰে ধান কাটোঁতে হোৱা শব্দ। |
| বিৰিঙা | — | অলপকৈ নিগৰি ওলোৱা। |
| ডাঙৰি | — | ধানৰ সৰু সৰু মুঠি একেলগ কৰি বন্ধা ডাঙৰ মুঠা। |
| তেউ-হালধীয়া | — | (পাঠান্তৰ ঃ তেল-হালধীয়া) পাতল হালধীয়া। |
| পতা-সোণ | — | সোণাৰীয়ে পিটি পাতল কৰা সোণ। |
| 'সোতৰ বছৰ হোৱা' | — | কবিয়ে বিচাৰি যোৱা দাৱনীৰ বয়স সোতৰ বছৰ। |
| 'মোক তোল আঘোণ' | — | পকা ধানেৰে পৰিপূৰ্ণ হোৱা আঘোণক বুজাইছে। |
| উৰুলি | — | শুভ কাৰ্যত তিৰোতাসকলে কৰা ধ্বনি বিশেষ। |

ৰাগি — নিচা, মাদকতা।

তৰা-জৰী — তৰা গছৰ জৰী।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। কবি কেশৱ মহন্তই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

২। কেশৱ মহন্তৰ দ্বাৰা ৰচিত এখন গীতৰ পুথিৰ নাম লিখা।

৩। 'পছোৱা' আলোচনী কোনগৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল?

৪। কেশৱ মহন্তই কোনখন আলোচনীত প্ৰথমতে কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল?

৫। 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত উল্লেখ থকা 'সেউতী' কোন?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। 'জয়ন্তী'ৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

২। অসমীয়া কবিতাৰ আধুনিক যুগ সৃষ্টিত বিশেষ অৰিহণা যোগোৱা তিনিখন আলোচনীৰ নাম লিখা।

৩। কেশৱ মহন্তৰ দুখন কবিতা পুথিৰ নাম লিখা।

৪। 'আঘোণৰ পথাৰত কাম আৰু কাম।' — কবিয়ে আঘোণৰ পথাৰত থকা কি 'কাম'ৰ বিষয়ে ইংগিত কৰিছে?

৫। 'উৰুলি' আৰু 'ৰাগি' শব্দ দুটাৰ অৰ্থ লিখা।

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। আঘোণৰ কুঁৱলীয়ে কবিক কিদৰে আমনি কৰিছে বুজাই লিখা।

২। আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ 'আঘোণৰ কুঁৱলী'ত কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।



৩। 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত সহজ-সৰল প্ৰেমৰ চিত্ৰ কেনেদৰে অংকিত হৈছে বুজাই লিখা।

৪। 'আঘোণৰ কুঁৱলী'ত কবিৰ অন্তৰৰ বিষাদবোধ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(ক) আঘোণৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।

(খ) আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।

(গ) আঘোণৰ কুঁৱলীত ধাননি লুকালে
আঘোণৰ কুঁৱলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৱলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল.......

**পাঠবোধ ঃ**

গাঁৱলীয়া কৃষক জীৱনৰ সহজ-সৰল চিত্ৰ এটি 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত অংকিত হৈছে। আঘোণৰ পথাৰৰ সোণবৰণীয়া ধাননিয়ে সৃষ্টি কৰা মনোমোহা পৰিৱেশে কবিৰ প্ৰেমিক মনটিক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। তেওঁ ভালপোৱা সেউতী নামৰ গাভৰুজনী সেই পথাৰতে ধান দাই আছে নেকি চাবলৈ কবিৰ মন উদ্‌গ্ৰীৱ হৈ পৰিছে। কিন্তু কুঁৱলীয়ে বাট-পথ ঢাকি ৰখাত একোকে দেখা নাপালে। সেই বাবে কবিৰ মন বিষাদেৰে ভৰি পৰিল।

**ওপৰঞ্চি তথ্য ঃ**

'আঘোণৰ কুঁৱলী' কবিতাটি একাধিক কাব্য সংকলনত সংকলিত হৈছে। ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'সঞ্চয়ন'ৰ পৰা এই পাঠটি লোৱা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

শাওণ আৰু কাতি মাহৰ পথাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক আভাস দিব আৰু সেই বিষয়ৰ দুটি কবিতা ৰচনা কৰিবলৈ উৎসাহিত কৰিব।

●●●

# উভতি নহাৰ কবিতা

**নৰকান্ত বৰুৱা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

আধুনিক অসমীয়া কবিতাৰ এগৰাকী শক্তিশালী কবি নৰকান্ত বৰুৱা। কবিতাৰ মূল উপাদান বিষয়বস্তু আৰু আংগিক দুয়োটি ক্ষেত্ৰতে কবি বৰুৱাদেৱৰ দক্ষতাৰ পৰিচয় পোৱা যায়। এইগৰাকী কবিৰ কবিতাই আধুনিক অসমীয়া কবিতাৰ বিশেষ ৰূপৰ প্ৰতিনিধিত্ব কৰি আহিছে। এই দিশৰ প্ৰতি বিশেষভাৱে লক্ষ্য কৰি কবিতাটো সন্নিৱিষ্ট কৰা হৈছে। আনহাতে, ৰোমাণ্টিক ভাৱধাৰাৰ সৈতে আধুনিক কবিৰ চিন্তা-ভাৱনাৰ মন কৰিবলগীয়া পাৰ্থক্য আছে। ৰোমাণ্টিক কবিয়ে পুনৰজনমত বিশ্বাস কৰে, আধুনিক কবিয়ে ভাবে যে এই পৃথিৱীৰ পৰা এবাৰ গুচি গ'লে মানুহ পুনৰ উভতি আহিব নোৱাৰে। ৰোমাণ্টিক আৰু আধুনিক কবিতাৰ পাৰ্থক্যও এই কবিতাটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বুজিব পাৰিব।

**কবি পৰিচিতি ঃ**

কবি নৰকান্ত বৰুৱাৰ ১৯২৬ চনত গুৱাহাটীত জন্ম হয়। তেওঁ স্কুলীয়া শিক্ষা নগাঁৱত শেষ কৰি শান্তি নিকেতনৰ পৰা বি.এ. আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বৰুৱাই জগন্নাথ বৰুৱা মহাবিদ্যালয়ত কৰ্মজীৱনৰ পাতনি মেলি কটন মহাবিদ্যালয়ত

সুদীৰ্ঘকাল অধ্যাপনা কৰাৰ পিছত উপাধ্যক্ষৰ পদবীৰে কৰ্মজীৱনৰ সামৰণি মাৰে। এইগৰাকী কবিৰ উল্লেখযোগ্য কাব্যগ্ৰন্থসমূহ হ'ল—'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটি তৰা', 'ৰাৱণ', 'সম্ৰাট', 'যতি আৰু কেইটিমান স্কেচ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰত্নাকৰ', 'ৰাতি জিল-মিল' আৰু 'দলঙত তামীঘৰা'। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'কপিলীপৰীয়া সাধু', 'ককাদেউতাৰ হাড়', 'গৰমা-কুঁৱৰী', 'মানুহ আটাইবোৰ দ্বীপ' উল্লেখযোগ্য। শিশু আৰু চেমনীয়াৰ উপযোগীকৈ লিখা গ্ৰন্থৰাজি হ'ল 'আখৰৰ জখলা', 'শিয়ালী পালেগৈ ৰতনপুৰ', 'ভত উকাৰে ভু'। সাহিত্য সমালোচনা আৰু গীত ৰচনাতো বৰুৱাদেৱৰ অৱদান স্মৰণীয়। ২০০২ চনত তেওঁৰ মৃত্যু হয়। 'ককাদেউতাৰ হাড়' উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে। 'উভতি নহাৰ কবিতা'টি 'দলঙত তামীঘৰা' নামৰ কাব্য সংকলনৰ পৰা লোৱা হৈছে।

**মূল পাঠ ঃ**

মই নাহোঁ মই নাহোঁ
এবাৰেই আহি গুচি গ'লোঁ মই
উভতি অহাৰ কথা নাই
মই জানো মই নাহোঁ
মই জানো কোনো নাহে
মাথোন এই পৃথিৱীখনক ভাল পাই গ'লোঁ
এই কথাটোকে কিমানবাৰ যে ক'লোঁ
    কিমান ভাৱেৰে ক'লোঁ
যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
    সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
    এবাৰেই খেলি গ'লোঁ



আলিৰ কাণৰ জাবৰৰ পৰা এপাহ বকুল
    এবাৰেই তুলি ল'লোঁ

কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতেই বাজিব নতুন বীণা?
    ওহোঁ সেয়া হ'ব নতুন মানুহ
    সেই দিনো হ'ব নতুন দিন
    মোৰ তাত একো নাথাকে চিন।

বকুল তলত ফুল পৰি ৰ'ব
মইতো নহয়, কোনোবাই বুটলিব
মই নাহোঁ, মই নোৱাৰোঁ আহিব, নাহোঁ
হেৰাই যোৱাৰ ৰঙতেইচোন অকলে অকলে হাঁহোঁ
    মই নাহোঁ মই নাহোঁ
    পৃথিৱী, তোমাক ভাল পাই গ'লোঁ
    তথাপিও মই নাহোঁ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| তামীঘৰা | — | তম্বু। |
| 'যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ' | — | কবিয়ে জীৱনত লাভ কৰা দুখ-যন্ত্ৰণাৰ পৰাই শিক্ষা লাভ কৰিছে জীৱন-যুদ্ধ চলাবলৈ। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ১)**

১। 'উভতি নহাৰ কবিতা' পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

২। কোনখন পুথিৰ বাবে নৱকান্ত বৰুৱাই সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

৩। ৰোমাণ্টিক কবিতা আৰু আধুনিক কবিতাৰ এটি পাৰ্থক্য লিখা।

৪। 'উভতি নহাৰ কবিতা' কোন শ্ৰেণীৰ কবিতা?

৫। 'তামীঘৰা' শব্দটিৰ অৰ্থ লিখা।

**(খ) চমু প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নৱকান্ত বৰুৱাৰ তিনিখন কবিতা পুথিৰ নাম লিখা।

২। নৱকান্ত বৰুৱাই ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা।

৩। নৱকান্ত বৰুৱাই শিশু আৰু চেমনীয়াৰ উপযোগীকৈ ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৪। কবিৰ বাবে জীয়াই থকাৰ মন্ত্ৰ কি? 'জীয়াই থকাৰ ধেমালিটো' কবিয়ে কেইবাৰ খেলিছে?

৫। কবিৰ মতে পৃথিৱীলৈ 'নতুন মানুহ' আহিলে কি পৰিৱৰ্তন হ'ব।

**(গ) দীঘল প্ৰশ্ন। (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। কবিয়ে কিয় পৃথিৱীলৈ উভতি নাহে বুলি ভাবিছে, বুজাই লিখা।

২। "উভতি নহাৰ কবিতা'টিৰ মূলভাব লিখা।

৩। কবিয়ে নতুন দিনত তেওঁৰ একো চিন নাথাকিব বুলি কিয় ভাবিছে, বুজাই লিখা।

৪। 'উভতি নহাৰ কবিতা'ত পৃথিৱীৰ প্ৰতি কবিৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(ক) যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
এবাৰেই খেলি গ'লোঁ।



(খ) কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতে বাজিব নতুন বীণা?
ওহোঁ সেয়া হ'ব নতুন মানুহ
সেই দিনো হ'ব নতুন দিন
মোৰ তাত একো নাথাকে চিন।

**পাঠবোধ ঃ**

পৃথিৱীলৈ কবি পুনৰ উভতি নাহে। অকল কবিয়ে নহয়, কোনো মানুহ পৃথিৱীৰ পৰা গুচি যোৱাৰ পিছত উভতি নাহে। পৃথিৱীখনক ভালপোৱাৰ কথা কবিয়ে বিভিন্ন ভাব আৰু ভাষাৰে প্ৰকাশ কৰিছে। যন্ত্ৰণা কবিৰ জীৱনৰ মন্ত্ৰ; জীয়াই থকাটো অৰ্থাৎ জীৱনটো এটা ধেমালিহে মাত্ৰ। কবি উভতি যোৱাৰ পিছত যিসকল এই পৃথিৱীলৈ আহিব, তেওঁলোকৰ কাম-কাজত নতুন চিন্তা, নতুন ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটিব। কবিৰ তাত যেন একো চিন নাথাকিব। জীৱনৰ বকুল পাহ কবিয়ে এবাৰেই বুটলিছে। পিছত এইপাহ বকুল বুটলিবলৈ আন কোনোবা আহিব, তেওঁ উভতি আহিব নোৱাৰে। হেৰাই যোৱাৰ দুখত কবিয়ে যেন অকলেই হাঁহে। পৃথিৱীক ভালপোৱাৰ কথা শেষবাৰলৈ স্বীকাৰ কৰি কবিয়ে কৈছে যে তথাপিও তেওঁ উভতি আহিব নোৱাৰে, উভতি নাহে।

**ওপৰঞ্চি তথ্য ঃ**

কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা যাঠিৰ দশকলৈ অসমীয়া সাহিত্যত 'ৰামধেনু' আলোচনীয়ে বিশেষ গুৰুত্ব লাভ কৰিছিল। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সুদীৰ্ঘকাল এই 'ৰামধেনু'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। নৱকান্ত বৰুৱাদেৱৰ কাব্য-চৰ্চাত 'ৰামধেনু'ৰ অৱদান স্মৰণীয়। এই কথাও মন কৰিব লগীয়া যে 'ৰামধেনু' আলোচনীয়ে অসমীয়া সাহিত্যত এটা যুগৰো

সৃষ্টি কৰিছিল—‘ৰামধেনু যুগ’। ৰামধেনু যুগৰ উল্লেখযোগ্য কবি কেইগৰাকীমান হ’ল—হেম বৰুৱা, নৰকান্ত বৰুৱা, কেশৱ মহন্ত, মহেন্দ্ৰ বৰা, অজিৎ বৰুৱা, বীৰেন বৰকটকী আদি।

**শিক্ষকৰ প্ৰতি ঃ**

‘ৰামধেনু’ আলোচনীৰ বিষয়ে সবিশেষ ছাত্ৰ-ছাত্ৰীক বুজাই দিবলৈ যত্ন কৰিব।

●●●

# কৰুণতম

**ড° নিৰ্মলপ্ৰভা বৰদলৈ**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া আধুনিক কবিতাৰ ক্ষেত্ৰত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ এখন সুকীয়া আসন আছে। লোক-জীৱনৰ আধাৰতো যে সাৰ্থক কবিতা সৃষ্টি কৰিব পাৰি সেই বোধ জন্মোৱাৰ উদ্দেশ্যে এই কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি ঃ**

১৯৩৩ চনত শিৱসাগৰত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম হয়। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা বি.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা বৰদলৈয়ে ১৯৫৫ চনত অসমীয়া বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. ডিগ্ৰী লাভ কৰে।

সুদীৰ্ঘকাল গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা পদত নিযুক্ত হয়। এই বিশ্ববিদ্যালয়ৰ পৰাই তেওঁ জৱাহৰলাল নেহৰু আসনৰ অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰে।

নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথিখন হ’ল ‘বনফৰিঙৰ ৰং’। তেওঁৰ আনকেইখন কবিতা পুথি হ’ল—‘দিনৰ পাছত দিন’, ‘সমীপেষু’, ‘অন্তৰংগ’, ‘সুদীৰ্ঘ দিন আৰু ঋতু’। ‘সোণবৰণীয়া আই’ আৰু ‘সুৰীয়া মাত’ তেওঁৰ গীতৰ পুথি। ‘দেৱী’, ‘শিৱ’ আৰু ‘সূৰ্য্য’ উল্লেখযোগ্য গৱেষণামূলক গ্ৰন্থ। ১৯৮৩ চনত ‘সুদীৰ্ঘ দিন আৰু ঋতু’ৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে।

১৯৯১ চনত দুধনৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাত তেওঁ সভাপতিত্ব কৰিছিল।

২০০৪ চনত ড° নির্মলপ্রভা বৰদলৈৰ মৃত্যু হয়।

**মূল পাঠ ঃ**

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।

দোকানৰ জাপ-ভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক।

মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??

**কঠিন শব্দৰ অর্থ ঃ**

সুবাস — ভাল গোন্ধ, সুগন্ধ।
হেৰা পাওঁ — হেৰোৱা বস্তু পাওঁ।

**আৰ্হি প্রশ্ন ঃ**

**(ক) অতি চমু প্রশ্ন । (প্রতিটো প্রশ্নৰ মূল্যাংক - ১)**

১। নির্মলপ্রভা বৰদলৈৰ প্রথম কবিতা পুথিখনৰ নাম লিখা।

২। নির্মলপ্রভা বৰদলৈয়ে কোনখন পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে?



৩। 'করুণতম' কবিতাটো কবিৰ কোনখন কবিতা পুথিত সংকলিত হৈছে?

৪। 'করুণতম' কোন শ্রেণীৰ কবিতা?

৫। নির্মলপ্রভা বৰদলৈৰ কবিতাৰ এটি বৈশিষ্ট্য লিখা।

**(খ) চমু প্রশ্ন । (প্রতিটো প্রশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নির্মলপ্রভা বৰদলৈৰ তিনিখন কবিতা পুথিৰ নাম লিখা।

২। নির্মলপ্রভা বৰদলৈৰ দুখন গীতৰ পুথিৰ নাম লিখা।

৩। নির্মলপ্রভা বৰদলৈৰ গৱেষণামূলক গ্রন্থ তিনিখনৰ নাম লিখা।

৪। 'করুণতম' আৰু 'সুবাস' শব্দ দুটাৰ অর্থ লিখা।

৫। 'করুণতম' কবিতাৰ আধাৰত আধুনিক কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

**(গ) দীঘল প্রশ্ন । (প্রতিটো প্রশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'করুণতম' কবিতাৰ নামকৰণৰ তাৎপর্য বিশ্লেষণ কৰা।

২। 'করুণতম' কবিতাত কবিৰ পিতৃ-মাতৃৰ প্রতি গভীৰ শ্রদ্ধা প্রকাশ পাইছে নেকি বিচাৰ কৰা।

৩। 'করুণতম' কবিতাত কবিৰ অন্তৰৰ গভীৰ দুখবোধ কেনেদৰে প্রকাশ পাইছে বিচাৰ কৰা।

৪। 'করুণতম' কবিতাত প্রকাৰান্তৰে গ্রাম্য জীৱন আৰু নগৰীয়া জীৱনৰ সংঘাতৰ চিত্র অংকন হোৱা বুলি ক'ব পাৰি নেকি বিচাৰ কৰা।

৫। প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰা।

মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??

**পাঠবোধ ঃ**

আহিনৰ পথাৰৰ গোন্ধ পালে কবিৰ পিতৃৰ স্মৃতি জাগ্রত হয়। কাৰণ কবিৰ পিতৃ কৃষক আছিল। কৃষি-কর্মৰে তেওঁ জীৱন-জীৱিকা চলাইছিল। সেই দৰে

দোকানৰ জাপ-ভঙা গামোচাৰ সুবাসে কবিৰ মনত মাতৃ-স্মৃতি জাগ্রত কৰে। কবিৰ মাতৃ শিপিনী আছিল। কবিৰ পিতৃ-মাতৃয়ে (অৰ্থাৎ পূৰ্ব প্ৰজন্মই) নিৰ্দিষ্ট কৰ্মৰে সময়ৰ বুকুত স্বাক্ষৰ ৰাখি গৈছে। কবিয়ে নিজৰ সন্তান (ভৱিষ্যৎ প্ৰজন্ম)ৰ বাবে কোনো কৃতি এৰি যাব নোৱাৰিব বুলি দুখ প্ৰকাশ কৰিছে।

**ওপৰঞ্চি তথ্য ঃ**

'করুণতম' নামৰ কবিতাটো বৰদলৈৰ 'দিনৰ পাছত দিন' নামৰ কাব্য পুথিখনৰ অন্তৰ্গত। নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী সফল গীতিকাৰ। গীত আৰু কবিতাত তেওঁ ব্যৱহাৰ কৰা শব্দ-সজ্জাই পাঠকক তীব্ৰভাৱে আকৰ্ষণ কৰে। চুটি চুটি কাব্যিক বাক্যৰে মনৰ ভাব প্ৰকাশ কৰাত তেওঁ সিদ্ধহস্ত। নগৰীয়া জীৱনৰ প্ৰতি বিদ্বেষ আৰু গাঁৱলীয়া জীৱনৰ প্ৰতি আকৰ্ষণ তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য।

**শিক্ষকৰ প্ৰতি ঃ**

নিৰ্মলপ্ৰভা বৰদলৈয়ে ৰচনা কৰা গীতসমূহৰ আভাস দিব আৰু সুবিধা অনুযায়ী সেইবোৰ গীত পৰিৱেশনৰ ব্যৱস্থা কৰিব।

●●●

# মূল্যবোধ-শিক্ষা

**ড° দুলুমণি গোস্বামী**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

ভাৰতৰ শিক্ষা ব্যৱস্থাত মূল্যবোধৰ ওপৰত সদায় গুৰুত্ব দি অহা হৈছে। ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থা আছিল মূল্যবোধ আধাৰিত। এখন সুস্থ, সজ আৰু মানৱীয়বোধসম্পন্ন সমাজৰ বাবে মূল্যবোধৰ সৃষ্টি আৰু বিকাশৰ গুৰুত্ব অপৰিসীম। ভাৰতবৰ্ষৰ নানা জাতি-জনগোষ্ঠী, বিভিন্ন আৰ্থ-সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ পৰা অহা শিক্ষাৰ্থীয়ে উমৈহতীয়া মূল্যবোধৰ দ্বাৰা উদ্বুদ্ধ হোৱাটো প্ৰয়োজনীয়। আনহাতে, সাম্প্ৰতিক কালত মূল্যবোধৰ অৱক্ষয় বা খেলি-মেলিও সততে লক্ষ্য কৰা গৈছে। সেয়েহে মূল্যবোধৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক দিয়াৰ বাবে সৰ্বভাৰতীয় ভিত্তিত এনে ধৰণৰ পাঠ পাঠ্যসূচীত অন্তৰ্ভুক্ত হৈছে। এই পাঠটোত মূল্যবোধৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দিষ্ট নিৰ্দেশনা অনুসৰি এই পাঠ যুগুত কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

১৯৬৭ চনত শিৱসাগৰ নগৰত জন্মগ্ৰহণ কৰা ড° দুলুমণি গোস্বামীয়ে বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাবিভাগত অধ্যাপনা কৰি আছে। ইয়াৰ আগতে তেওঁ উত্তৰ কামৰূপ মহাবিদ্যালয়, বৰমা মহাবিদ্যালয় আৰু নগাঁও মহাবিদ্যালয়তো অধ্যাপনা কৰিছিল। ড° গোস্বামীৰ ৪৫ খনতকৈও অধিক গৱেষণা পত্ৰ ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ গ্ৰন্থ আৰু পত্ৰিকাত

প্ৰকাশিত হৈছে। ইয়াৰোপৰি তেওঁৰ বহুসংখ্যক তথ্যসমৃদ্ধ প্ৰবন্ধ বিভিন্ন আলোচনী, বাতৰি কাকত আদিত প্ৰকাশিত হৈছে। শিক্ষামূলক চিন্তা আৰু গৱেষণাৰ লগত সক্ৰিয়ভাৱে জড়িত ড°গোস্বামীৰ দ্বাৰা ৰচিত আৰু সম্পাদিত গ্ৰন্থৰ সংখ্যা ৩ খন।

**মূল পাঠ ঃ**

মূল্যবোধ-শিক্ষা ধাৰণাটো ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত একেবাৰে নতুন বুলি ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থা আছিল মূল্যবোধ আধাৰিত। শিক্ষাৰ আন এক উদ্দেশ্য হৈছে মূল্যবোধ সৃষ্টি কৰা। সমাজত মানুহে মৰ্যাদাসম্পন্নভাৱে জীয়াই থাকিবলৈ হ'লে মূল্যবোধৰ সৃষ্টি আৰু বিকাশ অতি প্ৰয়োজনীয়। মূল্যবোধ অবিহনে প্ৰকৃততে মানুহ আৰু অন্য জীৱ-জন্তুৰ মাজত বিশেষ প্ৰভেদ নাথাকিব। অন্য কথাত ক'বলৈ হ'লে মূল্যবোধৰ জৰিয়তেহে মানুহে প্ৰকৃত জীৱন-নিৰ্বাহৰ পদ্ধতি সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰে। মূল্যবোধে মানুহৰ সামাজিক জীৱন পৰিচালিত কৰে।

বিচিত্ৰ সংস্কৃতিৰ দেশ ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠানসমূহলৈ বিভিন্ন শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে শিক্ষা আহৰণ কৰিবলৈ আহে। বিভিন্ন আৰ্থ-সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ পৰা অহা ল'ৰা-ছোৱালীবোৰে আয়ত্ত কৰি অহা মূল্যবোধবোৰ বেলেগ বেলেগ হোৱাটোৱেই স্বাভাৱিক। আনহাতে, বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বিকাশ তথা পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত নতুন পুৰুষৰ মাজত মূল্যবোধৰ খেলি-মেলি হোৱা পৰিলক্ষিত হৈছে। তেনে ক্ষেত্ৰত মূল্যবোধ শিক্ষা প্ৰদান কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান বুলি ক'ব পাৰি।

**মূল্যবোধ কি ঃ**

মূল্যবোধ-শিক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি মূল্যবোধ কি সেই সম্পৰ্কে কিছু আলোচনা কৰি লোৱাটো উচিত হ'ব। মূল্যবোধৰ ধাৰণা মানুহৰ কৰ্ম আৰু চিন্তাৰ লগত ইমান গভীৰ আৰু বিস্তৃতভাৱে জড়িত হৈ আছে যে ইয়াৰ ব্যাখ্যা আগবঢ়োৱাটো খুবেই কঠিন



কাম। প্ৰথম অৱস্থাত 'মূল্য' শব্দটো কেৱল অৰ্থনৈতিক উদ্দেশ্যতহে ব্যৱহাৰ কৰা হৈছিল। বহল অৰ্থত চাবলৈ গ'লে, 'মূল্য' হৈছে কোনো বস্তু বা অৱস্থা বা কাৰ্য, যিয়ে ব্যক্তিৰ প্ৰয়োজন বা ইচ্ছা পূৰণ কৰে। গতিকে, 'মূল্য'ই সেইবোৰ বস্তুকে বুজায় যিবোৰ ব্যক্তিয়ে বিচাৰে। আকৌ, মানুহে বহুতো বস্তুৱেই বিচাৰে, যেনে—টকা-পইচা, সম্পত্তি, খাদ্য, নিৰাপত্তা, সুখ-শান্তি ইত্যাদি। এই সকলোবোৰ ব্যক্তিৰ কাৰণে মূল্যৱান। আনহাতে, মানুহে বহুতো বস্তু নিবিচাৰে বা আশা নকৰে; যেনে—ক্ষুধা, অজ্ঞতা, বেমাৰ-আজাৰ, অশান্তি আদি। এইবোৰ সেই বাবে মূল্যহীন। গতিকে এনে অৰ্থত মূল্যবোধৰ লগত কোনো ভাল-বেয়া বা উচ্চ-নিম্নৰ প্ৰশ্ন জড়িত নাথাকে। আনকি ড্ৰাগ্ছ-আসক্ত এজন ব্যক্তিৰ বাবে ড্ৰাগ্ছেই হ'ব বেছি মূল্যৱান। সেইদৰে কোনোবাই কাৰোবাক আঘাত কৰি ভাল পালে সেইটোৱে তেওঁৰ বাবে মূল্যৱান হ'ব পাৰে।

মানুহ সামাজিক জীৱ। গতিকে কেৱল ব্যক্তিৰ প্ৰয়োজন পূৰণৰ ধাৰণাৰে মূল্যবোধক বিচাৰ কৰিব নোৱাৰি। ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰা বস্তুক মূল্যৱান নহয় বুলি অৱশ্যে ক'ব নোৱাৰি; কিন্তু ব্যক্তিৰ প্ৰয়োজন পূৰণে যদি আনৰ অপকাৰ কৰে বা সামাজিক জীৱনত অনিষ্ট সাধন কৰে, তেনেহ'লে তেনে কাৰ্যৰ কোনো ধৰণৰ মূল্য আছে বুলি ক'ব নোৱাৰি। প্ৰকৃততে মূল্যবোধক সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয়। সহজ অৰ্থত মূল্যবোধ হৈছে আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে বা সামাজিক জীৱন নিয়ন্ত্ৰণ কৰাৰ বাবে কিছুমান নীতি আৰু আদৰ্শ—যিবোৰ মানুহে শিক্ষণ আৰু সামাজিকীকৰণৰ যোগেদি আয়ত্ত কৰে।

মূল্যবোধ হৈছে মানুহৰ জীৱনৰ কিছুমান নিৰ্দেশিকা-নীতি যিবোৰ মানুহৰ দৈহিক, মানসিক উন্নতি তথা সমাজৰ কল্যাণৰ বাবে হিতকৰ। সমাজত প্ৰচলিত ধৰ্মীয় বিশ্বাস, জীৱন দৰ্শন, নৈতিক আদৰ্শ, ৰাজনৈতিক আদৰ্শ, আচাৰ-ব্যৱহাৰ, দৈনন্দিন জীৱনৰ কাৰ্যাৱলী—এই সকলোবোৰ মূল্যবোধে

সামৰি লয়। আকৌ মূল্যবোধসমূহ কোনো ব্যক্তিয়ে জন্মতে আহৰণ কৰি নাহে, ইয়াক আয়ত্ত কৰে সামাজিক পৰিৱেশতহে।

মূল্যবোধ সম্পৰ্কে দাৰ্শনিকসকলৰ মাজত বিভিন্ন মতভেদ থকা দেখা যায়। মূল্যবোধসমূহ চিৰন্তন নে পৰিৱৰ্তনশীল এই সম্পৰ্কে বিভিন্ন দাৰ্শনিক দৃষ্টিভংগী আছে। যেনে—

আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে, সত্যম-শিৱম-সুন্দৰম, এই তিনিটা হৈছে চিৰন্তন মূল্যবোধ; যাৰ কোনো পৰিৱৰ্তন নাই। এই মূল্যবোধসমূহ সমাজতে আছে। মানুহৰ দায়িত্ব হ'ল কেৱল এইবোৰ আৱিষ্কাৰ কৰা বা উপলব্ধি কৰা। চিৰন্তন মূল্যবোধসমূহৰ কোনো পৰিৱৰ্তন নাই। প্ৰকৃতিবাদী দাৰ্শনিকসকলে মূল্যবোধৰ ক্ষেত্ৰত বস্তুবাদী জগতখনৰ ওপৰতহে বেছি গুৰুত্ব দিছে। তেওঁলোকৰ মতে, বস্তু বা প্ৰকৃতিয়েহে মূল্যবোধ নিৰূপণ কৰে। প্ৰয়োগবাদী দাৰ্শনিকসকলে কিন্তু সম্পূৰ্ণ বেলেগ মত প্ৰকাশ কৰা দেখা যায়। তেওঁলোকে কোনো ধৰণৰ চিৰন্তন মূল্যবোধত বিশ্বাস নকৰে। তেওঁলোকৰ মতে, মূল্যবোধৰ সৃষ্টি যেনেকৈ সমাজে কৰে তেনেদৰে পৰিৱৰ্তনো কৰে সমাজে। প্ৰকৃততে মূল্যবোধ সম্পূৰ্ণৰূপে সমাজৰ পৰিৱেশ আৰু প্ৰয়োজনীয়তা সাপেক্ষে পৰিৱৰ্তন হয়। সমাজৰ পৰিৱৰ্তনৰ লগে লগে নতুন নতুন মূল্যবোধৰ সৃষ্টি হয়।

**ভাৰতীয় দৰ্শনত মূল্যবোধ ঃ**

ভাৰতীয় সংস্কৃতিত মূল্যবোধৰ চিন্তা যথেষ্ট প্ৰাচীন। ভাৰতীয় দৰ্শন হৈছে মূল্যবোধৰ দৰ্শন। ভাৰতীয় দৰ্শন পাশ্চাত্য দৰ্শনৰ দৰে কেৱল ৰহস্যৰ পৰা সৃষ্টি হোৱা নাই, বৰং প্ৰয়োজনীয়তাৰ ফলতহে সৃষ্টি হৈছে। সমাজৰ নৈতিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তাৰ পৰা ইয়াৰ সৃষ্টি হৈছে। ভাৰতীয় দৰ্শনৰ উৎপত্তি—ব্যক্তিক জীৱন ধাৰণৰ উত্তম উপায় দেখুৱাবৰ বাবেহে।

ভাৰতীয় দৰ্শনে মূল্যবোধক চাৰিটা শ্ৰেণীত ভাগ কৰিছে—(১) ধৰ্ম, (২) অৰ্থ, (৩) কাম আৰু (৪) মোক্ষ। ধৰ্ম হৈছে নৈতিক মূল্যবোধ যিয়ে মানুহক



কৰ্তব্য সম্পৰ্কে সকীয়াই দিয়ে। এই মূল্যবোধক আন দুটা মূল্যবোধ 'অৰ্থ' আৰু 'কাম'তকৈ শ্ৰেষ্ঠ বুলি গণ্য কৰা হয়। প্ৰকৃততে 'অৰ্থ' আৰু 'কাম'ক পৰিচালিত কৰিব লাগে ধৰ্মই অৰ্থাৎ নৈতিকতাই। আন কথাত ভাল বা বেয়া কাৰ্যৰ পাৰ্থক্য নিৰ্ধাৰণ কৰে ধৰ্মই। আকৌ, 'মোক্ষ' হৈছে মানুহৰ জীৱনৰ চৰম উদ্দেশ্য লাভৰ উপায়, যিটো মানুহৰ আত্মবোধৰ ওপৰত প্ৰতিষ্ঠিত। এই চাৰিটাৰ উপৰি ভাৰতীয় জীৱন দৰ্শন প্ৰতিষ্ঠিত হৈছে তিনিটা প্ৰধান মূল্যবোধ 'সত্যম, শিৱম আৰু সুন্দৰম'ৰ ওপৰত; যাক কোৱা হয় মূল্যবোধৰ 'ত্ৰিনীতি' বুলি।

ভাৰতীয় দৰ্শনে অতুলনীয় অৱদান আগবঢ়াইছে মূল্যবোধৰ ক্ষেত্ৰত। অহিংসা হৈছে ভাৰতীয় মূল্যবোধত এক অভিনৱ সংযোজন।

ভাৰতীয় সংবিধানে ভাৰতবৰ্ষক এখন সাৰ্বভৌম গণতান্ত্ৰিক, সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। ভাৰতবৰ্ষৰ প্ৰত্যেক নাগৰিকৰ বাবে স্বাধীনতা, সমতা, ন্যায় আৰু ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষক এখন মূল্যবোধসম্পন্ন আদৰ্শ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছে। ভাৰতীয় সংবিধানে নাগৰিকৰ মৌলিক কৰ্তব্য সম্পৰ্কেও উল্লেখ কৰিছে।

**বিভিন্ন প্ৰকাৰৰ মূল্যবোধ ঃ**

মূল্যবোধসমূহৰ অৰ্থ, উদ্দেশ্য আৰু ব্যৱহাৰলৈ চাই বিভিন্ন প্ৰকাৰত ভাগ কৰিব পৰা যায়। মাত্ৰ কেইটামান প্ৰকাৰত ভাগ কৰি আলোচনা সম্পূৰ্ণ নহ'ব। তথাপি ইয়াৰ কেইটামান উল্লেখযোগ্য প্ৰকাৰ হ'ল—(১) নৈতিক মূল্যবোধ, (২) আধ্যাত্মিক মূল্যবোধ, (৩) নান্দনিক মূল্যবোধ, (৪) অৰ্থনৈতিক মূল্যবোধ, (৫) সাংস্কৃতিক মূল্যবোধ আৰু (৬) ৰাজনৈতিক মূল্যবোধ। ইয়াৰে প্ৰথম তিনিটা মূল্যবোধ সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**নৈতিক মূল্যবোধ ঃ** নৈতিক শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'ম'ৰেল' (moral) শব্দটোৰ উৎপত্তি হৈছে লেটিন ভাষাৰ 'ম'ৰীজ' শব্দটোৰ পৰা, যাৰ অৰ্থ হৈছে আচাৰ-ব্যৱহাৰ আৰু লোকাচাৰ। নৈতিকতাৰ লগত সামাজিক

নীতি-নিয়ম আৰু আদৰ্শ জড়িত হৈ থাকে। মানুহে জন্ম লাভ কৰিয়ে সামাজিক ধাৰণাসমূহ আয়ত্ত নকৰে। ক্ৰমে সামাজিক সংস্পৰ্শলৈ অহাৰ পিছত পৰিৱেশ আৰু শিক্ষাৰ দ্বাৰা প্ৰভাৱিত হৈ সামাজিক নীতি-নিয়মসমূহ আয়ত্ত কৰে। কেৱল জন্মগত প্ৰবৃত্তিসমূহে মানুহক সামাজিক জীৱ হিচাপে গঢ়ি তুলিব নোৱাৰে। জন্মগত প্ৰবৃত্তিসমূহৰ সংশোধনৰো প্ৰয়োজন হয়। তাৰ বাবে মানুহক লাগে উচ্চ মূল্যবোধ, উচ্চ আদৰ্শ আৰু মনোভাৱ।

নৈতিকতাই সমাজৰ ৰীতি-নীতি মানি চলাটো বুজায়। সমাজৰ গ্ৰহণযোগ্য নীতি-নিয়ম, আচাৰ-ব্যৱহাৰৰ বিপৰীতে চলাকেই অনৈতিক আচৰণ বুলি ক'ব পাৰি। নৈতিক মূল্যবোধে মানুহক প্ৰভাৱিত কৰে আৰু সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক, প্ৰশাসনিক আদি সকলো ক্ষেত্ৰতে ইয়াৰ প্ৰতিফলন হয়। গতিকে, শিশুৰ নৈতিক বিকাশৰ অৰ্থ হৈছে সমাজৰ প্ৰচলিত আচৰণবোৰ আয়ত্ত কৰিবলৈ শিকোৱা। মনোবিজ্ঞানীসকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে অধ্যয়ন চলাই চাৰিটা বিশেষ আচৰণৰ কথা চিনাক্ত কৰিছে—

**(ক) যুক্তিনিষ্ঠতা ঃ** শিশুৱে সন্মুখীন হোৱা বিভিন্ন পৰিৱেশ যুক্তিনিষ্ঠভাৱে বিচাৰ-বিশ্লেষণ কৰা।

**(খ) পৰোপকাৰিতা ঃ** অন্য মানুহৰ সুখ-দুখৰ প্ৰতি সহানুভূতিশীল হোৱা আৰু প্ৰয়োজন সাপেক্ষে সহায় কৰা।

**(গ) দায়িত্ববোধ ঃ** সমাজত নিজৰ দায়িত্ব সম্পৰ্কে সচেতন হোৱা আৰু নিজে কৰা কামৰ ভুল-ত্ৰুটিসমূহ স্বীকাৰ কৰি লোৱা।

**(ঘ) নৈতিক স্বতন্ত্ৰতা ঃ** নিজস্বভাৱে কোনো এক নৈতিক সিদ্ধান্ত লোৱাৰ ক্ষমতা। আনৰ লগত আলোচনা কৰিলেও এনে ধৰণৰ সিদ্ধান্তৰ সমস্ত দায়িত্ব ব্যক্তিয়ে নিজে স্বীকাৰ কৰি লোৱাৰ মানসিকতা।

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় বিকাশে আনি দিয়া সা-সুবিধাৰ কাৰণে মানুহ বিলাসিতাপূৰ্ণ জীৱনৰ প্ৰতি আকৰ্ষিত হৈছে। ফলত মানুহ বস্তুকেন্দ্ৰিক হৈ পৰিছে। যাৰ ফলত নৈতিক মূল্যবোধসমূহ মানৰ সমাজৰ পৰা ক্ৰমান্বয়ে



লোপ পাবলৈ ধৰিছে। এনে ক্ষেত্ৰত নৈতিক মূল্যবোধ শিক্ষাত অতি প্ৰয়োজন বুলি ভবা হৈছে। শিশুৰ নৈতিক বিকাশৰ বাবে কিছু বাস্তৱিক ব্যৱস্থা লোৱাৰ কথা সকলোৱে উপলব্ধি কৰিছে।

**আধ্যাত্মিক মূল্যবোধ ঃ** আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে মানুহ অন্য জীৱ-জন্তুতকৈ শ্ৰেষ্ঠ এই বাবেই যে মানুহৰ আধ্যাত্মিকতা আছে। ভাৰতীয় সমাজ-সংস্কৃতিত আধ্যাত্মিকতাৰ স্থান অতি উচ্চ। অৱশ্যে আধ্যাত্মিক মূল্যবোধৰ লগত ধৰ্মীয় মূল্যবোধৰ সম্পৰ্ক আছে। ভাৰতবৰ্ষত বেদ-উপনিষদৰ যুগৰ পৰাই বহুতো মনীষীয়ে আধ্যাত্মিক মূল্যবোধৰ উত্তৰণত অৱদান আগ বঢ়াই আহিছে।

আদৰ্শবাদী দাৰ্শনিকসকলৰ মতবাদসমূহ আধ্যাত্মিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। আধ্যাত্মিক মূল্যবোধে বস্তুবাদী জগতখনৰ ওপৰত গুৰুত্ব নিদি মন বা আত্মাৰ বিকাশৰ ওপৰতহে গুৰুত্ব দিয়ে। মনৰ নাইবা আত্মাৰ বিকাশেহে মানুহক উচ্চস্তৰলৈ লৈ যাব পাৰে আৰু প্ৰকৃত সুখৰ সন্ধান দিব পাৰে। আনহাতে, বৰ্তমান যান্ত্ৰিক সভ্যতাই মানুহক বস্তুবাদী জগতখনৰ প্ৰতি বেছি আকৰ্ষিত কৰিছে যাৰ ফলত আধ্যাত্মিক মূল্যবোধৰ গুৰুত্ব কমি আহিছে। বিলাসিতাপূৰ্ণ জীৱনৰ প্ৰতি মানুহ বেছি আকৰ্ষিত হৈছে। আদৰ্শবাদীসকলে ভাবে যে আধ্যাত্মিক মূল্যবোধৰ অভাৱৰ বাবেই আজিৰ সমাজখন হৈ পৰিছে বিশৃংখল, দুৰ্নীতিপৰায়ণ আৰু অনৈতিক। আধ্যাত্মিক মূল্যবোধৰ বিকাশ হ'ব তেতিয়া, যেতিয়া মানুহে মানুহক ভাল পাবলৈ শিকিব; সহযোগিতা, অহিংসা ভাব, ভক্তি, সংযম, উদাৰতা আদি বৃদ্ধি হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কোৱাৰ দৰে, 'কুক্কুৰ শৃগাল গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম'।

**নন্দনতাত্ত্বিক মূল্যবোধ ঃ** নন্দনতাত্ত্বিক মূল্যবোধক আন কথাত সৌন্দৰ্যবোধ বুলি ক'ব পাৰি। কিছুমান পণ্ডিতে মত প্ৰকাশ কৰে যে নন্দনতাত্ত্বিক মূল্যবোধ কেৱল ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ক্ষেত্ৰতহে প্ৰযোজ্য, অপাৰ্থিৱ বস্তুৰ ক্ষেত্ৰত তাক

প্রয়োগ কৰিব নোৱাৰি। কিন্তু মানুহে সকলো ধৰণৰ ভাল কাম বা ঘটনা বা ধাৰণাক মূল্য দিয়ে। সেই বাবে এইবোৰৰ নান্দনিক মূল্যবোধ বিচাৰি পোৱা যায়। মানৱ জীৱনৰ তিনিটা মূল মূল্যবোধ হৈছে—(১) সত্য, (২) শিৱ আৰু (৩) সুন্দৰ। এই সুন্দৰৰ মূল্যবোধেই হৈছে নন্দনতাত্ত্বিক মূল্যবোধ। নন্দনতাত্ত্বিক সৌন্দৰ্যই মানুহক শান্তি প্ৰদান কৰে আৰু জীৱনটো সুন্দৰ কৰি তোলে। জীৱন্ত বা জড় সকলো বস্তুৰে নন্দনতাত্ত্বিক মূল্যায়ন হ'ব পাৰে। মানুহৰ সকলো কাৰ্য একেটা চকুৰে চালেও মনোযোগৰ বেলেগ বেলেগ বিন্দুৰ পৰা বেলেগ বেলেগ পৰ্যায়ত মূল্যায়ন কৰা হয়। গতিকে, মনোযোগেই হৈছে নন্দনতাত্ত্বিক মূল্যবোধৰ চাবি-কাঠী।

নান্দনিক বা সৌন্দৰ্যবোধ সম্পৰ্কে দাৰ্শনিকসকলে বিভিন্ন দৃষ্টিভংগী গ্ৰহণ কৰা দেখা যায়। দাৰ্শনিক প্লেটোৰ মতে সকলো বস্তুৰে এক ঐশ্বৰিক সৌন্দৰ্য আছে। আমি মাথোঁ ঐশ্বৰিক ধ্যান-ধাৰণাৰ যোগেদি সেই সৌন্দৰ্য উপলব্ধি কৰিব পাৰিব লাগিব। পৃথিৱীত থকা সকলো বস্তুৰে সৌন্দৰ্য আৱিষ্কাৰ কৰিবলৈ আমি সক্ষম হ'ব লাগে। মহৰ্ষি টলষ্টয়ে সৌন্দৰ্যবোধৰ বৰ্ণনা কৰি কৈছে যে সৌন্দৰ্যবোধ নিৰ্ভৰ কৰে সম্পূৰ্ণভাৱে ব্যক্তিৰ নিজস্ব গ্ৰহণযোগ্য ক্ষমতাৰ ওপৰত। আমি যেতিয়া এটা কবিতা অধ্যয়ন কৰোঁ বা এখন ছবি চাওঁ বা এটা মূৰ্তিৰ সৌন্দৰ্য উপলব্ধি কৰোঁ, সেই সৌন্দৰ্যবোধৰ উপলব্ধিখিনি আমাৰ নিজস্ব গ্ৰহণযোগ্য দৃষ্টিভংগীৰ ওপৰতহে সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰে। তেওঁৰ মতে, সৌন্দৰ্যবোধ বস্তুনিষ্ঠ নহয়, ব্যক্তিনিষ্ঠহে।

**মূল্যবোধ চিনাক্তকৰণ ঃ**

মূল্যবোধৰ বিভিন্ন প্ৰকাৰ বা শ্ৰেণী সম্পৰ্কে আমি ইতিমধ্যে উল্লেখ কৰিছোঁ। মূল্যবোধ সম্পৰ্কে ভালকৈ জানিবলৈ হ'লে ইয়াৰ চিনাক্তকৰণ কৰা প্ৰয়োজন। সমাজ আৰু সংস্কৃতি ভেদে মূল্যবোধসমূহ বেলেগ বেলেগ হ'ব পাৰে। অৱশ্যে মূল্যবোধসমূহ চিনাক্তকৰণ কৰি সীমাবদ্ধ কৰাটো বাস্তৱসন্মত নহয়। ১৯৭৯ চনত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ৮৪



বিধ মূল্যবোধ চিনাক্ত কৰি এখন তালিকা প্ৰস্তুত কৰিছে। এই তালিকাত অন্তৰ্ভুক্ত মূল্যবোধবোৰৰ ভিতৰত উল্লেখযোগ্য ১০টা মূল্যবোধ হ'ল—

(১) সংযম, (২) সহানুভূতি, (৩) সহযোগিতা, (৪) অন্য সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা, (৫) পৰিষ্কাৰ-পৰিচ্ছন্নতা, (৬) নম্ৰতা, (৭) মানৱতাবোধ, (৮) অহিংসা, (৯) দেশপ্ৰেম আৰু (১০) সামাজিক দায়িত্ববোধ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| মোক্ষ | — | মুক্তি, নিৰ্বাণ, সংসাৰ-বন্ধনৰ পৰা মোচন। |
| সত্যম্ শিৱম্ সুন্দৰম্ | — | নন্দনতাত্ত্বিক সুখ বা আনন্দজনক। |
| কুক্কুৰ | — | কুকুৰ। |
| শৃগাল | — | শিয়াল। |
| গৰ্দভ | — | গাধ। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থাৰ মূল আধাৰ কি আছিল?

২। প্ৰথম অৱস্থাত 'মূল্য' শব্দটো কি উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল?

৩। নৈতিক শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'ম'ৰেল' (moral) শব্দটোৰ উৎপত্তি কোন ভাষাৰ পৰা হৈছে?

৪। মহৰ্ষি টলষ্টয়ৰ মতে সৌন্দৰ্যবোধ কি?

৫। ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা শিক্ষণ পৰিষদে কিমানটা মূল্যবোধ চিনাক্ত কৰিছে?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে মূল্যবোধ কেইটা আৰু কি কি?

২। ভাৰতীয় দৰ্শনে মূল্যবোধক কেইটা শ্ৰেণীত ভাগ কৰিছে আৰু কি কি?

৩। প্ৰকৃততে মূল্যবোধক কি দৃষ্টিকোণৰ পৰা বিচাৰ কৰা হয়?

৪। সহজ অৰ্থত মূল্যবোধ মানে কি?

৫। মনোবিজ্ঞানীসকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে কেইটা আচৰণৰ কথা চিনাক্ত কৰিছে আৰু কি কি?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। আদৰ্শবাদী দাৰ্শনিক সকলৰ মতে আধ্যাত্মিক মূল্যবোধ মানে কি? বুজাই লিখা।

২। নন্দন তাত্বিক মূল্যবোধে কি কি বিষয় সামৰি লয় চমুকৈ আলোচনা কৰাঁ।

৩। চিৰন্তন মূল্যবোধ সম্পৰ্কে চমুকৈ বুজাই লিখা।

৪। নৈতিক মূল্যবোধৰ ধাৰণাই কি কি কথা সামৰি লয় আলোচনা কৰাঁ।

৫। মূল্যবোধ সম্পৰ্কে তোমাৰ কি ধাৰণা তাক চমুকৈ ব্যক্ত কৰাঁ।

**পাঠবোধ ঃ**

শিক্ষাৰ মূল উদ্দেশ্য মূল্যবোধ সৃষ্টি কৰা। প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ মূল্যবোধ শিক্ষাৰ সম্পৰ্কত সেয়েহে গুৰুত্ব দি অহা হৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ তথা পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত নতুন পুৰুষৰ মাজত ভাৰতীয় দৰ্শন আধাৰিত মূল্যবোধৰ খেলি-মেলিও দেখা গৈছে। সেয়েহে মূল্যবোধ-শিক্ষা প্ৰদান প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিব লগীয়া হৈছে। পাঠটোত মূল্যবোধ কি সেই সম্পৰ্কত বিভিন্ন ব্যাখ্যা, দাৰ্শনিকসকলে আগ বঢ়োৱা দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত ভাৰতীয় দৰ্শনত মূল্যবোধক ধৰ্ম, অৰ্থ, কাম, মোক্ষ—যি চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছে সেই বিষয়েও আলোচনা কৰা হৈছে। মূল্যবোধৰ অৰ্থ, উদ্দেশ্য আৰু ব্যৱহাৰৰ আধাৰত ইয়াৰ কেইটিমান বিশেষ প্ৰকাৰৰ চমু আলোচনা পাঠটিত আছে। ১৯৭৯ চনত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ৮৪টা



মূল্যবোধ চিনাক্ত কৰিছে। ইয়াৰে ১০টা মূল্যবোধ এনে ধৰণৰ—(১) সংযম (২) সহানুভূতি (৩) সহযোগিতা (৪) অন্য সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা (৫) পৰিষ্কাৰ-পৰিচ্ছন্নতা (৬) নম্ৰতা (৭) মানৱতাবোধ (৮) অহিংসা (৯) দেশপ্ৰেম আৰু (১০) সামাজিক দায়িত্ববোধ।

**ওপৰঞ্চি তথ্য ঃ**

মূল্যবোধে সমাজৰ বিকাশত বিশেষ অৰিহণা যোগায়। গতিকে মূল্যবোধ শিক্ষা অতি প্ৰয়োজনীয় বিষয়।

**শিক্ষকৰ প্ৰতি ঃ**

মূল্যবোধ-শিক্ষাই পিতৃ-মাতৃ, শিক্ষাগুৰু, বন্ধু-বান্ধৱ, আত্মীয়-স্বজন আদিৰ লগত ছাত্ৰ-ছাত্ৰীৰ মধুৰ সম্পৰ্ক সৃষ্টি কৰে—এই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বুজাব।

●●●

# কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা

**ড° স্বৰ্ণলতা দাস**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

সোণালী শৈশৱ কালৰ সহজ-সৰল গতিৰ পৰিৱৰ্তে এটি কিশোৰ বা কিশোৰী কৈশোৰ কালত সন্মুখীন হয় তেওঁৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক ক্ষেত্ৰত নানা জটিল পৰিৱৰ্তনৰ। এই কালছোৱা অতি সংকটময় কাল অৰ্থাৎ ধুমুহা আৰু পীড়নৰ সময়। এই সময়ত ল'ৰা-ছোৱালীৰ দ্ৰুতগতিৰ পৰিৱৰ্তনসমূহ নিয়ন্ত্ৰণ কৰিবলৈ পৰিৱেশ আৰু উপযুক্ত শিক্ষাৰ প্ৰয়োজন। অন্যথা জীৱনৰ গতিত নানা খেলি-মেলিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। কৈশোৰ কাল হৈছে নৱজাগৰণৰ কাল। অফুৰন্ত শক্তিৰ বিকাশে এজন কিশোৰক নতুন দিশৰ উন্মোচন কৰিবলৈ দিয়ে। কৈশোৰ কালৰ শিক্ষাৰ ব্যৱস্থা উপযুক্ত হোৱাটো নিতান্ত প্ৰয়োজন। কৈশোৰ কালত কেনে ধৰণৰ শিক্ষা দিয়া উচিত তাক জানিবলৈ পাঠটো যুগুতোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দিষ্ট নিৰ্দেশনা অনুসৰি এই পাঠ যুগুত কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

১৯৪৯ চনত জন্ম হোৱা ড° স্বৰ্ণলতা দাসে কৰ্মজীৱনৰ পাতনি মেলে এগৰাকী অধ্যাপিকা হিচাপে। প্ৰথমতে তেওঁ গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত কিছু বছৰ শিক্ষকতা কৰি পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা



বিভাগত অধ্যাপিকা ৰূপে যোগদান কৰে। উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষা বিষয়ৰ পাঠ্যপুথি ৰচনাত জড়িত ড° দাসৰ কুৰিখনতকৈ অধিক গৱেষণা-পত্ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পত্ৰিকাত প্ৰকাশিত হৈছে।

**মূল পাঠ ঃ**

মানৱ জীৱনৰ কৈশোৰ কালক এক ৰূপান্তৰৰ কাল বুলি অভিহিত কৰিব পাৰি। সোণালী শৈশৱ কালৰ সহজ-সৰল গতিৰ পৰিৱৰ্তে এটি কিশোৰ এই কালত সন্মুখীন হয় তেওঁৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক ক্ষেত্ৰত নানা জটিল পৰিৱৰ্তনৰ। সেয়েহে কৈশোৰ কাল সম্পৰ্কে নানাজনৰ নানা মত। কিছুমানৰ মতে এই সময়খিনি হ'ল ধুমুহা আৰু পীড়নৰ সময়। এই সময়ত হোৱা দ্ৰুতগতিৰ পৰিৱৰ্তনসমূহ নিয়ন্ত্ৰণ কৰিবলৈ পৰিৱেশ আৰু উপযুক্ত শিক্ষাৰ অতি প্ৰয়োজন। নহ'লে সেই ধুমুহাই জীৱনৰ গতিত জটিলতাৰ সৃষ্টি কৰিব পাৰে। আনহাতে, অইন এটা মতবাদ অনুসৰি কৈশোৰ কাল হ'ল জীৱনৰ নৱজাগৰণৰ সময়; বিভিন্ন ক্ষেত্ৰত হোৱা বিকাশৰ অফুৰন্ত শক্তিয়ে এটি কিশোৰক জীৱনৰ ন ন দিশ উন্মোচন কৰিবলৈ সুযোগ দিয়ে। এই দুই ভিন্নমুখী মতবাদৰ পৰিপ্ৰেক্ষিতত কৈশোৰ কালৰ শিক্ষাই সমগ্ৰ শিক্ষা ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ স্থান পোৱাটো স্বাভাৱিক।

কৈশোৰ কালৰ সময়সীমা হ'ল—বাল্যকাল আৰু প্ৰাপ্তবয়স্কৰ মাজৰ সময়ছোৱা। ই বয়ঃসন্ধি কাল হিচাপেও পৰিচিত। সকলো জীৱৰে বৃদ্ধি আৰু বিকাশ এক অবিৰত, অন্তহীন প্ৰক্ৰিয়া। মানৱ জীৱনো তাৰ ব্যতিক্ৰম নহয়। কিশোৰ-কিশোৰীৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্তন, বৈশিষ্ট্যসমূহলৈ লক্ষ্য কৰি ১০-১১ বছৰ বয়সৰ পৰা ১৮-১৯ বছৰ বয়সৰ সময়খিনিকে সচৰাচৰ কৈশোৰ কাল হিচাপে চিহ্নিত কৰা হয়। অৱশ্যে লিংগভেদে, ব্যক্তিভেদে বা জলবায়ুৰ তাৰতম্য অনুসৰি উপৰোক্ত সময়সীমাৰ তাৰতম্য হ'ব পাৰে। সেয়েহে ল'ৰাতকৈ ছোৱালীৰ, শীতল জলবায়ুৰ দেশতকৈ গৰম জলবায়ুৰ দেশৰ শিশুৰ ক্ষেত্ৰত কিশোৰ অৱস্থাপ্ৰাপ্তি আগতীয়া হয়।

জীৱনৰ নৱজাগৰণস্বৰূপ কৈশোৰ কালৰ বাবে আমি কেনে ধৰণৰ শিক্ষা নিৰ্ধাৰণ কৰিম? কিয়নো শিক্ষা হ'ল স্নেহৰেই অন্য এক প্ৰকাশ। শিক্ষাৰ জৰিয়তে শিশু, কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীক আমি সমাজখনলৈ আদৰি আনো সমাজৰেই এক অবিচ্ছেদ্য অংশ হিচাপে। অৱশ্যে তাৰ বাবে তেওঁলোকেও প্ৰয়োজনীয় যোগ্যতা প্ৰদৰ্শন কৰিব পাৰিব লাগিব।

কৈশোৰ কালৰ যথোপযোগী শিক্ষাৰ কথা আলচ কৰাৰ আগতে কিশোৰ-কিশোৰীৰ মাজত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহৰ বিষয়ে আমাৰ এক সম্যক ধাৰণা থকাটো প্ৰয়োজন। মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা কৈশোৰ কালে জৈৱিক, মানসিক, আৱেগিক আৰু সামাজিক ক্ষেত্ৰৰ পৰিপক্কতাৰ কথাকে সূচায়। এই ক্ষেত্ৰত শাৰীৰিক বা জৈৱিক পৰিৱৰ্তনসমূহ যিমান স্পষ্টভাৱে পৰিলক্ষিত হয় মানসিক বা সামাজিক গুণসমূহ নহয়; কিন্তু বিকাশৰ প্ৰতিটো ক্ষেত্ৰত ইটোৰ লগত সিটোৰ এক সম্পৰ্ক আছে। আনহাতে, মানৱ জীৱনৰ বিকাশৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কাল হিচাপে বিবেচিত হোৱা কৈশোৰ বা বয়ঃসন্ধি কালৰ বহুবোৰ বৈশিষ্ট্য আন কোনো স্তৰতে দেখা নাযায়।

শিশুৰ জগত আৰু প্ৰাপ্তবয়স্কৰ জগত—এই দুখন জগতৰ সংযোগী হ'ল কৈশোৰ কাল। কিশোৰৰ জগতখনত সেয়েহে শৈশৱৰ কল্পনা আৰু প্ৰাপ্তবয়স্কজনৰ বাস্তৱ উপলব্ধি পৰিলক্ষিত হয়। এই দুয়োৰে সন্ধিক্ষণত কৈশোৰ কাল হৈ পৰে জীৱনৰ জটিলতম তথা গুৰুত্বপূৰ্ণ সময়।

**শাৰীৰিক বিকাশ ঃ** কৈশোৰ কালৰ দ্ৰুত শাৰীৰিক বিকাশ সহজেই লক্ষণীয়। যৌৱন প্ৰাপ্তিৰ লগে লগে হোৱা জৈৱিক পৰিৱৰ্তনে ল'ৰা-ছোৱালীৰ দেহৰ বিভিন্ন অংগৰ আকাৰ, ওজন, দৈৰ্ঘ্য বৃদ্ধি কৰাৰ লগে লগে নাৰী-পুৰুষৰ দেহৰ গঠনৰ পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰজনন ক্ষমতাপ্ৰাপ্তি কৈশোৰ কালৰ এক প্ৰধান বৈশিষ্ট্য আৰু তাৰ ফলত শৰীৰৰ বিভিন্ন পৰিৱৰ্তন, কণ্ঠস্বৰৰ পৰিৱৰ্তন আদিয়ে দেখা দিয়ে। এই অভাৱনীয় পৰিৱৰ্তনসমূহে কিশোৰ-কিশোৰীৰ মনলৈ আত্মসচেতনতাৰ ভাব আনি দিয়ে, যিটোৱে অনাহক লাজ, ভয় বা উৎকণ্ঠাৰ সৃষ্টি কৰে।



বিপৰীত লিংগকামিতা কৈশোৰ কালৰ আন এক প্ৰধান বৈশিষ্ট্য। কিশোৰ-কিশোৰীয়ে বিপৰীত লিংগৰ প্ৰতি আসক্তিৰ ভাব অনুভৱ কৰে। প্ৰকৃততে আমাৰ দেহত থকা অন্তঃস্ৰাৱী গ্ৰন্থিসমূহৰ নিঃসৰণৰ ফলস্বৰূপে হোৱা জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়াৰেই এই ফল। এই প্ৰক্ৰিয়াত দেহৰ যৌন গ্ৰন্থিসমূহ সক্ৰিয় হৈ উঠি কিশোৰক যৌৱনৰ অফুৰন্ত শক্তিৰ অধিকাৰী কৰি তোলে। এই শক্তিক সুপথে পৰিচালিত কৰিব পাৰিলে কৈশোৰত দেখা দিয়া বহুবোৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি।

**মানসিক বিকাশ ঃ** কৈশোৰ কালছোৱাত মানসিক শক্তিৰো বিকাশ পূৰ্ণগতিত হয়। মানসিক শক্তি মানে হ'ল—বুদ্ধি, বিমূৰ্ত চিন্তনৰ ক্ষমতা, যুক্তিশক্তি, বিভিন্ন দিশত আগ্ৰহ আদি। কৈশোৰৰ আৰম্ভণিতে যদিও বৌদ্ধিক বিকাশৰ গতি কিছু হ্ৰাস পায়, শেষৰ পিনে ই দ্ৰুতগতি লয় আৰু কৈশোৰৰ শেষত বৌদ্ধিক ক্ষমতাই চৰম উৎকৰ্ষ লাভ কৰে।

আনহাতে, শৈশৱৰ কালৰ অনুকৰণ-শিক্ষাৰ সলনি নিজৰ বিচাৰ-বুদ্ধিৰে যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা শক্তিৰো বিকাশ হয় এই কালছোৱাতেই। মূৰ্ত চিন্তাৰ বিপৰীতে বিমূৰ্ত চিন্তনৰ ক্ষমতা কৈশোৰ কালৰ এক বৈশিষ্ট্য, যিটোৱে স্বাধীন আৰু মৌলিক চিন্তাধাৰাৰ বিকাশত যথেষ্ট অৰিহণা যোগায়। এক কথাত ক'বলৈ গ'লে, জীৱশ্ৰেষ্ঠ মানুহৰ ভিন ভিন মানসিক ক্ষমতাৰ পূৰ্ণ বিকাশ ঘটে এই কৈশোৰ কালতে।

**আৱেগিক বিকাশ ঃ** কিশোৰ-কিশোৰীৰ আৱেগিক দিশৰ বিকাশ পূৰ্ণতম বুলি ক'ব পাৰি। আৱেগ-অনুভূতিৰ অত্যধিক প্ৰৱণতাৰ ফলত বহু ক্ষেত্ৰত তেওঁলোকৰ জীৱন সম্পূৰ্ণভাৱে আৱেগে পৰিচালিত কৰে। আৱেগৰ পূৰ্ণতম বিকাশে কিশোৰ-কিশোৰীৰ মনোজগতত আলোড়ন সৃষ্টি কৰে; যাৰ ফলত তেওঁলোকৰ মন হৈ পৰে কেতিয়াবা অতি আশাবাদী আৰু কেতিয়াবা অতি নিৰাশাবাদী। আশা-নিৰাশাৰ দোমোজাত পৰি বহু সময়ত বহুতৰে অন্যৰ লগত মিলিব নোৱৰা সমস্যাই দেখা দিয়ে। সুস্থভাৱে নিজৰ মনক পৰিচালিত কৰিব নোৱাৰি বহু সময়ত কিশোৰ-কিশোৰী হৈ পৰে বিদ্ৰোহী মনোভাৱাপন্ন।

পৰিয়ালৰ প্ৰতি, সমাজৰ প্ৰতি নেতিবাচক মনোভাৱ পোষণ কৰা এনে কিশোৰ-কিশোৰীক সময় মতে সুশিক্ষা দিব নোৱাৰিলে সৃষ্টি হয় অপৰাধপ্ৰৱণতা।

**সামাজিক বিকাশ ঃ** কৈশোৰ কালৰ সামাজিক বিকাশ এক লেখত ল'ব লগীয়া বিষয়। দলীয় মনোভাৱৰ লগতে সহমৰ্মিতাৰ উন্মেষ হয় এই কালছোৱাত। সমনীয়াৰ মাজত গভীৰ বন্ধুত্ব আৰু সহযোগিতাৰ ভাব গঢ়ি উঠে। সমনীয়াৰ সৈতে হোৱা প্ৰতিযোগিতা-সহযোগিতাৰ অন্তৰালত গঢ়ি উঠে এক 'উপ-সংস্কৃতি' যাক কিশোৰ-সংস্কৃতি বুলি অভিহিত কৰা হয়। কিশোৰ অৱস্থাৰ চালন-চলন, সাজ-পাৰ, বাক্‌ভংগী, ধ্যান-ধাৰণা আনকি ৰাজনৈতিক মতাদৰ্শ আদিতো এই সংস্কৃতিয়ে যথেষ্ট প্ৰভাৱ পেলোৱা দেখা যায়। মন কৰিব লগীয়া কথা যে বেছিভাগ ক্ষেত্ৰতে কিশোৰ-সংস্কৃতি ধনাত্মক দিশতকৈ ঋণাত্মক দিশটোৰ প্ৰতিহে ধাৱমান হয়। আমাৰ সমাজত দেখা দিয়া সামাজিক ব্যাধিস্বৰূপ মাদক দ্ৰব্যৰ ব্যৱহাৰ, ড্ৰাগ্‌ছৰ প্ৰতি আসক্তি নতুবা সমাজ স্বীকৃত আচৰণৰ প্ৰতি অনীহা আদি বিষয়ত কিশোৰসকলক সুশিক্ষিত কৰি নুতুলিলে তেওঁলোক বিপথগামী হয়।

**নৈতিক বিকাশ ঃ** কৈশোৰ কালছোৱাতে মানুহৰ নিজস্ব মতাদৰ্শ গঢ়ি উঠে আৰু নৈতিক ক্ষেত্ৰত কিছু পৰিমাণে তাৰ প্ৰভাৱ পৰে। ধৰ্মৰ প্ৰতি, দৰ্শনৰ প্ৰতি বা জীৱনৰ লক্ষ্য-উদ্দেশ্যৰ প্ৰতি উৎকণ্ঠা জাগি উঠে আৰু তাৰেই ফলস্বৰূপে মানসিক দ্বন্দ্বৰো সৃষ্টি হ'ব পাৰে। কিছু ক্ষেত্ৰত পিতৃ-মাতৃ বা সমাজৰ বয়োজ্যেষ্ঠজনৰ মতাদৰ্শৰ পৰা ফালৰি কাটি নিজৰ যুক্তি-বিবেচনাৰ এক নতুন নৈতিকতাসমৃদ্ধ সমাজ সৃষ্টি কৰিবলৈ বিচাৰে। যৌৱনৰ অফুৰন্ত শক্তিৰ জোৱাৰে কৈশোৰ মনত সৃষ্টি কৰে এক সাৰ্বজনীন বিশ্ব ভ্ৰাতৃত্বৰ মনোভাৱ। সমাজ সচেতনতাৰ লগতে গঢ়ি উঠে নিঃস্বাৰ্থ মনোভাৱ। যাৰ ফালত কিশোৰে নতুন সমাজ গঢ়াৰ সপোনত ব্ৰতী হয়। ন্যায়ৰ হকে যুঁজিবলৈ লোৱা মনোভাৱৰ বাবেই বিশ্বৰ বহুবোৰ সামাজিক বিপ্লৱত অংশ গ্ৰহণ কৰা লোকসকলৰ অধিকাংশই কিশোৰ-কিশোৰী। নৈতিকতাৰ এনে বিকাশে সামাজিক দায়বদ্ধতা, দেশপ্ৰেম বা বিশ্বপ্ৰেম আদি ভাৱৰ উন্মেষ হোৱাত সহায় কৰে। শাৰীৰিক, মানসিক আদি দিশৰ পৰিৱৰ্তন আৰু বিকাশৰ বাহিৰেও কিশোৰ-কিশোৰীৰ মাজত আন কিছুমান বৈশিষ্ট্যও দেখা যায়। কৈশোৰৰ শিক্ষাৰ ক্ষেত্ৰত এনেবোৰ বৈশিষ্ট্য বিশেষভাৱে মন কৰিব লগীয়া, কিয়নো বিকাশৰ বাকীবোৰ স্তৰত এনে ধৰণৰ বিশেষ বিশেষ মনোভাৱ সামূহিকভাৱে দেখা নাযায়।




দিবাস্বপ্ন বা অলীক কল্পনা হ'ল কৈশোৰ কালৰ তেনে এক বৈশিষ্ট্য। কল্পনা শক্তিৰ অভূতপূৰ্ব বিকাশে কিশোৰ-কিশোৰীৰ মনত কল্পনাৰ মায়াজাল বিস্তাৰ কৰে আৰু বহু ক্ষেত্ৰত বাস্তৱতাৰ পৰা ফালৰি কাটি কেৱল কল্পনাৰ জগততে তেওঁলোকক বিচৰণ কৰা দেখা যায়। অৱশ্যে, দিবাস্বপ্নৰ যোগাত্মক দিশ এটাও আছে, যিয়ে কৈশোৰৰ সৃজনী প্ৰতিভা বিকাশত সহায় কৰিব পাৰে। মানসিক পৰিতৃপ্তি সাধনাৰ বাবে বহুতো কিশোৰ-কিশোৰীয়ে সংগীত, সাহিত্য আদি বিভিন্ন মাধ্যমৰ মাজেৰে নিজৰ সৃষ্টিশীল কল্পনাৰ প্ৰকাশ কৰিবলৈ যত্ন কৰে। আনহাতে, কেৱল কল্পনাৰ মায়াজালতে আবদ্ধ নাথাকি বহুতে দুঃসাহসিক কাৰ্যতো অংশ গ্ৰহণ কৰিবলৈ আগ বাঢ়ি যায়। কিছুমানৰ মনত আকৌ ভ্ৰমণতৃষ্ণা জাগি উঠে, দেশে-বিদেশে ঘূৰি ফুৰাৰ ইচ্ছা হয় আৰু কেতিয়াবা কেতিয়াবা ঘৰৰ অজানিতে ক'ৰবালৈ গুচি যোৱা কিশোৰ-কিশোৰীৰ উদাহৰণো পোৱা যায়।

বীৰপূজাৰ প্ৰবৃত্তি কৈশোৰ কালৰ আন এক বৈশিষ্ট্য। নিজৰ ভাল লগা ব্যক্তিৰ জীৱনৰ আদৰ্শ গ্ৰহণৰ প্ৰবৃত্তি এই সময়ত প্ৰবল হৈ উঠে আৰু সেয়েহে সেই ব্যক্তিৰ ব্যক্তিত্বৰ সকলোবোৰ গুণৰ নীৰৱ অনুকৰণ কিশোৰ-কিশোৰীয়ে কৰিবলৈ লয়। কিশোৰসকলে আদৰ্শ ব্যক্তি হিচাপে গ্ৰহণ কৰা দেখা যায় সচৰাচৰ ছবি জগত নতুবা খেল জগতৰ লগত জড়িত ব্যক্তিসকলক। বীৰপূজনৰ এই প্ৰবৃত্তিক সঠিক পথেৰে নিবলৈ কৈশোৰ কালৰ শিক্ষাৰ পাঠ্যক্ৰমত মহৎ লোকৰ জীৱনী পাঠ অন্তৰ্ভুক্ত কৰা হয়। কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত (Identity crisis)। এই সংঘাত কৈশোৰ মনত আহি পৰে বিপৰীত ভাবাপন্ন বিভিন্ন

অনুভূতিৰ প্ৰভাৱত। নৈতিকতাবোধ, মূল্যবোধ, সামাজিক দায়বদ্ধতা আদি আদৰ্শৰ বাস্তৱ জগতৰ লগত অমিলখিনি কিশোৰ-কিশোৰীয়ে নিজৰ চিন্তা-বুদ্ধি বা বিচাৰ-বিবেচনাৰে ফঁহিয়াই চাব নোৱাৰে। কৈশোৰত গঢ়ি উঠা আদৰ্শবাদৰ লগত বাস্তৱতাৰ সংঘাতে জন্ম দিয়ে পৰিচিতিৰ সংঘাত। সমাজ গঠনত এনে ধৰণৰ সংঘাতে জোৱাৰৰ সৃষ্টি কৰে। কেতিয়াবা কেতিয়াবা এনে শক্তিশালী সংঘাতেই সমাজ-গাঁথনি সলনি কৰি নতুন সমাজ-গাঁথনি সৃষ্টি কৰাত অৰিহণা যোগোৱাও দেখা যায়।

এনেবোৰ পৰিৱৰ্তন আৰু বৈশিষ্ট্যৰ পৰিপ্ৰেক্ষিতত কৈশোৰ কালছোৱাক জীৱনৰ জটিলতম সময় হিচাপে চিহ্নিত কৰাটো যুক্তিসংগত। জীৱনৰ গঠনাত্মক সময় হিচাপে পৰিগণিত হোৱা এই কালৰ বিকাশৰ বাবে উপযোগী শিক্ষাৰ ব্যৱস্থা কৰাটো তাতকৈও বেছি যুক্তিসংগত কথা।

**কৈশোৰ কালৰ উপযোগী শিক্ষা ঃ** কৈশোৰ কালৰ বাবে প্ৰচলিত শিক্ষা হ'ল মাধ্যমিক শিক্ষা। কৈশোৰ বা বয়ঃসন্ধি কালৰ ল'ৰা-ছোৱালীয়ে পঢ়া শিক্ষানুষ্ঠানসমূহ হ'ল মাধ্যমিক শিক্ষাৰ অনুষ্ঠান। অৱশ্যে, কৈশোৰৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে ক'বলৈ গ'লে আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষাকো সমানে গুৰুত্ব দিব লাগিব।




ব্যক্তি জীৱনৰ জটিলতাপূৰ্ণ কৈশোৰ কালক সামৰি লোৱা মাধ্যমিক শিক্ষাই সমগ্ৰ শিক্ষা-ব্যৱস্থাতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কিয়নো মাধ্যমিক শিক্ষাৰ জৰিয়তে এটা জাতিৰ লক্ষ্য আৰু আদৰ্শক উপলব্ধি কৰিব পাৰি। জাতীয় শিক্ষা পদ্ধতিৰ আঁচনি কাৰ্যকৰী কৰিব পাৰি এই স্তৰৰ শিক্ষাতে। স্বাধীনতাৰ পৰৱৰ্তী দশকতে গঠিত হোৱা মাধ্যমিক শিক্ষা আয়োগে (১৯৫২-৫৩) মাধ্যমিক শিক্ষাৰ তিনিটা লক্ষ্যৰ বিষয়ে উনুকিয়াইছে। সেইকেইটা



হ'ল—(১) দেশৰ সমসাময়িক ৰাজনৈতিক, সামাজিক বা অৰ্থনৈতিক সমস্যাৰ পটভূমিত বৰ্তমান আৰু ভৱিষ্যতৰ দাবী পূৰাব পৰাকৈ শিক্ষা-ব্যৱস্থাক গঢ় দিয়া, (২) ধৰ্মনিৰপেক্ষ দেশৰ সুনাগৰিক হিচাপে প্ৰয়োজনীয় গুণ আয়ত্ত কৰি অৰ্থনৈতিক অগ্ৰগতিত সহায় কৰা আৰু (৩) জাতীয় সংহতিৰ বিকাশ সাধন কৰা। আনহাতে, ১৯৮৬ চনত ভাৰত চৰকাৰে ঘোষণা কৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিতো মাধ্যমিক শিক্ষাক গুৰুত্ব সহকাৰে লোৱা হৈছে। এই শিক্ষা বৃত্তিমুখীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে দেশৰ জনশক্তিক অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত আগ বঢ়াই নিব পাৰি। একৈশ শতিকাৰ শিক্ষাৰ বাবে গঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় শিক্ষা আয়োগে (১৯৯৬) মাধ্যমিক শিক্ষাক জীৱনৰ আলি-দোমোজা (Crossroads of Life) বুলি অভিহিত কৰিছে, য'ত ভৱিষ্যৎ জীৱনৰ অতি লাগতিয়াল সমলসমূহ আহৰণ কৰিব পাৰে আৰু যোগ্যতা, অভিৰুচি বা প্ৰয়োজন অনুসৰি নিজস্ব পথেদি (avenue) জীৱনৰ বাটত অগ্ৰসৰ হ'ব পাৰে। কিয়নো শিক্ষা হ'ল সমাজ পৰিৱৰ্তনৰ এক শক্তিশালী মাধ্যম।

এক কথাত ক'বলৈ গ'লে, মাধ্যমিক স্তৰৰ শিক্ষাই প্ৰাথমিক স্তৰৰ শিক্ষাৰ বিস্তাৰ ঘটাই উচ্চ স্তৰৰ শিক্ষাত প্ৰৱেশৰ অধিকাৰ সাব্যস্ত কৰাৰ লগতে স্বয়ংসম্পূৰ্ণ কৰি তোলে।

মাধ্যমিক স্তৰৰ শিক্ষাৰ দুটা প্ৰধান বিশেষত্বৰ প্ৰথমটো হ'ল—এই স্তৰৰ কোনো বিশেষীকৰণ পাঠ্যক্ৰম নাই। মানৱ জাতিৰ বৃহত্তৰ অভিৰুচি অনুসাৰে পাঠ্যক্ৰমৰ পৰিসৰ বহলাই সাধাৰণ (general) শিক্ষা দিব পাৰি এই স্তৰতেই। শিশুৰ ব্যক্তিত্বৰ সামগ্ৰিক বিকাশৰ বাবে এই সাধাৰণ পাঠ্যক্ৰমত বিভিন্নতাৰ পৰিমাণ বৃদ্ধি হোৱা উচিত।

দ্বিতীয়টো হ'ল—এই কালছোৱাৰ ছাত্ৰ-ছাত্ৰীসকল হ'ল কৈশোৰ বা বয়ঃসন্ধি কালৰ। এই সময়ত ব্যক্তিৰ বিভিন্ন বুদ্ধি-বৃত্তিৰ বৃদ্ধি হয়। প্ৰকৃতিৰ বিষয়ে গভীৰভাৱে জানিবলৈ তেওঁলোক কৌতূহলী হৈ পৰে। সমাজখনৰ প্ৰতিও তেওঁলোকৰ আগ্ৰহ বাঢ়ি যায়। নানা কৌতূহল, অনুভূতি আৰু

আকাংক্ষাৰ ফলস্বৰূপে কৈশোৰ মনত সৃষ্টি হোৱা আলোড়নৰ পৰিপ্ৰেক্ষিতত নানা ধৰণৰ চাহিদাৰ উদ্ভৱ হয়। কৈশোৰৰ শাৰীৰিক, মানসিক, আৱেগিক অথবা সামাজিক চাহিদাসমূহ পূৰণৰ অৰ্থে শিক্ষানুষ্ঠানৰ বিভিন্নতা, অপৰ্যাপ্ত ঐচ্ছিক বিষয়ৰ প্ৰৱৰ্তন, বিদ্যালয় আৰু পৰিয়ালৰ মাজৰ সুদৃঢ় যোগসূত্ৰ, বিদ্যালয় আৰু বৃহত্তৰ সমাজৰ পাৰস্পৰিক সম্পৰ্ক স্থাপন আদিত গুৰুত্ব দিয়া হয়। সুপৰিকল্পিতভাৱে গঢ় দিয়া মাধ্যমিক শিক্ষাই সেয়ে কৈশোৰৰ ভিন্নমুখী চাহিদাসমূহ পূৰণ কৰাত সফল হ'ব পাৰে। কেৱল পাঠ্যক্ৰম সংক্ৰান্ত কথাতে গুৰুত্ব নিদি সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীকো যথোপযুক্ত গুৰুত্ব সহকাৰে বিবেচনা কৰিলে এই শিক্ষা কিশোৰ-কিশোৰীৰ বাবে অধিক ফলপ্ৰসূ হ'ব। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা জাতীয় পাঠ্যক্ৰম গাঁথনি ২০০৫ (National Curricular Framework 2005)ৰ পৰামৰ্শাৱলী বিশেষভাৱে প্ৰযোজ্য। এই পাঠ্যক্ৰম-গাঁথনিৰ উদ্দেশ্য অনুসৰি স্কুলত প্ৰদান কৰা জ্ঞানে বাহিৰৰ জগতখনৰ লগত ছাত্ৰ-ছাত্ৰীৰ মনৰ সংযোগ স্থাপন কৰিব লাগে আৰু পাঠ্যক্ৰম কেৱল পাঠ্যপুথিতে আবদ্ধ হৈ থাকিব নালাগে। কেৱল সেয়ে নহয়, জ্ঞানৰ পৰিধি কেৱল বিশেষ বিশেষ বিষয়তে সীমাবদ্ধ নকৰি এক সুসংহত জ্ঞানৰ আভাস ছাত্ৰ-ছাত্ৰীক দিয়াৰ বাবে যত্নপৰ হ'ব লাগে। পাঠ্যক্ৰমৰ মাজেৰে দিয়া জ্ঞানৰ সুসংহত বিকাশৰ কাৰণে শিক্ষাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আটাইবোৰ ব্যক্তি যেনে—পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক আৰু অন্যান্যসকলৰ দায়িত্ব আৰু কৰ্তব্য সমানে গুৰুত্বপূৰ্ণ।

কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা প্ৰাথমিক আৰু মৌলিক বিষয় হ'ল—(১) ভাষা শিক্ষণ, (২) গণিত, (৩) বিজ্ঞান আৰু (৪) সমাজবিজ্ঞান। ইয়াৰ উপৰি আৰু কিছুমান বিষয়ত গুৰুত্ব দিবলৈ স্থিৰ কৰা হৈছে। কাৰিকৰী বিদ্যা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, পৰিৱেশ বিজ্ঞানৰ শিক্ষা, যৌন শিক্ষা আৰু জন শিক্ষা, মানৱ অধিকাৰ আৰু শান্তিৰ



শিক্ষা, মূল্যবোধৰ শিক্ষা আদি কিছুমান ওপৰঞ্চি বিষয়ৰ অন্তৰ্ভুক্তিয়ে মাধ্যমিক স্তৰৰ শিক্ষা স্বয়ংসম্পূৰ্ণ কৰি তুলিছে। ইয়াৰ ফলত কিশোৰ-কিশোৰীৰ দৈহিক, মানসিক, সামাজিক সম্পৰ্কীয় চাহিদাসমূহ পূৰণ হ'ব বুলি ভবা হৈছে।

আজিৰ যুগ বিশ্বায়নৰ যুগ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰাৰ যুগ। ন ন আৱিষ্কাৰে বিশ্বৰ বিভিন্ন স্থানৰ দূৰত্ব সংকুচিত কৰিছে, জনসংযোগৰ বিভিন্ন মাধ্যম, শিক্ষাৰো মাধ্যম হিচাপে পৰিগণিত হৈছে। চলচ্চিত্ৰ, অনাতাঁৰ, দূৰদৰ্শন, ইণ্টাৰনেট আদি বিজ্ঞানৰ আহিলাসমূহে জনসমাজত এক উল্লেখযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু মানসিকভাৱে সম্পূৰ্ণ পৰিপক্ক নোহোৱা কৈশোৰ কালৰ ল'ৰা-ছোৱালীয়ে কিছুমান ক্ষেত্ৰত সময়ৰ সোঁতত উটি যাবলৈ বিচৰাৰ প্ৰৱণতা দেখা যায়, যিটো তেওঁলোকৰ বাবে, সমাজৰ বাবে ক্ষতিকাৰক। প্ৰত্যেক বস্তুৰে ভাল-বেয়া দুয়োটা দিশেই আছে। তাক চালি-জাৰি চাই শুদ্ধাশুদ্ধ বিচাৰ কৰাৰ ক্ষমতা কৈশোৰ কালৰ বাবে নিৰ্ধাৰণ কৰা শিক্ষাই দিব পাৰিব লাগিব। এই ক্ষেত্ৰত মূল্যবোধৰ শিক্ষা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। সংঘাতপূৰ্ণ কৈশোৰ কালৰ প্ৰতিশ্ৰুতিসম্পন্ন কিশোৰ-কিশোৰীক একো একোজন সুযোগ্য, সফল ব্যক্তিত পৰিণত কৰিবলৈ আমাক লাগে এক আদৰ্শ শিক্ষা পদ্ধতি—য'ত আছে বৌদ্ধিক দক্ষতা বৃদ্ধি আৰু অনুভৱশীলতা সৃষ্টিৰ বাবে উপযুক্ত পৰিৱেশ, এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ প্ৰতীতি।

**কঠিন শব্দৰ অৰ্থ ঃ**

অভাৱনীয় — যাক ভাবিব নোৱাৰি, অচিন্তনীয়।
সাৰ্বজনীন — ৰাজহুৱা, বাৰোৱাৰী, ৰাইজ সম্বন্ধীয়।
দিবাস্বপ্ন — অবাস্তৱ কল্পনা।
অলীক — অবাস্তৱ।
প্ৰতীতি — বিশ্বাস, ধাৰণা।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। কৈশোৰ কালৰ এটি বৈশিষ্ট্য উল্লেখ কৰা।

২। কোনছোৱা সময়ক কৈশোৰ কাল বুলি জনা যায়?

৩। মানৱ জীৱনৰ কোনছোৱা কালক ৰূপান্তৰৰ কাল বুলি অভিহিত কৰিব পাৰি ?

৪। নৈতিকতাৰ বিকাশে কিশোৰ-কিশোৰীৰ মনত কেনে ভাবৰ উন্মেষ হোৱাত সহায় কৰে?

৫। কৈশোৰ কালৰ বাবে প্ৰচলিত শিক্ষাক কি শিক্ষা বুলি কোৱা হয়?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। কৈশোৰ কালৰ শাৰীৰিক বিকাশৰ লক্ষণসমূহ চমুকৈ আলোচনা কৰা।

২। কৈশোৰ কালত কিশোৰ-কিশোৰীৰ মাজত পৰিলক্ষিত হোৱা নৈতিক পৰিৱৰ্তনসমূহ ফঁহিয়াই লিখা।

৩। কৈশোৰ কালছোৱাত মানসিক শক্তিৰ বিকাশ কেনেদৰে হয়?

৪। কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা মৌলিক বিষয় কি কি?

৫। কিশোৰ সংস্কৃতি কি?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। কৈশোৰ কালৰ আৱেগিক আৰু সামাজিক বিকাশৰ বিষয়ে বহলাই লিখা।

২। কৈশোৰ কালৰ বাবে কেনে ধৰণৰ শিক্ষা উপযোগী? উদাহৰণসহ বৰ্ণনা কৰা।

৩। চমুটোকা লিখা —
দিবাস্বপ্ন, বীৰপূজা, অপৰাধপ্ৰৱণ কিশোৰ।

৪। 'কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত।' — ব্যাখ্যা কৰা।



৫। 'বিপৰীত লিংগকামিতা কৈশোৰ কালৰ আন এক প্ৰধান বৈশিষ্ট্য। — চমুকৈ আলোচনা কৰা।

**পাঠবোধ ঃ**

বাল্যকাল আৰু প্ৰাপ্তবয়স্কৰ মাজৰ সময়ছোৱা হৈছে কৈশোৰ কাল। এই কালছোৱাক মানৱ জীৱনৰ ৰূপান্তৰৰ কাল বুলি কোৱাৰ উপৰি কোনো কোনো শিক্ষাবিদৰ মতে ইয়াক নৱজাগৰণৰ কাল বুলিও কোৱা হয়। কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে সুস্থভাৱে নিজৰ মনক পৰিচালিত কৰিব নোৱাৰি বহু সময়ত হৈ পৰে বিদ্ৰোহী। তেনে সময়ত সু-শিক্ষা দিব নোৱাৰিলে তেওঁলোক বিপথগামী হৈ পৰে।

কৈশোৰ কালৰ ল'ৰা-ছোৱালীয়ে পঢ়া শিক্ষানুষ্ঠান হ'ল মাধ্যমিক শিক্ষাৰ অনুষ্ঠান। এই সময়ত আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষাকো সমানে গুৰুত্ব দিয়া উচিত।

১৯৫২ চনত মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ তিনিটা লক্ষ্যৰ বিষয়ে উনুকিয়াইছে। সেইকেইটা হ'ল—

(১) দেশৰ সমসাময়িক ৰাজনৈতিক, সামাজিক বা অৰ্থনৈতিক সমস্যাৰ পটভূমিত বৰ্তমান আৰু ভৱিষ্যতৰ দাবী পূৰাব পৰাকৈ শিক্ষা-ব্যৱস্থাক গঢ় দিয়া।

(২) ধৰ্মনিৰপেক্ষ দেশৰ সুনাগৰিক হিচাপে প্ৰয়োজনীয় গুণ আয়ত্ত কৰি অৰ্থনৈতিক অগ্ৰগতিত সহায় কৰা।

(৩) জাতীয় সংহতিৰ বিকাশ সাধন কৰা।

মাধ্যমিক স্তৰৰ শিক্ষাৰ দুটা প্ৰধান বিশেষত্বৰ প্ৰথমটো হ'ল, এই স্তৰৰ কোনো বিশেষীকৰণ পাঠ্যক্ৰম নাই। মানৱ জাতিৰ বৃহত্তৰ অভিৰুচি অনুসাৰে পাঠ্যক্ৰমৰ পৰিসৰ বহলাই সাধাৰণ শিক্ষা দিব পাৰি এই স্তৰতেই।

দ্বিতীয়টো হ'ল, এই সময়ত ব্যক্তিৰ বিভিন্ন বুদ্ধি-বৃত্তিৰ বৃদ্ধি হয়। প্ৰবৃত্তিৰ বিষয়ে গভীৰভাৱে জানিবলৈ কৌতূহলী হৈ পৰে। ফলত কৈশোৰ মনত সৃষ্টি হোৱা আলোড়নৰ পৰিপ্ৰেক্ষিতত নানা ধৰণৰ চাহিদাৰ উদ্ভৱ হয়। ইয়াৰ বাবে

শিক্ষানুষ্ঠানৰ বিভিন্নতা, অপৰ্যাপ্ত ঐচ্ছিক বিষয়ৰ প্ৰৱৰ্তন, বিদ্যালয় আৰু পৰিয়ালৰ মাজত যোগসূত্ৰ স্থাপন আদিত গুৰুত্ব দিয়া হয়।

কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা প্ৰাথমিক আৰু মৌলিক বিষয় হ'ল—(১) ভাষা (২) গণিত (৩) বিজ্ঞান আৰু (৪) সমাজবিজ্ঞান। ইয়াৰ বাহিৰেও কাৰিকৰী বিদ্যা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, পৰিৱেশ বিজ্ঞানৰ শিক্ষা, মূল্যবোধৰ শিক্ষা আদি ঐচ্ছিক বিষয়ৰ অন্তৰ্ভুক্তিয়ে মাধ্যমিক স্তৰৰ শিক্ষা স্বয়ংপূৰ্ণ কৰি তুলিছে।

বৰ্তমান যুগ বিশ্বায়নৰ যুগ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰাৰ যুগ। গতিকে সংঘাতপূৰ্ণ কৈশোৰ কালৰ প্ৰতিশ্ৰুতিসম্পন্ন কিশোৰ-কিশোৰীক একো একোজন সুযোগ্য, সফল ব্যক্তিত পৰিণত কৰিবলৈ আমাক লাগে এক আদৰ্শ শিক্ষা পদ্ধতি, য'ত আছে এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ প্ৰতীতি।

**ওপৰঞ্চি তথ্য ঃ**

যৌন আচৰণ সম্পৰ্কে সঠিক জ্ঞান নথকা কাৰণে বহুতো মানুহ বিভিন্ন দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হয়। সেই বাবে ভাৰত চৰকাৰে ছাত্ৰ-ছাত্ৰীক উপযুক্ত যৌন-শিক্ষা দিয়াৰো পোষকতা কৰিছে।

**শিক্ষকৰ প্ৰতি ঃ**

(ক) সত্যনাথ বৰাৰ 'জীৱনৰ শান্তি পৰ্ব' শীৰ্ষক প্ৰবন্ধটো পঢ়িবলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিব পাৰে।

(খ) কৈশোৰ কালৰ কাৰ্য-কলাপৰ ছবি অংকিত এই গ্ৰন্থ দুখন ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ পৰামৰ্শ দিব পাৰে—

(১) হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়'।

(২) যতীন বৰুৱাৰ 'শিশু বিকাশৰ ৰূপৰেখা'।

●●●

# অসমীয়া ভাষাৰ ব্যাকৰণ

**ব্যাকৰণ ঃ**

কোনো এটা ভাষাৰ গঠন পদ্ধতিৰ বিজ্ঞানসন্মত আৰু তন্ন তন্ন বিচাৰ-বিশ্লেষণেই সেই ভাষাটোৰ ব্যাকৰণ। অৰ্থাৎ ব্যাকৰণ এখনত নিৰ্দিষ্ট ভাষা এটাৰ গাঁথনিক দিশৰ বিশ্লেষণ বিজ্ঞানসন্মতভাৱে দাঙি ধৰা হয়। গতিকে ব্যাকৰণ পুথি এখন পঢ়িলেই ভাষা এটা শুদ্ধকৈ লিখিব বা ক'ব পাৰি বুলি ধাৰণা কৰাটো সমীচীন নহয়। ব্যাকৰণ এখন পঢ়িলে কোনো এটা ভাষাৰ গঠন পদ্ধতিৰ বিষয়ে জানিব পাৰি।

ভাষা এটাৰ গঠন পদ্ধতি সম্পাদন হয় প্ৰধানতঃ চাৰিটা উপাদানৰ সমন্বয়ত। সেই উপাদানকেইটা হৈছে— ধ্বনি, শব্দ, বাক্য আৰু অৰ্থ। ব্যাকৰণত ধ্বনি, শব্দ আৰু বাক্য— এই তিনিটা উপাদানৰ আলোচনাহে থাকে।

**ব্যাকৰণৰ উপাদানসমূহ ঃ**

**(ক) ধ্বনি ঃ** ধ্বনি হৈছে ভাষা এটাৰ আটাইতকৈ ক্ষুদ্ৰ উপাদান। মানুহে বাগিন্দ্ৰিয়ৰ সহায়ত (ওঁঠ, জিভা, দাঁত, তালু, ঘটিকা, গলকোষ, শ্বাসনলী, নাসিকা বিবৰ, হাঁওফাঁও আদি অংগসমূহ) ধ্বনি উচ্চাৰণ কৰে বাবে ইয়াক বাগ্‌ধ্বনি বোলা হয়। মানুহে শ্বাস-প্ৰশ্বাস লওঁতে হাঁওফাঁওলৈ বায়ু সোমায় আৰু হাঁওফাঁওৰ পৰা বায়ু ওলাই আহে। এই বায়ুপ্ৰবাহৰ সোঁতক ওঁঠ আৰু জিভাৰ সহায়ত দাঁত, তালু আদি অংগবোৰত ৰোধ বা নিয়ন্ত্ৰণ কৰাৰ ফলত

যি নাদৰ সৃষ্টি হয়, সেয়াই বাগ্‌ধ্বনি। দৰাচলতে মানুহৰ মাত বা কথাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগবোৰেই হৈছে বাগ্‌ধ্বনি।

ধ্বনিৰ বিশিষ্ট ৰূপটোৰেই হৈছে বৰ্ণ। অৰ্থাৎ কোনো এটা ভাষাৰ সুকীয়া উচ্চাৰণ বৈশিষ্ট্য থকা ধ্বনিবোৰেই হৈছে সেই ভাষাটোৰ বৰ্ণ। আনহাতে আখৰ হৈছে ধ্বনি বুজাবলৈ ব্যৱহাৰ কৰা চিহ্ন বা প্ৰতীক। ধ্বনি, বৰ্ণ আৰু আখৰৰ নিজা অৰ্থ নাই।

**(খ) শব্দ ঃ** এক বা একাধিক বৰ্ণৰে গঠিত ভাষাৰ অৰ্থযুক্ত গোটকে শব্দ বোলে। যেনে— ই, সি, ক, মানুহ, গৰু, ঘৰ আদি। শব্দ এটা উচ্চাৰণ কৰাৰ লগে লগে ইয়াৰ লগত জড়িত অৰ্থটো আপোনা-আপুনি স্পষ্ট হয়। কেতিয়াবা দুটা ভিন্ন অৰ্থযুক্ত শব্দ লগ লাগিও অন্য এটা অৰ্থযুক্ত শব্দ গঠন হ'ব পাৰে। যেনে— তল-সৰা, তলা-নলা, চকু-মুদা ইত্যাদি। এইদৰে বিভিন্ন ধৰণে শব্দ গঠন হ'ব পাৰে।

**(গ) বাক্য ঃ** ভাষাৰ আটাইতকৈ ডাঙৰ উপাদানবিধেই হৈছে বাক্য। শব্দৰ সুসমন্বয়ত বাক্য গঢ় লৈ উঠে। পৰস্পৰ সম্বন্ধযুক্ত শব্দসমষ্টিয়ে একোটা মনোভাৱ পূৰ্ণকৈ প্ৰকাশ কৰিব পাৰিলে একোটা বাক্য হয়। বাক্যত সংযুক্ত শব্দবোৰ এটা ক্ৰমত লগ লাগে। পূৰ্ব প্ৰসংগ থাকিলে কেতিয়াবা এটা শব্দৰেও বাক্য গঠন হ'ব পাৰে। যেনে—

তুমি ভাত খালানে? (তিনিটা শব্দৰে গঠন হোৱা বাক্য)

খালোঁ। (এটা শব্দৰে গঠন হোৱা বাক্য)

## (ক) অসমীয়া ভাষাৰ বিভক্তি ঃ

ভাষাৰ ক্ষুদ্ৰতম অৰ্থৱহ গোটবোৰেই হৈছে ৰূপ বা প্ৰাকৃতি (morpheme)। কিছুমান প্ৰাকৃতিৰ অৰ্থ স্বতন্ত্ৰভাৱে প্ৰকাশ পায়; যেনে— মানুহ, ফুল, ধান, কৰ্, খা ইত্যাদি। এনেবোৰ প্ৰাকৃতিক মুক্ত প্ৰাকৃতি বোলা হয়। এই মুক্ত প্ৰাকৃতিবোৰৰ প্ৰত্যেকটোৰেই একো একোটা শব্দ। আনহাতে কিছুমান প্ৰাকৃতিৰ অৰ্থ স্বতন্ত্ৰভাৱে প্ৰকাশ নাপায়। আন প্ৰাকৃতিৰ লগত যুক্ত হ'লেহে সেইবোৰ প্ৰাকৃতিৰ অৰ্থ প্ৰকাশিত হয় যেনে ঃ -জন (মানুহজন), -ৰ (মানুহৰ),



-অনি (ধাননি, ফুলনি), -এ (ধানে, ফুলে), -ওঁ (কৰোঁ, খাওঁ) ইত্যাদি। -জন, -ৰ, -অনি, -এ, -ওঁ ইত্যাদি ধৰণৰ প্ৰাকৃতিবোৰে অকলে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। অকলে অৰ্থ প্ৰকশ কৰিব নোৱাৰা এনেধৰণৰ প্ৰাকৃতিকে যুক্ত প্ৰাকৃতি বা সৰ্গ বোলে।

সৰ্গবোৰৰ কিছুমানে আন প্ৰাকৃতিৰ লগত যোগ হৈ নতুন অৰ্থৱহ শব্দৰ সাধন কৰিব পাৰে আৰু কিছুমানে শব্দৰ সাধন কৰিব নোৱাৰে, কেৱল শব্দৰ ৰূপৰহে সলনি কৰিব পাৰে। নতুন অৰ্থৱহ শব্দৰ সাধন কৰিব পৰা সৰ্গক প্ৰত্যয় আৰু শব্দৰ ৰূপৰ সলনি ঘটাব পৰা সৰ্গক বিভক্তি বোলা হয়।

বিভক্তিয়ে বাক্যত প্ৰয়োগ হোৱা শব্দৰ স্থান নিৰ্ণয় কৰে। অৰ্থাৎ যিবোৰ সৰ্গই বাক্যত প্ৰযুক্ত শব্দবোৰৰ ক্ৰম নিৰ্ণয় কৰি অৰ্থৰ সংগতি ৰক্ষা কৰে আৰু যিবোৰ সৰ্গ যুক্ত হ'লে শব্দৰ ৰূপৰ পৰিৱৰ্তন ঘটে, সেইবোৰ সৰ্গই বিভক্তি।

কেতিয়াবা বিভক্তি যোগ নোহোৱাকৈও বাক্যত শব্দ যুক্ত হোৱা দেখা যায়। যেনে—

মানুহ আহিছে।

মানুহে ভাত খাইছে।

তই কামটো কৰ্।

ওপৰৰ তিনিওটা বাক্যত তলত আঁচ টনা শব্দকেইটা বিভক্তি যোগ নোহোৱাকৈ প্ৰয়োগ হৈছে। বিভক্তি লগ নলগাকৈ বাক্যত যোগ হোৱা এনেবোৰ শব্দত -০ (শূন্য) বিভক্তি প্ৰয়োগ হোৱা বুলি ধৰি লোৱা হয়। অৰ্থাৎ—

প্ৰথম বাক্যত ঃ মানুহ + -০ (শূন্য) বিভক্তি

দ্বিতীয় বাক্যত ঃ ভাত + -০ (শূন্য) বিভক্তি

তৃতীয় বাক্যত ঃ কৰ্ + -০ (শূন্য) বিভক্তি

**বিভক্তিৰ শ্ৰেণীবিভাগ ঃ**

বিভক্তিবোৰ ধাতুমূলীয় আৰু নামমূলীয় শব্দত যোগ হয়। সেই হিচাপে অসমীয়া ভাষাত বিভক্তি প্ৰধানতঃ দুই প্ৰকাৰৰ—

(১) ক্রিয়াবিভক্তি বা ধাতুৰূপৰ পুৰুষবাচক বিভক্তি

(২) নামবিভক্তি

নামবিভক্তি দুই প্ৰকাৰৰ ঃ

সম্বন্ধবাচক শব্দৰ পাছত যোগ হোৱা পুৰুষবাচক বিভক্তি আৰু কাৰকবাচক বিভক্তি বা শব্দবিভক্তি।

**(১) ক্রিয়াবিভক্তি বা ধাতুৰূপৰ পুৰুষবাচক বিভক্তি ঃ** পুৰুষ অনুযায়ী ধাতুৰ পিছত যোগ হোৱা বিভক্তিবোৰেই ক্রিয়াবিভক্তি বা ধাতুৰূপৰ পুৰুষবাচক বিভক্তি। তলত পুৰুষ অনুযায়ী এই বিভক্তিৰ প্ৰয়োগ দেখুওৱা হ'ল ঃ

**(ক) প্ৰথম পুৰুষৰ বিভক্তি ঃ** অসমীয়া ভাষাত প্ৰথম পুৰুষত ধাতুৰ পিছত যোগ হোৱা বিভক্তি হৈছে দুটা ঃ বৰ্তমান আৰু অতীত কালৰ প্ৰথম পুৰুষৰ বিভক্তি **-ওঁ** আৰু ভৱিষ্যত কালৰ প্ৰথম পুৰুষৰ বিভক্তি -ইম্।

স্বৰান্ত শব্দত -**ইম্**টো **-ম্** হিচাপে ব্যৱহাৰ হয়।

বৰ্তমান আৰু অতীত কালত -ওঁ বিভক্তিৰ ব্যৱহাৰ ঃ

মই **খাওঁ** (খা + ওঁ)।

মই **খাইছোঁ** (খা + ইছ্ + ওঁ)।

আমি **খাইছিলোঁ** (খা + ইছ্ + ইল্ + ওঁ)।

ভৱিষ্যত কালত -ইম্/-ম্ বিভক্তিৰ ব্যৱহাৰ ঃ

মই/আমি কামটো **কৰিম** (কৰ্ + ইম্)।

মই/আমি ভাত **খাম** (খা + -ম্)।

**(খ) দ্বিতীয় পুৰুষৰ বিভক্তি ঃ** অসমীয়া ভাষাত দ্বিতীয় পুৰুষত বিভক্তিৰ দুটা ৰূপ ঃ তুচ্ছ আৰু মান্য। তুচ্ছ ৰূপত ব্যৱহাৰ হোৱা ক্রিয়াবিভক্তি হৈছে ঃ -অ আৰু -ই; যেনে,

তই/তহঁতে সদায় কামটো **কৰ** (কৰ্ + অ)।

তই/তহঁতে কামটো **কৰিছিলি** (কৰ্ + ইছ্ + ইল্ + ই)।

তই/তহঁতে কামটো **কৰিবি** (কৰ্ + ইব্ + ই)।

মান্য ৰূপত ব্যৱহৃত ক্রিয়াবিভক্তি হৈছে ঃ -আ; প্ৰয়োগৰ উদাহৰণ—



তুমি/তোমালোকে কামটো **কৰা** (কৰ্ + আ)।

তুমি/তোমালোকে কামটো **কৰিছা** (কৰ্ + ইছ্ + আ)।

তুমি/তোমালোকে কামটো **কৰিছিলা** (কৰ্ + ইছ্ + ইল্ + আ)।

তুমি/তোমালোকে কামটো **কৰিবা** (কৰ্ + ইব্ + আ)।

**(গ) তৃতীয় পুৰুষৰ বিভক্তি ঃ** অসমীয়া ভাষাৰ তৃতীয় পুৰুষত প্ৰয়োগ হোৱা ক্রিয়াবিভক্তি হৈছে দুটা ঃ -এ আৰু -য়; -এ ব্যঞ্জনান্ত আৰু -য় স্বৰান্ত ধাতুত যোগ হয়।

উদাহৰণ ঃ

সি/সিহঁতে/তেওঁ/তেওঁলোকে কৰে (কৰ্ + -এ)।

সি/সিহঁতে/তেওঁ/তেওঁলোকে খায় (খা + -য়)।

মন কৰিবলগীয়া যে অতীত আৰু ভৱিষ্যত কালৰ তৃতীয় পুৰুষত কোনো বিভক্তি যোগ নহয়। যেনে,

সি/সিহঁতে/তেওঁ/তেওঁলোকে কৰিছিল (কৰ্ + -ইছ্ + -ইল + -০)।

সি/সিহঁতে/তেওঁ/তেওঁলোকে কৰিব (কৰ্ + -ইব + -০)।

অসমীয়া ভাষাত অনুজ্ঞা ভাবত (আদেশ, অনুৰোধ, অনুমতি, আশীৰ্বাদ, ইচ্ছা আদি বুজোৱা) দ্বিতীয় আৰু তৃতীয় পুৰুষত ধাতুৰ পিছত কিছুমান বিভক্তি যোগ হয়। এইবোৰ অনুজ্ঞাৰ বিভক্তি। এই বিভক্তিবোৰ হৈছে—

দ্বিতীয় পুৰুষ মান্য ৰূপত ঃ -আ

তুচ্ছ ৰূপত ঃ -০, -ই

তৃতীয় পুৰুষ ঃ -অক (-ওক)

**দ্বিতীয় পুৰুষত অনুজ্ঞাৰ বিভক্তিৰ ব্যৱহাৰ ঃ**

| **মান্য ৰূপ** | **তুচ্ছ ৰূপ** |
|---|---|
| তুমি/তোমালোকে কৰা (কৰ্ + -আ)। | তই/তহঁতে কৰ্ (কৰ্ + -০)। |
| তুমি/তোমালোকে কৰিবা (কৰ্ + -ইব্ + -আ)। | তই/তহঁতে কৰিবি (কৰ্ + ইব্ + -ই)। |

| | |
|---|---|
| তুমি/তোমালোকে দিবা (দি + -ব্ + -আ)। | তই/তহঁতে দিবি (-ইব্) (দি + -ব্ + -ই)। |

দ্বিতীয় পুৰুষৰ বৰ্তমান আৰু ভৱিষ্যত কালৰ বাক্যতহে অনুজ্ঞাৰ ভাব প্ৰকাশ হয়। এনে বাক্যবোৰত অনুজ্ঞাবাচক সুৰ বা লয় নিহিত হৈ থাকে।

**তৃতীয় পুৰুষত অনুজ্ঞাৰ বিভক্তিৰ ব্যৱহাৰ ঃ**

সি/সিহঁতে/তেওঁ/তেওঁলোকে কৰক (কৰ্ + -অক)

সি/সিহঁতে/তেওঁ/তেওঁলোকে খাওক (খা + -ওক)

**(২) নাম বিভক্তি ঃ**

**(ক) সম্বন্ধবাচক বিশেষ্যৰ পুৰুষবাচক বিভক্তি ঃ**

অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্য শব্দৰ পিছত পুৰুষ অনুযায়ী নিৰ্দিষ্ট বিভক্তি কিছুমান যোগ হয়; এইবোৰেই সম্বন্ধবাচক বিশেষ্যৰ পুৰুষবাচক বিভক্তি। ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত একমাত্ৰ অসমীয়া ভাষাতহে পুৰুষ অনুযায়ী সম্বন্ধ পদৰ সুকীয়া ৰূপ হয়। অসমীয়া ভাষাৰ এই বিভক্তিকেইটা হৈছে ঃ -ৰা (-এৰা), -ৰ (-অৰ), -ক (-এক)।

প্ৰথম পুৰুষত কোনো বিভক্তি যোগ নহয় বাবে তাত -০ (শূন্য) বিভক্তি যোগ হোৱা বুলি ধৰি লোৱা হয়। দ্বিতীয় আৰু তৃতীয় পুৰুষত যোগ হোৱা -ৰা (-এৰা), -ৰ (-এৰ), -ক (-এক) বিভক্তিকেইটাৰ প্ৰয়োগ ধ্বনিসাপেক্ষে। -আ স্বৰান্ত সম্বন্ধবাচক শব্দৰ পিছত -ৰা, -ৰ, -ক বিভক্তি তিনিটা আৰু -আ ভিন্ন অন্য স্বৰান্ত তথা ব্যঞ্জনান্ত শব্দৰ পিছত -এৰা, -এৰ, -এক বিভক্তি তিনিটা যোগ হয়।

সম্বন্ধবাচক শব্দৰ পাছত যোগ হোৱা পুৰুষবাচক বিভক্তি ঃ

**দ্বিতীয় পুৰুষৰ বিভক্তি ঃ** -ৰা (-এৰা), ৰ (-এৰ)

| **মান্য ৰূপ** | **তুচ্ছ ৰূপ** |
|---|---|
| তোমাৰ দেউতাৰা (দেউতা+-ৰা)। | তোৰ দেউতাৰ (দেউতা + -ৰ)। |
| তোমাৰ মাৰা (মা + -ৰা) | তোৰ মাৰ (মা + -ৰ)। |
| তোমাৰ শহুৰেৰা (শহুৰ + -এৰা) | তোৰ শহুৰেৰ (শহুৰ + -এৰ)। |
| তোমাৰ পেহীয়েৰা (পেহী+ -এৰা) | তোৰ পেহীয়েৰ (পেহী + -এৰ)। |



**তৃতীয় পুৰুষৰ বিভক্তি ঃ** -ক (-এক)

তাৰ / সিহঁতৰ দেউতাক (দেউতা + -ক)।

তাইৰ / সিহঁতৰ মাক (মা + -ক)।

ৰামৰ শহুৰেক (শহুৰ + -এক)।

সীতাৰ পেহীয়েক (পেহী + -এক)।

**(খ) কাৰকবাচক বিভক্তি বা শব্দবিভক্তি ঃ** কাৰকৰ লগত যোগ হোৱা বিভক্তিবোৰকে কাৰকবাচক বিভক্তি বা শব্দবিভক্তি বোলা হয়।

বাক্যত ক্ৰিয়াৰ সৈতে হোৱা বিভিন্ন নামশব্দৰ সম্বন্ধই কাৰক। বাক্যৰ বিভিন্ন স্থানত বহি কাৰকে ক্ৰিয়াৰ সৈতে সম্বন্ধ স্থাপন কৰে। অসমীয়া ভাষাত কাৰক ছয় প্ৰকাৰৰ ঃ কৰ্তাকাৰক, কৰ্মকাৰক, কৰণকাৰক, নিমিত্তকাৰক, অপাদানকাৰক আৰু অধিকৰণকাৰক।

কেতিয়াবা এটা নামশব্দৰ ক্ৰিয়াৰ পৰিৱৰ্তে অন্য এটা নামশব্দৰ সৈতে সম্বন্ধ স্থাপিত হয়। দুটা নামশব্দৰ এনে সম্পৰ্কক সম্বন্ধ পদ বোলে।

উদাহৰণস্বৰূপে—

**দেউতাৰ** কলম।

**ৰামৰ** ভনীয়েক।

উদাহৰণ দুটাত নাম শব্দৰ সৈতে নামশব্দৰহে সম্বন্ধ ঘটিছে। সম্বন্ধ পদ বিশুদ্ধ কাৰক নহয়। কিন্তু ইয়াত শব্দবিভক্তি যোগ হয়।

কাৰক আৰু সম্বন্ধপদৰ অৰ্থ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা সৰ্গবোৰেই কাৰকবাচক বিভক্তি বা শব্দবিভক্তি। অসমীয়াত কাৰকবাচক বিভক্তি ছটা। সেইবোৰ হৈছে—

প্ৰথমা ঃ -এ(-ই) (কৰ্তা কাৰক)

দ্বিতীয়া ঃ -ক(-অক) (কৰ্ম কাৰক)

তৃতীয়া ঃ -ৰে(-এৰে) (কৰণ কাৰক)

চতুৰ্থী ঃ -লৈ(-অলৈ) (নিমিত্ত কাৰক)

ষষ্ঠী ঃ -ৰ(-অৰ) (সম্বন্ধ পদ)

সপ্তমী ঃ -ত(-অত) (অধিকৰণ কাৰক)

অসমীয়া ভাষাত কৰ্তা আৰু কৰ্ম কাৰকত কেতিয়াবা কোনো বিভক্তি যোগ নহয়। তেনেক্ষেত্ৰত কৰ্তা আৰু কৰ্ম কাৰকত -০ (শূন্য) বিভক্তি যোগ হোৱা বুলি ধৰি লোৱা হয়। আনহাতে অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু সংস্কৃতত থকাৰ দৰে অসমীয়া ভাষাত পঞ্চমী বিভক্তি নাই। অসমীয়াত সম্বন্ধপদৰ বিভক্তি অৰ্থাৎ ষষ্ঠীৰ -ৰ(-অৰ) বিভক্তিৰ পিছত 'পৰা' অনুপদ যোগ দিহে অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। অসমীয়া ভাষাত আন কেইটামান অনুপদৰ জৰিয়তেও কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। কৰণ কাৰকত তৃতীয়াৰ -ৰে(-এৰে) বিভক্তি যোগ হোৱাৰ উপৰিও দি, দ্বাৰা, জৰিয়তে, হতুৱাই, সৈতে আদি অনুপদৰো ব্যৱহাৰ হয়।

তলত কাৰক অনুযায়ী কাৰকবাচক বিভক্তিবোৰৰ প্ৰয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

**কৰ্তাকাৰকৰ বিভক্তি ঃ** -০ (শূন্য) আৰু -এ(-ই);

যি কৰে বা হয়, সেয়াই কৰ্তাকাৰক। কৰ্তাকাৰকত -০ (শূন্য) বিভক্তি আৰু প্ৰথমাৰ -এ(-ই) বিভক্তি যোগ হয়। ব্যঞ্জনান্ত শব্দত -এ আৰু স্বৰান্ত শব্দত -ই যোগ হয়। যেনে—

মানুহ (মানুহ + -০) আহিছে।
মানুহে (মানুহ + -এ) ভাত খায়।
সীতাই (সীতা + -ই) পঢ়িছে।
পাৰই (পাৰ + -ই) ৰুণ দিছে।

**কৰ্মকাৰকৰ বিভক্তি ঃ** -০ (শূন্য) আৰু -ক (-অক); কৰ্তাই যাৰ ওপৰত ক্ৰিয়া সম্পাদন কৰে তাকে কৰ্মকাৰক বোলে। কৰ্মকাৰকত -০ (শূন্য) আৰু দ্বিতীয়াৰ -ক (-অক) বিভক্তি যোগ হয়। স্বৰান্ত শব্দত -ক বিভক্তি আৰু ব্যঞ্জনান্ত শব্দত -অক বিভক্তি প্ৰয়োগ হয়। যেনে—

মানুহে ভাত (ভাত + -০) খায়।
বাঘে হৰিণা (হৰিণা + -০) খায়।



মানুহে প্ৰকৃতিক (প্ৰকৃতি + -ক) ভাল পাব লাগে।
মানুহে মানুহক (মানুহ + -অক) হিংসা কৰিব নালাগে।

**কৰণকাৰকৰ বিভক্তি ঃ** -ৰে (-এৰে)

যাৰ বা যিহৰ সহায়ত কৰ্তাই ক্ৰিয়া সম্পাদন কৰে তাকে কৰণকাৰক বোলা হয়। অসমীয়া ভাষাত স্বৰান্ত শব্দত -ৰে আৰু ব্যঞ্জনান্ত শব্দত -এৰে বিভক্তি যুক্ত হৈ কৰণকাৰকৰ অৰ্থ প্ৰকাশ হয়। যেনে—

তাই কটাৰীৰে (কটাৰী + -ৰে) তামোল কাটিছে।
নাপিতে কেঁচীৰে (কেঁচী + -ৰে) চুলি কাটে।
বনুৱাই কোৰেৰে (কোৰ + -এৰে) মাটি খান্দিছে।
তেওঁ সদায় চামুচেৰে (চামুচ + -এৰে) ভাত খায়।

দি, দ্বাৰা, জৰিয়তে, হতুৱাই, সৈতে আদি অনুপদৰ সহায়তো কৰণকাৰকৰ অৰ্থ প্ৰকাশ কৰিব পাৰি। এইক্ষেত্ৰত প্ৰথমাৰ -এ আৰু ষষ্ঠীৰ ৰ(-অৰ) বিভক্তিযুক্ত পদৰ পিছত অনুপদবোৰ যোগ হয়।

'দি' অনুপদ -এ বিভক্তিৰ পিছত আৰু বাকীবোৰ -ৰ বিভক্তিৰ পিছত বহে। যেনে—

তুমি কামটো হাতেদি (হাত + -এ + দি) কৰা।
দেউতাৰদ্বাৰা (দেউতা + -ৰ + দ্বাৰা) কামটো কৰাম।
ৰমেশৰ জৰিয়তে (ৰমেশ + -অৰ + জৰিয়তে) মই তালৈ যাম।
গীতাৰ হতুৱাই (গীতা + -ৰ + হতুৱাই) তোমাক খবৰটো দিম।
ছোৱালীজনী মাকৰ সৈতে (মাক + -অৰ + সৈতে) আহিছে।

ইত্যাদি

**নিমিত্ত বা নিমিত্তাৰ্থক কাৰকৰ বিভক্তি ঃ** -লৈ (-অলৈ)

দিশ, উদ্দেশ্য, লক্ষ্য, নিমিত্ত আদি অৰ্থ প্ৰকাশ কৰিবলৈ ক্ৰিয়াৰ সৈতে সম্বন্ধ ঘটা পদকে নিমিত্ত বা নিমিত্তাৰ্থক কাৰক বোলে। নিমিত্তকাৰকত চতুৰ্থীৰ -লৈ (স্বৰান্ত শব্দত) আৰু -অলৈ (ব্যঞ্জনান্ত শব্দত) বিভক্তি যোগ হয়।

যেনে—

মই দিল্লীলৈ (দিল্লী + -লৈ) গৈছিলোঁ।

এইপাহ ফুল তোমালৈ (তোমা- + -লৈ) আনিছোঁ।

দেউতা বজাৰলৈ (বজাৰ + -অলৈ) গ'ল।

ভাল কামে জীৱনলৈ (জীৱন + -অলৈ) খ্যাতি আনে।

**অপাদান কাৰক ঃ**

"যাৰ পৰা বা যিহৰ পৰা উৎপন্ন হোৱা, আৰম্ভ হোৱা, পতিত হোৱা, ভয় পোৱা, ৰক্ষা পোৱা, আঁতৰ হোৱা" বুজায়, সিয়ে অপাদান কাৰক। অসমীয়া ভাষাত অপাদান কাৰকৰ সুকীয়া বিভক্তি নাই। সম্বন্ধপদত যোগ হোৱা ষষ্ঠীৰ -ৰ (-অৰ) বিভক্তিৰ পিছত 'পৰা' অনুপদ যোগ দিহে অসমীয়াত অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে—

গুটিৰপৰা (গুটি + -ৰ + পৰা) গছ হয়।

কুকুৰৰ পৰা (কুকুৰ + -অৰ + পৰা) সাৱধানে থাকিব।

**সম্বন্ধ পদ ঃ** সম্বন্ধ পদ কাৰক নহয়। কিন্তু ইয়াত ষষ্ঠী বিভক্তি **-ৰ/-অৰ** যোগ হয়। সেয়েহে ইয়াৰ আলোচনা কাৰকৰ লগতে কৰা হয়। ষষ্ঠী বিভক্তিক ধৰিহে অসমীয়া ভাষাত বিভক্তি ছটা। সম্বন্ধ পদৰ উদাহৰণঃ

দেউতাৰ (দেউতা + -ৰ) কলম।

ৰামৰ (ৰাম + -অৰ) ভনীয়েক।

**অধিকৰণ কাৰকৰ বিভক্তি ঃ** -ত (-অত)

স্থান, কাল, পাত্ৰ আদি যিহৰ আধাৰত ক্ৰিয়া সম্পাদন হয়, সেয়াই অধিকৰণ কাৰক। অধিকৰণ কাৰকত সপ্তমীত -ত (স্বৰান্ত শব্দত) আৰু -অত (ব্যঞ্জনান্ত শব্দত) বিভক্তি যোগ হয়।

যেনে—

হাবিত (হাবি + -ত) সাপ থাকে।

পানীত (পানী + -ত) মাছ থাকে।

আকাশত (আকাশ + -অত) চৰাই উৰিছে।

কলমটো মেজত (মেজ + -অত) আছে।



প্ৰথমা -এ(ই) বিভক্তিৰ সহায়তো কেতিয়াবা অধিকৰণ কাৰকৰ অৰ্থ প্ৰকাশ হয়। যেনে—

সি ঘাটে ঘাটে পানী খাইছে।

তাই বাটে বাটে ঘূৰি ফুৰিছে।

কথাই কথাই তৰ্ক নকৰিবা। ইত্যাদি।

শব্দৰ লগত শব্দৰ সম্বন্ধ ঘটা হিচাপে সম্বন্ধপদ বিশুদ্ধ কাৰক নহয়। কিন্তু ৬ষ্ঠী বিভক্তি যোগ হোৱাৰ কাৰণে কাৰকৰ শিতানত সম্বন্ধ পদৰো আলোচনা কৰা হয়।

কাৰক আৰু সম্বন্ধপদত যোগ হোৱা অসমীয়া কাৰকবাচক বিভক্তি বা শব্দবিভক্তিবোৰক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি—

| **কাৰক** | **বিভক্তি** | **বিভক্তিৰ ৰূপ** | |
|---|---|---|---|
| | | **স্বৰান্ত শব্দত** | **ব্যঞ্জনান্ত শব্দত** |
| কৰ্তা | শূন্য<br>প্ৰথমা | -০<br>-এ, -ই | -০<br>-এ |
| কৰ্ম | শূন্য<br>দ্বিতীয়া | -০<br>-ক | -০<br>-অক |
| কৰণ | তৃতীয়া | -ৰে | -এৰে |
| নিমিত্ত | চতুৰ্থী | -লৈ | -অলৈ |
| অপাদান | — | — | — |
| সম্বন্ধ পদ | ষষ্ঠী | -ৰ | -অৰ |
| অধিকৰণ | সপ্তমী | -ত | -অত |

## (খ) অসমীয়া ভাষাৰ প্ৰত্যয়

বিভক্তিৰ আলোচনাত উল্লেখ কৰা হৈছে যে যুক্ত প্ৰাকৃতি বা শব্দৰ লগত যোগ হৈ নতুন অৰ্থৰহ শব্দৰ সাধন কৰিব পৰা যুক্ত প্ৰাকৃতিবোৰেই সৰ্গ। অসমীয়া ভাষাৰ শব্দ-সাধন প্ৰক্ৰিয়াৰ এটা মুখ্য ভাগ হৈছে সৰ্গৰ

সংযোগত শব্দ-সাধন। অসমীয়া ভাষাত দুই ধৰণে সৰ্গ যোগ হৈ শব্দৰ সাধন হয় ঃ মূল শব্দৰ আগত আৰু মূল শব্দৰ পিছত সৰ্গ যোগ হৈ শব্দৰ সাধন হ'ব পাৰে। মূল শব্দৰ আগত যোগ হোৱা সৰ্গবোৰক উপসৰ্গ বা পূৰ্ব সৰ্গ আৰু মূল শব্দৰ পিছত যোগ হোৱা সৰ্গক পৰসৰ্গ বোলা হয়।

শব্দ সাধনৰ সৰ্গবোৰক প্ৰত্যয় বুলি কোৱা হয়। সেই পিনৰ পৰা অসমীয়া ভাষাত প্ৰত্যয়ক দুটা প্ৰধান ভাগত ভগাব পাৰি— (১) পূৰ্ব প্ৰত্যয় আৰু (২) পৰ প্ৰত্যয়।

(১) **পূৰ্ব প্ৰত্যয় ঃ** উপসৰ্গবোৰেই পূৰ্ব প্ৰত্যয়। সংস্কৃতৰ কুৰিটা উপসৰ্গৰ ব্যৱহাৰ হোৱাৰ উপৰিও অসমীয়া ভাষাত আন কেইবাটাও উপসৰ্গৰ প্ৰয়োগ হয়। যেনে,

বে- ঃ বেদখল, বেআইন
আও- ঃ আওমৰণ, আওবাট
অ- ঃ অমিল, অসময়
অনা- ঃ অনাঅসমীয়া, অনাহক আদি।

(১) **পৰ প্ৰত্যয় ঃ** অসমীয়া ভাষাত পৰসৰ্গ বা পৰ প্ৰত্যয় দুই প্ৰকাৰৰ—

(ক) কৃৎ প্ৰত্যয় আৰু (খ) তদ্ধিৎ প্ৰত্যয়।

**(ক) কৃৎ প্ৰত্যয় ঃ**

ধাতুৰ পিছত যোগ হৈ যি প্ৰত্যয়ে নতুন অৰ্থবাচক শব্দৰ সৃষ্টি কৰে, তেনে প্ৰত্যয়কে কৃৎ প্ৰত্যয় বোলে। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা কিছুমান কৃৎ প্ৰত্যয়ৰ ব্যৱহাৰ তলত দেখুওৱা হ'ল।

| **ধাতু** | + | **কৃৎ প্ৰত্যয়** | = | **নতুন অৰ্থবাচক শব্দ** |
|---|---|---|---|---|
| বহ্ | + | -উৱা | = | বহুৱা |
| শো | + | -অন | = | শোৱন |
| উজা>উজ্ | + | -অনি | = | উজনি |
| মাগ্>মগ্ | + | -অনিয়াৰ | = | মগনিয়াৰ |
| নাচ্ | + | -অনী | = | নাচনী |
| কান্দ্ | + | -উৱা | = | কান্দুৱা ইত্যাদি। |



**(খ) তদ্ধিৎ প্ৰত্যয় ঃ** নামশব্দ বা প্ৰাতিপদিকৰ পিছত যোগ হৈ নতুন অৰ্থযুক্ত শব্দৰ সৃষ্টি কৰা প্ৰত্যয়কে তদ্ধিৎ প্ৰত্যয় বোলে।

অসমীয়া ভাষাত প্ৰয়োগ হোৱা তদ্ধিৎ প্ৰত্যয় কিছুমানৰ উদাহৰণ হৈছে—

| **নাম শব্দ/ প্ৰাতিপাদিক** | + | **তদ্ধিৎ প্ৰত্যয়** | = | **নতুন অৰ্থবাচক শব্দ** |
|---|---|---|---|---|
| খেত্ | + | -ই | = | খেতি |
| ধান | + | -অনি | = | ধাননি |
| ৰস | + | -আল | = | ৰসাল |
| ধাৰ | + | -উৱা | = | ধৰুৱা |
| বেগ | + | -আই | = | বেগাই |
| সাধু | + | -তা | = | সাধুতা ইত্যাদি। |

## (গ) জতুৱা ঠাঁচ

জতুৱা ঠাঁচ ভাষা এটাৰ স্বকীয় প্ৰকাশভংগী বা ঘৰুৱা কথনভংগী। দুটা বা ততোধিক শব্দ লগ লাগি গঠন হোৱা ভাষাৰ যি গোটে কেৱল আভিধানিক অৰ্থ প্ৰকাশতেই সীমাবদ্ধ নাথাকি সম্প্ৰসাৰিত অৰ্থ প্ৰকাশ কৰে, বৰং কেতিয়াবা আভিধানিক অৰ্থৰ পৰিৱৰ্তে সম্প্ৰসাৰিত অৰ্থহে মুখ্য হৈ পৰে, ভাষাৰ তেনে গোটকে জতুৱা ঠাঁচ বোলে।

জতুৱা ঠাঁচ ভাষা এটাৰ অলংকাৰ স্বৰূপ। ই ভাষাক শুৱলা আৰু চহকী কৰে। জতুৱা ঠাঁচ এক বাচিক কলা আৰু ই মানুহৰ মুখ বাগৰি অহা। মানুহৰ দৈনন্দিন জীৱনৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি অভিজ্ঞতাৰ পটভূমিত জতুৱা ঠাঁচ গঢ় লৈ উঠে আৰু পৰৱৰ্তী সময়ত এইবোৰ লিখিত ৰূপত প্ৰকাশ হয়। দৰাচলতে জতুৱা ঠাঁচবোৰ নিৰ্দিষ্ট ভাষিক গোষ্ঠী একোটাৰ স্বকীয় সম্পদ; জাতি একোটাৰ পৰিচায়ক। 'জতুৱা' শব্দটোৰ ব্যুৎপত্তি হৈছে 'জাত' (জাতি) শব্দৰ পৰা। 'চন্দ্ৰকান্ত অভিধান'ত জতুৱা শব্দৰ অৰ্থ দিয়া আছে এনেদৰে— "বিণ. নিজৰ জাতৰ বস্তুৰ দৰে হোৱা; বিজতৰীয়া নোহোৱা"।

জতুৱা ঠাঁচৰ দুই ধৰণৰ প্ৰয়োগ লক্ষ্য কৰা যায়—

(১) সাধাৰণ অৰ্থ প্ৰকাশক।

(২) সম্প্ৰসাৰিত অৰ্থ প্ৰকাশক।

**(১) সাধাৰণ অৰ্থ প্ৰকাশক জতুৱা ঠাঁচ ঃ** নাম শব্দৰ লগত ক্ৰিয়া বা আন শব্দ যোগ হৈ সাধাৰণ অৰ্থ প্ৰকাশক জতুৱা ঠাঁচবোৰ সৃষ্টি হয়।

উদাহৰণ ঃ

আউল লাগ্, আশা পাল্, ইতিকিং কৰ্, লগ ধৰ্,
কঠীয়া পাৰ্, কাপোৰ ধো, গছ বগা, আঁঠুৱা তৰ্,
দুৱাৰ মাৰ্, ঘৰ ভাঙ্, কথা হ্, ঘৰ সাজ্,
ধন দিয়া, পিয়াহ লগা, ফাঁকি দে। ইত্যাদি।

উল্লিখিত জতুৱা ঠাঁচবোৰ মোটামুটিভাৱে সাধাৰণ অৰ্থ প্ৰকাশক। এইবোৰত সম্প্ৰসাৰিত অৰ্থ মুখ্য হৈ পৰা নাই। এনে জতুৱা ঠাঁচ গঠন হোৱাৰ ক্ষেত্ৰত যোগ হোৱা শব্দ সমষ্টিৰ অৰ্থৰ সংগতি আৰু প্ৰয়োগৰ যোগ্যতা থকা নিতান্তই আৱশ্যক। উদাহৰণস্বৰূপে অসমীয়া ভাষাত মানুহৰ ক্ষেত্ৰত 'লগ' শব্দৰ লগত ধৰ্ শব্দ যোগ হোৱাৰহে যোগ্যতা আছে; সেয়েহে আমি 'দুটা বস্তু লগ কৰোঁ' কিন্তু 'মানুহক লগ ধৰোঁ'। তেনেদৰে 'ভৰি মেলোঁ' কিন্তু 'আঁঠুৱা তৰোঁ'।

**(২) সম্প্ৰসাৰিত অৰ্থ প্ৰকাশক জতুৱা ঠাঁচ ঃ** বিশেষ্য, বিশেষণ, ক্ৰিয়া আদি শব্দবোৰ ভিন্ ভিন্‌কৈ বা একেলগে প্ৰয়োগ হৈ সম্প্ৰসাৰিত অৰ্থ প্ৰকাশক জতুৱা ঠাঁচবোৰ গঠন হয়। এনে জতুৱা ঠাঁচ গঠন হোৱা শব্দবোৰৰ সাধাৰণ বা আভিধানিক অৰ্থ তল পৰি সম্প্ৰসাৰিত অৰ্থহে প্ৰকাশি উঠে।

উদাহৰণ ঃ

| | | |
|---|---|---|
| কপাল ফুলা | — | সৌভাগ্য উপস্থিত হোৱা |
| কাণে কাণ মাৰি | — | কোনোমতে |
| কঁকালত টঙালি বন্ধা | — | কোনো কামলৈ সাজু হোৱা |
| গা এৰা দিয়া | — | মনোযোগ নিদিয়া বা দায়িত্ব এৰা |
| গাৰ নোম ডাল ডাল হোৱা | — | অতিপাত ভয় খোৱা |
| গা টঙা | — | সুস্থ হৈ উঠা |



| | | |
|---|---|---|
| চকু কপালত উঠা | — | আচৰিত হোৱা |
| চকু চৰহা | — | আনৰ ভাল দেখিব নোৱৰা |
| চকুৰ কুটা | — | অপ্ৰিয়, শত্ৰু |
| মুখ বজোৱা | — | কাজিয়া কৰা |
| হাত লৰ | — | চোৰ স্বভাৱৰ |
| হাত দীঘল | — | ক্ষমতাশালী, প্ৰভাৱশালী |
| দাঁতে-ওঁঠে লগা | — | কাজিয়া-পেচাল কৰি থকা |
| দাঁত নোহোৱা | — | সাহস নথকা |
| হিয়াৰ আমঠু | — | অতি মৰমৰ |
| মূৰ পোলোকা দিয়া | — | দায়িত্বৰ পৰা আঁতৰি থকা |
| এলা-পেচা | — | সাধাৰণ |
| উৰুলি পুঙা | — | থান থিত নোহোৱা |
| পিঠি দিয়া | — | আওকাণ কৰা |
| অজীণ পাতকী | — | জীণ যাব নোৱৰা, মিলিব নোৱৰা |
| ঊনৈশত বা বলা | — | আনন্দত আত্মহাৰা হোৱা |

ইত্যাদি।

জতুৱা ঠাঁচৰ সৈতে খণ্ডবাক্য, প্ৰবাদ-প্ৰবচন, পটন্তৰ, ফকৰা-যোজনা আদি অভিধাবোৰো জড়িত হৈ থাকে। বহু সময়ত এইবোৰৰ মাজত পানী নসৰকা পাৰ্থক্য বিচাৰি উলিওৱা কঠিন হৈ পৰে। তথাপি কিছু কিছু সুকীয়া বৈশিষ্ট্যই এইবোৰক স্বকীয় মৰ্যাদা প্ৰদান কৰে।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। ভাষাৰ আটাইতকৈ ক্ষুদ্ৰ উপাদানটো কি?

২। শব্দ কাক বোলে?

৩। অসমীয়া ভাষাত কেতিয়াবা কৰ্তা আৰু কৰ্মকাৰকত কোনো বিভক্তি যোগ নহ'লে কি বিভক্তি যোগ হোৱা বুলি ধৰা হয়?

৪। অসমীয়া ভাষাত পূৰ্বসৰ্গ বা উপসৰ্গই শব্দ সাধন কৰেনে?

৫। জতুৱা ঠাঁচৰ দুই ধৰণৰ প্ৰয়োগ কি কি?

**(খ) চমু প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। ব্যাকৰণ কাক বোলে?

২। অসমীয়া ভাষাত বিভক্তিবোৰক প্ৰধানত কি কি ভাগত ভাগ কৰিব পাৰি?

৩। ক্ৰিয়াবিভক্তি কাক বোলে? দুটা উদাহৰণ দিয়া।

৪। প্ৰত্যয় কাক বোলে?

৫। পৰ প্ৰত্যয় বা পৰসৰ্গক কি কি দুটা ভাগত ভাগ কৰিব পাৰি?

**(গ) দীঘল প্ৰশ্ন । (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। ব্যাকৰণৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা।

২। অসমীয়া ভাষাত সম্বন্ধবাচক বিশেষ্যৰ পিছত যোগ হোৱা পুৰুষবাচক বিভক্তিবোৰৰ প্ৰয়োগ দেখুওৱা।

৩। অসমীয়া কাৰকবাচক বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰা।

৪। তলৰ শব্দবোৰত কি প্ৰত্যয় যোগ হৈছে ভাঙি দেখুওৱা।
খেতি, খাৱন, লিখক, ধাননি, কান্দুৰা।

৫। তলৰ জতুৱা ঠাঁচবোৰেৰে বাক্য গঠন কৰা।
কঁকালত টঙালি বন্ধা, চকু কপালত উঠা, দাঁতে-ওঁঠে লগা, মূৰ পোলোকা দিয়া, ঊনৈশত বা বলা।

●●●